PG AS S1 06 (DSE)

দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম

(চি.বি.চি.এচ. এন.ই.পি. ২০২০ অনুসৰি)

প্ৰথম ষাণ্মাসিক

ধ্বনিবিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব

অসমীয়া



পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° **দীপ্তি ফুকন পাটগিৰি,** অধ্যাপক, (অৱসৰপ্ৰাপ্ত), অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **উপেন ৰাভা হাকাচাম,** অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **বিমল মজুমদাৰ,** অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, সহযোগী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ড° প্ৰাণজিৎ বৰা, অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১ আৰু ২	ড° **কোকিল ডেকা,** এ. এছ. বি. ছি মহাবিদ্যালয়
৩	ড° **ইন্দ্রমোহন হাজৰিকা,** লংকা মহাবিদ্যালয়
৪	ড° **প্ৰণিতা বৰ্মন,** আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়
৫	**চম্পা পাটগিৰি,** আৰ্যবিদ্যাপীঠ মহাবিদ্যালয়
৬, ৭, ৮, ১০ আৰু ১৩	ড° **মনালিচা বৰা,** এছ. বি. এম. এছ মহাবিদ্যালয়
৯ আৰু ১৪	ড° **প্ৰভাত ভূঞা,** অসম বিশ্ববিদ্যালয়, ডিফু চৌহদ
১১	ড° **স্মৃতিৰেখা ভূঞা,** গুৱাহাটী মহাবিদ্যালয়
১২	ড° **ভাস্কৰজ্যোতি শৰ্মা,** এবিলেক, উত্তৰ গুৱাহাটী

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা	ঃ	ড° **উপেন ৰাভা হাকাচাম,** গুৱাহাটী বিশ্ববিদ্যালয় **(অধ্যায় ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০ আৰু ১১)** ড° **খগেশ সেন ডেকা,** পূব কামৰূপ মহাবিদ্যালয় **(অধ্যায় ১২ আৰু ১৩)** ড° **ভাস্কৰজ্যোতি শৰ্মা,** এবিলাক উত্তৰ গুৱাহাটী **(অধ্যায় ১৪)**
গাঁথনিক সম্পাদনা	ঃ	ড° **নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

জুলাই ২০২৩

ISBN: xxxxx xxxxxx xxxxxx

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্ৰকাশিত।

মুখ্য কাৰ্য্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in

নগৰ কাৰ্য্যালয় ঃ ৰাষ্ট্ৰীয় ঘাইপথ নং- ৩৭, ৰেচম নগৰ, খানাপাৰা (বড়োলেণ্ড গেষ্টহাউচৰ সমীপত) গুৱাহাটী- ৭৮১০২২

এই শিক্ষণ সামগ্ৰী প্ৰস্তুতিৰ বাবে আৰ্থিক অনুদান আগবঢ়োৱা
দূ�ৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

পাঠ্যবিষয়ৰ পৰিচয় ঃ ধ্বনিবিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ প্ৰথম ষাণ্মাসিকৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা তৃতীয়খন ঐচ্ছিক পাঠ্যবিষয়। পাঠ্যবিষয়ৰ শিৰোনাম 'ধ্বনিবিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব'ৰ পৰাই ধাৰণা কৰিব পাৰি যে এই বিশেষ পাঠ্যবিষয়ত ভাষাবিজ্ঞানৰ অন্তৰ্গত এটা গুৰুত্বপূৰ্ণ অংশ ধ্বনিবিজ্ঞানৰ আলোচনা কৰা হৈছে। তদুপৰি ইয়াত বিশেষভাৱে অসমীয়া ধ্বনিতত্ত্বৰ আলোচনা আগবঢ়োৱা হৈছে। আহকচোন, এই পাঠ্যবিষয়খনতনো কেনে ধৰণৰ বিষয়বস্তু সন্নিৱিষ্ট হৈছে তাৰ লেখ লওঁ।

পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়টোৰ নাম 'ধ্বনিবিজ্ঞানৰ সাধাৰণ পৰিচয়'। ইয়াত ধ্বনিবিজ্ঞানৰ পৰিচয়মূলক আলোচনা আগবঢ়োৱা হৈছে। দ্বিতীয় অধ্যায় 'ধ্বনিবিজ্ঞানৰ শাখা-প্ৰশাখা'ত ধ্বনিবিজ্ঞানৰ তিনিটা প্ৰধান শাখা-উচ্চাৰণাত্মক ভাষাবিজ্ঞান, ধ্বনিতৰংগবিজ্ঞান আৰু প্ৰতিধ্বনিবিজ্ঞানৰ পৰিচয় আৰু বৈশিষ্ট্যসমূহ আলোচনা কৰা হৈছে। তৃতীয় অধ্যায় 'ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্ব'ত ধ্বনিবিজ্ঞানৰ আলোচনাত বাগিন্দ্ৰিয়ৰ ভূমিকা কেনে তাক বিস্তৃতভাৱে আলোচনা কৰা হৈছে। চতুৰ্থ অধ্যায়ৰ শিৰোনাম 'ধ্বনি, বৰ্ণ-বিশিষ্ট ধ্বনি, উপধ্বনি'। এই অধ্যায়টোত সূক্ষ্মভাৱে ধ্বনি কি তাক উদাহৰণসহ ব্যাখ্যা কৰাৰ লগতে বৰ্ণ-বিশিষ্ট্য ধ্বনি আৰু উপধ্বনিৰ বিষয়ে আলোচনা কৰা হৈছে। পঞ্চম অধ্যায়ৰ বিষয়বস্তু হৈছে 'অসমীয়া ভাষাৰ অনুক্ৰম বৰ্ণ আৰু উপহিত বৰ্ণ'। ইয়াতো আলোচ্য বিষয়বস্তু শিক্ষাৰ্থীক ভালদৰে বুজোৱাত গুৰুত্ব দিয়া হৈছে। ষষ্ঠ আৰু সপ্তম অধ্যায়ত ক্ৰমে 'অসমীয়া ভাষাৰ স্বৰধ্বনি আৰু সেইবোৰৰ বিৰোধী প্ৰয়োগ' আৰু 'অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনি আৰু সেইবোৰৰ বিৰোধী প্ৰয়োগ উদাহৰণসহ আলোচনা কৰা হৈছে। অষ্টম অধ্যায়ৰ শিৰোনাম 'অসমীয়া ভাষাৰ ধ্বনি আৰু আখৰমালা'। মন কৰিব, বহুতেই ধ্বনি আৰু আখৰৰ মাজত থকা সূক্ষ্ম পাৰ্থক্য বুজি নাপায়। কিন্তু এই পাঠৰ অধ্যয়নে সেই বিষয়টো বুজাত যথেষ্ট সহায় কৰিব। প্ৰত্নলিপি, চৰ্যাপদ আদি কৰি বিভিন্ন স্তৰ অতিক্ৰম কৰি আহি অসমীয়া লিপিয়ে আজিৰ স্থিতি লাভ কৰিছে। এই বিষয়ে এটি গুৰুত্বপূৰ্ণ মনোগ্ৰাহী আলোচনা আলোচনা 'অসমীয়া ধ্বনিৰ ঐতিহাসিক বিকাশ'-এ নৱম অধ্যায়ত স্থান লাভ কৰিছে। দশম অধ্যায়ত 'অসমীয়া ভাষাৰ সৈতে মাগধীয় ভাষাৰ (বাংলা, ওড়িয়া আৰু মৈথিলী) ধ্বনিমালাৰ তুলনা'ত উল্লিখিত ভাষাকেইটাৰ ধ্বনিমালাৰ লগত অসমীয়া ধ্বনিমালাৰ সাদৃশ্য, বৈসাদৃশ্যসমূহ আলোচিত হৈছে। একাদশ অধ্যায়ৰ শিৰোনাম 'অসমীয়া ধ্বনিত আৰ্যভিন্ন উপাদান।' এইটোৱো এটা মনোজ্ঞ অধ্যায় য'ত অসমীয়া ধ্বনিক আৰ্যভিন্ন ভাষা পৰিয়ালৰ ধ্বনিসমূহে প্ৰভাৱিত কৰা দেখিবলৈ পাইছো। দ্বাদশ অধ্যায়ৰ শিৰোনাম 'আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি আৰু লিপ্যন্তৰ'। ইয়াত আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা আগবঢ়োৱা হৈছে। ত্ৰয়োদশ অধ্যায়ৰ শিৰোনাম 'অসমীয়া আখৰ জোঁটনি। ইয়াত অসমীয়া আখৰ জোঁটনিৰ ক্ৰমবিকাশ সম্পৰ্কে আলোচনা কৰা হৈছে। চতুৰ্দশ তথা শেষ অধ্যায়ত এটা অতি মনোজ্ঞ বিষয় আলোচনা কৰা হৈছে। বিষয়টো হৈছে 'বিজ্ঞান, প্ৰযুক্তি আৰু অসমীয়া লিপি'। ইয়াত অসমীয়া ধ্বনিৰ উচ্চাৰণগত দিশ আৰু লেখনৰ দিশত বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰায়োগিক দিশৰ কথা আলোচিত হৈছে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্ৰগতিৰ খতিয়ান'ত সন্নিবিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্ৰশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ ধ্বনিবিজ্ঞানৰ চমু পৰিচয় ৭ - ১০

ধ্বনি ঃ সাধাৰণ পৰিচয়; ধ্বনিবিজ্ঞানৰ সাধাৰণ পৰিচয়

অধ্যায় ২ ঃ ধ্বনিবিজ্ঞানৰ শাখা-প্ৰশাখা ১১ - ১৫

ধ্বনিবজ্ঞানৰ শাখা-প্ৰশাখাসমূহ; উচ্চাৰণাত্মক ভাষাবিজ্ঞান, ধ্বনিবিজ্ঞান বা শ্ৰুতিধ্বনি বিজ্ঞান, শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান

অধ্যায় ৩ ঃ ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্ব ১৬ - ২৯

ধ্বনিবিজ্ঞানৰ আলোচনাত বাগিন্দ্ৰিয়ৰ ভূমিকা; ধ্বনিৰ উচ্চাৰণ, উচ্চাৰণৰ স্থান আৰু কৰণ অনুযায়ী ধ্বনিৰ প্ৰকাৰ, ধ্বনিতৰঙ্গ আৰু শ্ৰৱণ, ধ্বনিতত্ত্বৰ পৰিচয় ঃ বাগধ্বনি আৰু বাগধ্বনিৰ শ্ৰেণীবিভাজন; স্বৰধ্বনি, ব্যঞ্জনধ্বনি

অধ্যায় ৪ ঃ ধ্বনি, বৰ্ণ-বিশিষ্ট ধ্বনি, উপধ্বনি ৩০ - ৫১

ধ্বনিৰ অৰ্থ; বৰ্ণ-বিশিষ্ট ধ্বনি; উপধ্বনি

অধ্যায় ৫ ঃ অসমীয়া ভাষাৰ অনুক্ৰম বৰ্ণ আৰু উপহিত বৰ্ণ ৫২ - ৬০

অনুক্ৰম ধ্বনি বা বৰ্ণ; উপহিত বৰ্ণ

অধ্যায় ৬ ঃ অসমীয়া ভাষাৰ স্বৰধ্বনি, শ্ৰেণী বিভাজন আৰু স্বৰধ্বনিৰ বিৰোধী প্ৰয়োগ ৬১ - ৭০

স্বৰধ্বনিৰ পৰিচয়; স্বৰধ্বনিৰ শ্ৰেণী বিভাজন, স্বৰধ্বনীৰ বিৰোধী প্ৰয়োগ

অধ্যায় ৭ ঃ অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনি, শ্ৰেণী বিভাজন আৰু ব্যঞ্জধ্বনিৰ বিৰোধী প্ৰয়োগ ৭১ - ৮৪

ব্যঞ্জনধ্বনিৰ পৰিচয়; ব্যঞ্জনধ্বনিৰ শ্ৰেণী বিভাজন, ব্যঞ্জনধ্বনিৰ বিৰোধী প্ৰয়োগ

অধ্যায় ৮ ঃ অসমীয়া ভাষাৰ ধ্বনি আৰু আখৰমালা ৮৫ - ৯৪

অসমীয়া ভাষাৰ আখৰমালা ঃ চমু পৰিচয়; অসমীয়া ভাষাৰ স্বৰধ্বনি আৰু আখৰমালা, অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনি আৰু আখৰমালা

অধ্যায় ৯ ঃ অসমীয়া ধ্বনিৰ ঐতিহাসিক বিকাশ ৯৫ - ১২০

প্ৰত্নলিপি, প্ৰত্নলেখ; চৰ্যাপদ আৰু অন্যান্য লিখিত সাহিত্য শ্ৰেণীত পৰিলক্ষিত হোৱা ধ্বনিৰ বিকাশ; অন্যান্য প্ৰান্তত পৰিলক্ষিত হোৱা ধ্বনিৰ ঐতিহাসিক বিকাশ

অধ্যায় ১০ ঃ অসমীয়া ভাষাৰ সৈতে মাগধীয় ভাষাৰ (বাংলা, ওড়িয়া আৰু মৈথিলী) ধ্বনিমালাৰ তুলনা ১২১ - ১৪৩

অসমীয়া আৰু বাংলা ধ্বনিৰ তুলনা; অসমীয়া আৰু বাংলা ভাষাৰ স্বৰধ্বনিৰ তুলনা, অসমীয়া আৰু বাংলা ভাষাৰ ব্যঞ্জনধ্বনিৰ তুলনা, অসমীয়া আৰু ওড়িআ ধ্বনিৰ তুলনা; অসমীয়া আৰু ওড়িয়া স্বৰধ্বনিৰ তুলনা, অসমীয়া আৰু ওড়িয়া ব্যঞ্জনধ্বনিৰ তুলনা, মৈথিলী ভাষাৰ এক চমু পৰিচয়

অধ্যায় ১১ ঃ অসমীয়া ধ্বনিত আর্যভিন্ন উপাদান **১৪৪ - ১৫৪**

আর্যভিন্ন ভাষা পৰিয়াল আৰু অসমীয়া ভাষাৰ ওপৰত তাৰ প্ৰভাৱ; অসমত প্ৰচলন থকা বিভিন্ন আর্যভিন্ন ভাষাৰ ধ্বনিয়ে কি ধৰণে অসমীয়া ভাষাৰ ধ্বনিক প্ৰভাৱিত কৰিছে

অধ্যায় ১২ ঃ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি আৰু লিপ্যন্তৰ **১৫৫ - ১৬৭**

আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি এটি আলোচনা; আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ প্ৰয়োজনীয়তা; আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ সহায়ত লিপ্যন্তৰকৰণ

অধ্যায় ১৩ ঃ অসমীয়া আখৰ-জোঁটনি **১৬৮ - ১৮১**

অসমীয়া আখৰ-জোঁটনি ঃ এক সাধাৰণ পৰিচয়; অসমীয়া আখৰ-জোঁটনিৰ ক্ৰমবিকাশ; অসমীয়া আখৰ-জোঁটনিৰ সমস্যা; আখৰ-জোঁটনিৰ সমস্যা আৰু সমাধানৰ উপায়, বিদেশী শব্দৰ লিপ্যন্তৰকৰণ

অধ্যায় ১৪ ঃ বিজ্ঞান, প্ৰযুক্তি আৰু অসমীয়া ধ্বনি, ধ্বনিৰ উচ্চাৰণগত দিশ আৰু লেখনৰ দিশত বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰায়োগিক দিশ **১৮২ - ১৯৮**

বিজ্ঞান-প্ৰযুক্তি আৰু অসমীয়া ধ্বনি; ধ্বনিবিজ্ঞানৰ পৰিচয় আৰু ইয়াৰ বিভাগসমূহ, তৰংগ ধ্বনিবিজ্ঞানৰ প্ৰয়োজনীয়তা, তৰংগ ধ্বনিবিজ্ঞানৰ সহায়ত বাগধ্বনিৰ বৈশিষ্ট্য নির্ণয়, ধ্বনিবিজ্ঞান অধ্যয়নত ব্যৱহৃত বিভিন্ন যন্ত্ৰ-পাতি আৰু শেহতীয়া অগ্ৰগতি, অসমীয়া ভাষাৰ লেখনৰ দিশত বিজ্ঞান আৰু প্ৰযুক্তিৰ ব্যৱহাৰ; কম্পিউটাৰ আৰু অসমীয়া ভাষা লেখন সঁজুলি, ইউনিক'ড, অসমীয়া অনলাইন আৰু চফ্‌টৱেৰ অভিধান ইত্যাদি

প্ৰসঙ্গ পুথি **১৯৯ - ২০১**

অধ্যায় ১ ঃ ধ্বনিবিজ্ঞানৰ চমু পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ ধ্বনি ঃ সাধাৰণ পৰিচয়
১.৪ ধ্বনিবিজ্ঞানৰ সাধাৰণ পৰিচয়
১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৬ অধিক জানিবলৈ
১.৭ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)
১.৮ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ধ্বনিৰ সাধাৰণ পৰিচয় আগবঢ়াব পাৰিব।
- ধ্বনিৰ সংজ্ঞা আগবঢ়াব পাৰিব।
- ধ্বনিৰ আকৃতি আৰু প্রকৃতিগত বৈশিষ্ট্য সম্বন্ধে জানিব পাৰিব।
- ধ্বনিবিজ্ঞানৰ বিভিন্ন দিশসমূহৰ ধাৰণা লাভ কৰিব।

১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া প্রথম ষাণ্মাসিকৰ তৃতীয় ঐচ্ছিক পাঠ্যবিষয়ৰ অন্তর্গত "ধ্বনিবিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব" শীর্ষক কাকতৰ প্রথম অধ্যায় হৈছে 'ধ্বনিবিজ্ঞানৰ চমু পৰিচয়'। ভাষাৰ আটাইতকৈ সৰু আৰু মৌলিক সামগ্রীয়েই হৈছে ধ্বনি, আকৌ ভাষাবিজ্ঞানৰ অধ্যয়নৰ তিনিটা স্তৰৰ এটি প্রধান স্তৰ হৈছে ধ্বনিবিজ্ঞান। শিক্ষার্থীসকলেল এই অধ্যায় অধ্যয়নৰ যোগেদি ধ্বনি আৰু ধ্বনিবিজ্ঞান সম্পর্কে আভাস লাভ কৰিবলৈ সক্ষম হ'ব। অধ্যায়টিৰ আলোচনাত ধ্বনি আৰু ধ্বনিবিজ্ঞান প্রত্যেকৰে বৈশিষ্ট্য আৰু ইহঁতৰ মাজৰ সম্পর্কৰ বিষয়ে আভাস দিবলৈ প্রয়াস কৰা হৈছে।

১.৩ ধ্বনি ঃ সাধাৰণ পৰিচয়

ভাষাৰ প্রাথমিক আৰু মূল সামগ্রীবিধেই হৈছে ধ্বনি। এই ধ্বনি মানৱ বাগ্‌যন্ত্রৰ দ্বাৰা উচ্চাৰিত। হাওঁফাওঁৰ পৰা বাহিৰলৈ ওলাই অহা নাইবা বাহিৰৰ পৰা ভিতৰলৈ বায়ু শুহি লৈ বাগিন্দ্রিয়ৰ সহায়ত সৃষ্টি কৰা বিভিন্ন নাদ সমূহেই ধ্বনি। অর্থাৎ বাগ্‌যন্ত্রৰ বাহিৰে অন্য যিকোনো উপায়েৰে উৎপন্ন ধ্বনিক ভাষাবিজ্ঞানৰ অন্তর্ভুক্ত কৰিব নোৱাৰি। ধ্বনি উচ্চাৰণৰ গোটেই

প্ৰক্ৰিয়াটোত মানৱ বাগ্‌যন্ত্ৰৰ ওঁঠ, দাঁত, তালুকা, আলজিভা, জিভা, ঘটিকা, মুখবিৱৰ ইত্যাদি অংশসমূহে ভূমিকা গ্ৰহণ কৰে। এই উচ্চাৰিত ধ্বনিসমূহ নিৰ্দিষ্ট বাক্-সম্প্ৰদায় অনুযায়ী প্ৰণালীবদ্ধ প্ৰয়োগৰ ফলতহে শ্ৰোতাৰ বোধগম্য হয়। উদাহৰণস্বৰূপে মহাপুৰুষ- শব্দটো লেখোতে ম্‌ÙÂঅÙÂহ্‌ÙÂআÙÂপ্‌ÙÂউÙÂৱ্‌ÙÂউÙÂষ -এই ধ্বনিকেইটা নিৰ্দিষ্ট ক্ৰমত লগলাগি উক্ত শব্দটোৰ সৃষ্টি হৈছে। এই ক্ৰম অসমীয়া ভাষাৰ নিজা, আনহাতে এই ক্ৰমে অসমীয়া ভাষাৰ ব্যতিৰেকে অন্য ভাষাত এই শব্দই কোনো অৰ্থ প্ৰকাশ কৰিব নোৱাৰে।



জানি থোৱা ভাল

পৃথিৱীৰ বিভিন্ন অঞ্চলত বাহিৰৰ বায়ুপ্ৰবাহক ভিতৰলৈ টানি লৈয়ো বাগধ্বনি উচ্চাৰণ কৰাৰ ৰীতি প্ৰচলিত। ভাৰতীয় আৰ্য ভাষাবোৰৰ ভিতৰত সিন্ধী ভাষাত এনে ধ্বনি পোৱা যায়। তদুপৰি অসমীয়া, বঙলা, মাৰাঠী আদি ভাষাতো তাকৰীয়াকৈ হ'লেও এনে ধ্বনিৰ ব্যৱহাৰ পোৱা যায়।

১.৪ ধ্বনিবিজ্ঞানৰ সাধাৰণ পৰিচয়

ধ্বনিবিজ্ঞান হৈছে ভাষাবিজ্ঞানৰ এটি ভাগ। গ্ৰীক ভাষাত Phone মানে ধ্বনি আৰু বিদ্যা, -tics প্ৰত্যয়ে জ্ঞান বা শাস্ত্ৰ অৰ্থ জ্ঞাপন কৰি Phonetics অৰ্থাৎ ধ্বনিবিজ্ঞান শব্দটো পোৱা গৈছে। ধ্বনিবিজ্ঞানত ধ্বনি উচ্চাৰণৰ বিতং বিশ্লেষণ যেনে, উচ্চাৰণৰ বিভিন্ন কৌশল বা ধৰণ বা স্থান, ধ্বনিৰ লক্ষণ আৰু গুণ আৰু এইবোৰৰ প্ৰকৃতি বা স্বৰূপ ইত্যাদিৰ বিজ্ঞানসন্মত আলোচনা কৰা হয়। অৰ্থাৎ বাগধ্বনিৰ বিষয়ক সমস্ত জ্ঞানৰ বিতং বিৱৰণ ধ্বনিবিজ্ঞানৰ বিষয়বস্তু। ধ্বনিবিজ্ঞানত কোনো এটা বিশেষ ভাষাৰ বিষয়ে অধ্যয়ন কৰা নহয়, বৰঞ্চ সামগ্ৰিকভাৱে পৃথিৱীৰ সমস্ত ভাষাসমূহৰ বাক্‌ধ্বনিসমূহৰ সাধাৰণ বিশ্লেষণ আগবঢ়োৱা হয়। ধ্বনিবিজ্ঞানৰ আধাৰত কোনো এটি বিশেষ ভাষাৰ বিশ্লেষণ ধ্বনিতত্ত্বৰ বিষয়বস্তু। উদাহৰণ স্বৰূপে অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব, ইংৰাজী ভাষাৰ ধ্বনিতত্ত্ব, ফৰাচী ভাষাৰ ধ্বনিতত্ত্ব ইত্যাদি। ধ্বনিবিজ্ঞানৰ প্ৰধান কামসমূহ চমুকৈ তলত দিয়া ধৰণে ক'ব পাৰি—

(ক) বাগিন্দ্ৰিয়ৰ দ্বাৰা উৎপাদিত ধ্বনিসমূহৰ তাত্ত্বিক আৰু প্ৰায়োগিক দিশৰ অধ্যয়ন কৰা হয়। ধ্বনিসমূহৰ উচ্চাৰণৰ বিশেষত্ব অনুসৰি ধ্বনিৰ প্ৰকাৰ আৰু পৰিভাষা নিৰ্ণয় কৰা হয়। পৃথিৱীৰ সকলো ভাষাতে উচ্চাৰিত ধ্বনিসমূহৰ বিচাৰ বিশ্লেষণ কৰা হয়।

(খ) বাগিন্দ্ৰিয় (Organ of Speech) অৰ্থাৎ নাসিকাবিবৰ, ঘটিকা বা বাগ্‌যন্ত্ৰ, স্বৰতন্ত্ৰী, গলকোষ, তালুকা, ওঁঠ, দাঁত, জিভা আদিয়ে ধ্বনিসমূহৰ উৎপাদনত কেনেদৰে কাম কৰে এই সম্পৰ্কেও ধ্বনিবিজ্ঞানত আলোচনা কৰা হয়।


ধ্বনিবিজ্ঞানত বাগধ্বনিসমূহক তিনিটা দিশৰ বিচাৰ-বিশ্লেষণ কৰা হয়— উৎপাদন, সংবহন আৰু গ্ৰহণ। উক্ত তিনিটা দিশৰ আলোচনাৰ পৰাই ধ্বনিবিজ্ঞানত তিনিটা প্ৰধান শাখাৰ সংযোজন হৈছে। প্ৰথমটো ধ্বনি উৎপাদন অৰ্থাৎ উচ্চাৰণ আৰু বাগিন্দ্ৰিয়বোৰৰ বৰ্ণনা, উচ্চাৰণৰ

স্থান, প্রকাৰ আৰু কৌশল অনুসৰি কৰা শ্রেণীবিভাগ ইত্যাদিৰ আলোচনাক উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান (Articulatory Phonetics) কোৱা হৈছে। দ্বিতীয়তে, বাগ্‌ধ্বনিৰ উচ্চাৰণৰ সময়ত বক্তা আৰু শ্রোতাৰ বায়ুমণ্ডলত কিছুমান ধ্বনিতৰংগৰ সৃষ্টি হয়। বায়ুতৰংগৰ উঠা-নমা, বিস্তৃতি ইত্যাদিৰ সমস্ত ধ্বনিতৰংগ বিষয়ক আলোচনা য'ত কৰা শাখাটোৰ নাম তৰংগ ধ্বনিবিজ্ঞান (Acoustic Phonetics) কোৱা হৈছে। এই শাখাটো অধ্যয়ন কৰোতে বিভিন্ন ধৰণৰ বৈজ্ঞানিক সা-সৰঞ্জাম যেনে পেলেটোগ্রাফ, কাইমোগ্রাফ, স্পেক্টোগ্রাফ আদিৰ সহায় লোৱা হয়। তৃতীয়তে, বক্তাৰ মুখৰ পৰা নির্গত হোৱা ধ্বনিসমূহে বায়ুমণ্ডলৰ মাধ্যমেৰে গৈ শ্রোতাৰ কর্ণকোহৰত স্পর্শ কৰি সংবাদ গ্রহণ কৰালৈকে সমগ্র বিষয়বস্তু আলোচনা শ্রৱণাত্মক ধ্বনিবিজ্ঞান (Auditory Phonetics) কোৱা হয়।



জানি থোৱা ভাল

- ধ্বনিতৰংগ বিজ্ঞান বা শ্রুতিধ্বনিবিজ্ঞান শাখাটোত ধ্বনিৰ গুণ সম্পর্কে অধ্যয়ন কৰোঁতে বিভিন্ন যন্ত্র-পাতি যেনে, পেলেটোগ্রাফ, কাইমোগ্রাফ, স্পেক্টোগ্রাফ আদিৰ সহায় লোৱা হয়। এই শাখাটোক প্রায়োগিক ধ্বনিবিজ্ঞান (Experimental Phonetics) নাইবা যান্ত্রিক ধ্বনিবিজ্ঞান (Instrumental Phonetics) আদি নামেৰেও জনা যায়।
- শ্রৱণাত্মক ধ্বনি বিজ্ঞানৰ সূচনা হয় দ্বিতীয় মহাযুদ্ধৰ পাছৰ পৰা।
- শ্রৱণাত্মক ধ্বনিবিজ্ঞানে স্বৰ আৰু ব্যঞ্জনৰ ক্ষেত্রত এটা ভাল সিদ্ধান্ত দিব নোৱাৰে বুলি ভাষাতত্ত্ববিদসকলে ভাবে। সেয়েহে তেওঁলোকে ধ্বনিৰ এনে অধ্যয়নক ধ্বনিবিজ্ঞানৰ অন্তর্গত কৰি ল'ব নিবিচাৰে।
- ধ্বনিসমূহৰ সাধাৰণ ভাষাবিজ্ঞান (General Linguistics)ত বিশ্লেষণৰ বাবে উচ্চাৰণাত্মক ধ্বনিবিজ্ঞানকহে বেছি গুৰুত্ব দিয়া হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ধ্বনিবিজ্ঞান কি? ধ্বনিবিজ্ঞানৰ ভাগসমূহ কি কি? (১০০ টা শব্দৰ ভিতৰত)

.....



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষাৰ মূল হৈছে ধ্বনি। এই ধ্বনি মানৱ বাগ্‌যন্ত্রৰ দ্বাৰা উৎপন্ন হয়।
- ধ্বনিসমূহৰ ব্যৱহাৰ নির্দিষ্ট গোষ্ঠীৰ বা বাক্‌সম্প্রদায় সাপেক্ষ। অর্থাৎ ধ্বনিবোৰৰ ব্যৱহাৰ যাদৃচ্ছিক (Arbitrary)।

- ধ্বনিবিজ্ঞানত বাক্‌ধ্বনিসমূহৰ প্ৰণালীবদ্ধ অধ্যয়ন কৰা হয়। পৃথিৱীৰ সকলো ভাষাৰ বাক্‌ধ্বনিৰ অধ্যয়ন ধ্বনিবিজ্ঞানৰ অন্তৰ্গত বিষয়। আনহাতে কোনো নিৰ্দিষ্ট ভাষা এটাৰ অধ্যয়ন ভাষাতত্ত্বৰ বিষয়বস্তু।
- বাগিন্দ্ৰিয় (Organ of Speech) অৰ্থাৎ নাসিকাবিবৰ, ঘটিকা বা বাগ্‌যন্ত্ৰ, স্বৰতন্ত্ৰী, গলকোষ, তালুকা, ওঁঠ, দাঁত, জিভা আদিয়ে বাগ্‌ধ্বনি উচ্চাৰণত কিদৰে ভূমিকা পালন কৰে তাকো ধ্বনিবিজ্ঞানে আলোচনা কৰে।
- ধ্বনিবিজ্ঞানৰ প্ৰধান ভাগ তিনিটা যেনে— উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান, তৰংগ ধ্বনিবিজ্ঞান আৰু শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান।



১.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কোঁৱৰ, অৰ্পণা; ২০০২ ভাষাবিজ্ঞান উপক্ৰমণিকা, গুৱাহাটী ঃ বনলতা

২) গোস্বামী, গোলোকচন্দ্ৰ; ১৯৬৬ ধ্বনিবিজ্ঞানৰ ভূমিকা, গুৱাহাটী ঃ বাণী প্ৰকাশ

৩) গোস্বামী, গোলোকচন্দ্ৰ; ১৯৯৯ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী

৪) দত্তবৰুৱা, ফণীন্দ্ৰনাৰায়ণ; ১৯৯০ আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়, গুৱাহাটী ঃ বীণা মন্দিৰ

৫) ৰমেশ, পাঠক; ১৯৯১ ভাষাবিজ্ঞানৰ ভূমিকা, গুৱাহাটী ঃ অৰুণ প্ৰকাশ



১.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্ন উত্তৰ ঃ ধ্বনিবিজ্ঞানৰ পৰিচয়.....ধ্বনিবিজ্ঞানৰ অন্তৰ্গত বিভিন্ন শাখাসমূহৰ পৰিচয়মূলক আলোচনা।



১.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ বাগ্‌ধ্বনি বুলিলে কি বুজে?

প্ৰশ্ন নং ২ ঃ ধ্বনি আৰু ধ্বনিবিজ্ঞানৰ মাজৰ সম্পৰ্ক সম্বন্ধে চমু আলোচনা আগবঢ়াওক।

প্ৰশ্ন নং ৩ ঃ বাগ্‌ধ্বনি উচ্চাৰণত ব্যৱহাৰ হোৱা অংশসমূহৰ নাম লিখা।

প্ৰশ্ন নং ৪ ঃ ধ্বনিবিজ্ঞানে কোনবিলাক বিষয়ক সাঙোৱে বিচাৰ কৰক।

প্ৰশ্ন নং ৫ ঃ ধ্বনিবিজ্ঞানৰ অন্তৰ্গত বিভাগসমূহ কি কি? আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ ধ্বনিবিজ্ঞানৰ শাখা-প্ৰশাখা

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ ধ্বনিবিজ্ঞানৰ শাখা-প্ৰশাখাসমূহ
২.৩.১ উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান
২.৩.২ ধ্বনিবিজ্ঞান বা শ্ৰুতিধ্বনি বিজ্ঞান
২.৩.৩ শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান
২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৫ অধিক জানিবলৈ
২.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
২.৭ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ধ্বনিবিজ্ঞানৰ শাখা-প্ৰশাখা সমূহৰ পৰিচয় আগবঢ়াব পাৰিব
- উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান সম্পৰ্কে জানিব পাৰিব
- ধ্বনি তৰংগবিজ্ঞান বা শ্ৰুতিধ্বনি বিজ্ঞান সম্পৰ্কে জানিব পাৰিব
- শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান বা শ্ৰুয়মান ধ্বনিবিজ্ঞানৰ সম্পৰ্কে অৱগত হ'ব।

২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া প্ৰথম ষাণ্মাসিকৰ তৃতীয় ঐচ্ছিক পাঠ্যবিষয় 'ধ্বনিবিজ্ঞানৰ শাখা-প্ৰশাখা' শীৰ্ষক পাঠ্যবিষয়ৰ এইটো দ্বিতীয় অধ্যায়। ইয়াত আপুনি ধ্বনিবিজ্ঞানৰ শাখা-প্ৰশাখাসমূহৰ পৰিচয় লাভ কৰিব। বাগ্ধ্বনিসমূহৰ উচ্চাৰণ, প্ৰেৰণ আৰু গ্ৰহণৰ বিজ্ঞানসন্মত অধ্যয়নেই হ'ল ধ্বনিবিজ্ঞান। ধ্বনিবিজ্ঞানে মানুহৰ কথিত ৰূপত মাধ্যমটোৰ বিষয়ে তিনি ধৰণে বিশ্লেষণ কৰি আলোচনা কৰে। এই বাগযন্ত্ৰৰ বিভিন্ন অংশসমূহৰ বিষয়ে বিশ্লেষণ কৰি যাৰ দ্বাৰা ভাষা একোটাৰ ধ্বনিসমূহ উচ্চাৰণ কৰা হয়। ধ্বনি উচ্চাৰণত সংক্ৰমিত হোৱা বায়ুপ্ৰবাহৰ তৰংগৰ বিষয়ে বিশ্লেষণ কৰাৰ লগতে বক্তাৰ দ্বাৰা উচ্চাৰিত ধ্বনি শ্ৰোতাই শ্ৰৱণেন্দ্ৰিয়ৰ মাজেৰে কিদৰে গ্ৰহণ কৰে তাৰ বিশ্লেষণো ধ্বনিবিজ্ঞানৰেই অন্তৰ্ভুক্ত।

ধ্বনিবিজ্ঞানৰ দ্বাৰা সকলো মানুহৰ ধ্বনি উচ্চাৰণত হোৱা মৌখিক কোলাহল (Noie) সমূহৰ বৈশিষ্ট্য বিশ্লেষণ কৰা হয়। প্ৰকৃততে ধ্বনিবিজ্ঞানত ধ্বনিৰ উচ্চাৰণ, উচ্চাৰণৰ বিভিন্ন ধৰণ, স্থান আৰু ধ্বনিৰ বিভিন্ন গুণ আদিৰ লগতে বাগিন্দ্ৰিয়ৰ গঠন আৰু প্ৰক্ৰিয়া সম্পৰ্কে বিশ্লেষণ

কৰা হয়। বৰ্তমান ধ্বনি উচ্চাৰণ, ধ্বনিৰ বৰ্ণনা, শ্ৰেণী বিভাজন, ধ্বনি উচ্চাৰণ আৰু গ্ৰহণৰ ক্ষেত্ৰত মানৱ শৰীৰৰ লগত পদাৰ্থবিজ্ঞানক সাঙুৰি ধ্বনি বিজ্ঞান এক প্ৰকৃত বিজ্ঞানৰ শাৰীত অৱতীৰ্ণ হৈছে। এই ধ্বনি বিজ্ঞানক প্ৰধানতঃ তিনিটা ভাগত বিভক্ত কৰিব পাৰি ঃ

(ক) উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান

(খ) তৰংগ ধ্বনিবিজ্ঞান বা ধ্বন্যাত্মক বা শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান

(গ) শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান বা শ্ৰুতি ধ্বনিবিজ্ঞান

২.৩ ধ্বনিবিজ্ঞানৰ শাখা-প্ৰশাখাসমূহ

ধ্বনিসমূহৰ বিশ্লেষণ প্ৰক্ৰিয়াৰ ওপৰত ভিত্তি কৰি ধ্বনিবিজ্ঞানক তিনিটা ভাগত ভগোৱা হৈছে। ভাষাৰ বাগধ্বনিসমূহ মানুহৰ বাগিন্দ্ৰিয়ৰ জৰিয়তে উচ্চাৰিত হয়। বাগযন্ত্ৰ (Organ of Speech) গঠন আৰু ধ্বনিৰ উচ্চাৰণ প্ৰক্ৰিয়া ধ্বনিবিজ্ঞানৰ প্ৰধান আলোচ্য বিষয়। হাওঁফাওঁৰ পৰা বায়ুপ্ৰবাহ মুখ আৰু নাসিকা বিবৰেদি ওলাই যোৱাৰ সময়ত তাৰ গতিপথৰ আংশিক বা পূৰ্ণ বাধা পাই বতাহত নতুন নতুন তৰংগ সৃষ্টি কৰে। এই তৰংগবোৰক ধ্বনি তৰংগ (Sound wave) বুলি কোৱা হয়। এই বিলাক বতাহত ভাঁহি আহি শ্ৰোতাৰ কাণত পৰে। শ্ৰোতাৰ কাণত পৰাৰ পাছত স্নায়ুৰ মাধমেৰে মগজুত সেই তৰংগসমূহে ক্ৰিয়া কৰে আৰু শ্ৰোতাই বক্তাই উচ্চাৰণ কৰা ধ্বনি বুজিব পাৰে। এইদৰে দেখা যায় বাগধ্বনিসমূহৰ তিনিটা স্তৰ লৈ ধ্বনিবিজ্ঞানক উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান, শ্ৰুতিধ্বনিবিজ্ঞান আৰু শ্ৰুয়মান ধ্বনিবিজ্ঞান এই ভাগত ভগোৱা হৈছে।

২.৩.১ উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান (Articulatory phonetics)

বাগযন্ত্ৰৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহৰ উচ্চাৰণৰ বিভিন্ন প্ৰক্ৰিয়াসমূহৰ বিষয়ে কৰা বিশ্লেষণ পদ্ধতিকে উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান বোলা হয়। এনে বিশ্লেষণত বাগযন্ত্ৰৰ বিভিন্ন অংশসমূহৰ বৰ্ণনা, ধ্বনিসমূহৰ উচ্চাৰণৰ ধৰণ, উচ্চাৰণৰ স্থান, ধ্বনিসমূহৰ ভিন্ন প্ৰকাৰ আদি সমূহ বিষয় অন্তৰ্ভুক্ত কৰা হয়। ধ্বনি উচ্চাৰণ আৰু ধ্বনিসমূহৰ মাজত ভিন্ন সৃষ্টিৰ ক্ষেত্ৰত বাগিন্দ্ৰিয়ৰ অতি গুৰুত্বপূৰ্ণ ভূমিকা আছে। ধ্বনি উচ্চাৰণত বাগিন্দ্ৰিয়ৰ সঞ্চালনৰ চাক্ষুস পৰ্যবেক্ষণ কৰিব পাৰি অথবা যন্ত্ৰপাতিৰ সহায়তো সহজে ধাৰণা কৰিব পাৰি। সাধাৰণতে ভাষাবিজ্ঞানত উচ্চাৰণাত্মক ভাষাবিজ্ঞানকেই বিশেষ গুৰুত্ব দিয়া হয়।

২.৩.২ ধ্বনিবিজ্ঞান বা শ্ৰুতিধ্বনি বিজ্ঞান (Accoustic phonetics)


বাকধ্বনি উচ্চাৰণ বক্তাৰ পৰা শ্ৰোতাৰ কাণলৈ সংক্ৰমিত হোৱা বায়ুপ্ৰবাহৰ ধ্বনিতৰংগ (Sound wave)ৰ বিষয়ে বিশ্লেষণ কৰাই হ'ল ধ্বনিতৰংগ বিজ্ঞান বা শ্ৰুতি ধ্বনিবিজ্ঞান। ধ্বনি তৰংগ (Sound wave) বিলাক শ্ৰোতাৰ কাণত পৰাৰ

লগে লগে স্নায়ুৰ মাধ্যমেৰে মগজুত লৈ প্ৰতিক্ৰিয়া কৰে। ধ্বনি উচ্চাৰণত বায়ু প্ৰবাহৰ গতি উঠা-নমা (Erequency) আৰু ইয়াৰ বিস্তৃতি (Aplitude) ৰ বিষয়ে ইয়াত বিশ্লেষণ কৰা হয়।

ধ্বনিসমূহৰ এনে ধৰণৰ বিশ্লেষণ যন্ত্ৰৰ সহায়তহে সম্ভৱ হয়। ধ্বনিতৰংগ ধ্বনিবিজ্ঞান কিছু পৰিমাণে পদাৰ্থবিজ্ঞান আৰু অংকশাস্ত্ৰৰ ওপৰত ভিত্তি কৰিব লগা হয়। ভাষা অধ্যয়নৰ ইতিহাসত দ্বিতীয় মহাযুদ্ধৰ সময়ৰ পৰা শ্ৰুতিধ্বনিবিজ্ঞানৰ ওপৰত গুৰুত্ব দিয়া হয়। এই শ্ৰেণী ধ্বনিবিজ্ঞানে ধ্বনি অধ্যয়নত নিৰ্ভুল আৰু সূক্ষ্মাতিসূক্ষ্ম বিৱৰণ দাঙি ধৰিব পাৰে।

২.৩.৩ শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান (Auditory phonetics)

শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান বা শ্ৰুতিধ্বনিবিজ্ঞানত বক্তাই উচ্চাৰিত কৰা ধ্বনি শ্ৰোতাৰ শ্ৰৱণেন্দ্ৰিয় আৰু মগজুৰ কিদৰে গ্ৰহণ কৰে তাৰ বিশ্লষণ কৰা হয়। এই বিশ্লেষণ প্ৰক্ৰিয়াতো যন্ত্ৰ সহায় আৱশ্যক। অৱশ্যে শ্ৰৱণাত্মক ধ্বনিবিজ্ঞানত উচ্চাৰিত ধ্বনি শ্ৰোতাৰ কাণত পৰাৰ লগে লগে মগজুত কৰা প্ৰতিক্ৰিয়াৰ নিৰ্দ্ধাৰণ আৰু মগজুৰ প্ৰত্যুত্তৰ চিনাক্তকৰণ আদি আই বিশ্লেষণৰ দ্বাৰা কৰা হয় যদিও এনে বিশ্লেষণ বৰ্তমানো সন্তোষজনক হৈ উঠা নাই।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ধ্বনিবিজ্ঞানৰ অন্তৰ্গত বিভাগসমূহ কি কি?

(75টা শব্দৰ ভিতৰত)

.....



জানি থোৱা ভাল

- ভাষাবিজ্ঞানৰ এটা বিশিষ্ট ভাগ হৈছিল ধ্বনিবিজ্ঞান
- ধ্বনিসমূহৰ অধ্যয়নৰ পূৰ্বে বাগেন্দ্ৰিয়সমূহৰ সৈতে পৰিচয় হোৱাতো প্ৰয়োজন।
- বাগিন্দ্ৰিয় বুলিলে মুখ্যতঃ তিনিটা বিৱৰ (Cavity), এডাল শ্বাসনলী আৰু এইবোৰত অৱস্থিত কেইটামান অংগ ধৰা হয়। সেইবোৰ—
  ১. মুখবিৱৰ ঃ ইয়াৰ অন্তৰ্গত (ক) ওঁঠ (খ) জিভা আৰু (গ) তালুকা
  ২. নাসিকা বিৱৰ
  ৩. গলকোষ
  ৪. শ্বাসনলীৰ অন্তৰ্গত- ঘটিকা বা বাগ্‌যন্ত্ৰ

- ধ্বনিসমূহৰ উচ্চাৰণৰ প্ৰয়োগ বৈশিষ্ট্যৰ ওপৰত নিৰ্ভৰ কৰি ধ্বনিৰ পৰা বিশিষ্ট ধ্বনি বা বৰ্ণ নিৰ্ণয় কৰা হয়। আনহাতে বৰ্ণটোৰ অন্তৰ্গত ধ্বনিগোটসমূহৰ বৰ্ণটোৰ উপধ্বনি হিচাপে চিনাক্ত কৰা হয়।
- কৰি শতিকাৰ দ্বিতীয় দশকৰ পৰা বৰ্ণবিজ্ঞানৰ আৰম্ভণি হয়।
- বৰ্ণ কেৱল এটা ধ্বনি নহয়, ধ্বনি বা ধ্বনি সমষ্টিৰ এটা গোটহে, য'ত এক বা একাধিক ধ্বনি থাকে।
- বৰ্ণ আৰু উপধ্বনিৰ নিৰ্বাচন প্ৰণালী বৰ্ণবিজ্ঞানৰ মূল বিষয়। বৰ্ণবিজ্ঞানৰ পৰিসৰ ধ্বনিবিজ্ঞানতকৈ যথেষ্ট সীমিত।
- কে. এল. পাইকৰ ভাষাত, 'ধ্বনিবিজ্ঞানে ভাষাৰ কেঁচামাল গোটায় আৰু বৰ্ণবিজ্ঞানে এই মালবোৰক লৈ চালি জাৰি বন্ধন কৰে।



২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ধ্বনিৰ উচ্চাৰণ, উচ্চাৰণ প্ৰক্ৰিয়াত ব্যৱহাৰ হোৱা বাগিন্দ্ৰিয়, উচ্চাৰণৰ ধৰণ আৰু উচ্চাৰণৰ স্থান, ধ্বনিৰ গুণ, প্ৰকৃতি আদিৰ সূক্ষ্মাতিসূক্ষ্ম আলোচনাই ধ্বনিবিজ্ঞান।
- ধ্বনিবিজ্ঞানত বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিৰ পুংখানুপুংখ আলোচনা কৰা হয়।
- ধ্বনিবিজ্ঞানে তিনিটা প্ৰধান ভাগত বিভক্ত উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান, ধ্বনিতৰংগ বিজ্ঞান বা শ্ৰুতিধ্বনি বিজ্ঞান আৰু শ্ৰৱণমূলক বা ধ্বন্যাত্মক ধ্বনিবিজ্ঞান।
- উচ্চাৰণাত্মক ধ্বনিবিজ্ঞানে বাগিন্দ্ৰিয়সমূহৰ বৰ্ণনা, উচ্চাৰণৰ স্থান আৰু প্ৰকৃতিলৈ লক্ষ্য কৰি ধ্বনিৰ বিষয়ে আলোচনা কৰে।
- ধ্বনিতৰংগ বিজ্ঞানে বাক্‌ধ্বনি উচ্চাৰণ কৰোতে বায়ুমণ্ডলত হোৱা ধ্বতিৰংগৰ কম্পনক বিশ্লেষণ কৰে।
- শ্ৰৱণাত্মক ধ্বনিবিজ্ঞানে ধ্বনি উচ্চাৰণৰ ফলত শ্ৰৱণেন্দ্ৰিয়ত ঠেকা খাই মগজুত কৰা প্ৰতিক্ৰিয়াক বিশ্লেষণ কৰে।
- ভাষাবিজ্ঞানত অৱশ্যে উচ্চাৰণাত্মক ধ্বনিবিজ্ঞানকেই অধিক গুৰুত্ব দিয়া হয়।



২.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। গোস্বামী, গোলোকচন্দ্ৰ; (১৯৬৬) ঃ ধ্বনিবিজ্ঞানৰ ভূমিকা, গুৱাহাটী ঃ বাণী প্ৰকাশ

২। কোঁৱৰ, অৰ্পণা; (২০০২) ঃ ভাষাবিজ্ঞানৰ উপক্ৰমণিকা, গুৱাহাটী ঃ বনলতা

৩। ৰমেশ, পাঠক; (১৯৯১) ঃ ভাষাবিজ্ঞানৰ ভূমিকা, গুৱাহাটী ঃ অৰুণ প্ৰকাশ

৪। দত্তবৰুৱা, ফণীন্দ্ৰনাৰায়ণ; (১৯৯০) ঃ আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়, গুৱাহাটী ঃ বাণী মন্দিৰ



২.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ ধ্বনিবিজ্ঞানৰ অৰ্থ.....ধ্বনিবিজ্ঞানৰ অন্তৰ্গত ভাগসমূহৰ নাম.....প্ৰত্যেকটো ভাগতে চমু পৰিচয়।



২.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ ধ্বনিবিজ্ঞান কি? ইয়াৰ প্ৰধান ভাগ কি কি?

প্ৰশ্ন নং ২ ঃ উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান কাক বোলে?

প্ৰশ্ন নং ৩ ঃ ধ্বনিতৰংগবিজ্ঞান বা শ্ৰুতিধ্বনি বিজ্ঞান কি?

প্ৰশ্ন নং ৪ ঃ শ্ৰৱণাত্মক ধ্বনিবিজ্ঞান কি?

প্ৰশ্ন নং ৫ ঃ ভাষাবিজ্ঞান অধ্যয়নত ধ্বনিবিজ্ঞানে কিদৰে সহায় কৰে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্ব

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ ধ্বনিবিজ্ঞানৰ আলোচনাত বাগিন্দ্রিয়ৰ ভূমিকা

৩.৩.১ ধ্বনিৰ উচ্চাৰণ

৩.৩.২ উচ্চাৰণৰ স্থান আৰু কৰণ অনুযায়ী ধ্বনিৰ প্রকাৰ

৩.৩.৩ ধ্বনিতৰঙ্গ আৰু শ্রৱণ

৩.৪ ধ্বনিতত্ত্বৰ পৰিচয় ঃ বাগধ্বনি আৰু বাগধ্বনিৰ শ্রেণীবিভাজন

৩.৪.১ স্বৰধ্বনি

৩.৪.২ ব্যঞ্জনধ্বনি

৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৬ অধিক জানিবলৈ

৩.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৩.৮ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বাগিন্দ্রিয় কি আৰু ইয়াৰ সহায়ত ধ্বনি কেনেকৈ উচ্চাৰিত হয়- তাৰ জ্ঞান লাভ কৰিব পাৰিব
- ধ্বনিৰ প্রকাৰ সম্পর্কে জ্ঞাত হ'ব পাৰিব
- ধ্বনিৰ সহায়ত মনৰ ভাৰ কেনেদৰে বিনিময় হয়- তাৰ মৌলিক ধাৰণা লাভ কৰিব পাৰিব
- ধ্বনিবিজ্ঞানৰ লগতে ধ্বনিতত্ত্বৰ থুলমুল আভাস দিব পাৰিব
- ধ্বনিতত্ত্বৰ মূল উপাদান-স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ মৌলিক ধাৰণা লাভ কৰিব।

৩.২ পৰিচয়


স্নাতকোত্তৰ অসমীয়া প্রথম যান্মাসিকৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা তৃতীয় ঐচ্ছিক পাঠ্যবিষয় 'ধ্বনি বিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব'ৰ অন্তর্গত এইটো তৃতীয় অধ্যায়। অধ্যায়টোৰ শিৰোনাম হৈছে 'ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্ব'। ইয়াৰ আগৰ অধ্যায় দুটিৰ অধ্যয়নৰ জৰিয়তে শিক্ষার্থীসকলে ধ্বনিবিজ্ঞানৰ সাধাৰণ পৰিচয়ৰ লগতে ধ্বনিবিজ্ঞানৰ শাখা প্রশাখা সম্পর্কে সম্যক পৰিচয় লাভ কৰিলে। এই অধ্যায়টোত শিক্ষার্থীসকলক বিভিন্ন প্রকাৰৰ ধ্বনিৰ লগতে ধ্বনিবিজ্ঞান আৰু ধ্বনিতত্ত্বৰ লগত জড়িত মৌলিক দিশসমূহৰ লগত পৰিচিত কৰাবলৈ প্রয়াস কৰা হৈছে।

৩.৩ ধ্বনিবিজ্ঞানৰ আলোচনাত বাগিন্দ্রিয়ৰ ভূমিকা

ধ্বনিবিজ্ঞান (Phonetics) কি? ধ্বনিবিজ্ঞান হৈছে ভাষাবিজ্ঞানৰ এটি ভাগ। ধ্বনি হৈছে ভাষাৰ মূল সামগ্রী। ধ্বনি তথা ভাষাৰ এই মৌলিক সামগ্রীবিধ ভাষাবিজ্ঞানৰ যিটো ভাগত বিজ্ঞানসন্মত বিতং আলোচনা কৰা হয়, তাকে ধ্বনিবিজ্ঞান বোলা হয়। ধ্বনিবিজ্ঞানত মানুহৰ বাগিন্দ্রিয় (কথা কোৱা অঙ্গ)ৰ দ্বাৰা ধ্বনি কেনেকৈ উৎপন্ন বা উচ্চাৰণ কৰা হয়, ধ্বনিৰ গুণ বা লক্ষণ প্রকৃতি বা স্বৰূপ কি, উচ্চাৰণৰ স্থান বা কাৰণ অনুযায়ী ধ্বনিৰ প্রকাৰ কিমান আদিৰ বিস্তৃত বিৱৰণ থাকে। এটা কথা মন কৰিবলগীয়া যে, ধ্বনিবিজ্ঞানত বিশেষ কোনো এটি ভাষাৰ আলোচনা নাথাকে; ইয়াত ভাষা নির্বিশেষে অর্থাৎ পৃথিৱীৰ ভাষাসমূহত উচ্চাৰিত ধ্বনিসমূহৰহে সাধাৰণ (General) আলোচনা থাকে।

এতিয়া আহো আমি বাগিন্দ্রিয়ৰ কথালৈ। বাগিন্দ্রিয় (Organs of speech) কি? বাগিন্দ্রিয় হৈছে মানুহৰ কথা কোৱা ইন্দ্রিয় বা অঙ্গ। ইয়াক বাগ্‌যন্ত্রও বোলা হয়। অর্থাৎ যি ইন্দ্রিয় বা যন্ত্রৰ সহায়ত মানুহে কথা ক'ব পাৰে বা মনৰ ভাৱ ইজনে সিজনলৈ আদান-প্রদান কৰিব পাৰে, তাকে বাগিন্দ্রিয় বা বাগ্‌যন্ত্র বোলা হয়। বাগিন্দ্রিয় মানৱ শৰীৰৰ কোনো এক নির্দিষ্ট অঙ্গ নহয়। ই মানুহৰ ডিঙিৰ পৰা আৰম্ভ কৰি মুখমণ্ডলত থকা নাসিকা বিৱৰলৈকে বিস্তাৰিত হৈ আছে। বাগিন্দ্রিয়সমূহ হ'ল ঘটিকা বা কণ্ঠনাল, কণ্ঠত্রন্ত্রী বা স্বৰতন্ত্রী, শ্বাসনলী, গলকোষ, আলজিভা, তালুকা, ওঁঠ, দাঁত, দাঁতৰগুৰি, জিভা, মুখবিৱৰ আৰু নাসিকাবিৱৰ। তলত বাগিন্দ্রিয়ৰ চিত্র এটি দাঙি ধৰা হ'ল

চিত্র নং — ৩.১




বাগিন্দ্রিয়

১. ঘটিকা ২. স্বৰতন্ত্রী ৩. গলকোষ ৪. জিভা, ৫. তালুকা ৬. নাসিকবিৱৰ ৭. দাঁত ৮. ওঁঠ
এতিয়া আহো বাগিন্দ্রিয়ৰ সহায়ত ধ্বনি কেনেকৈ উচ্চাৰিত হয়।

৩.৩.১ ধ্বনিৰ উচ্চাৰণ

সাধাৰণতে মানুহে শ্বাসনলীৰে ভিতৰৰ পৰা বায়ু উলিয়াই ধ্বনি উচ্চাৰণ কৰে। মানুহৰ ধ্বনি উচ্চাৰণৰ প্রক্রিয়াটোক বাঁহী-বাদনৰ লগত তুলনা কৰিব পাৰি। বাঁহীৰ এটা মূৰত থকা নির্দিষ্ট বিন্ধাত বায়ু ফুৰাই আন কেইটা বিন্ধাত থকা আঙুলিৰে

বায়ু কঁপাই যিদৰে বিভিন্ন মাত বা সুৰ উলিওৱা হয়, ঠিক সেইদৰে হাওঁফাওঁৰ পৰা শ্বাসনলীৰে ওলাই অহা বহির্গামী বায়ুপ্ৰৱাহক মুখবিৱৰত থকা বিভিন্ন অঙ্গত সম্পূৰ্ণ বাধা দি, কলিত বা ৰুধিত কৰি বিভিন্ন ধ্বনি উচ্চাৰণ কৰা হয়। হাওঁফাওঁৰ পৰা ওলাই অহা বায়ুপ্ৰবাহ পোন প্ৰথমে বাগিন্দ্ৰিয়ৰ ঘটিকা অংশত থকা স্বৰতন্ত্ৰীত বাধাপ্ৰাপ্ত হয়। স্বৰতন্ত্ৰী হৈছে ঘটিকাৰ ভিতৰৰ ফালে থকা দুচটা পাতল আৱৰণ সদৃশ কোমল পাট। এই পাটদুখনৰ মাজেৰে বায়ু অহা-যোৱা কৰে। বায়ু অহা-যোৱা কৰা বাটটোক কণ্ঠ্য বোলে। কণ্ঠ্যেৰে ওলাই অহা বায়ুপ্ৰৱাহক স্বৰতন্ত্ৰী (কেতিয়াবা সুথিৰ বা টান, কেতিয়া বা শিথিল বা ঢিলা কৰি) গলকোষ আৰু মুখবিৱৰৰ বিভিন্ন স্থানত সম্পূৰ্ণ বা আংশিক ৰুধিত বা কলিত কৰি ধ্বনি উৎপাদন বা উচ্চাৰণ কৰিব পাৰি। পৃথিৱীৰ প্ৰায় সকলো ভাষাতে এনেদৰে বহির্গামী বায়ুপ্ৰৱাহৰ দ্বাৰাই ধ্বনি উৎপন্ন কৰা হয় যদিও কিছুমান ভাষা (আফ্ৰিকাৰ জুলু ভাষা, ভাৰতৰ সিন্ধী ভাষা আদি)ৰ কেতবোৰ ধ্বনি বায়ু ভিতৰতলৈ সুমুৱাই বা শুহিও উচ্চাৰণ কৰা হয়। সাধাৰণতে এনে ধ্বনিৰ উচ্চাৰণ তেনেই তাকৰীয়া।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বাগিন্দ্ৰিয় কাক বোলে? ধ্বনি উচ্চাৰণত বাগিন্দ্ৰিয়ৰ ভূমিকা সম্পৰ্কে চমু আলোচনা এটি আগবঢ়াওক।

(২০০টা শব্দৰ ভিতৰত)

.....

৩.৩.২ উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ কৰণ অনুযায়ী ধ্বনিৰ প্ৰকাৰ

ধ্বনি উচ্চাৰণত বাগিন্দ্ৰিয়ৰ যিবোৰ অঙ্গ স্থিৰ বা কম লৰচৰ হয় সেইবোৰ অঙ্গক উচ্চাৰণৰ স্থান (Points of articulation) আৰু যিবোৰ অঙ্গ বেছি লৰচৰ কৰে বা অধিক সঞ্চালনক্ষম সেইবোৰ অঙ্গক উচ্চাৰণৰ কৰণ বা ধৰণ (Manner of articulator) বোলা হয়। বাগিন্দ্ৰিয়ৰ ওপৰৰ পাৰি দাঁত, ওঁঠ, দাঁতৰগুৰি, কঠিন আৰু কোমল তালু হৈছে উচ্চাৰণৰ স্থান আৰু তলৰ ওঁঠ আৰু জিভা হৈছে উচ্চাৰণৰ কৰণ। উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ কৰণ অনুযায়ী ধ্বনিক সুকীয়াকৈ বিভিন্ন প্ৰকাৰতে ভাগ কৰি দেখুৱাব পাৰি।

ক। উচ্চাৰণৰ স্থান অনুযায়ী ঃ যেনে-ঔষ্ঠ্য বা দ্বৌষ্ঠ্য ধ্বনি, দন্তৌষ্ঠ ধ্বনি, দন্ত্যধ্বনি, দন্তমূলীয় ধ্বনি, মূৰ্ধন্য ধ্বনি, তালব্য ধ্বনি, কণ্ঠ্য বা পশ্চ-তালব্য ধ্বনি, আলজিহ্বীয় ধ্বনি, গলকোষীয় ধ্বনি, কণ্ঠ্যনালীয় ধ্বনি ইত্যাদি।

১। **ঔষ্ঠ্য বা দ্বৌষ্ঠ্য ধ্বনি (Bilabial Sound) ঃ** হাওঁফাওঁৰ পৰা ওলাই অহা

'বহির্গামী বায়ুপ্রৱাহ মুখবিৱৰেদি আহি দুয়োটা ওঁঠৰ মাজত সম্পূর্ণ ৰোধিত হৈ এই ধ্বনি উচ্চাৰণ হয়। দুয়োটা ওঁঠেৰে উচ্চাৰণ কৰাৰ বাবে এনে ধ্বনিক ঔষ্ঠ্য বা দ্বৌষ্ঠ্য ধ্বনি বোলা হয়। অসমীয়া ভাষাৰ প- বর্গৰ ধ্বনিসমূহ এই শ্রেণীৰ।

২। **দন্তৌষ্ঠ্য ধ্বনি (Labiodental Sound) ঃ** এই প্রকাৰৰ ধ্বনি উচ্চাৰণৰ ক্ষেত্রত তলৰ ওঁঠটো মোকোটা খাই ওপৰৰ পাৰি দাঁতৰ তললৈ গৈ ধ্বনি উচ্চাৰণ কৰে। যেনে, ইংৰাজী ভাষাৰ f,v উচ্চাৰিত বাবে ইহঁতক দন্তৌষ্ঠ্য ধ্বনি বোলা হয়।

৩। **দন্ত্য ধ্বনি (Dentel Sound) ঃ** জিভাৰ আগটোৱে দাঁতত স্পর্শ কৰি এই শ্রেণীৰ ধ্বনি উচ্চাৰণ কৰে বাবে এনে ধ্বনিক দন্ত্য ধ্বনি বোলা হয়। যেনে— সংস্কৃত ভাষাৰ 'ত', 'দ' আদি।

৪। **দন্ত্যমূলীয় ধ্বনি (Alveolar Sound) ঃ** জিভাৰ আগটোৱে দন্তমূল বা দাঁতৰ গুৰিত স্পর্শ কৰি এই প্রকাৰৰ ধ্বনি উচ্চাৰিত কৰে বাবে ইয়াক দন্তমূলীয় ধ্বনি বোলা হয়। উদাহৰণস্বৰূপে, অসমীয়া ভাষাত ত, দ, থ, ধ এই শ্রেণীৰ ধ্বনি।

৫। **মূর্দ্ধন্য ধ্বনি (Retro flex Sound) ঃ** মূর্দ্ধন্য ধ্বনি উচ্চাৰণৰ ক্ষেত্রত জিভাৰ আগটোৱে তালিকাৰ আগভাগ স্পর্শ কৰে। যেনে সংস্কৃত, বাংলা, তামিল আদি ভাষাৰ ট, ঠ, ড, ষ ধ্বনি আদি।



জানি থোৱা ভাল

অসমীয়া ভাষাৰ বিশেষত্ব স্বৰূপ এই দন্তমূলীয় ধ্বনিৰ উচ্চাৰণ তথা একে মূলৰ পৰা ওলোৱা বাংলা, উড়িয়া আদি ভাষাত এই ধ্বনি নাই। অসমৰ জনজাতীয় ভাষাবোৰত এই প্রকাৰৰ ধ্বনি প্রচুৰ পৰিমাণে পোৱা যায়। অসমীয়া ভাষালৈ এই ধ্বনি জনজাতীয় ভাষাৰ পৰা আহিছে য'ত অসমীয়া ভাষাৰ স্বতন্ত্রণা ৰক্ষিত হৈছে।

৬। **তালব্য ধ্বনি (Palatal Sound) ঃ** জিভাৰ আগভাগেৰে তালুৰ মাজভাগত (কঠিন তালু) স্পর্শ কৰি এই শ্রেণীৰ ধ্বনি উচ্চাৰণ কৰা হয় বাবে, ইয়াক তালব্য ধ্বনি বোলা হয়। উদাহৰণ স্বৰূপে, সংস্কৃত, বাংলা আদি ভাষাৰ শ, য় আদি এই শ্রেণীৰ ধ্বনি।

৭। **পশ্চ-তালব্য (Velar Sound) ঃ** এই শ্রেণীৰ ধ্বনি উচ্চাৰণত জিভাৰ পাছভাগ ওপৰলৈ দাঙি তালুৰ পাছভাগ (কোমল তালু)ত স্পর্শ কৰে। এনেদৰে উচ্চাৰণ কৰা বাবে এই ধ্বনিক পশ্চ-তালব্য ধ্বনি বোলা হয়। যেনে অসমীয়া, বাংলা

আদি ভাষাৰ ক-বর্গ ধ্বনি এই শ্রেণীৰ ।

৮। **আলজিহ্বীয় ধ্বনি (Uvular Sound) ঃ** আলজিহ্বীয় ধ্বনি উচ্চাৰণৰ ক্ষেত্রত পাছজিভাই তালুৰ পাছভাগ অর্থাৎ আলজিভাত স্পর্শ কৰি এই শ্রেণীৰ ধ্বনি উচ্চাৰণ কৰে। যেনে— আৰবী ভাষাৰ ক-বর্গ এই আলজিহ্বীয় ধ্বনি।

৯। **গলকোষীয় ধ্বনি (Pharyngeal Sound) ঃ** জিভাৰ মূল পাছলৈ হোঁহকাই বায়ুপ্রবাহক গলকোষত ঘঁহনি খোৱাই সৃষ্টি কৰা শ্বাসধ্বনি জাতীয় (হ) ধ্বনিক গাল বা গলকোষীয় ধ্বনি বোলা হয়। উদাহৰণস্বৰূপে আৰবী ভাষাৰ কোনো কোনো উপভাষাত গলকোষীয় স্পর্শধ্বনি উচ্চাৰণ আছে বুলি পণ্ডিতসকলে মত দিছে।

১০। **কণ্ঠ্যনলীয় ধ্বনি (Glottal Sound) ঃ** স্বৰতন্ত্রী বিৱৰত উচ্চাৰিত ধ্বনিক কণ্ঠ্যনলীয় ধ্বনি বোলা হয়। যেনে অসমীয়া ভাষাৰ 'হ' ধ্বনি।

খ। উচ্চাৰণৰ কৰণ বা ধৰণ অনুযায়ী ধ্বনি প্রকাৰ ঃ যেনে— নিয়ত বা স্ফোট বা স্পর্শ ধ্বনি; নাসিক্য ধ্বনি; কম্পিত ধ্বনি; তাড়িত ধ্বনি; উষ্ম ধ্বনি; পার্শ্বিকধ্বনি; অন্তঃস্ফোট ধ্বনি ইত্যাদি।

১। **নিয়ত বা স্পর্শ ধ্বনি (Plosive or Stop) ঃ** বহির্গামী বায়ুপ্রৱাহক স্বৰতন্ত্রী, দাঁতৰ গুৰি, ওঁঠত সম্পূর্ণ ৰোধ কৰি যি ধ্বনি উচ্চাৰণ কৰা হয়, তাকে নিয়ত বা স্পর্শ ধ্বনি বোলা হয়। যেনে—অসমীয়া ভাষাক অ, ব, চ, দ, ক, গ আদি ধ্বনি।

২। **নাসিক্য ধ্বনি (Nasal Sound) ঃ** বহির্গামী বায়ুপ্রবাহক জিভাৰ মাজভাগ, আগভাগ আৰু তলৰ ওঁঠে উচ্চাৰণৰ স্থানত বাধা দি কোমল তালুখন নমাই ৰাখি নাসিকা বিৱৰেদি বায়ু উলিয়াই যি ধ্বনি উচ্চাৰণ কৰে, তাকে নাসিক্য ধ্বনি বোলে। যেনে অসমীয়া ভাষাৰ ম, ন, ঙ আদি এই ধ্বনি।

৩। **কম্পিত ধ্বনি (Trill Sound) ঃ** জিভাৰ আগটো কঁপি কঁপি দাঁতৰ আলুৰ ওপৰত যি ধ্বনিৰ সৃষ্টি কৰে, তাকে কম্পিত ধ্বনি বোলে। যেনে— অসমীয়া, বাংলা ভাষাৰ 'ৰ' ধ্বনি

৪। **তাড়িত ধ্বনি (Tap or Flap Sound) ঃ** এই ধ্বনিৰ উচ্চাৰণত জিভাৰ আগটো উচ্চাৰণ স্থানত স্পর্শ কৰি ততালিকে তললৈ নামি তলৰ পাৰি দাঁতৰ ওচৰত নিষ্ক্রিয়ভাৱে ৰৈ যায়। যেনে— হিন্দী, মাৰাঠী, তামিল, তেলেগু আদি ভাষাৰ ট, ড, জড়িত ধ্বনি পোৱা যায়।

৫। **উষ্ম ধ্বনি (Fricative Sound) ঃ** বহির্গামী বায়ুপ্রবাহ পথক জিভাৰ আগটোৱে দাঁতৰ গুৰিত বা পাছজিভাই পশ্চ তালুত ঠেক কৰি বায়ুখিনি ঘঁহনি খাই সৃষ্টি কৰে বাবে এই ধ্বনিৰ নাম উষ্ম ধ্বনি। যেনে—অসমীয়া ভাষা চ, ছ, স আদি ধ্বনি।

৬। **পার্শ্বিক ধ্বনি (Lateral Sound) ঃ** মুখৰ মাজৰ বতাহক বাধা দি বতাহখিনি জিভাৰ একাষ বা দুই কাষেদি উলিয়াই যি ধ্বনি উচ্চাৰণ কৰে তাকে পার্শ্বিক ধ্বনি বোলে। যেনে অসমীয়া, বাংলা, আদি ভাষাৰ 'ল' ধ্বনি।

৭। **পার্শ্বিকোষ্ম ধ্বনি (Lateral frictive) ঃ** এই ধ্বনিৰ উচ্চাৰণত জিভাৰ আগটোৰে বা তলৰ ওঁঠটোৰে উচ্চাৰণৰ স্থানত বায়ুপ্ৰৱাহক বাধা দি বতাহখিনি জিভাৰ একাষে বা দুই কাষেদি বা ওঁঠ দুটা চেপি উলিয়াই দি এই ধ্বনি উচ্চাৰণ কৰে। যেনে— অসমীয়া ভাষাৰ দ্বৌষ্ঠ্য উষ্ম ভ , ম, আদি এই শ্ৰেণীৰ ধ্বনি।

৮। **অন্তঃস্ফোট ধ্বনি (Implosive Sound) ঃ** আফ্ৰিকাৰ কোনো কোনো ভাষাত ক্লিক নামে এক প্ৰকাৰৰ ধ্বনি আছে, এই ধ্বনিবোৰক অন্তঃস্ফোট ধ্বনি বোলা হয়। এই ধ্বনি উচ্চাৰণত কোমল তালু আৰু একেলগে অন্য এক স্থানত বায়ুপ্ৰবাহ ৰোধ কৰা হয়। এনে ধ্বনি দ্বৌষ্ঠ্য, দন্ত্য, দন্তমূলীয়-তালব্য আদি হিচাপে পোৱা যায়।



জানি থোৱা ভাল

পৃথিৱীৰ ভাষাবোৰৰ এখন ধ্বনি লিপি আছে। ইয়াৰ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি বা ইংৰাজী International Phonetics Alphabet বোলা হয়।)

ইয়াৰোপৰি স্পৰ্শ, উষ্ম, নাসিক্য, পার্শ্বিক, কম্পিত আদি বৰ্ণবোৰৰ ধ্বনিগুণ অনুযায়ী কেতবোৰ ভাগত ভাগ কৰিব পাৰি। যেনে— অঘোষ ধ্বনি, সঘোষ ধ্বনি, অল্পপ্ৰাণ ধ্বনি, মহাপ্ৰাণ ধ্বনি, অনুনাসিক ধ্বনি ইত্যাদি।

১। **অঘোষ ধ্বনি (Voiceless Sound) ঃ** স্বৰতন্ত্ৰত কম্পনৰ সৃষ্টি নকৰাকৈ যি ধ্বনি উচ্চাৰণ কৰা হয় তাক অঘোষ ধ্বনি বোলে। যেনে— অসমীয়া ভাষাৰ বৰ্গৰ প্ৰথম আৰু দ্বিতীয় ধ্বনি অঘোষ ধ্বনি অৰ্থাৎ 'ক', 'খ', 'চ', 'থ' আদি অঘোষ।

২। **সঘোষ ধ্বনি (Voiced Sound) ঃ** স্বৰতন্ত্ৰীত কম্পনৰ সৃষ্টি হৈ যি ধ্বনি উচ্চাৰণ হয় তাক সঘোষ ধ্বনি বোলা হয়। সংস্কৃত ভাষা আৰু অসমীয়া ভাষাত বৰ্গৰ তৃতীয়, চতুৰ্থ, আৰু পঞ্চম ধ্বনি সঘোষ ধ্বনি। যেনে গ, ঘ, ঙ, দ, ধ, ন আদি।

৩। **অল্পপ্ৰাণ ধ্বনি (Unaspirated Sound) ঃ** স্বৰতন্ত্ৰীৰ শ্বাস বহন নকৰা ধ্বনিকে অল্পপ্ৰাণ ধ্বনি বোলে; অৰ্থাৎ অল্পপ্ৰাণ ধ্বনি উচ্চাৰণত বায়ুপ্ৰবাহ

অধিক মাত্রাৰ নিষ্কাষণ নহয়। যেনে— সংস্কৃত, অসমীয়া আদি ভাষাৰ ক, গ, ঙ, ত, দ আদি অল্পপ্রাণ ধ্বনি।

৪। **মহাপ্রাণ ধ্বনি (Aspirated Sound) ঃ** স্বৰতন্ত্রীৰ শ্বাস বহন কৰা ধ্বনিক মহাপ্রাণ ধ্বনি বোলা হয়। এই ধ্বনি উচ্চাৰণত বায়ু অধিক মাত্রাৰ ওলায়। যেনে— সংস্কৃত, অসমীয়া আদি ভাষাৰ খ, ঘ, খ, ধ আদি মহাপ্রাণ ধ্বনি।

৫। **অনুনাসিক ধ্বনি (Nasal or nasalisation Sound) ঃ** নাসিক্য ধ্বনিৰ ক্ষেত্রত বায়ুপ্রৱাহক মুখবিৰৰত ৰোধ কৰি বায়ু নাসিকা বিৰৰেদি উলিয়াই উচ্চাৰণ কৰা হয়; কিন্তু অনুনাসিক ধ্বনিৰ ক্ষেত্রত বায়ুপ্রৱাহৰ এটা সোঁত মুখেৰে আৰু এটা সোঁত নাসিকা বিৰৰেদি উলিয়াই উচ্চাৰণ কৰা হয়। যেনে স্বৰধ্বনিবোৰৰ লগত উচ্চাৰিত হোৱা চন্দ্রবিন্দু (ঁ), ম, ণ, ঞ, ঙ আদি অনুনাসিক ধ্বনি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ কৰণ অনুযায়ী ধ্বনিৰ বিভিন্ন প্রকাৰ সন্দর্ভত এটি টোকা প্রস্তুত কৰক।

(২০০টা শব্দৰ ভিতৰত)


.....

৩.৩.৩ ধ্বনিতৰঙ্গ আৰু শ্রৱণ

বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহে বক্তা আৰু শ্রোতাৰ মাজত থকা বায়ুমণ্ডলত অসংখ্য ঢৌ বা কম্পনৰ সৃষ্টি কৰে। এই ঢৌ বা কম্পনকে ধ্বনিতৰঙ্গ বোলে। আনহাতে ধ্বনিতৰঙ্গবোৰে শ্রোতাৰ কর্ণকোহৰত প্রৱেশ কৰি কর্ণৰ স্নায়ুমণ্ডলীত কম্পন তোলে। এই কম্পনৰ প্রতিক্রিয়া মগজুলৈ প্রেৰণ কৰাৰ পাছত মগজুৱে সংবাদ গ্রহণ কৰে আৰু তেতিয়াহে শ্রোতাই শুনা পায়। এই শুনা পোৱাকে শ্রৱণ বোলা হয়। এই সন্দর্ভত থূলমূল আলোচনা এটি ওপৰৰ অধ্যায়ত আগবঢ়োৱা হৈছে। এই অধ্যায়ত কেৱল বক্তা আৰু শ্রোতাৰ মাজত সংঘটিত হোৱা ভাবৰ ক্রিয়া প্রতিক্রিয়া সংক্ষেপে আলোচনা কৰিব বিচৰা হৈছে।


ধ্বনি উচ্চাৰণৰ এই ক্রিয়া-প্রতিক্রিয়াৰ মূল উপাদান হ'ল বক্তা বা প্রেৰক আৰু শ্রোতা বা গ্রাহক। এই দুয়োজনেই হৈছে বিশেষ গুণসম্পন্ন মানুহ। ধ্বনিৰ মাধ্যমত প্রথম অৱস্থাত বার্তা প্রেৰণ কৰোতা যিজন প্রেৰক পিছমুহূর্ততে তেওঁ গ্রাহক হয় আৰু বার্তা গ্রহণ কৰোতা যিজন গ্রাহকৰ পিছমুহূর্ততে তেওঁ প্রেৰক হৈ পৰে। প্রেৰকে ধ্বনিৰ সহায়েৰে বার্তা প্রেৰণ কৰোতে বায়ুমণ্ডলত যি ধ্বনিতৰঙ্গ সৃষ্টি হয় আৰু প্রেৰকৰ বার্তা গ্রাহকৰ কেনেকৈ শ্রৱণ হয়, এই ক্রিয়া প্রক্রিয়া এটা

ৰেখা চিত্ৰৰ সহায়ত বুজাব পাৰি—



চিত্ৰ নং- ৩.২

ইয়াত প্ৰথমবাৰ 'ক' হৈছে প্ৰেৰক আৰু 'খ' হৈছে গ্ৰাহক। পিছৰবাৰ 'খ' হ'ব প্ৰেৰক আৰু 'ক' হ'ব গ্ৰাহক। 'ক'ই প্ৰেৰণ কৰা বার্তা (Message) ই বায়ুমণ্ডলত ধ্বনিতৰঙ্গ সৃষ্টি কৰি 'খ'ৰ কর্ণ-মণ্ডলত প্ৰৱেশ কৰি স্নায়ুমণ্ডলীত কম্পনৰ সৃষ্টি কৰে আৰু এই কম্পনৰ প্ৰতিক্ৰিয়া মগজুলৈ পঠোৱাত মগজুৱে তৎক্ষণাত 'ক'ৰ বার্তা বিশ্লেষণ কৰাত 'খ'ই শুনা পায় অর্থাৎ 'খ'ৰ শ্ৰৱণ হয়। ইয়াৰ লগে লগে 'খ' ইয়ো সঁহাৰি জনাই বার্তা প্ৰেৰণ কৰে। 'খ'ৰ বার্তাইয়ো বায়ুমণ্ডলত অনুৰূপ ধ্বনিতৰঙ্গ সৃষ্টি কৰি 'ক'ৰ কর্ণ-মাদলত প্ৰৱেশ কৰি স্নায়ুমণ্ডলীৰ কম্পনৰ সৃষ্টি কৰে আৰু এই কম্পনৰ প্ৰতিক্ৰিয়া মগজুলৈ পঠোৱাত মগজুৱে তৎক্ষণাত 'খ'ৰ বার্তা বিশ্লেষণ কৰাত 'ক'ই শুনা পায় অর্থাৎ 'ক' ৰে শ্ৰৱণ হয়। এনেদৰে দৈনন্দিন মানুহে এজনে আন এজনৰ লগত ভাব বিনিময়ৰ কাৰণে প্ৰণালীবদ্ধভাৱে ধ্বনি ব্যৱহাৰ কৰে। এনেকৈ প্ৰয়োগ হোৱা যৌগিক ধ্বনি-সমষ্টিয়েই হৈ ভাষা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ধ্বনিতৰংগ আৰু শ্ৰৱণ বুলিলে কি বুজে? ধ্বনিতৰংগ আৰু শ্ৰৱণৰ মূল কথাখিনি উপযুক্ত চিত্ৰৰ সহায়ত বুজাই লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....

৩.৪ ধ্বনিতত্ত্বৰ পৰিচয় ঃ বাগধ্বনি আৰু বাগধ্বনিৰ শ্ৰেণীবিভাজন

ধ্বনিতত্ত্ব (Phonology) হৈছে কোনো এটা ভাষাত উচ্চাৰিত হোৱা ধ্বনিসমূহৰ প্ৰণালীৱদ্ধ আলোচনা। অন্য ভাষাত ক'বলৈ হ'লে— পৃথিৱীক কোনো এটা ভাষাৰ ধ্বনিবিজ্ঞান (Phonemics)ৰ বিতং আলোচনা য'ত থাকে তাকে সেই ভাষাৰ ধ্বনিতত্ত্ব বুলি কোৱা হয়। যেনে অসমীয়া ধ্বনিতত্ত্ব, বাংলা ধ্বনিতত্ত্ব


ইত্যাদি। ভাষাবিজ্ঞানী লিওনার্ড ব্লুমফিল্ডে ধ্বনিতত্ত্ব সম্পর্কে কৈছে— 'বাগ্‌ধ্বনিৰ প্রণালীবদ্ধ আলোচনাই হৈছে ধ্বনিতত্ত্ব বা কার্যকৰী ধ্বনিবিজ্ঞানৰ ধাৰা। ধ্বনিতত্ত্বৰ আলোচনাত ধ্বনিবিজ্ঞানে ভাষাটোৰ মূল সম্পদবোৰ গোটাই মেলি পৰিচয় কৰি দিয়ে আৰু বিশিষ্ট ধ্বনিবিজ্ঞান বা বর্ণবিজ্ঞানে সেই সম্পদবোৰ বাছি বিচাৰি, প্রকৃতি নির্ণয় কৰি ব্যৱহাৰিক বিধি বিশ্লেষণ কৰে। এই সম্পর্কে কে. এল পাইকে কৈছে—'ধ্বনিবিজ্ঞানে ভাষাৰ কেঁচা মাল গোটায় আৰু বিশিষ্ট ধ্বনিবিজ্ঞানে এই মালবোৰক লৈ চালি জাৰি ৰন্ধন কৰে।' অর্থাৎ ধ্বনিবিজ্ঞানে ধ্বনি কি; ই কেনেকৈ উচ্চাৰণ বা উৎপন্ন হয় আৰু ইহঁতৰ প্রকাৰভেদৰ লগতে গুণ, প্রকৃতি কি এইবোৰ আলোচনা কৰে আৰু বিশিষ্ট ধ্বনিবিজ্ঞান বা বর্ণবিজ্ঞানে সেই ধ্বনিসমূহৰ প্রয়োগ বিশ্লেষণ কৰে আৰু দুয়োটা আলোচনাই ধ্বনিতত্ত্বৰ ভিতৰুৱা। মনকৰিবলগীয়া কথা হ'ল যে, ধ্বনিবিজ্ঞানে ভাষা নির্বিশেষে, ধ্বনিৰ সাধাৰণ আলোচনা কৰে আৰু বিশিষ্ট ধ্বনিবিজ্ঞানে ভাষা বিশেষে প্রয়োগ হোৱা বাগ্‌ধ্বনিসমূহৰ আলোচনা কৰে। সেইফালৰ পৰা ধ্বনিবিজ্ঞানতকৈ বিশিষ্ট ধ্বনিবিজ্ঞানৰ পৰিধি ঠেক বা সংকীর্ণ। বিশিষ্ট ধ্বনিবিজ্ঞানত কোনো এটা ভাষাত উচ্চাৰিত বাগধ্বনি সম্পর্কহে আলোচনা থাকে।

সাধাৰণতে ধ্বনিসমূহ বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত হয় বাবে ইঁহতক বাগধ্বনিও বোলা হয়। বিশিষ্ট ধ্বনিবিজ্ঞানে বাগ্‌ধ্বনিসমূহৰ বৈশিষ্ট্য তথা প্রয়োগ সম্পর্কে আলোচনা দাঙি ধৰে। এই বাগ্‌ধ্বনিসমূহ বেলেগ বেলেগ ভাষাক বেলেগ বেলেগ ধৰণে প্রয়োগ হয়। ভাষা ভেদে ইহঁতৰ উচ্চাৰণৰ বৈশিষ্ট্যও দেখা যায়। এনে বৈশিষ্ট্য নির্ভৰ কৰে ধ্বনিৰ প্রকৃতি আৰু প্রয়োগৰ ওপৰত। কোনো এটা ভাষাত সকলোবোৰ ধ্বনিৰ উচ্চাৰণ একে নহয়। কিছুমান ধ্বনিৰ উচ্চাৰণ স্পষ্ট আৰু কিছুমান অস্পষ্ট। এই স্পষ্ট আৰু ধ্বনিগত মিল থকা সমগোত্রীয় ধ্বনিসমূহৰ প্রয়োগ বিশ্লেষণ কৰা হয়। সেই ধ্বনিবোৰক অভিন্ন পৰিবেশত এটাৰ ঠাইত আন এটা বহুৰালে অর্থৰ সলনি হয়। এনে একে পৰিবেশত বিৰোধ প্রয়োগ ঘটা ধ্বনিসমূহক এটা গোট বা ধ্বনি সমষ্টি কৰি বর্ণ বা বিশিষ্ট ধ্বনিৰ মর্যাদা দিয়া হয়। উদাহৰণস্বৰূপে, অসমীয়া ভাষাৰ 'কল', 'তল', 'বল' আদি শব্দৰ আদি অক্ষৰ 'ক', 'ত'আৰু 'ব' ধ্বনিৰ বাহিৰে পিছৰ 'অল' অংশ একে। অর্থাৎ 'অল' তিনিওটা ধ্বনিৰ বাবে একে পৰিবেশ। এতিয়া এটা ধ্বনিৰ ঠাইত আন এটা ধ্বনি বহুৰালে ইহঁতৰ অর্থৰ পৰিবর্তন ঘটিব। এই 'ক', 'ত', 'ব' ধ্বনি তিনিটা অভিন্ন পৰিবেশত বিৰোধী প্রয়োগ ঘটা বাবে ইহঁত একো একোটা বর্ণ বা বিশিষ্ট ধ্বনি হৈছে। অন্যহাতে, একেটা ধ্বনিৰে ভিন্ন পৰিবেশত ভিন্ন প্রয়োগ ঘটে। উদাহৰণস্বৰূপে, অসমীয়া ভাষাত 'পাপ' আৰু 'মাপ' এই শব্দ দুটাত 'প' ধ্বনিৰ উচ্চাৰণ সুকীয়া সুকীয়া। প্রথম শব্দটোৰ 'প' ধ্বনিৰ উচ্চাৰণত ওঁঠ দুটাৰ স্ফোটন হয় অর্থাৎ মুক্ত আৰু দ্বিতীয় শব্দটোত 'প্' ধ্বনিৰ উচ্চাৰণত ওঁঠ দুটাত স্পোটন নহয় অর্থাৎ উচ্চাৰণ বদ্ধ হয়। 'প'

আৰু 'প্' ধ্বনি দুটাৰ উচ্চাৰণ সুকীয়া যদিও এটাৰ ঠাইত আনটো বহুৰাব নোৱাৰি। ইহঁতৰ স্থান নির্দিষ্ট, অর্থাৎ ইহঁতৰ প্রয়োগ বিৰোধী নহয়। অবিৰোধ বা পৰিপূৰক প্রয়োগ ঘটিছে। সেয়ে, ধ্বনিগত মিল থকা এই দুই ধ্বনিক একগোট কৰি এটা বিশিষ্ট ধ্বনি বা বর্ণৰ মর্যাদা দিয়া হয়। সেই ধ্বনিগোটক যদি বর্ণৰে চিনাক্ত কৰা হয়, তেতিয়া বাকী ধ্বনিকেইটাক বর্ণটোৰ উপধ্বনি বোলা হয়। অর্থাৎ । প। বিশিষ্ট ধ্বনি বা বর্ণটোৰ দুটা উপধ্বনি হৈছে [প] আৰু [প্]।

ওপৰত ইতিমধ্যে উল্লেখ কৰা হৈছে যে, ধ্বনিতত্ত্বই ধ্বনিবিজ্ঞানে গোটাই দিয়া ভাষাৰ প্রাথমিক সামগ্রীক বিচাৰ বিশ্লেষণ কৰে। ধ্বনিতত্ত্বই এই প্রাথমিক ধ্বনি সামগ্রীক ভাষাবিজ্ঞানৰ বিজ্ঞানসন্মত অধ্যয়ন প্রণালীৰ সূত্র খটুৰাই বাগধ্বনিৰ উচ্চাৰণত প্রকৃতি অনুসৰি শ্রেণীবিভাজন (Classification) কৰে আৰু বিশিষ্ট ধ্বনিবিজ্ঞানে বা বর্ণবিজ্ঞাণে বাগ্ধ্বনিবোৰৰ পৰিৱেশগত বিৰোধী আৰু অবিৰোধী প্রয়োগ বিশ্লেষণ কৰি বিশিষ্ট ধ্বনি বা বর্ণ আৰু উপধ্বনি নির্ণয় কৰে।

ধ্বনিসমূহৰ নাদ (Sound) বা মাত আৰু মুখৰতা আদি গুণৰ ওপৰত ভিত্তি কৰি বাগ্ধ্বনিসমূহক দুটা বহলভাগত ভাগ কৰিব পাৰি। সেই ভাগ দুটা হৈছে স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি। এতিয়া আমি স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ মৌলিক আলোচনালৈ আগবাঢ়ো আহক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ ধ্বনিতত্ত্বৰ মূল বিষয়বস্তু সন্দর্ভত এটি টোকা প্রস্তুত কৰক। (২০০টা শব্দৰ ভিতৰত)

.....

৩.৪.১ স্বৰধ্বনি

হাওঁফাওঁৰ পৰা ওলাই অহা বহির্গামী বায়ুপ্রৱাহ মুখবিৱৰৰ কোনো ঠাইতে বাধাপ্রাপ্ত নোহোৱাকৈ কেৱল জিভাৰ বিভিন্ন অংশৰ দ্বাৰা পৰিবর্তিত হৈ বা ওঁঠৰ সঞ্চালনৰ দ্বাৰা যি ধ্বনি উচ্চাৰিত হয় তাক স্বৰধ্বনি বোলা হয়। স্বৰধ্বনিৰ কিছুমান ধ্বনিগুণ হৈছে—

(১) স্বৰধ্বনিবোৰ সম্পূর্ণ অনিয়ত আৰু সম্পূর্ণ অঘৃষ্ট;

(২) স্বৰধ্বনিবোৰ সঘোষ আৰু অঘোষ দুয়োটাই হ'ব পাৰে;

(৩) স্বৰধ্বনি আন ধ্বনিতকৈ বেছি মুখৰ আৰু নাদিৰ।

(৪) স্বৰধ্বনিবোৰক একেলেথাৰিয়ে উচ্চাৰণ কৰি থাকিব পাৰে।

(৫) স্বৰধ্বনিবোৰ কেতিয়াবা অনুনাসিক কৰিব পাৰি।

(৬) স্বৰধ্বনিবোৰে সুৰ আৰু শ্বাসাঘাত বহন কৰিব পাৰে।

(৭) স্বৰধ্বনিবোৰ অক্ষৰাধাৰ হ'ব পাৰে।

স্বৰধ্বনিবোৰৰ উচ্চাৰণত জিভাই মুখ্য ভূমিকা গ্ৰহণ কৰে। জিভাৰ অংশ অনুসৰি স্বৰধ্বনিবোৰ সন্মুখ, কেন্দ্ৰীয় আৰু পশ্চ আৰু জিভাৰ উচ্চতা অনুসৰি উচ্চ, উচ্চ-মধ্য, নিম্ন-মধ্য আৰু নিম্ন আদি ভাগত ভগাব পাৰি। আনহাতে মুখবিৱৰৰ বিস্তৃতি অনুসৰি স্বৰধ্বনিবোৰক সংবৃত, অৰ্দ্ধসংবৃত, অৰ্দ্ধবিবৃত আৰু বিবৃত আদি ভাগত ভগোৱা হৈছে। আকৌ, ওঁঠ দুটাৰ অৱস্থান অনুসৰিও স্বৰধ্বনিবোৰত সংবৃতৌষ্ঠ্য আৰু বিবৃতৌষ্ঠ্য— এই দুটা ভাগত ভাগ কৰিব পাৰি। গতিকে জিভাৰ অংশ আৰু উচ্চতা, মুখবিৱৰৰ বিস্তৃতি আৰু ওঁঠৰ অৱস্থান অনুসৰি স্বৰধ্বনিক তলত দেখুওৱা ধৰণে পোৱা যায়—

তালিকা নং — ৩.১

	সন্মুখ		কেন্দ্ৰীয়		পশ্চ	
	সংবৃতৌষ্ঠ্য	বিবৃতৌষ্ঠ্য	সংবৃতৌষ্ঠ্য	বিবৃতৌষ্ঠ্য	সংবৃতৌষ্ঠ্য	বিবৃতৌষ্ঠ্য
উচ্চ/ সংবৃত						
উচ্চ-মধ্য অৰ্দ্ধসংবৃত						
নিম্ন-মধ্য/ অৰ্দ্ধবিবৃত						
নিম্ন/বিবৃত						

৩.৪.২ ব্যঞ্জনধ্বনি

হাওঁফাওঁৰ পৰা ওলাই অহা বহির্গামী বায়ুপ্ৰৱাহক বাগিন্দ্ৰিয়ত অৱস্থিত উচ্চাৰণৰ বিভিন্ন উচ্চাৰণসহ বিভিন্ন কৰণে সম্পূৰ্ণৰূপত বাধা দি বা আংশিক বাধা দি, কলিত বা ৰোধিত কৰি যি বাগধ্বনি উচ্চাৰিত হয়, তাকে ব্যঞ্জনধ্বনি বোলা হয়। ব্যঞ্জনধ্বনিৰ কিছুমান বৈশিষ্ট্য হৈছে—

(১) ব্যঞ্জনধ্বনিসমূহ সঘোষ বা অঘোষ দুয়ো ধৰণৰ হ'ব পাৰে।

(২) ব্যঞ্জনধ্বনিসমূহ স্বৰধ্বনিৰ নিচিনাকৈ দীঘলীয়াকৈ উচ্চাৰণ কৰিব নোৱাৰি।

(৩) ব্যঞ্জনধ্বনিসমূহ স্বৰধ্বনিৰ নিচিনা বেছি মুখৰ আৰু নাদিত নহয়।

(৪) ব্যঞ্জনধ্বনিসমূহ নিয়তাঘৃষ্ট।

(৫) ব্যঞ্জনধ্বনিয়ে শ্বাস বহন কৰে। এইফালৰ পৰা অল্পপ্ৰাণ আৰু মহাপ্ৰাণ এই দুই শ্ৰেণীৰ ব্যঞ্জনধ্বনি পোৱা যায়।

(৬) ব্যঞ্জনধ্বনিৰ অনুনাসিক গুণ আছে।


(৭) ব্যঞ্জনধ্বনিৰ শ্রুতিগুণ আছে।

(৮) ব্যঞ্জনধ্বনিৰ সুৰগুণ আছে।

ব্যঞ্জনধ্বনি বাগিন্দ্রিয়ৰ বিভিন্ন অঙ্গৰ দ্বাৰা উচ্চাৰিত হয়। বাগিন্দ্রিয়ৰ বিভিন্ন অঙ্গক উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ কৰণ বা ধৰণ— এই দুই ভাগত ভগোৱা হৈছে। উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ কৰণ অনুযায়ী ধ্বনিসমূহৰ প্রকাৰ সম্পর্কে ইতিমধ্যে ওপৰত আলোচনা কৰি অহা হৈছে। ইয়াত সচৰাচৰ আমাৰ ভাষাবোৰত পোৱা ব্যঞ্জনধ্বনিসমূহক তলত দিয়াৰ ধৰণে ভাগ কৰি দেখুৱাব পাৰি—

তালিকা নং — ৩.২

	দন্তৌষ্ঠ্য		দন্ত্য	দন্তমূলীয়	মূর্দ্ধন্য	তালব্য	কণ্ঠ্য	কণ্ঠনালীয়	
	অঘোষ	সঘোষ	অ স	অ স	অ স	অ স	অ স	অ	স
ওষ্ঠ্য									
স্পর্শ বা									
নিয়ত									
উষ্ম									
নাসিক্য									
পার্শ্বিক									
কম্পিত									
অর্দ্ধস্বৰ									



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি কাক বোলে? স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ গুণ বা বৈশিষ্ট্য এটি চমু আভাস দিয়ক।

(২০০টা শব্দৰ ভিতৰত লিখক।)

.....



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যয়নৰ জৰিয়তে আমি বাগিন্দ্রিয় সমূহৰ লগত পৰিচয় হোৱাৰ লগতে বাগিন্দ্রিয়ৰ দ্বাৰা কেনেকৈ ধ্বনি উচ্চাৰণ কৰা হয় আৰু ধ্বনিবিজ্ঞানৰ আলোচনাত বাগিন্দ্রিয়ৰ গুৰুত্বপূর্ণ ভূমিকা সম্পর্কে মৌলিক জ্ঞান লাভ কৰিলোঁ।

- উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ কৰণ অনুযায়ী ভাগ কৰা বিভিন্ন প্ৰকাৰৰ ধ্বনিৰ লগত পৰিচিত হ'ব পৰা গ'ল।
- ধ্বনিৰ মাধ্যমত মানুহে মনৰ ভাব প্ৰকাশ কৰে। এই মনৰ ভাৱ এজনে আন জনলৈ কেনেদৰে প্ৰেৰণ কৰে আৰু কেনেকৈ মানুহে শুনে বা শ্ৰৱণ হয়, তাৰ মৌলিক জ্ঞান পোৱা গ'ল।
- ধ্বনিতত্ত্বৰ তাত্ত্বিক আৰু প্ৰয়োগিক দিশৰ লগত জৰিত সূক্ষ্ম কথাবোৰ জানিব পৰা গ'ল।
- স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ মাজত সাদৃশ্য যিদৰে আছে বৈসাদৃশ্যও আছে। দুয়োবিধ ধ্বনিৰে শ্ৰেণীবিভাজন আৰু ধ্বনিগুণ সম্পৰ্কে মৌলিক তথ্যৰ সম্ভেদ পোৱা গ'ল।



৩.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কোঁৱৰ, অৰ্পনা (২০০২) ভাষাবিজ্ঞান উপক্ৰমণিকা; ডিব্ৰুগড়, বনলতা

২) গোস্বামী, উপেন্দ্ৰনাথ (২০১৪) ভাষাবিজ্ঞান, গুৱাহাটী, মণি-মাণিক প্ৰকাশ

৩) গোস্বামী, গোলোকচন্দ্ৰ (১৯৭৭) ধ্বনিবিজ্ঞানৰ ভূমিকা; গুৱাহাটী, বাণী প্ৰকাশ

৪) দত্তবৰুৱা, ফণীন্দ্ৰনাৰায়ণ (১৯৯০) আধুনি ভাষাবিজ্ঞান পৰিচয়, গুৱাহাটী, বাণী প্ৰকাশ

৫) পাঠক, ৰমেশ (১৯৯১) ভাষাবিজ্ঞানৰ ভূমিকা, গুৱাহাটী, অশোক বুক ষ্টল।

ইংৰাজী ঃ

1) Armfield, N. (1931) General Phonetics, Cambridge

2) Bloomfield, L. (1994) Languge, Delhi

2) Gleason, H.A (1962) An Introduction to Descriptive Language, Newyork

4) Hockett, C.F (1955), A Manual of Phonology, Baltimore

5) Kaiser, L. (Ed.) (1957). Manual of Phonetics, Amsterdum.

6) Pike, K.L. (1953) Phonetics, Ann Arbor

7) Varshney, R.L (1988)- An Introductory Text Book of Linguistics and Phonetics, Bareilly, Student Store



৩.৭ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ মানুহৰ যি যন্ত্ৰৰ সহায়ত ধ্বনি উচ্চাৰণ কৰা হয় তাকে বাগিন্দ্ৰিয় বোলে। বাগিন্দ্ৰিয়ৰ অঙ্গবোৰ লিখক। পাঠৰ সহায়ত ধ্বনি উচ্চাৰণ দ্ৰষ্টব্যৰ কথাখিনি লিখক।

২ নং প্ৰশ্নৰ উত্তৰ ঃ পাঠ্যত উল্লেখ কৰা উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ কৰণ অনুযায়ী ভাগ কৰা

ধ্বনিৰ প্ৰকাৰবোৰ লিখক।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ পাঠ্যত অন্তৰ্ভুক্ত কৰা ৰেখাচিত্ৰৰ সহায়ত ধ্বনিতৰঙ্গ আৰু শ্ৰৱণ মূল কথাখিনি লিখক।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ধ্বনিতত্ত্ব হৈছে কোনো এটা ভাষাৰ উচ্চাৰিত হোৱা ধ্বনিসমূহত প্ৰণালীবদ্ধ আলোচনা.....পাঠ্যপুথিত উল্লেখ কৰা ইয়াৰ পিছৰ কথাখিনি লিখক।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ হাওঁফাওঁৰ পৰা ওলাই অহা বহির্গামী বায়ুপ্রবাহ.....স্বৰধ্বনি বোলা হয়। হাওঁফাওঁৰ পৰা.....ব্যঞ্জনধ্বনি বোলা হয়। ইয়াৰ পিছত পাঠ্যপুথিত উল্লেখ কৰা স্বৰধ্বনিৰ গুণ আৰু ব্যঞ্জনধ্বনিৰ বৈশিষ্ট্য কথাখিনি লিখক।



৩.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ ধ্বনিবিজ্ঞান কি? ধ্বনিবিজ্ঞানৰ মূল বিষয়বস্তু কি?

প্ৰশ্ন নং ২ ঃ বাগিন্দ্রিয় কাক বোলে? বাগিন্দ্রিয়ৰ বিভিন্ন অঙ্গবোৰ উল্লেখ কৰি ধ্বনি উচ্চাৰণত বাগিন্দ্রিয়ৰ ভূমিকা সম্পৰ্কে এটি চমু আলোচনা যুগুত কৰক।

প্ৰশ্ন নং ৩ ঃ উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ কৰণ কাক বোলে? উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ কৰণ অনুযায়ী ধ্বনিক কি কি প্ৰকাৰত ভগাব পাৰি—এটি চমু আলোচনা আগবঢ়াওক।

প্ৰশ্ন নং ৪ ঃ ধ্বনিতৰঙ্গ আৰু শ্ৰৱণ কাক বোলে? উপযুক্ত চিত্ৰৰ সহায়ত ইয়াৰ মূল কথাখিনি চমুকৈ লিখক।

প্ৰশ্ন নং ৫ ঃ ধ্বনিতত্ত্বৰ মূল আলোচ্য বিষয় সম্পৰ্কে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন নং ৬ ঃ বাগধ্বনি কাক বোলে? বাগধ্বনিক বহলকৈ কেই ভাগত ভগাব পাৰি?

প্ৰশ্ন নং ৭ ঃ স্বৰধ্বনি কাক বোলে? স্বৰধ্বনিৰ গুণবোৰ উল্লেখ কৰি ইয়াৰ ভাগবোৰ চমুকৈ লিখক।

প্ৰশ্ন নং ৮ ঃ ব্যঞ্জনধ্বনি কাক বোলে? ব্যঞ্জনধ্বনিৰ মূল বৈশিষ্ট্যবোৰ কি কি?

প্ৰশ্ন নং ৯ ঃ ব্যঞ্জন ধ্বনিৰ ভাগবোৰ উল্লেখ কৰি এখন তালিকা যুগুত কৰক।

প্ৰশ্ন নং ১০ ঃ বাগিন্দ্রিয়ক এটি পৰিস্কাৰ চিত্ৰ আঁকি ইয়াৰ অঙ্গবোৰ নির্দেশ কৰক।

*** ***** ***

অধ্যায় ৪ ঃ ধ্বনি, বর্ণ-বিশিষ্ট ধ্বনি, উপধ্বনি

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ধ্বনিৰ অর্থ
৪.৪ বর্ণ-বিশিষ্ট ধ্বনি
৪.৫ উপধ্বনি
৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৭ অধিক জানিবলৈ
৪.৮ অগ্রগতিৰ খতিয়ান (কৱল ৰূপৰেখা)
৪.৯ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষাৰ এটি মৌলিক উপাদান ‘ধ্বনি’ৰ অর্থ, ধ্বনিৰ উচ্চাৰণ সম্পর্কে বিশেষভাৱে জানিব পাৰিব
- ভাষা বিশেষত উচ্চাৰিত হোৱা ধ্বনিৰ উৎপাদন, ধ্বনিৰ গুণ আৰু প্রকৃতি সম্বন্ধে অৱগত হ’ব। বিশেষকৈ এটা ধ্বনিৰ সৈতে আন এটা ধ্বনিৰ উচ্চাৰণৰ পার্থক্য কিয় আৰু কেনেকৈ হয় সেই বিষয়ে জানিব পাৰিব
- বর্ণ বা বিশিষ্ট ধ্বনি আৰু অবিশিষ্ট ধ্বনি সম্পর্কে জ্ঞান লাভ কৰিব পাৰিব। তদুপৰি ধ্বনিৰ পৰা বর্ণ নির্ণয় কেনেদৰে কৰা হয় সেই বিষয়ে জানিব পাৰিব
- উপধ্বনি কাক বোলে আৰু উপধ্বনি কেনেদৰে নির্ণয় কৰা হয় সেই বিষয়ে সম্ভেদ পাব।
- ভাষাৰ সামগ্রী হিচাপে ধ্বনি, বর্ণ আৰু উপধ্বনিৰ সম্পর্ক আৰু পার্থক্যৰ বিষয়ে জ্ঞাত হ’ব
- ধ্বনিৰ প্রকৃতি আৰু প্রায়োগিক বৈশিষ্ট্য নির্ণয় কৰি বর্ণ আৰু উপধ্বনি বিচাৰ কৰাৰ প্রসংগত অৱলম্বন কৰা ধ্বনিগত সাদৃশ্য, আসন্ন ধ্বনিৰ পাৰস্পৰিক প্রভাৱ, ধ্বনিৰ পৰিৱেশ, ধ্বনিৰ বিৰোধী-অবিৰোধী প্রয়োগ আদি বিভিন্ন ধ্বনি প্রণালীৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰিব।

৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া পাঠ্যক্রমৰ প্রথম ষান্মাসিকৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা তৃতীয় ঐচ্ছিক পাঠ্যবিষয় ‘ধ্বনিবিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব’ পাঠ্য বিষয়ৰ এইটো চতুর্থ অধ্যায়।

এই অধ্যায়টিত ভাষা প্রদান সামগ্রী হিচাপে ধ্বনি, বর্ণ আৰু উপধ্বনিৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। পৃথিৱীৰ প্রত্যেক ভাষাৰে এটা স্বকীয় গঠন প্রণালী থাকে। ধ্বনি, ৰূপ, বাক্য, অর্থ ভাষা গঠনৰ মৌলিক উপাদান। ভাষাৰ মূলেই হ'ল ধ্বনি। ভাষাবিজ্ঞানৰ অন্তর্গত ধ্বনিবিজ্ঞান, ধ্বনিতত্ত্ব, বর্ণবিজ্ঞান এই শাখাকেইটাত ধ্বনিৰ বিজ্ঞানসন্মত বিচাৰ— বিশ্লেষণ কৰা হয়। মানৱ বাগ্যন্ত্রৰ দ্বাৰা উচ্চাৰিত ধ্বনিসমূহৰ সাধাৰণ বিশ্লেষণ আগবঢ়োৱা হয় ধ্বনিবিজ্ঞানত। ইয়াত পৃথিৱীৰ সকলো ভাষাত উচ্চাৰিত ধ্বনিসমূহৰ তাত্ত্বিক আৰু প্রায়োগিক দিশৰ অধ্যয়ন কৰা হয়। ধ্বনিবিজ্ঞানে বিশেষ ভাষাৰ বাগ্ধ্বনিৰ সৈতে সম্পর্ক নাৰাখি মানৱ ভাষাৰ বাগ্ধ্বনি সম্পর্কে সামগ্রিক আলোচনা কৰে। আনহাতে কোনো এটা বিশেষ ভাষাত উচ্চাৰিত ধ্বনিৰ উৎপাদন, ধ্বনিৰ গুণ আৰু প্রকৃতি প্রণালীবদ্ধভাৱে আলোচনা কৰা হয় ধ্বনিতত্ত্ব আৰু বর্ণবিজ্ঞানত। পৃথিৱীৰ ভিন্ ভিন্ ভাষাত উচ্চাৰিত ধ্বনিসমূহৰ প্রত্যেকৰে ধ্বনিগুণ, প্রকৃতি আৰু প্রয়োগ সুকীয়া সুকীয়া। ভাষা ভেদেও ধ্বনিসমূহৰ উচ্চাৰণৰ বৈশিষ্ট্য পৰিলক্ষিত হয়। বর্ণবিজ্ঞানে কেতবোৰ সুনির্দিষ্ট নীতিৰে প্রণালীবদ্ধভাৱে কোনো এটি ভাষাৰ বাগ্ধ্বনিৰ বিচাৰ-বিশ্লেষণ কৰি কিছুমান একক বা গোটত ভাগ কৰে। এনেদৰে বিচাৰ কৰা ধ্বনি গোটকে বর্ণ বা বিশিষ্ট ধ্বনি বোলে। বিশিষ্ট ধ্বনিৰ উচ্চাৰণ বক্তা আৰু শ্রোতাৰ দুয়োৰে কাণত বাজি উঠে। আনহাতে যিবোৰ ধ্বনিৰ উচ্চাৰণ বক্তা আৰু শ্রোতাৰ কাণত বাজি নুঠে অর্থাৎ অস্পষ্ট হয় সেইবিলাকেই অৱিশিষ্ট ধ্বনি। বিশিষ্ট ধ্বনিয়ে শব্দৰ অর্থ-পৰিৱর্তন কৰে যদিও অবিশিষ্ট ধ্বনিয়ে অর্থৰ পৰিৱর্তন কৰিব নোৱাৰে। একোটা ধ্বনিৰে কেবাটাও অবিশিষ্ট ৰূপ থাকিব পাৰে। এই অবিশিষ্ট ৰূপকে সেই ধ্বনিৰ উপধ্বনি বুলি কোৱা হয়।

ধ্বনি, বর্ণ আৰু উপধ্বনি প্রত্যেকেই ভাষাৰ সামগ্রী। সেয়েহে ইহঁতৰ প্রত্যেকৰে ইটোৰ লগতে সিটোৰ এক অঙ্গাঙ্গী সম্পর্ক আছে। অৱশ্যে ভাষিক বিশ্লেষণ সুকীয়া হোৱা বাবে ইহঁতৰ মাজত পার্থক্যও পৰিলক্ষিত হয়। সাধাৰণতে ধ্বনি বুলি ক'লে মানুহে মনৰ ভাব প্রকাশ কৰিবলৈ বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত শ্রুয়মান ধ্বনি সংকেতক বুজায়। ইয়াক বিশিষ্ট-অবিশিষ্ট কোনো ভাগ কৰা নহয়। বর্ণ বুলিলে ধ্বনিৰ প্রকৃতি আৰু গুণ অনুসৰি কেৱল বিশিষ্ট ধ্বনিসমূহকহে বুজায়। উপধ্বনি বুলিলে ভাষাত উচ্চাৰিত অবিশিষ্ট ধ্বনিসমূহক বুজায়।

এই অধ্যায়টিত ভাষাৰ সামগ্রী হিচাপে ধ্বনি, বর্ণ আৰু উপধ্বনি সম্পর্কে এটি সামগ্রিক আলোচনা দাঙি ধৰা হৈছে। এই প্রসংগত ধ্বনিৰ অর্থ, ধ্বনিৰ প্রকাৰ, শ্রেণীবিভাজনৰ উপৰিও ধ্বনিৰ পৰা বর্ণ আৰু উপধ্বনি নির্ণয় প্রক্রিয়া সম্বন্ধে জানিব পাৰিব। তদুপৰি ধ্বনি, উপধ্বনি, বর্ণৰ সম্পর্ক আৰু পার্থক্য সম্পর্কেও এটি আভাস দাঙি ধৰা হৈছে। ধ্বনিৰ প্রকৃতি আৰু প্রয়োগ বিশ্লেষণৰ পৰিপ্রেক্ষিতত অৱলম্বন কৰা ধ্বনিগত মিল, আসন্ন ধ্বনিৰ পাৰস্পৰিক প্রভাৱ, ধ্বনিৰ পৰিৱেশ, ধ্বনিৰ বিৰোধী, অবিৰোধী প্রয়োগ আদি বিভিন্ন ধ্বনি প্রণালীৰ এটি সামগ্রিক বিচাৰ বিশ্লেষণ দাঙি ধৰা হৈছে।

৪.৩ ধ্বনিৰ অর্থ

ধ্বনি ভাষাৰ মৌলিক সামগ্রী। মানুহে কথা-বতৰা পাতোতে অজস্র ধ্বনি উচ্চাৰণ কৰে। সাধাৰণতে ইংৰাজী ভাষাৰ 'Sound' শব্দৰ প্রতিশব্দ হিচাপে অসমীয়া ভাষাত 'ধ্বনি'

শব্দটো প্রয়োগ কৰা হয়। এই 'ধ্বনি' শব্দটোৰে সামগ্রিকভাৱে ব্যাপক অর্থ প্রকাশ কৰে যদিও ভাষাবিজ্ঞানৰ মতে ইয়াৰ অর্থ কিছু বেলেগ। ব্যাপক অর্থত জীৱ-জন্তু, চৰাই-চিৰিকতিৰ মাত, নদীৰ সোঁতৰ কুলু কুলু শব্দ, গাড়ী-মটৰ, কল-কাৰখানাৰ শব্দ আদিকো 'ধ্বনি' বুলি ধৰা হয় যদিও ভাষাবিজ্ঞানৰ মতে মনৰ ভাব প্রকাশ কৰিবলৈ মানুহৰ বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত হোৱা নিম্নতম শ্রুয়মান সংকেতবোৰকহে 'ধ্বনি' বুলি কোৱা হয়। গতিকে ধ্বনি হ'ব লাগিলে সি মানুহৰ মুখেৰে উচ্চাৰিত হ'ব লাগিব। জীৱ-জন্তুৰেও মৌখিক ধ্বনিৰে ভাব প্রকাশ কৰে। উদাহৰণস্বৰূপে কুকুৰে ভূকিলে কোনোবা অহা বুলি বুজোঁ। দামুৰীয়ে হেম্বেলিয়ালে তাৰ পিয়াহ লগা বুলি জনা যায়। কিন্তু এইবোৰ 'ধ্বনি'ৰ ভিতৰত নপৰে। মানুহৰ মুখেৰে উচ্চাৰিত ধ্বনিসমষ্টিহে ভাষা। ধ্বনি ভাষাৰ অপৰিহার্য্য সামগ্রী যদিও ধ্বনিৰ নিজস্ব কোনো অর্থ নাই। অৱশ্যে এই ধ্বনিবোৰ নির্দিষ্ট নিয়মেৰে সংযোগ কৰি আৰু সেইবোৰৰ পাৰস্পৰিক সম্পর্কৰ দ্বাৰা অর্থ আৰোপ কৰি একোটা স্পষ্ট মনোভাৱ ব্যক্ত কৰে। এই ধ্বনি বা ধ্বনিসংযোগে অর্থ প্রকাশ কৰিলে 'ৰূপ' বুলি কোৱা হয়। যেনে 'কিতাপ' শব্দটো গঠিত হৈছে/ক ই ত আ প/—এই ধ্বনিকেইটা লগ লাগি। এই ধ্বনিকেইটাৰ অকলে অর্থ নাই। কিন্তু পাঁচোটা ধ্বনিৰ সমষ্টি 'কিতাপ'ৰ অর্থ আছে। ভাষা বুলি ক'লে সাধাৰণতে বাক্যৰ সমষ্টিক বুজায়। একোটা বাক্য বিশ্লেষণ কৰিলে অর্থ প্রকাশক যি একোটা ক্ষুদ্র অংশ পোৱা যায় সেইটোৰেই হ'ল ৰূপ। একোটা ৰূপ আকৌ এটা বা অধিক ধ্বনিৰ সংযোগত সৃষ্টি হৈছে। গতিকে ৰূপক বিশ্লেষণ কৰি যি ক্ষুদ্রতম গোট পোৱা যায় সেয়াই ধ্বনি।যেনে 'মই কিতাপ পঢ়োঁ' এই বাক্যটিত 'মই', 'কিতাপ', 'পঢ়োঁ' এই তিনিটা ৰূপ আছে। ইয়াৰে 'মই' ৰূপটো ম+ই এই দুটা ধ্বনিৰ সমষ্টি, 'কিতাপ' শব্দটো 'ক+ই+ত+আ+প এই পাঁচটা ধ্বনি আৰু 'পঢ়োঁ' শব্দটো 'প+ঢ়+ও এই তিনিটা ধ্বনিৰ সমষ্টি।

এই ধ্বনিবোৰৰ উৎপত্তি কেনেদৰে কৰা হয় বুলি প্রশ্ন কৰিলে ক'ব পাৰি যে ধ্বনিযন্ত্রৰ সহায়েৰে এইবোৰ সৃষ্টি কৰা হয়। সাধাৰণতে মানুহৰ হাওঁফাওঁৰ পৰা সোমাই অহা বায়ুপ্রবাহক বাগিন্দ্রিয়ৰ সহায়ত আংশিক বা সম্পূর্ণৰূপে বাধা প্রদান কৰি ধ্বনিৰ সৃষ্টি কৰা হয়। ভাষাবিদ গোলোক চন্দ্র গোস্বামীৰ মতে 'মানুহে কথা-বতৰা পাতোতে মুখেৰে বায়ুৰ সোঁতৰ সহায়ত যি মাত উলিয়ায়, সেই মাতৰ ক্ষুদ্র ক্ষুদ্র ভাগ বা খণ্ডবোৰকে বাগ্ধ্বনি বা চমুকৈ ধ্বনি বোলে।' বাগ্ধ্বনিৰ উচ্চাৰণক বাঁহী-বাদনৰ লগত তুলনা কৰিব পাৰি। বাঁহীৰ নলীত মুখেৰে বতাহ সুমুৰাই দি নলীডালৰ বিভিন্ন ফুটা বন্ধ কৰি নাইবা খুলি দি ধ্বনিৰ সৃষ্টি কৰা হয়। ঠিক তেনেদৰে শ্বাসনলীৰে হাওঁফাওঁৰ পৰা বায়ুৰ সোঁত বোৱাই এই নলীৰ বিভিন্ন স্থানত অৱস্থিত বাগ্যন্ত্রৰে বাধাৰ সৃষ্টি কৰি ধ্বনি উচ্চাৰণ কৰা হয়। দুয়ো ক্ষেত্রতে বতাহৰ সোঁত ৰুদ্ধ কৰা হয়।

ধ্বনিৰ সৃষ্টিত বাগ্যন্ত্রৰ ভূমিকা গুৰুত্বপূর্ণ। বাগ্যন্ত্রই মানুহৰ শৰীৰত কোনো এঠাইত থকা এটা বিশেষ যন্ত্রক নুবুজায়। মানুহৰ শৰীৰত থকা কেবাটাও যন্ত্রই ধ্বনি উচ্চাৰণত সহায় কৰে। সাধাৰণতে ওঠ, দাঁত, দন্তমূল, তালু, জিভা, আলজিভা, স্বৰ কক্ষ, স্বৰতন্ত্রী শ্বাসনলী, নাসিকাবিৰৰ, হাওঁফাওঁ আদি মানৱদেহৰ বিভিন্ন অংগ অর্থাৎ বাগ্যন্ত্রই ধ্বনিৰ উৎপাদনত বিশেষভাৱে সহায় কৰে।

ধ্বনি কাণেৰে শুনা বাস্তৱ সামগ্রী। আলোচ্য ভাষাৰ উচ্চাৰিত ধ্বনিসমূহৰ ঘুণ আৰু

প্রকৃতি অনুসৰি বিশিষ্ট আৰু অবিশিষ্ট এই দুটা ভাগত ধ্বনিৰ আলোচনা কৰিব পাৰি। বাগ্‌ধ্বনিগুমূহৰ এটা বিশেষ গুণ হ'ল চলতা (Fluctuation)। সাধাৰণতে কোনো এটা ভাষাৰ শব্দৰ অন্তর্গত ধ্বনিসমূহৰ পৰিৱেশগত কাৰণত, নাইবা প্রয়োগগত কাৰণত উচ্চাৰণ তাৰতম্য অনুসৰিয়েই ধ্বনিসমূহৰ বিশিষ্টতা আৰু অবিশিষ্টতা নির্ণয় কৰিব পাৰি। সাধাৰণতে যিবোৰ ধ্বনিৰ উচ্চাৰণ স্পষ্ট নহয়, প্রত্যেক বাৰ উচ্চাৰণত যৎসামান্য তাৰতম্য ঘটে, কিন্তু বক্তা আৰু শ্রোতাৰ কাণত উচ্চাৰণৰ এই তাৰতম্য ধৰা নপৰে তেনেবোৰ ধ্বনিত 'অবিশিষ্ট ধ্বনি'ৰ শ্রেণীত ধৰা হয়। অবিশিষ্ট ধ্বনিৰ দ্বাৰা শব্দৰ ধ্বনি বিশ্লেষণ কৰিব নোৱাৰি। ইহঁতে শব্দৰ অর্থও সলনি কৰিব নোৱাৰে। আনহাতে যিবোৰ ধ্বনিৰ উচ্চাৰণ বক্তা আৰু শ্রোতাৰ কাণত বাজে সেইবোৰকে বিশিষ্ট ধ্বনি বা বর্ণ বোলে। বিশিষ্ট ধ্বনিয়ে শব্দৰ অর্থৰ সলনি কৰিব পাৰে। বিশিষ্ট ধ্বনিবোৰ প্রকৃততে একোটা ধ্বনি গোট (unit)। এনে ধ্বনিগোটত এটা বা একাধিক ধ্বনিৰ সমন্বয় ঘটে। বিশিষ্ট ধ্বনিক কেন্দ্র কৰি অবিশিষ্ট ধ্বনিবোৰ প্রয়োগ হয়। একোটা ধ্বনিগোটৰ অর্থাৎ বিশিষ্ট ধ্বনিৰ অন্তর্গত দুটা ধ্বনি সম্পূর্ণ একে পৰিৱেশত ব্যৱহাৰ হ'ব পাৰে। অৱশ্যে এনে অভিন্ন পৰিৱেশত ধ্বনি দুটাৰ এটোৰ ঠাইত আনটো বহুৱালে শব্দৰ অর্থৰ সলনি হয়। উদাহৰণ ঃ

পাপ — প+আ+প

তাপ — ত+আ+প

উপৰোক্ত 'পাপ' আৰু 'তাপ' শব্দৰ 'প' আৰু 'ত' ধ্বনিৰ পৰিৱেশ একে অর্থাৎ ইহঁতৰ পিছত থকা ধ্বনিবোৰ সম্পূর্ণ একে। এনে অভিন্ন পৰিৱেশত 'প' আৰু 'ত'ৰ এটাৰ ঠাইত আনটো ব্যৱহাৰ কৰাত 'পাপ' আৰু 'তাপ'ৰ অর্থ পৃথক হৈ পৰিছে। এই 'প' আৰু 'ত' ধ্বনিৰ উচ্চাৰণত অসমীয়া ভাষী বক্তা আৰু শ্রোতাৰ কাণত বাজি উঠে আৰু দুয়োটা ধ্বনিৰ উচ্চাৰণে শব্দ দুটাৰ অর্থভেদ স্পষ্ট কৰি তুলিছে। সেয়েহে 'প' আৰু 'ত' দুয়োটাই অসমীয়া ভাষাত বিশিষ্ট ধ্বনি বা বর্ণ।

ধ্বনিৰ উচ্চাৰণত স্বৰতন্ত্রীৰ ভূমিকা গুৰুত্বপূর্ণ। বহির্গামী বায়ুপ্রবাহ স্বৰতন্ত্রীত বাধাগ্রস্ত হোৱা-নোহোৱা অনুসৰি ধ্বনিবোৰক অঘোষ (voiceless) আৰু সঘোষ (voiced) দুই ভাগত ভগাব পাৰি। হাওঁফাওঁৰ পৰা ওলাই অহা বায়ু প্রবাহ স্বৰতন্ত্রীত বাধাপ্রাপ্ত হৈ কম্পন সৃষ্টি কৰি উচ্চাৰিত হোৱা ধ্বনিক সঘোষ ধ্বনি বোলে। অসমীয়া ভাষাৰ স্বৰ আৰু ব্যঞ্জন বর্ণৰ বর্গৰ তৃতীয়, চতুর্থ, পঞ্চম ধ্বনিৰ লগতে ৰ, ল, ৱ, য় আৰু হ ধ্বনি সঘোষ ধ্বনিৰ অন্তর্ভুক্ত। আনহাতে বহির্গামী বায়ুপ্রবাহ স্বৰতন্ত্রীত বাধাপ্রাপ্ত নোহোৱাকৈ প্রবাহিত হৈ সৃষ্টি হোৱা ধ্বনিক অঘোষ ধ্বনি বুলি কোৱা হয়। অসমীয়া ব্যঞ্জন বর্ণৰ বর্গৰ প্রথম, দ্বিতীয় ধ্বনিৰ লগত শ, ষ, স ধ্বনি অঘোষণ ধ্বনিৰ ভিতৰত পৰে।

ধ্বনি উচ্চাৰণৰ প্রাবল্য অনুসৰি ধ্বনিক অল্পপ্রাণ (unaspirated) আৰু মহাপ্রাণ (Aspirated) এই দুটা ভাগত বিভক্ত কৰিব পাৰি। যিবোৰ ধ্বনি উচ্চাৰণ কৰোঁতে মুখৰ পৰা অহা বায়ুপ্রবাহ স্বৰতন্ত্রীত ঘঁহনি খাই প্রবল ৰূপত ওলাই আহে আৰু এই গৰণ বতাহ হাতৰ তলুৱাত লাগেহি তাক মহাপ্রাণ ধ্বনি বোলে। ব্যঞ্জন ধ্বনিৰ বর্গৰ দ্বিতীয়, চতুর্থ (অসমীয়া ভাষাত

খ, ঘ, থ, ধ, ফ, ভ আদি) মহাপ্রাণ ধ্বনি আৰু বর্গৰ প্রথম, তৃতীয় আৰু পঞ্চম (অসমীয়া ভাষাৰ ক, গ, ম, ত, দ আদি) অল্পপ্রাণ ধ্বনি।

পৰম্পৰাগত শ্রেণী বিভাজন অনুসৰি ধ্বনিক স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনি এই দুই শ্রেণীত ভাগ কৰিব পাৰি। আধুনিক ধ্বনি বিজ্ঞানীসকলৰ সূত্র মতে যিবোৰ ধ্বনি উচ্চাৰণ কৰোঁতে বায়ুপ্রবাহ স্বৰতন্ত্রীৰ বাহিৰে মুখ বিৱৰৰ কোনো ঠাইতে বাধা প্রাপ্ত নহয় আৰু জিভাৰ অৱস্থান, ওঁঠৰ আকৃতিৰে বায়ু প্রবাহক নিয়ন্ত্রণ কৰা হয় তেনেবোৰ ধ্বনিকে স্বৰধ্বনি বোলে। মুখ বিৱৰত জিভাৰ অৱস্থান অনুসৰি ধ্বনিক উচ্চ (High), উচ্চ মধ্য (High mid), নিম্ন মধ্য (Lowmid) আৰু নিম্ন (Low) এই চাৰিটা ভাগত ভাগ কৰা হয়। আনহাতে জিভাৰ অৱস্থান, জিভাখন বিভিন্ন অংশৰ ভূমিকা অনুসৰি এই স্বৰধ্বনিসমূহক আকৌ প্রান্তীয় বা অগ্র (Front), কেন্দ্রীয় বা মধ্য (Cental) আৰু মূলীয় বা পশ্চ (Back) এই ধৰণে ভাগ কৰা হয়।

হাওঁফাওঁৰ পৰা ওলাই অহা বতাহৰ প্রবাহক মুখ বিৱৰৰ ভিতৰত কোনো ঠাইত আংশিক বা সম্পূর্ণৰূপে ৰোধ কৰি সৃষ্টি কৰা ধ্বনিবোৰক ব্যঞ্জন ধ্বনি বোলে। উচ্চাৰণৰ স্থান অনুসৰি ব্যঞ্জন ধ্বনিক ঔষ্ঠ্য, দন্তৌষ্ঠ্য, দন্ত্য, দন্তমূলীয়, মূর্ধণ্য, তালব্য, পশ্চতালব্য, কণ্ঠ্য, কণ্ঠমূলীয় বা আলজিহ্বীয়, কণ্ঠনালীয় বা গলকোষীয় আদি। অসমীয়া ভাষাৰ প, ফ, ব, ভ, আদি ঔষ্ঠ্য; ইংৰাজী f, v দন্তৌষ্ঠ্য; অসমীয়া ‘ত’, ‘দ’, ‘ণ্ট’, ‘ড’ আদি দন্তমূলীয় ‘চ’, ‘জ’ তালব্য, ‘ক’, ‘গ’, কণ্ঠ্য ধ্বনি; আৰবী ‘ক’ কণ্ঠমূলীয়; অসমীয়া ‘হ’ কণ্ঠনালীয় ধ্বনি। উচ্চাৰণৰ প্রকৃতি অনুযায়ী ব্যঞ্জন ধ্বনিক আকৌ স্পর্শ বা নিয়ত, নাসিক্য, পার্শ্বিক কম্পিত, উষ্ম এইকেইটা ভাগত ভাগ কৰিব পাৰি। অসমীয়া ভাষাৰ প, ফ ব, ভ, ত, থ, দ, ধ, ক, খ, গ, ঘ স্পর্শ ধ্বনি; ঙ, ন ম, নাসিক্য; ‘ল’ পার্শ্বিক; ‘ৰ’ কম্পিত আৰু চ, জ, স, হ, উষ্ম ধ্বনি। ধ্বনি গুণ অনুসৰি ব্যঞ্জন ধ্বনিক আকৌ সঘোষ, অঘোষ হিচাপে ভাগ কৰাৰ উপৰিও সঘোষ আৰু অঘোষ ধ্বনিক অল্পপ্রাণ আৰু মহাপ্রাণ এই দুটা ভাগত বিভক্ত কৰি আলোচনা কৰা হয়।

বাগ্ধ্বনিবোৰৰ প্রকৃতি লক্ষ্য কৰিলে দেখা যায় যে সন্নিকট ধ্বনিবোৰৰ পৰস্পৰে পৰস্পৰৰ ওপৰত সদায় প্রভাৱ বিস্তাৰ কৰে। এনে পাৰস্পৰিক প্রভাৱৰ ফলতো ধ্বনি গুণ বা ধ্বনি উচ্চাৰণৰ তাৰতম্য ঘটিব পাৰে। কেতিয়াবা আদি স্থান থাকিলে এক ধৰণৰ উচ্চাৰণ আৰু অন্য স্থানত থাকিলে অন্য ধৰণৰ উচ্চাৰণ হয়। ধ্বনি উচ্চাৰণৰ এনে তাৰতম্য বা চলতা মাতৃভাষী সাধাৰণ লোকৰ কাণত নাবাজে, বিশেষজ্ঞৰ কাণতহে বাজে। সাধাৰণতে অনুক্রম ধ্বনিয়ে অনুক্রম ধ্বনিৰ ওপৰত আৰু উপ হিত ধ্বনিয়ে উপহিত ধ্বনিৰ ওপৰত প্রভাৱ পেলাব পাৰে। কেতিয়াবা আকৌ অনুক্রম ধ্বনিৰে ব্যঞ্জনৰ ওপৰত ব্যঞ্জনৰ প্রভাৱ স্বৰৰ ওপৰত স্বৰৰ প্রভাৱ, ব্যঞ্জনৰ ওপৰত স্বৰৰ প্রভাৱ আদিয়ে ধ্বনি গুণ বা উচ্চাৰণৰ তাৰতম্য ঘটোৱা দেখা যায়। স্বৰধ্বনিয়ে স্বৰধ্বনিক কেনেদৰে প্রভাৱিত কৰে তাক জানিবলৈ অসমীয়া ভাষাৰ তলৰ উদাহৰণকেইটা লক্ষ্য কৰক—

পেট — প এ ত = এ উচ্চ নিম্নমধ্য

পেটী — প এ’ তই = এ’ উচ্চ মধ্য

পেটু — প এ' ত উ = এ' উচ্চ মধ্য

উপৰোক্ত উদাহৰণকেইটাৰ দ্বাৰা দেখা গ'ল যে একে পেট শব্দৰ সাধিত 'পেটী' আৰু 'পেটু' শব্দৰ পৰৱৰ্তী অক্ষৰত উচ্চ স্বৰ ক্ৰমে 'ই' আৰু 'উ' যুক্ত হোৱা বাবে ইহঁতৰ এ স্বৰৰ উচ্চাৰণৰ পাৰ্থক্য ঘটি এ' স্বৰ উচ্চাৰিত হৈছে। উচ্চাৰণৰ এই পৰিৱৰ্তন কাৰণ পৰৱৰ্তী ই আৰু উ স্বৰৰ প্ৰভাৱ।

এনেদৰে সন্নিকট ধ্বনিয়ে প্ৰভাৱ বিস্তাৰ কৰি ধ্বনিৰ উচ্চাৰণ বা ধ্বনিগুণৰ তাৰতম্য ঘটাব পাৰে। ইংৰাজী ভাষাৰ এটা উদাহৰণৰ দ্বাৰা কথাষাৰ অধিক স্পষ্ট কৰিব পৰা যাব। ইংৰাজী ভাষাত ত (t) আৰু ক (k)ৰ উচ্চাৰণ কিছুমান ঠাইত সামান্য মহাপ্ৰাণ অৰ্থাৎ 'ত' আৰু 'ক' ক্ৰমে 'kh' ৰূপে উচ্চাৰিত হয়। কিন্তু এই দুটা ধ্বনি স (S)ৰ লগত যুক্ত হৈ থাকিলে ধ্বনি দুটা অল্পপ্ৰাণ হয়। যেনে—

top — t সামান্য মহাপ্ৰাণ অৰ্থাৎ th

stop — t অল্পপ্ৰাণ

keep — k সামান্য মহাপ্ৰাণ অৰ্থাৎ kh

skip — k অল্পপ্ৰাণ

গতিকে দেখা গ'ল 'top' আৰু 'stop'ৰ 't' আৰু 'keep' আৰু 'skip'ৰ 'k'ৰ উচ্চাৰণ বেলেগ হোৱাৰ কাৰণ হ'ল 's' ধ্বনিৰ লগত যুক্ত আৰু অযুক্ত অৱস্থা। ঠিক তেনেদৰে অসমীয়া ভাষাত মূৰ্ধন্য ধ্বনিৰ উচ্চাৰণ নহয়। ত, থ, দ, ধ, ন ধ্বনি দন্তমূলীয় যদিও কৰ্তা, অৰ্থ, অৰ্ধ, কৰ্ণ আদি ৰূপত ত, থ, দ, ধ, ন ধ্বনিৰ উচ্চাৰণ ইষৎ মূৰ্ধন্য হোৱাৰ কাৰণ ইষৎ মূৰ্ধন্য 'ৰ' ধ্বনিৰ প্ৰভাৱ।

বাগ্‌ধ্বনিবোৰ সদায় একে ধৰণে উচ্চাৰিত নহয়। পৰিৱেশ ভেদে ইয়াৰ উচ্চাৰণ সুকীয়া সুকীয়া হয়। ধ্বনিসমূহৰ প্ৰয়োগ বিশ্লেষণৰ বাবে ধ্বনিৰ পৰিৱেশৰ জ্ঞান প্ৰয়োজনীয়। সাধাৰণতে এটা ধ্বনিৰ আগত আৰু পাছত থকা ধ্বনিসমষ্টিয়ে পৰিৱেশ গঠন কৰে। ধ্বনিৰ পৰিৱেশ বিশ্লেষণৰ দ্বাৰা এটা ভাষাৰ বিশিষ্ট আৰু অবিশিষ্ট ধ্বনি নিৰ্ণয় কৰিব পাৰি। ধ্বনিসমূহৰ প্ৰয়োগগত পৰিৱেশ দুটা ঃ

(ক) অভিন্ন পৰিৱেশ (Identical Environment)

(খ) সদৃশ পৰিৱেশ (Analogous Environment)

অভিন্ন পৰিৱেশ হ'ব লাগিলে আলোচ্য ধ্বনি দুটাৰ আগৰ আৰু পাছৰ ধ্বনিবোৰ একে হ'ব লাগিব। উদাহৰণ স্বৰূপে আকৰ (আকঅৰ), আখৰ (আখঅৰ), আগৰ (আগঅৰ)আদি শব্দৰ ক, খ, গ, ধ্বনিৰ পৰিৱেশ অভিন্ন। অৰ্থাৎ

(১) এই ধ্বনিকেইটা শব্দৰ মধ্য অৱস্থানত প্ৰয়োগ হৈছে।

(২) ধ্বনিকেইটাৰ আগত আৰু পাছত থকা ধ্বনিসমষ্টি একে। তিনিওটা ধ্বনিৰ অৰ্থাৎ ক, খ, গ ধ্বনিৰ আগত 'আ' আৰু পিছত 'অৰ' আছে। অৰ্থাৎ আগত V আৰু পিছত VC (V-Vowel, C-consonant) আছে। গতিকে আকৰ, আখৰ, আগৰ শব্দ তিনিটাৰ ক্ৰমে ক, খ, গ, ধ্বনিৰ প্ৰয়োগ অভিন্ন পৰিৱেশত হোৱা বুলি কয়।

শব্দৰ স্থান অনুসৰিও ধ্বনিৰ উচ্চাৰণ সুকীয়া হয়। ধ্বনিৰ ব্যৱহাৰ শব্দৰ আদি, মধ্য নে অন্ত্যস্থানত হৈছে সেই কথাও ধ্বনিৰ পৰিৱেশৰ অন্তর্ভুক্ত। শব্দৰ আদি, মধ্য বা অন্ত্য স্থানত প্রয়োগ অনুসৰি একেটা ধ্বনিৰে বেলেগ বেলেগ উচ্চাৰণ হ'ব পাৰে। উদাহৰণ স্বৰূপে অসমীয়া 'পাপ' শব্দৰ 'প' ধ্বনিটোৰ উচ্চাৰণ বৈশিষ্ট্যলৈ মন কৰিলে দেখা যায় যে প্রথম 'প' উচ্চাৰণ কৰোতে বহির্গামী বায়ু প্রবাহক দুয়োটা ওঠেৰে ৰোধ কৰি এৰি দিয়া যায় অর্থাৎ ওঠ দুটা লগ লাগিয়েই ফাঁক হৈ যায়। গতিকে প্রথম 'প'ৰ উচ্চাৰণ প্রস্ফোট স্পর্শ ধ্বনি। কিন্তু দ্বিতীয় 'প' উচ্চাৰণ কৰোতে ওঠ দুটা লগ লগাৰ দৰে ৰৈ যায়। ঠিক তেনেদৰে 'নিপাত' শব্দৰ 'প'ৰ উচ্চাৰণতো ওঠ দুটা লগ লাগিয়েই ফাঁক হৈ যায়। এই কথাখিনিৰ দ্বাৰা ইয়াকে বুজা গ'ল যে শব্দৰ আদি বা মধ্যত থাকিলে 'প'ৰ উচ্চাৰণত ওঠ দুটা লগ লাগিয়েই ফাঁক হয়। পদৰ অন্ত্য অৱস্থানত থাকিলে ওঠ দুটা লগ লগাৰ দৰে ৰৈ যায়। কেতিয়াবা কোনো দুটা শব্দত একেই ধ্বনি গুণ বিশিষ্ট দুটা ধ্বনিৰ পৰিৱেশ একে নহ'ব পাৰে। অর্থাৎ আলোচ্য ধ্বনি দুটাৰ আগৰ আৰু পাছৰ ধ্বনিবোৰ গাঁথনিক দিশত একেই কিন্তু অভিন্ন পৰিৱেশৰ দৰে সম্পূর্ণ একে নহ'ব পাৰে আৰু কেতিয়াবা এটাতকৈ আনটো শব্দৰ ধ্বনিৰ সংখ্যাও বেছি হ'ব পাৰে। যেনে —

কমল — ক অ ম অ ল — CV — CV (C-Consonant)
(V– Vowel)

বদল — ব অ দ অ ল — CV — CV

ওপৰৰ শব্দ দুটাৰ 'ম' আৰু 'দ' ধ্বনিৰ পৰিৱেশৰ গাঁথনিক দিশ একেই CV–CV যদিও 'বদল' শব্দৰ প্রথম C একে নহয়। ঠিক তেনেদৰে অসমীয়া ভাষাৰ আকৰ (আ ক অ ৰ) আৰু বাখৰ (ব আ খ অ ৰ) শব্দৰ 'ক' আৰু 'খ'ৰ পৰিৱেশ সম্পূর্ণৰূপে একে নহয়। কিন্তু যথেষ্ট মিল আছে। ইয়াৰ বাখৰ শব্দৰ 'ব' এই অতিৰিক্ত ধ্বনিয়ে আলোচ্য 'খ' ধ্বনিৰ ওপৰত কোনো প্রভাৰ পেলোৱা নাই। গতিকে ইয়াত 'ক' 'খ' ধ্বনিৰ পৰিৱেশক সদৃশ পৰিৱেশ বোলা হয়। ধ্বনিৰ সকলো অভিন্ন পৰিৱেশ সদৃশ কিন্তু সদৃশ পৰিৱেশবোৰ অভিন্ন নহয়।

ধ্বনিৰ প্রয়োগ দুই প্রকাৰৰ

(ক) বিৰোধী বা প্রতীপ প্রয়োগ (Contrastive distribution)

(খ) অবিৰোধী বা অপ্রতীপ প্রয়োগ (Non-contrastive distribution)

ধ্বনিসমূহক অভিন্ন আৰু সদৃশ দুয়োটা পৰিৱেশত বিৰোধ বিচাৰ কৰা হয়। অভিন্ন পৰিৱেশত ধ্বনিৰ প্রয়োগ হ'লে বিৰোধী বা প্রতীপ প্রয়োগ বুলি কোৱা হয়। অভিন্ন পৰিৱেশত প্রয়োগ হোৱা আলোচ্য ভিন্ন ধ্বনিৰ অদল-বদলে যদি শব্দৰ অর্থ সলনি কৰে তেনেহ'লে সেই ধ্বনিবোৰৰ প্রয়োগত বিৰোধ আছে বুলি ক'ব লাগিব। বিৰোধ থকা ধ্বনি সমষ্টিকৈ 'বর্ণ' বোলা হয়। অসমীয়া ব্যঞ্জনৰ অভিন্ন পৰিৱেশত কেইটামান ধ্বনিৰ মাজত হোৱা বিৰোধৰ উদাহৰণ দাঙি ধৰা হ'ল—

বর্ণ	আদ্য অৱস্থানত বিৰোধ
ক	ক আট — কাট

খ খ আট — খাট

গ গ আট — গাত

ঘ ঘ আট — ঘাট

ইয়াৰে আদি অৱস্থানত থকা ক, খ, গ, ঘ এই ধঅবনিকেইটাৰ পিছৰ ধ্বনি সমষ্টি— আট একে আছে। অর্থাৎ এই ধ্বনিকেইটাৰ পৰিৱেশ অভিন্ন। কিন্তু এই অভিন্ন পৰিৱেশত এটাৰ ঠাইত আনটো ধ্বনি বহুৱাওতে প্রত্যেকটো শব্দই ভিন্ন অর্থ প্রকাশ কৰিছে। গতিকে এই ধ্বনিকেইটাৰ অভিন্ন পৰিৱেশত বিৰোধ ঘটিছে।

সকলো ভাষাতে সকলো ধ্বনিৰ বিশ্লেষণত অভিন্ন পৰিৱেশ নোলাব পাৰে। তেতিয়া সদৃশ পৰিৱেশত বিৰোধ বিচাৰ কৰা হয়। অসমীয়া ভাষাৰ ক, খ, গ, ঘ ব্যঞ্জন ধ্বনিকেইটাৰ মধ্য-অৱস্থানত পৰিৱেশৰ মিল থকা শব্দ যেনে—

ক আ ক অৰ — আকৰ

খ আ খ অৰ — আখৰ

গ আ গ অৰ — আগৰ

ঘ ব আ ঘ অৰ— বাঘৰ


উপৰোক্ত আকৰ, আখৰ, আগৰ, শব্দকেইটাৰ মধ্য অৱস্থানত প্রয়োগ হোৱা ক, খ, গ ধ্বনি তিনিটাৰ পৰিৱেশ অভিন্ন, কিন্তু 'বাঘৰ' শব্দটিৰ ধ্বনিৰ পৰিৱেশ সম্পূর্ণ একে নহয়। ক, খ, গ ধ্বনিৰ দৰে ঘ ধ্বনিৰ আগত 'আ' আৰু আৰু পিছত 'অৰ' আছে যদিও 'ব' এটা অতিৰিক্ত ধ্বনি পোৱা গৈছে। এই অতিৰিক্ত ধ্বনিটোৱে যদি আলোচ্য 'ঘ' ধ্বনিৰ ওপৰত কোনো প্রভাৱ পেলাব পৰা নাই তেতিয়া হ'লে ক, খ, গৰ অভিন্ন পৰিৱেশৰ সৈতে 'ঘ'ৰ সদৃশ পৰিৱেশত বিৰোধী প্রয়োগ ঘটা বুলি ক'ব পাৰি।

কোনো এটা ভাষাৰ অভিন্ন বা সদৃশ পৰিৱেশত বিৰোধ নোহোৱা কিছুমান ধ্বনিৰ প্রয়োগক অবিৰোধী বা অপ্রতীপ প্রয়োগ বোলা হয়। ধ্বনিৰ অবিৰোধী প্রয়োগক পৰিপূৰক প্রয়োগ (Complementary) আৰু মুক্ত বিকল্প বা অয়ত বিকল্প প্রয়োগ (Free Variation) এই দুই প্রকাৰে আলোচনা কৰিব পাৰি।

উচ্চাৰণৰ ফালৰ পৰা ধ্বনিগত গঢ় মিল থকা কিছুমান ধ্বনিৰ মাজত বিৰোধ নঘটে। এনে গুণ বিশিষ্ট ধ্বনি যদি একে অৱস্থানত বা একে পৰিৱেশত কেতিয়াও প্রয়োগ নহয় অর্থাৎ ইহঁতৰ প্রয়োগৰ স্থান নির্দিষ্ট, ইটোৰ পৰা সিটো সদায় আঁতৰি থাকে, তেনেহ'লে ধ্বনিৰ এনে প্রয়োগক পৰিপূৰক প্রয়োগ বোলে। উদাহৰণ স্বৰূপে অসমীয়া ভাষাৰ প-আত (পাত) ফ-আত (ফাট); এ-প-আল (এপাল), এ-ফ-আল (এফাল) এই দুযোৰ শব্দৰ প আৰু ফ ধ্বনিৰ ক্রমে আদি আৰু মধ্য অৱস্থানত অভিন্ন পৰিৱেশত বিৰোধ ঘটি প আৰ ফ বিশিষ্ট ধ্বনি বা বর্ণ ৰূপে বিবেচিত হৈছে। কিন্তু এই প আৰু ফ ধ্বনিৰ ধ্বনিগত গঢ় মিল থকা প আৰু ফ এই দুটা ধ্বনিও পোৱা যায় আৰু এই প আৰ ফৰ প্রয়োগ সদায় অন্ত্য অৱস্থানতহে পোৱা যায়। যেনে প-আপ (পাপ) আৰু ল-আফ (লাফ) এই শব্দ দুটাত প আৰু ফৰ এই ধ্বনি দুটাৰ অন্ত্য অৱস্থানত

প্রয়োগ পোৱা গৈছে। এই উদাহৰণৰ পৰা বুজা যায় যে প্রথম শব্দ দুযোৰ (পাট, ফাট; এপাল, এফাল) প আৰু ফ ধ্বনিৰ আদি আৰু মধ্য অৱস্থানত প্রয়োগ পোৱা যায়। আনহাতে পৰৱৰ্তী শব্দযোৰত (পাপ্, লাফ্) প্ আৰু ফ্ৰ প্রয়োগ অন্ত্য অৱস্থানতহে পোৱা যায়। সেয়েহে সিহঁতৰ (প, ফ আৰু প্ ফ্) প্রয়োগৰ স্থান নির্দিষ্ট আৰু পৰস্পৰে পৰস্পৰৰ পৰিপূৰক। এনে পৰিপূৰক প্রয়োগত থকা ধ্বনিবোৰত সামুহিক গোটটোৰ নাম বিশিষ্ট ধ্বনি আৰু গোটটোৰ অন্তর্ভুক্ত ধ্বনিবোৰৰ নাম বর্ণটোৰ উপধ্বনি।

কোনো কোনো ভাষাত ধ্বনিগত সাদৃশ্য থকা কোনো কোনো ধ্বনিৰ প্রয়োগৰ অৱস্থান (আদি, মধ্য, অন্ত্য) বিশেষে সালসলনি ঘটে। কিন্তু এনে ধ্বনিৰ সালসলনিৰ ফলত যদি শব্দবোৰ পৃথক হৈ নপৰে, তেনেহ'লে সেই ধ্বনিকেইটাৰ প্রয়োগক অয়ত বিকল্প বা মুক্ত বিকল্প প্রয়োগ বোলা হয়। উদাহৰণস্বৰূপে অসমীয়া ভাষাৰ কোনো কোনো সম্প্রদায়ৰ দোৱানত 'খ' আৰু 'ষ' ধ্বনি দুটাৰ সকলো অৱস্থানত মুক্ত বিকল্প প্রয়োগ শুনা যায়। কেতিয়াবা 'খ'ৰ উচ্চাৰণ 'ষ'ৰ দৰে আৰু কেতিয়াবা 'ষ'ৰ উচ্চাৰণ 'খ'ৰ দৰে হয় যেনে খুটা; খৰম, আখৰ, বিষয়, অসুৰ, বিষ, আদি শব্দৰ উচ্চাৰণত মুক্ত বিকল্প প্রয়োগ ঘটে। উচ্চাৰণৰ সালসলনি হ'লেও কিন্তু শব্দবোৰৰ অর্থ একেই থাকে, অর্থাৎ অর্থান্তৰ নঘটে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ধ্বনিৰ অর্থ নিৰূপণ কৰি গুণ, প্রকৃতি আৰু পৰিৱেশ বিশ্লেষণৰ আধাৰত ধ্বনিৰ বিষয়ে এটি চমু প্রবন্ধ প্রস্তুত কৰক।

(২০০টা শব্দৰ ভিতৰত)

.....



জানি থোৱা ভাল

কিছুমান ভাষাত এনে কিছুমান ধ্বনি আছে যিবোৰৰ উচ্চাৰণ বাহিৰৰ পৰা মুখৰ ভিতৰলৈ বায়ু শুহি লোৱা হয়। এনেদৰে উচ্চাৰণ কৰা ধ্বনিক অন্তঃস্ফোট (Implosives) ধ্বনি বোলে। এনে ধ্বনিৰ উচ্চাৰণ সীমাবদ্ধ। ভাৰতীয় আর্য ভাষাৰ ভিতৰত সিন্ধী ভাষা আৰু গুজৰাটীৰ কোনো উপভাষাত এনে ধ্বনি পোৱা যায়। আফ্রিকাৰ ইবো, জুলু আদি ভাষাত এনে ধ্বনি পোৱা যায়। সাধাৰণতে অন্তঃস্ফোট ধ্বনি আফ্রিকান ভাষাবোৰৰ এটা সাধাৰণ বৈশিষ্ট্য বুলিব পাৰি।

৪.৪ বর্ণ-বিশিষ্ট ধ্বনি

মানুহে কথা বতৰা পাতোতে অজস্র ধ্বনিৰ উচ্চাৰণ কৰে যদিও সকলোবোৰ ধ্বনিৰ উচ্চাৰণ স্পষ্ট নহয় আৰু বক্তা, শ্রোতা দুয়োৰে কাণত বাজি নুঠে। অৱশ্যে কেতবোৰ ধ্বনিৰ

উচ্চাৰণ বক্তা আৰু শ্ৰোতাৰ কাণত বাজি উঠে। ভাষাত উচ্চাৰিত হোৱা সকলোবোৰ ধ্বনিকে বৰ্ণৰ মৰ্যাদা দিয়া নহয়। ভাষাত উচ্চাৰিত হোৱা ধ্বনিসমূহক বৰ্ণবিজ্ঞানৰ সহায়ত সুনিৰ্দিষ্ট ৰীতিৰে প্ৰণালীবদ্ধবাৰে বিচাৰ বিশ্লেষণ কৰা হয়। এনেদৰে বিচাৰ বিশ্লেষণ কৰি ধ্বনিসমূহক কিছুমান একক বা গোটত বিভক্ত কৰা হয়। প্ৰণালীবদ্ধভাৱে বিচাৰ বিশ্লেষণ কৰা এনে ধ্বনিগোটক বিশিষ্ট ধ্বনি (Phoneme) বোলা হয়। বিশিষ্ট ধ্বনিৰ অন্য নাম বৰ্ণ। বিশিষ্ট ধ্বনিয়ে শব্দৰ অৰ্থ সলনি কৰি শব্দ পৃথক কৰিব পাৰে।

ধ্বনি আৰু বৰ্ণৰ পাৰস্পৰিক সম্পৰ্ক আছে। ভাষাত উচ্চাৰিত হোৱা ধ্বনিসমূহৰ উচ্চাৰণৰ গুণ অনুসৰি 'বৰ্ণ' নিৰ্ণয় কৰা হয়। ভাষাত উচ্চাৰিত বাগ্‌ধ্বনিসমূহৰ দেখা পোৱা কেতবোৰ গুণৰ ভিতৰত এটা হৈছে চলতা (Fluctuation) কোনো এটা ভাষাত উচ্চাৰিত হোৱা ধ্বনিসমূহৰ উচ্চাৰণৰ তাৰতম্য ঘটে। উচ্চাৰণৰ এই তাৰতম্য হ'ল চলতা। কেতবোৰ ধ্বনিৰ উচ্চাৰণত বক্তা আৰু শ্ৰোতা সজাগ হয়। সাধাৰণতে বাগিন্দ্ৰিয়ৰ দ্বাৰা উচ্চাৰিত কিছুমান ধ্বনি বক্তাই উচ্চাৰণ কৰোঁতে শ্ৰোতাৰ কাণত বাজি উঠে। বক্তা আৰু শ্ৰোতাৰ শ্ৰুতিগোচৰ হোৱা এই ধ্বনিবোৰকে 'বিশিষ্ট ধ্বনি' বা 'বৰ্ণ' বুলি কোৱা হয়। আনহাতে বক্তা আৰু শ্ৰোতৰ কাণত বাজি নুঠা ধ্বনিসমূহক অবিশিষ্ট ধ্বনিৰ শ্ৰেণীত ধৰা হয়। বিশিষ্ট ধ্বনিবোৰ এটা ধ্বনি গোট। এটা ধ্বনিয়েও এটা 'বৰ্ণ' হ'ব পাৰে বা তাতোকৈ অধিক ধ্বনি লগ লাগিও একোটা 'বৰ্ণ' হ'ব পাৰে।

বৰ্ণবিজ্ঞানৰ সহায়ত ধ্বনিৰ পৰা বৰ্ণ চিনাক্ত কৰিবলৈ অৱলম্বন কৰা এটা প্ৰণালী হৈছে ধ্বনিৰ ধ্বনিগত মিল (Phonetically similar)। ধ্বনিৰ উচ্চাৰণৰ স্থান (Place of articulation), উচ্চাৰণৰ ধৰণ (Manner of articulation) আৰু ধ্বনি গুণ (Phonetic quality)ৰ ওপৰত নিৰ্ভৰ কৰি ধ্বনিবিলাকৰ মিল বা সাদৃশ্য নিৰূপণ কৰা হয়। ভাষা এটাত উচ্চাৰিত হোৱা ধ্বনিবোৰৰ ধ্বনিগত মিল বা সাদৃশ্যৰ ভেটিত কিছুমান ধ্বনি গোটত বিভক্ত কৰা হয়। একে উচ্চাৰণগত স্থানৰ ধ্বনিৰ মিল ভিন্ন স্থানগত ধ্বনিৰ মিলতকৈ বেছি। উচ্চাৰণৰ স্থান আৰু ধৰণ একে হ'লেও সিহঁতৰ ধ্বনিগত মিল বা সাদৃশ্য অধিক বেছি হয়। উদাহৰণ স্বৰূপে অসমীয়া ভাষাত ঔষ্ঠ্য ধ্বনিকেইটা প, ফ, ব, ভৰ মাজত ধ্বনিগত মিল অধিক। ঠিক তেনেদৰে পশ্চতালব্য ক, খ, গ, ঘৰ পৰস্পৰৰ ধ্বনিগত মিল অধিক। উচ্চাৰণৰ স্থান, উচ্চাৰণৰ ধৰণ একে হোৱা অৰ্থাৎ ধ্বনিগত মিল থকা একাধিক ধ্বনিক একোটা সমষ্টি কৰি ল'ব পাৰি। এনে ধৰণণ সদৃশ বা মিল থকা ধ্বনিবিলাকক সদৃশ ধ্বনিগোট (Similar sound group) বোলা হয়। এনেদৰে ধ্বনিবিলাকৰ মাজত থকা ধ্বনিগত মিল বা সাদৃশ্য অনুসৰি অঘোষ-সঘোষ, অল্পপ্ৰাণ-মহাপ্ৰাণ, উষ্ম, নাসিক্য, কম্পিত, হ্ৰস্ব বা দীৰ্ঘ আদি ভাগত ধ্বনিবোৰ বিভাজন কৰা হয়। ধ্বনিৰ ধ্বনিগত মিললৈ লক্ষ্য কৰি সদৃশ ধ্বনিগোটৰ একোটা গোটকে 'বৰ্ণ' বুলি স্বীকৃতি দিয়া হয়।

ধ্বনিৰ পৰা বৰ্ণ নিৰ্ণয়ৰ ক্ষেত্ৰত ধ্বনিসমূহৰ প্ৰয়োগত পৰিৱেশৰ ধাৰণা থকা উচিত। একোটা ধ্বনিগোটৰ অন্তৰ্গত দুটা ধ্বনি অভিন্ন আৰু সদৃশ পৰিৱেশত ব্যৱহাৰ হ'ব পাৰে। এই ক্ষেত্ৰত অভিন্ন পৰৱেশত ধ্বনি দুটাৰ এটাৰ ঠাইত আনটো ব্যৱহাৰ কৰিলে ধ্বনি দুটাই শব্দৰ অৰ্থৰ পৰিৱৰ্তন ঘটায় আৰু ধ্বনিকেইটাৰ অভিন্ন পৰিৱেশত বিৰোধ ঘটে। এনে অভিন্ন পৰিৱেশত

বিৰোধ ঘটা ধ্বনিক 'বর্ণ' বুলি স্বীকৃতি দিয়া হয়। উদাহৰণ ঃ

হাট = হ - আট কাট = ক - আট

বাট = ব - আট নাট = ন - আট

ওপৰোক্ত হাট, বাট, কাট, নাট শব্দৰ ক্রমে হ, ব, ক, ন, ধ্বনিৰ পৰিৱেশ অভিন্ন। এই ধ্বনিকেইটা শব্দৰ আদিতে ব্যৱহৃত হৈছে। ইহঁতৰ প্রতিটো ধ্বনিৰে পৰৱর্তী ধ্বনি হ'ল 'আ' আৰু 'ট'। এনে অভিন্ন পৰিৱেশত উক্ত হ, ব, ক, ন ধ্বনিৰ এটাৰ ঠাইত আনটো বহুৰাত শব্দকেইটাৰ অর্থৰ পৰিৱর্তন ঘটিছে। অর্থাৎ অভিন্ন পৰিৱেশত ধ্বনিকেইটাৰ বিৰোধ ঘটিছে। গতিকে এই হ, ব, ক, ন ধ্বনিকেইটা বিশিষ্ট ধ্বনি বা বর্ণ ৰূপে স্বীকৃতি হৈছে।

অভিন্ন পৰিৱেশৰ দৰে সদৃশ পৰিৱেশতো ধ্বনিৰ বিৰোধ ঘটিব পাৰে। এনেদৰে সদৃশ পৰিৱেশত বিৰোধ ঘটা ধ্বনিকো 'বর্ণ' বুলি স্বীকৃতি দিয়া হয়। যেনে—

কলম = ক-লম

পলম = প-লম

মলম = ম-লম

খৰম = খ-ৰম

ওপৰত কলম, পলম, মলম আৰু খৰম শব্দৰ ক, প, ম, খ ধ্বনিৰ আদি অৱস্থানতহে ভিন্ন প্রয়োগ দেখা গৈছে। ইয়াৰে কলম, পলম আৰু মলম এই তিনিটা শব্দৰ ক, প, ম ধ্বনিৰ পৰিৱেশ অভিন্ন। আটাইকেইটা ধ্বনিৰ মধ্য আৰু অন্ত্য অৱস্থানত 'ল' আৰু 'ম'ৰ প্রয়োগ হৈছে। আনহাতে খৰম শব্দৰ মধ্য অৱস্থানত 'ল'ৰ পৰিৱর্তে 'ৰ'হে ব্যৱহৃত হৈছে। কিন্তু 'ৰ' ধ্বনিয়ে আলোচ্য 'খ' ধ্বনিৰ ওপৰত কোনো প্রভাৱ পেলাব পৰা নাই। ক প ম খ এই ধ্বনি চাৰিটাৰ আগৰ আৰু পাছৰ ধ্বনিবোৰ গাঁথনিক দিশত একেই। কলম, পলম, মলম শব্দৰ গাঁথনিক পৰিৱেশ cvcvc। ঠিক তেনেদৰে খৰম শব্দৰ গাঁথনিক পৰিৱেশ cvcvc। কিন্তু ইহঁতৰ প্রথম তিনিটা ধ্বনি (ক, প, ম)ৰ পৰিৱেশ অভিন্ন যদিও খৰম শব্দৰ আদিত থকা 'খ' ধ্বনিৰ পৰিৱেশ সম্পূর্ণ একে নহয়, কিন্তু যথেষ্ট মিল আছে। এনে পৰিৱেশেই হ'ল সদৃশ পৰিৱেশ আৰু সদৃশ পৰিৱেশত ক, প, ম, খ চাৰিওটাই বিশিষ্ট ধ্বনি বা বর্ণ ৰূপে চিনাক্ত হ'ব।

ধ্বনিৰ পৰা বর্ণ নির্ণয়ৰ প্রসংগত ধ্বনিৰ প্রয়োগৰ সুস্পষ্ট ধাৰণা থকাটো প্রয়োজনীয়। ধ্বনিৰ বিৰোধী আৰু অবিৰোধী— এই দুই প্রকাৰৰ প্রয়োগলৈ লক্ষ্য ৰাখি বর্ণ নির্ণয় কৰা হয়। বিৰোধী প্রয়োগৰ আধাৰত বর্ণ নির্ণয় সম্পর্কে ইতিমধ্যে ওপৰত আলোচনা কৰা হৈছে। এই বিষয়ত অধিক স্পষ্টতাৰ বাবে অভিন্ন পৰিৱেশৰ বিৰোধী প্রয়োগৰ আধাৰত নির্ণয় কৰা অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি আৰু বিশিষ্ট ব্যঞ্জন ধ্বনিৰ উদাহৰণ দাঙি ধৰা হ'ল—

অভিন্ন পৰিৱেশত বিৰোধী প্রয়োগৰ আধাৰত মান্য অসমীয়া ভাষাত ই (i), এ' (e), এ (ε) আ (a), অ (δ), অ' ( ) আৰু ও (o), উ (ω) এই আঠোটা বিশিষ্ট স্বৰ বর্ণ পোৱা যায়। এই বর্ণকেইটাৰ উচ্চাৰণ বা ধ্বনি গুণ অসমীয়া মানুহৰ কাণত স্পষ্টকৈ বাজে। ইহঁতে অভিন্ন পৰিৱেশত শব্দ পৃথক কৰিব পাৰে। অসমীয়া ধ্বৰ ধ্বনিকেইটাৰ মধ্য অৱস্থানত অভিন্ন

পৰিৱেশত বিৰোধৰ চিত্ৰ এনে ধৰণৰ ঃ

বর্ণ	মধ্য অৱস্থানত বিৰোধ	
ই	ব'ই ল	— বিল
এ'	ব এ' ল	— বে'ল (ঘণ্টা)
এ	ব এ ল	— বেল (ফল)
আ	ব আ ল	— বাল (নোম)
অ	ব অ ল	— বল (শক্তি)
অ'	ব অ' ল	— ব'ল (যাওঁ ব'ল)
ও	ব ও ল	— বোল (মাত-বোল)
উ	ব উ ল	— বুল (বাট বুলা)

ওপৰৰ বিল, বে'ল, বেল, বাল, বল, ব'ল, বোল, বুল— শব্দকেইটাত একে দুটা ব্যঞ্জন 'ব' আৰু 'ল'ৰ মাজত স্বৰধ্বনিকেইটা মাথোন বহুৱাই বেলেক বেলেগ অর্থবাচক একোটা শব্দৰ সৃষ্টি কৰা হৈছে। স্বৰ-ধ্বনি আঠোটাৰ অভিন্ন পৰিৱেশত বিৰোধ ঘটা বাবে ইহঁতক অসমীয়া ভাষাত বিশিষ্ট স্বৰ বর্ণ হিচাপে স্বীকৃতি দিছে। অসমীয়া ব্যঞ্জনৰ আদি অৱস্থান অভিন্ন পৰিৱেশত ভিন্ন ধ্বনিৰ মাজত হোৱা বিৰোধৰ চিত্ৰ দাঙি ধৰা হৈছে—

বর্ণ	আদ্য অৱস্থানত বিৰোধ	
ক	ক-আল	কাল
খ	খ-আল	খাল
গ	গ-আল	গাল
ঘ	ঘ-আল	ঘাল
ত	ত-আল	তাল
থ	থ-আল	থাল
দ	দ-আল	ডাল
ধ	ধ-আল	ঢাল
ন	ন-আল	নাল
প	প-আল	পাল
ফ	ফ-আল	ফাল
ব	ব-আল	বাল
ভ	ভ-আল	ভাল
ম	ম-আল	মাল
য	য-আল	জাল
স	স-আল	চাল
ষ	ষ-আল	সাল

হ	হ-আল	হাল
ৰ	ৰ-আখ	ৰাখ
ল	ল-আখ	লাখ

ওপৰৰ উদাহৰণবোৰৰ পৰা জনা যায় যে অসমীয়াত য়, ৱ, ঙ এই তিনিটাৰ বাহিৰে সকলোবোৰ ব্যঞ্জন বর্ণৰে আদি অৱস্থানত বিৰোধ পোৱা যায়। ইয়াত ক খ, গ ঘ ত থ দ ধ ন প ফ ব ভ ম য আদিৰ পিছৰ ধ্বনি সমষ্টি একে, আগত একো ধ্বনি নাই। অভিন্ন পৰিৱেশত পিছৰ ধ্বনি সমষ্টিৰ লগতে এই ক খ গ ঘ ত থ দ ধ ন প ফ ব ভ ম আদি সংযোগ কৰিলে প্রতিটো শব্দই বেলেগ বেলেগ অর্থ বহন কৰে। গতিকে অভিন্ন পৰিৱেশত বিৰোধ ঘটা সকলো ধ্বনিয়েই বর্ণ বুলি স্বীকৃত হ'ব।

স্বৰ আৰু ব্যঞ্জনৰ দৰে উপহিত (Supra Segmantal) ধ্বনিৰ উচ্চাৰণ যেনে আক্ষৰিক সুৰ, শ্বাসাঘাট, সন্ধি, অনুনাসিকতা আদিৰো বর্ণ বিশ্লেষণৰ দৰে পদ্ধতি খটুৱাই বিশিষ্টতা নির্ণয় কৰা হয়। অসমীয়া ভাষাত স্বৰৰ অনুনাসিকতাও বিশিষ্ট ধ্বনি। কাৰণ একে ধ্বনিসমষ্টিৰ স্বৰধ্বনিটো অনুনাসিক হ'লে শব্দৰ উচ্চাৰণ আৰু অর্থৰো পার্থক্য দেখা যায়। উদাৱহণ স্বৰূপে কাহ-কাঁহ, আহ-আঁহ, সাচ-সাঁচ আদি শব্দৰ উচ্চাৰণ আৰু অর্থগত পার্থক্য আছে। ইয়াৰ পৰা বুজা গ'ল যে অনুনাসিকতাই বিৰোধৰ সৃষ্টি কৰে। ক্রম অনুসৰি বিভাজন কৰিব নোৱাৰা বাবে অনুনাসিকতাক উপহিত বর্ণৰ ভিতৰত ধৰা হয়।

কোনো এটা ভাষাৰ কিছুমান ধ্বনি অভিন্ন বা সদৃশ পৰিৱেশত বিৰোধ নহয়। এনে বিৰোধ নঘটা ধ্বনিবোৰৰ প্রয়োগকে ধ্বনিৰ অবিৰোধী প্রয়োগ বোলা হয়। বর্ণ বিচাৰৰ ক্ষেত্রত ধ্বনিৰ বিৰোধী প্রয়োগৰ দৰে অবিৰোধী প্রয়োগৰ আলোচনাও প্রয়োজনীয়। ধ্বনিৰ অবিৰোধী প্রয়োগ দুই প্রকাৰৰ (১) পৰিপূৰক প্রয়োগ আৰু (২) মুক্ত বিকল্প বা অয়ত বিকল্প প্রয়োগ। উচ্চাৰণৰ ফালৰ পৰা ধ্বনিগত গাঢ় মিল থকা কিছুমান ধ্বনিৰ মাজত বিৰোধ নঘটে। ইহঁতৰ প্রয়োগৰ স্থানো নির্দিষ্ট অর্থাৎ এটাৰ পৰিৱেশত আনটোৰ উচ্চাৰণ নহয়। সাধাৰণতে এনে গুণ বিশিষ্ট দুটা ধ্বনি এটাৰ পৰিৱেশত আনটোৰ উচ্চাৰণ নহয়। সাধাৰণতে এনে গুণ বিশিষ্ট দুটা ধ্বনি এটাৰ যদি আদ্য অৱস্থানত প্রয়োগ হয় আনটোৰ মধ্য বা অন্ত্য অৱস্থানতহে প্রয়োগ হ'ব আৰু পৰিৱেশ বা স্থানভেদে ধ্বনি দুটা সুকীয়াভাৱে উচ্চাৰিত হোৱা দেখা যায়। কিন্তু এই উচ্চাৰণগত ভিন্নতা অতি সূক্ষ্ম। এই ভিন্নতা মাতৃভাষী লোকৰ কাণত নাবাজে। এই ধ্বনি দুটা সদায় ইটোৰ পাৰ সিটো আঁতৰি থাকে। ধ্বনিৰ এনে প্রয়োগক পৰিপূৰক প্রয়োগ বুলি কোৱা হয়। পৰিপূৰক প্রয়োগ হোৱা ধ্বনিবোৰৰ এটা সামূহিক গোট কৰি সেই সামূহিক গোটটোক 'বর্ণ' বুলি চিনাক্ত কৰিব পাৰি। আৰু এই গোটৰ অন্তর্ভুক্ত ধ্বনিবোৰক সেই 'বণ'টোৰ উপধ্বনি বোলা হয়। উদাহৰণ স্বৰূপে অসমীয়া ভাষাৰ 'পাত' আৰু 'তাপ' শব্দ দুটাত ব্যৱহৃত 'প' ধ্বনিটোৰ উচ্চাৰণলৈ লক্ষ্য কৰিলে দেখা যায় যে অসমীয়া মানুহে দুয়োটা প (প, প̲)ৰ উচ্চাৰণ একে যেন শুনে। প্রকৃততে কিন্তু ধ্বনি দুটা একে ধৰণে উচ্চাৰিত নহয়। 'পাত' শব্দৰ 'প' উচ্চাৰণৰ সময়ত ওঁঠ দুটা লগলগাৰ পিছতেই পৃথকহৈ যায়। আনহাতে 'তাপ' শব্দ 'প' উচ্চাৰণত ওঁঠ দুটা

সম্পূর্ণ জাপ খোৱা নাই, লগ লগাৰ দৰে ৰৈ যায়। গতিকে দেখা গ'ল যে দুয়োটা প (প, প্)ৰ ধ্বনিৰ উচ্চাৰণ সুকীয়া সুকীয়া। তদুপৰি 'পাত'ৰ 'প' ধ্বনি উচ্চাৰিত শব্দৰ আদি অৱস্থানত। শব্দৰ আদি আৰু মধ্য অৱস্থানত উচ্চাৰিত হোৱা 'প' ধ্বনি থকা আন কেতবোৰ শব্দ হ'ল - পাপ, পাৰ, পাৎ, নিপাত, বিপাক। আনহাতে 'তাপ্' শব্দৰ 'প্' ধ্বনি উচ্চাৰিত সদায় শব্দৰ অন্ত্য অৱস্থানত। শব্দৰ অন্ত্য অৱস্থানত প্ৰয়োগ হোৱা 'প' ধ্বনি থকা আন কেতবোৰ শব্দ হ'ল - জাপ্, ভাপ্, খাপ্, বাপ্ ইত্যাদি। এতিয়া 'পাত' আৰু 'তাপ্' শব্দৰ ক্ৰমে প, প্ ধ্বনি দুটাৰ উচ্চাৰণ লক্ষ্য কৰিলে দেখা যাব যে প্ৰথম 'প'ৰ প্ৰয়োগ শব্দৰ আদি আৰু মধ্যস্থানত পোৱা যায়, আনহাতে দ্বিতীয় 'প্'ৰ প্ৰয়োগ শদায় শব্দৰ অন্ত্য অৱস্তানতহে পোৱা যায়। অৰ্থাৎ দুয়োটা প (প, প্)ৰ উচ্চাৰণৰ স্থান নিৰ্দিষ্ট আৰু পৰস্পৰে পৰস্পৰৰ পৰিপূৰক। ইহঁতৰ প্ৰয়োগত বিৰোধ ঘটা নাই। তদুপৰি পৰিপূৰক প্ৰয়োগ বিশ্লেষণৰ দ্বাৰা সিদ্ধান্ত কৰিব পাৰি যে প ধ্বনি প্ ধ্বনিৰ লগত ধ্বনিগত গাঢ় মিল আছে। এনে বিৰোধ নঘটা বা পৰিপূৰক প্ৰয়োগত থকা ধ্বনি দুটা লগ লগাই এটা সামূহিক গোট কৰি সেই সামূহিক গোটটোক /প/ বৰ্ণ বুলিনির্ণয় কৰা হয় +আৰু /প/ বৰ্ণৰ দুটা উপধ্বনি হ'ল [প] আৰু [প্]



জানি থোৱা ভাল

সাধাৰণতে 'বৰ্ণ' বুজাবলৈ বৰ্ণসমূহক দুডাল বেঁকা ৰেখাৰ মাজত /-/ লিখা হয় আৰু উপধ্বনিসমূহক বুজাবলৈ বৰ বন্ধীন [-]ৰ মাজত লিখা হয়। মন কৰিবলগীয়া যে পৰিপূৰক প্ৰয়োগত থকা প্ৰতিটো ধ্বনিকেই উপধ্বনি বুলি কোৱা হয়। বিশিষ্ট ধ্বনি বা বৰ্ণ উপধ্বনিসমূহৰ এটা শ্ৰেণী হিচাপে ধৰা হয়। ভাষাবিদ H. A. Gleason য়ে 'An Introduction to Descriptive Language'ত কৈছে যে "A Phoneme is therefore a class of Allophone."

বিশ্বৰ সকলো ভাষাৰে নিৰ্দিষ্ট উচ্চাৰণ গুণ বিশিষ্ট কিছুমান ধ্বনি আছে। কিন্তু সকলো স্থান বা পৰিৱেশত এই ধ্বনিবোৰে নিৰ্দিষ্ট উচ্চাৰণগত বৈশিষ্ট্য ৰক্ষা নকৰে। পৰিৱেশগত কাৰণত বা কোনো এটা ধ্বনি অন্য এটা ধ্বনিৰ লগত যুক্ত হৈ থাকিলে সাধাৰণতে একেটা ধ্বনিয়ে সুকীয়া ধৰণে উচ্চাৰিত হোৱা দেখা যায়। কিন্তু এই উচ্চাৰণগত ভিন্নতা অতি সূক্ষ্ম বাবে এই ভিন্নতা মাতৃভাষা ভাষী লোকৰ কাণত নাবাজে। একেটা ধ্বনিয়েই যেতিয়া পৰিৱেশ ভেদে সুকীয়া ধৰণে উচ্চাৰিত হয় আৰু ইহঁতৰ প্ৰয়োগৰ স্থানো নিৰ্দিষ্ট অৰ্থাৎ এটা পৰিৱেশত আনটোৰ উচ্চাৰণ নহয় তেতিয়া উচ্চাৰণগত ভিন্নতা থকা ধ্বনি দুটাৰ প্ৰয়োগক পৰিপূৰক প্ৰয়োগ বুলি কোৱা হয়। এনে পৰিপূৰক প্ৰয়োগ হোৱা ধ্বনিবোৰ এটা গোট কৰি লৈ সেই গোটটোকেই 'বৰ্ণ' বা 'বিশিষ্ট' ধ্বনি ৰূপে নিৰ্ণয় কৰা হয়। উদাহৰণ স্বৰূপে অসমীয়া ভাষাত দাঁত আৰু দৈত্য শব্দ দুটাত 'ত' ধ্বনি দন্তমূলীয় যদিও দুয়োটা শব্দতে থকা 'ত'ৰ উচ্চাৰণৰ মাজত পাৰ্থক্য আছে। প্ৰথম 'ত' অৰ্থাৎ 'দাঁত' শব্দৰ 'ত' ধ্বনিটো উচ্চাৰিত হৈছে দন্তমূলত আৰু দ্বিতীয় 'ত' অৰ্থাৎ

'দৈত্য' শব্দৰ 'ত' ধ্বনিটো 'য'কাৰৰ লগত যুক্ত হৈ থকা বাবে তাৰ উচ্চাৰণ হৈছে কিঞ্চিৎ তালব্য। কিন্তু এই উচ্চাৰণগত ভিন্নতা অসমীয়া ভাষী লোকৰ কাণত নাবাজে। গতিকে পৰিপূৰক প্ৰয়োগত থকা প্ৰথম আৰু দ্বিতীয় 'ত'ৰ সামূহিক গোটটো হ'ল বিশিষ্ট ধ্বনি বা বৰ্ণ।'

পৰিপূৰক প্ৰয়োগ হোৱা ধ্বনিবোৰ লগ লগাই যে একোটা বৰ্ণৰ গোট কৰা হয় সেই কথা স্পষ্ট কৰিবৰ বাবে অসমীয়া ভাষাৰ আৰু এটা উদাৱহণ দাঙি ধৰা হ'ল— অসমীয়া 'ভাল' আৰু 'লাভ' শব্দ দুটাৰ 'ভ' ধ্বনিৰ উচ্চাৰণলৈ লক্ষ্য কৰিলে দেখা যায় যে 'ভাল'ৰ [ভ] ধ্বনি উচ্চাৰণ কৰোঁতে ওঁঠ দুটা মেল খায় আৰু ইয়াৰ উচ্চাৰণ মুক্ত। কিন্তু 'লাভ' শব্দৰ [ভ] ধ্বনিৰ উচ্চাৰণ কৰোঁতে ওঁঠ দুটা লগ লগাৰ দৰে ৰৈ যায় আৰু ইয়াৰ উচ্চাৰণ বদ্ধ। এই ধ্বনি দুটাৰ প্ৰয়োগত বিৰোধ ঘটা নাই। ইহঁতৰ প্ৰয়োগৰ স্থানো সুনিৰ্দিষ্ট আৰু এটা আনটোৰ পৰিপূৰক। ইয়াত পৰিপূৰক প্ৰয়োগ হোৱা [ভ] আৰু [ভ] ধ্বনি লগ লগাই /ভ/ এই বিশিষ্ট ধ্বনি বা বৰ্ণৰ গোটটো কৰা হৈছে।

কেতিয়াবা দুটা বিশিষ্ট ধ্বনি বা বৰ্ণৰ মাজতো অয়ত বিকল্প প্ৰয়োগ হ'ব পাৰে। বৰ্ণৰ মাজত হোৱা এই মুক্ত বা অয়ত বিকল্প প্ৰয়োগক আংশিক মুক্ত বিকল্প প্ৰয়োগ (Partial Free Variation) বুলি কোৱা হয়। সাধাৰণতে এটা ভাষাত ব্যৱহৃত শব্দবিলাকৰ মাজত ধ্বনিগত সাদৃশ্য থাকে। সাদৃশ্য থকা কোনো কোনো ধ্বনিৰ উচ্চাৰণৰ সালসলনি ঘটা দেখা যায়। ধ্বনিৰ এনে সালসলনিৰ ফলত যদি শব্দবোৰৰ অৰ্থৰ পৰিৱৰ্তন নহয় তেতিয়া ইয়াকে ধ্বনিকেইটাৰ অয়ত বিকল্প প্ৰয়োগ হোৱা বুলি কয়। মন কৰিবলগীয়া যে বৰ্ণৰ মাজত হোৱা অয়ত বিকল্প প্ৰয়োগ সকলো অৱস্থানত সম্ভৱ হ'ব নোৱাৰে। কোনোবা এটা বা দুটা অৱস্থানত বিৰোধ থকা ধ্বনিৰ অন্য অৱস্থানত অয়ত বিকল্প হ'ব পাৰে। উদাহৰণ স্বৰূপে অসমীয়া ভাষাৰ শব্দৰ আদি স্থানত অভিন্ন পৰিৱেশত 'খ' আৰু 'ষ' ধ্বনিৰ সদায় বিৰোধ ঘটে। শব্দৰ মধ্য আৰু অন্ত্য স্থানতো বিৰোধ পোৱা যায়। যেনে—

খ— খউতআ আ-খঅ'ই — লএখ

ষ— ষউতআ আষঅ'ই লএষ

মুঠতে আদ্য অৱস্থানত সদায় আৰু অন্য অৱস্থানতো খ, ষ ৰ বিৰোধ পোৱা বাবে অসমীয়া ইহঁত বৰ্ণ। বৰ্ণ হ'লেও অসমীয়া ভাষাৰ আদি অৱস্থানত বাদে অন্য অৱস্থানত কিছুমান শব্দত 'খ', 'ষ'ৰ অয়ত বিকল্প প্ৰয়োগো পোৱা গৈছে। যেনে—

কআখলঅ'তই — কআষলঅ'তই = কাষলতি

বইখঅয় — বইষঅয় = বিষয়

বইখ — বইষ = বিষ

বৰ্ণৰ মাজত এনে অয়ত বিকল্প প্ৰয়োগক আংশিক অয়ত বিকল্প প্ৰয়োগ (Partial Free Variation) বোলে।


এই ধ্বনিয়েও এটা বৰ্ণ হ'ব পাৰে বা তাতোধিক ধ্বনি লগ লাগিও একোটা বৰ্ণ হ'ব পাৰে বাবে বৰ্ণক 'ধ্বনিৰ পৰিয়াল' বুলিও কোৱা হয়। বৰ্ণসমূহৰ প্ৰয়োগ আদি, মধ্য, অন্ত্য সকলো

অৱস্থানত নহ'বও পাৰে। অৱশ্যে শব্দৰ মধ্য অৱস্থানত সকলো বর্ণৰ প্রয়োগ পোৱা যায়। বর্ণ এটি বিমূর্ত ৰূপহে (Abstract)। প্রকততে বর্ণ উচ্চাৰিত নহয় বা হ'ব নোৱাৰে। বর্ণৰ অন্তর্গত উপধ্বনিটো উচ্চাৰণ কৰিহে বর্ণটোৰ উচ্চাৰণ শ্রুয়মান বাস্তৱ ৰূপ বুলি দেখুওৱা হয়।



জানি থোৱা ভাল

ভাষাৰ সামগ্রী হিচাপে বর্ণ, উপধ্বনি প্রত্যেকৰে অঙ্গাঙ্গী সম্পর্ক আছে। ডেনিয়েল জ'নছে বর্ণ-ধ্বনি কিছুমানৰ একোটা পৰিয়াল (A Family of Sound) বুলি কৈছে। পৰিয়ালভুক্ত কৰা প্রত্যেকটো ধ্বনিয়েই একো একোটা উপধ্বনি। উপধ্বনিসমূহৰ মাজত যি ধ্বনিৰ প্রয়োগত সীমাবদ্ধতা কম অর্থাৎ ক্ষমতাশালী সেই ধ্বনিটোক 'বর্ণ' বুলি চিনাক্ত কৰা হয়। বর্ণ সূচিত হোৱা উপধ্বনিটো উচ্চাৰণ কৰি গোটেই ধ্বনি পৰিয়ালটোক বুজোৱা হয়। সেইবাবে বর্ণৰ উচ্চাৰণ বুলি ক'লে উপধ্বনিৰ উচ্চাৰণৰ কথাহে বুজিব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ "ধ্বনিৰ বিৰোধী আৰু অবিৰোধী প্রয়োগলৈ লক্ষ্য কৰি বর্ণ নির্ণয় কৰা হয়।"— কথাযাৰ বুজাই লিখক।

(২০০টা শব্দৰ ভিতৰত)

.....

৪.৫ উপধ্বনি

ধ্বনিৰ গুণ, উচ্চাৰণৰ স্থান, উচ্চাৰণৰ ধৰণ আদি ফালৰ পৰা ধ্বনিগত মিল থকা বা সদৃশ ধ্বনিবোৰৰ একোটা গোটেই হ'ল বর্ণ বা বিশিষ্ট ধ্বনি। বর্ণটো যিবোৰ ধ্বনিৰে গঠিত হৈছে সেই অবিশিষ্ট ধ্বনিবোৰক বর্ণটোৰ উপধ্বনি (Allophone) বুলি চিনাক্ত কৰা হয়। ধ্বনিৰ পৰিৱেশ আৰু প্রয়োগ বিশ্লেষণৰ ভিত্তিত সাধাৰণতে বর্ণ বিচাৰ কৰা হয়। বর্ণত অন্তর্নিহিত হৈ থকা উপধ্বনিবোৰ কিছুমান বিশেষ পৰিৱেশতহে ব্যৱহাৰ কৰা হয়। পৰিৱেশ অনুযায়ী ইহঁতৰ উচ্চাৰণ সুকীয়া সুকীয়া হয়। এই উপধ্বনিবোৰৰ প্রয়োগৰ স্থানো নির্দিষ্ট। ইহঁতৰ পৰস্পৰৰ মাজত কেতিয়াও বিৰোধ নঘটে, বৰঞ্চ এটা আনটোৰ পৰিপূৰকহে হয়। অর্থাৎ ইহঁতৰ প্রয়োগ অবিৰোধী বা অপ্রতীপ। সেইবাবে উপধ্বনিক 'অবিশিষ্ট ধ্বনি' বুলি ধৰা হয়। পৰিৱেশ ভেদে ইহঁত বেলেগ বেলেগ ধৰণে উচ্চাৰিত হয় যদিও ইহঁতৰ উচ্চাৰণৰ পার্থক্য অতি সূক্ষ্ম। সেয়েহে বক্তা আৰু শ্রোতাৰ কাণত এই অবিশিষ্ট ধ্বনিৰ উচ্চাৰণ বাজি নুঠে। এই অবিশিষ্ট বা উপধ্বনিবোৰে শব্দৰ অর্থৰ পৰিৱর্তন ঘটাই শব্দ পৃথক কৰিব নোৱাৰে। উদাহৰণ স্বৰূপে অসমীয়া ভাষাৰ 'ফাল' আৰু 'লাফ' শব্দ দুটাৰ 'ফ' ধ্বনিৰ উচ্চাৰণ একে ধৰণৰ নহয়। ইয়াৰে 'ফাল', শব্দৰ 'ফ' ধ্বনিটো উচ্চাৰণ কৰোঁতে বহির্গামী বায়ুক প্রবাহক বোধ কৰি মুকলি কৰি

দিয়া হয়। আনহাতে লাফ্ শব্দৰ 'ফ্' ধ্বনি উচ্চাৰণ কৰোঁতে ওঁঠ দুটা লগ লগাৰ দৰে হয় যদিও লগ নালাগি বৈ যায়। তদুপৰি 'ফ' আৰু 'ফ্' ধ্বনি দুটাৰ প্ৰয়োগৰ স্থান সুনির্দিষ্ট। 'ফাল'ৰ ফ ৰ প্ৰয়োগ আদি আৰু মধ্য অৱস্থানত (ফাল, এফাল) পোৱা যায়। আনহাতে 'লাফ্'ৰ 'ফ্'ৰ প্ৰয়োগ সদায় পদান্ত অৱস্থানতহে পোৱা যায়। ইহঁতৰ প্ৰয়োগত কোনো বিৰোধ ঘটনা নাই, ইহঁত পৰস্পৰে পৰস্পৰৰ পৰিপূৰক। পৰিৱেশ ভেদে অর্থাৎ আদ্য, মধ্য অৱস্থানত প্ৰয়োগ হোৱা 'ফ' আৰু পদান্ত অৱস্থানত প্ৰয়োগ হোৱা 'ফ্' ধ্বনি দুটাৰ উচ্চাৰণৰ পার্থক্য আছে যদিও অসমীয়া ভাষীৰ বক্তা আৰু শ্ৰোতাৰ কাণত এই পার্থক্য নাবাজে।

'লাফ্' শব্দৰ 'ফ্' ধ্বনিক 'ফাল' শব্দৰ 'ফ'ৰ লগত লগলগাই দুয়োটা ধ্বনিৰে এটা গোট কৰি সেই গোটটোক /ফ/ বর্ণৰে সূচিত কৰা হয়। এতেকে /ফ/ বর্ণৰ অন্তর্গত [ফ] আৰু [ফ্] ধ্বনি দুটাক বর্ণটোৰ উপধ্বনি হিচাপে চিনাক্ত কৰা হয়। এতিয়া দেখা গ'ল যে

/ফ/ = বর্ণ বা বিশিষ্ট ধ্বনি

[ফ] [ফ্] = উপধ্বনি।

উপধ্বনি নির্ণয়ৰ ক্ষেত্ৰত ধ্বনিৰ অবিৰোধী প্ৰয়োগৰ ধাৰণা থকাটো উচিত। ভাষা বিশেষৰ অভিন্ন বা সদৃশ পৰিৱেশত কিছুমান ধ্বনিৰ কেতিয়াও প্ৰয়োগ নহয়। এনে ক্ষেত্ৰত ধ্বনিবোৰৰ অবিৰোধী বা অপ্ৰতীপ প্ৰয়োগ হোৱা বুলি কয়। ধ্বনিৰ এই অবিৰোধী প্ৰয়োগ পৰিপূৰক আৰু মুক্ত বা অয়ত বিকল্প প্ৰয়োগ এই দুই ধৰণে আলোচনা কৰিব পাৰি। ধ্বনিগত গঢ় মিল থকা দুটা বা ততোধিক ধ্বনিৰ যদি পৰিৱেশভেদে উচ্চাৰণ বেলেগ বেলেগ হয়, একে অৱস্থা বা একে পৰিৱেশত কেতিয়াও প্ৰয়োগ নহয়, ইটোৰ পৰা সিটো সদায় আঁতৰি থাকে। ধ্বনিৰ তেনে প্ৰয়োগেই হ'ল পৰিপূৰক প্ৰয়োগ। পৰিপূৰক প্ৰয়োগত থকা ধ্বনিবোৰৰ সামূহিক গোটটোৰ নাম বর্ণ বা বিশিষ্ট ধ্বনি (Phoneme) আৰু এই বর্ণ গোটৰ অন্তর্গত পৰিপূৰক প্ৰয়োগত থকা প্ৰতিটো ধ্বনিয়েই হ'ল উপধ্বনি (Allophone) বা পূৰক ধ্বনি। পৰিপূৰক প্ৰয়োগ বিশ্লেষণৰ দ্বাৰা উপধ্বনি চিনাক্তকৰণৰ ক্ষেত্ৰত ইতিমধ্যে ওপৰত অসমীয়া ভাষাৰ এটি উদাৰহণ দাঙি ধৰা হৈছে। এই বিষয়ে অধিক স্পষ্টতাৰ বাবে ইংৰাজী ভাষাৰ এটা উদাহৰণ দাঙি ধৰা হ'ল— ইংৰাজী ভাষাত K(=ক) আৰু Kh(=খ) ধ্বনি অবিশিষ্ট আৰু ইহঁতৰ মাজতো পৰিপূৰক প্ৰয়োগ হয়। ইহঁতৰ পৰিপূৰকতাৰ স্বৰূপটো এনেকুৱা ঃ শ্বাসাঘাতযুক্ত স্বৰৰ পূৰবর্তী একাকী অৱস্থানত Khৰ উচ্চাৰণ পোৱা যায় আৰু Sৰ অনুবর্তী সংযুক্ত ৰূপত Kৰ উচ্চাৰণ পোৱা যায়। ইংৰাজসকলে Care, Keeper আদি শব্দত Kh ধ্বনিৰ উচ্চাৰণ কৰে আৰু Scare, Skipper আদি শব্দত K ধ্বনিৰ উচ্চাৰণ কৰে। ইংৰাজসকলে কিন্তু K আৰু Kh দুয়েটা ধ্বনিকে একে যেন শুনে, ইয়াৰ উচ্চাৰণৰ পার্থক্য তেওঁলোকৰ কাণত নাবাজে। কিন্তু ভাৰতীয় শ্ৰোতাৰ কাণত K আৰু Kh ধ্বনিৰ পার্থক্য স্পষ্টকৈ ধৰা পৰে। স্পষ্ট আৰু বিশিষ্ট ধ্বনিবোৰ বেলেগ বেলেগ চিহ্নৰে সূচিত যদিও অবিশিষ্ট ধ্বনিবোৰৰ ভিন্ ভিন্ চিহ্নৰ প্ৰয়োজন নাই। সেয়েহে ইংৰাজীত K, Kh দুয়োটা বেলেগ ধ্বনি K আখৰেৰে লিখিলেও বক্তাই উচ্চাৰণত

কোনো খেলিমেলিৰ সৃষ্টি নকৰে। গতিকে দেখা হ'ল K-Khৰ মাজত অবিৰোধী পৰিপূৰক প্রয়োগ হৈছে। যিহেতু পৰিপূৰক প্রয়োগত থকা প্রতিটো ধ্বনিয়েই উপধ্বনি ৰূপে বিবেচিত হয়, সেয়েহে ইংৰাজী ভাষা K-Kh দুয়োটাই উপধ্বনি। ইংৰাজীত t-th; P-Phৰ মাজতো পৰিপূৰক প্রয়োগ হয় বাবে ইহঁতকো উপধ্বনি বুলি বিবেচনা কৰা হয়।

উপধ্বনি নির্ণয়ৰ ক্ষেত্রত ভাষাৰ মুক্ত বিকল্প প্রয়োগৰ ধাৰণাও স্পষ্ট হোৱাটো প্রয়োজনীয়। সাধাৰণতে একে পৰিৱেশত থকা দুটা ধ্বনিৰ এটাৰ সলনি আনটো বহিলে যদি অর্থৰ পৰিৱর্তন নহয় কেৱল উচ্চাৰণহে বেলেগ হয় তেনেহ'লে ধ্বনিৰ তেনেকুৱা প্রয়োগক মুক্ত বিকল্প প্রয়োগ বোলা হয়। কোনো ভাষাত শব্দৰ এটা ধ্বনিৰ এনেকুৱা বিকল্প উচ্চাৰণ থাকিলে বক্তাই তাৰে যিকোনো এটা উচ্চাৰণ কৰিব পাৰে। বক্তাৰ উচ্চাৰণৰ এনে পার্থক্যৰ বাবে শব্দবোৰৰ অর্থৰ কিন্তু কোনো পৰিৱর্তন হোৱা দেখা নাযায়। ধ্বনিৰ এনে সাল-সলনি বা চলতা আদি, মধ্য, অন্ত্য, সকলো অৱস্থানতে হ'ব পাৰে। উদাহৰণ স্বৰূপে অসমীয়া কোনো কোনো সম্প্রদায়ৰ দোৱানৰ 'খ' আৰু 'ষ' ধ্বনিৰ আদি, মধ্য, অন্ত্য সকলো অৱস্থানতে মুক্ত বিকল্প প্রয়োগ দেখিবলৈ পোৱা যায় যেনে—

খুটা — খউতআ ~ ষউতআ
খিয়াৰি — খইআতই ~ ষইআতই
আখৰ — আখঅৰ ~ আষঅৰ
বিষয় — বইখঅয় ~ বইষঅয়
বিষ — বইখ ~ বইষ
যখ — যঅখ ~ যঅষ


অসমীয়া ভাষাৰ উপৰোক্ত দোৱানটোত যদি সদায় 'খ'ৰ ঠাইত 'ষ' আৰ 'ষ'ৰ ঠাইত 'খ' উচ্চাৰিত হ'লেও শব্দবোৰ একেই থাকে, অর্থাৎ শব্দবোৰৰ অর্থৰ সলনি নঘটে তেতিয়াহ'লে 'খ' আৰু 'ষ' ধ্বনিক এটা বর্ণৰ গোট বুলি ধৰা হয়। এই বর্ণ গোটৰ অন্তর্গত [খ] আৰু [ষ] এই দুটা উপধ্বনি বুলি চিনাক্ত হ'ব। এইক্ষেত্রত 'খ' আৰু 'ষ'ৰ প্রয়োগ মুক্ত বিকল্প প্রয়োগ।

ওপৰৰ আলোচনাৰ পৰা স্পষ্ট হৈ পৰিছে যে ধ্বনি, বর্ণ আৰু উপধ্বনি প্রত্যেকেই পাৰস্পৰিক সম্পর্কযুক্ত। ভাষাত উচ্চাৰিত হোৱা এটা এক বা একাধিক ধ্বনি লগ লাগি একোটা 'বর্ণ' হ'ব পাৰে। সেইবাবে 'বর্ণ'ক ধ্বনি পৰিয়াল বুলি কোৱা হয় আৰু পৰিয়ালভুক্ত এক বা একাধিক ধ্বনিৰ প্রতিটোকে উপধ্বনি বুলি কোৱা হয়। এই উপধ্বনিসমূহৰ ভিতৰত ক্ষমতাশালী আৰু বহুল প্রয়োগ ঘটা ধ্বনিটোক 'বর্ণ' বুলি চিনাক্ত কৰা হয়। উপধ্বনিসমূহ সদৃশ ধ্বনিগোটৰ উপাদান। ধ্বনিৰ গুণ, ধ্বনিৰ উচ্চাৰণৰ স্থান, উচ্চাৰণৰ ধৰণ আদিৰ ক্ষেত্রত ধ্বনিগত মিল বা সাদৃশ্য বিচাৰ কৰি উপধ্বনি বিচাৰি উলিওৱা হয়। সাধাৰণতে ধ্বনিগত সাদৃশ্য থকা অবিশিষ্ট ধ্বনিবোৰক এটা সামূহিক গোটত বিভক্ত কৰি সেই সামূহিক গোটটোক বর্ণ বা বিশিষ্ট ধ্বনি নাম দিয়া হয় আৰু সেই বর্ণগোটৰ অন্তর্গত ধ্বনিবোৰক উপধ্বনি বুলি কোৱা হয়।



জানি থোৱা ভাল

বর্ণ বিজ্ঞানৰ জৰিয়তে প্রণালীবদ্ধভাৱে বর্ণ আৰু উপধ্বনি নির্ণয় কৰাৰ পাছত বর্ণবোৰৰ লিপি নির্বাচন কৰা হয়। এই বর্ণৰ উপধ্বনিবোৰৰ অৱস্থান বিশ্লেষণ কৰি যিটো উপধ্বনিৰে বহুল প্রয়োগ ঘটে সেই উপধ্বনিটোৰ চিহ্ন বা আখৰকে বর্ণটোৰ চিহ্ন ৰূপে গ্রহণ কৰা হয়। সাধাৰণতে বহুল প্রয়োগ ঘটা উপধ্বনি সূচক আখৰে বর্ণটোৰ চিহ্নকো বুজায় যদিও এই বর্ণটোৰ অন্তর্গত আটাইকেইটা উপধ্বনিৰে গুৰুত্ব সমান। বর্ণসূচক আখৰটোৱে এটা বর্ণৰ অন্তর্গত সকলো উপধ্বনিকে সূচায়। সেয়েহে বর্ণ বুলি স্বীকৃতি আখৰ বুজোৱা উপধ্বনিৰ দৰে অন্যান্য উপধ্বনিও সমমর্যাদা সম্পন্ন। উদাহৰণ স্বৰূপে অসমীয়া ভাষাৰ /ভ/ আৰু /ফ/ বর্ণৰ চিহ্ন নির্বাচনলৈ মন কৰিলে দেখা যায় যে /ভ/ আৰু /ফ/ বর্ণৰ অন্তর্গত ক্রমে [ভ] আৰু [ফ] ধ্বনিৰ প্রয়োগ বেছি। এই উপধ্বনি দুটা শব্দৰ আদি, মধ্য দুয়ো স্থানতে উচ্চাৰিত হয় যেনে ঃ ভআল, ফআল; এভআৰ, এফআল। কিন্তু [ভ] আৰু [ফ] ধ্বনিৰ ধ্বনিৰ লগত ধ্বনিগত গঢ় মিল থকা [ভ] আৰু [ফ] ধ্বনিৰ প্রয়োগ কম, মাত্র পদান্ততহে ইহঁতৰ প্রয়োগ দেখা যায়। যেনে লআভ, লআফ। সেয়েহে ইহঁতৰ বর্ণৰ লিপি নির্বাচন কৰোঁতে বহুল প্রয়োগ হোৱা [ভ] আৰু [ফ] ধ্বনিৰ আখৰেৰে ক্রমে /ভ/ আৰু /ফ/ বর্ণ বুলি লিখা হয়। এতিয়া বর্ণসূচক /ভ/ আৰু /ফ/ চিহ্নই ক্রমে [ভ], [ভ] আৰু [ফ], [ফ] উপধ্বনিকেইটাক প্রতিনিধিত্ব কৰিছে। এইক্ষেত্রত /ভ/ বর্ণৰ অন্তর্গত [ভ], আৰু [ভ], /ফ/ বর্ণৰ অন্তর্গত [ফ] আৰু [ফ] উপধ্বনিকেইটা সমমর্যাদাপূর্ণ বুলি ধৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ ধ্বনিৰ অবিৰোধী প্রয়োগ বিশ্লেষণৰ আধাৰত উপধ্বনি কেনেদৰে নির্ণয় কৰা হয় উদাহৰণসহ বুজাই লিখক।

.....



৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানুহে মনৰ ভাব প্রকাশ কৰিবলৈ বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত শ্রুয়মান ধ্বনিৰ সংকেতবোৰকে ধ্বনি বুলি কোৱা হয়। ই ভাষাৰ মৌলিক উপাদান। ধ্বনি ভাষাৰ আটাইতকৈ সৰু নিম্নতম বিভাজ্য গোট
- হাওঁফাওঁৰ পৰা বাহিৰলৈ ওলাই যোৱা আৰু বাহিৰৰ পৰা মুখৰ ভিতৰলৈ সোমাই অহা বায়ু প্রবাহক বাগ্‌যন্ত্রৰ দ্বাৰা আংশিক বা সম্পূর্ণৰূপে বাধা প্রদান কৰি ধ্বনিৰ সৃষ্টি কৰা হয়।
- কোনো এটা ভাষাৰ শব্দৰ অন্তর্গত ধ্বনিসমূহৰ পৰিৰেশ বা প্রয়োগগত কাৰণত উচ্চাৰণৰ

তাৰতম্য ঘটে। উচ্চাৰণৰ এই তাৰতম্য হ'ল ধ্বনিৰ চলতা (Fluctuation) + উচ্চাৰণৰ এই তাৰতম্য বা চলতা অনুসৰি ধ্বসিমূহক বিশিষ্ট আৰু অবিশিষ্ট হিচাপে শ্রেণীবিভাজন কৰিব পাৰি।

- মানুহে কথা বতৰা পাতোতে উচ্চাৰণ কৰা ধ্বনিসমূহৰ ভিতৰত যিবোৰ ধ্বনিৰ উচচাৰণ বক্তা আৰু শ্রোতাৰ কাণত বাজি উঠে সেইবোৰকে বিশিষ্ট ধ্বনি বা বর্ণ বুলি কোৱা হয়।
- বিশিষ্ট ধ্বনি প্রকৃততে একোটাইঁত ধ্বনি গোট (unit)। এনে ধ্বনিগোটত এটা বা ততোধিক ধ্বনি লগ লাগি থাকে। বিশিষ্ট ধ্বনি বা বর্ণই শব্দৰ অর্থ পৰিৱর্তন কৰি শব্দ পৃথক কৰিব পাৰে।
- যিবোৰ ধ্বনিৰ উচ্চাৰণ বক্তা আৰু শ্রোতাৰ কাণত বাজি নুঠে সেইবিলাককে অবিশিষ্ট ধ্বনি বোলে। ইহঁতে শব্দ পৃথক কৰিব নোৱাৰে। একোটা ধ্বনিৰে অবিশিষ্ট ৰূপবিলাকক সেই ধ্বনিটোৰ উপধ্বনি বোলে।
- ভাষাত উচ্চাৰিত ধ্বনিসমূহক বর্ণবিজ্ঞানৰ সহায়ত সুনির্দিষ্ট নীতিৰে প্রণালীবদ্ধভাৱে বিচাৰ বিশ্লেষণ কৰি বর্ণ আৰু উপধ্বনি নির্ণয় কৰা হয়।
- ধ্বনিৰ ধ্বনিগত মিল বা সাদৃশ্য আধাৰত বর্ণ আৰু উপধ্বনি চিনাক্ত কৰিব পাৰি। সাধাৰণতে ধ্বনিৰ উচ্চাৰণৰ স্থান, উচ্চাৰণৰ ধৰণ আৰু ধ্বনিগুণৰ ওপৰত নির্ভৰ কৰি ধ্বনিবিলাকৰ মিল বা সাদৃশ্য নিৰূপণ কৰা হয় আৰু এনে ধৰণৰ সদৃশ বা মিল থকা ধ্বনিবিলাকক সদৃশ ধ্বনি গোট কোৱা হয়।
- বর্ণ আৰু উপধ্বনিবোৰ সদৃশ ধ্বনিগোটৰ উপাদান। সাধাৰণতে উচ্চাৰণৰ স্থান, ধৰণ আৰু গুণৰ ভিত্তিত সাদৃশ্য থকা অবিশিষ্ট ধ্বনিবোৰক এটি সামূহিক গোটত বিভক্ত কৰা হয়। সেই সামূহিক গোটটোকে বর্ণ নাম দিয়া হয় আৰু এই বর্ণৰ অন্তর্গত ধ্বনিবোৰক উপধ্বনি বুলি কোৱা হয়।
- ধ্বনিৰ পৰা বর্ণ আৰু উপধ্বনি নির্ণয় কৰিবলৈ ধ্বনিৰ পৰিৱেশৰ জ্ঞান প্রয়োজনীয়। এটা ধ্বনিৰ আগত আৰু পাছত থকা ধ্বনিয়ে ধ্বনিৰ পৰিৱেশ গঠন কৰে। ধ্বনিৰ প্রয়োগগত পৰিৱেশ দুবিধ— অভিন্ন পৰিৱেশ আৰু সদৃশ পৰিৱেশ।
- অভিন্ন আৰু সদৃশ পৰিৱেশৰ ভিত্তিত ধ্বনিৰ প্রয়োগ বিশ্লেষণ কৰা হয়। ধ্বনিৰ প্রয়োগ দুই প্রকাৰৰ— বিৰোধী প্রয়োগ আৰু অবিৰোধী প্রয়োগ।
- অভিন্ন পৰিৱেশত ধ্বনিবিলাকে শব্দৰ অর্থৰ পৰিৱর্তন ঘটালে তাক ধ্বনিৰ বিৰোধী প্রয়োগ বোলা হয়। অভিন্ন পৰিৱেশত বিৰোধ ঘটা ধ্বনি সমষ্টিক বর্ণ বোলে। আৰু সেই বর্ণৰ অন্তর্গত ধ্বনিসমূহক উপধ্বনি বুলি কোৱা হয়।
- ভাষা বিশেষৰ কিছুমান ধ্বনি অভিন্ন বা সদৃশ কোনো পৰিৱেশতে বিৰোধ নহয়। ধ্বনিৰ এনে প্রয়োগক অবিৰোধী প্রয়োগ বোলে। অবিৰোধী প্রয়োগ দুই প্রকাৰৰ— পৰিপূৰক প্রয়োগ আৰু মুক্ত বা অয়ত বিকল্প প্রয়োগ। ধ্বনিগত গঢ় মিল থকা দুটা বা ততোধিক ধ্বনিৰ যদি পৰিৱেশ ভেদে সুকীয়া উচ্চাৰণ হয়, প্রয়োগৰ স্থান নির্দিষ্ট, ইটোৰ পৰা সিটো ধ্বনি সদায় আঁতৰত থাকে, ধ্বনিৰ তেনে প্রয়োগক পৰিপূৰক প্রয়োগ বুলি কোৱা হয়। এনে পৰিপূৰক প্রয়োগত থকা ধ্বনিৰ সামূহিক গোটটোক বর্ণ বা বিশিষ্ট ধ্বনি নাম দিয়া

হয় আৰু এই গোটৰ অন্তর্গত ধ্বনিবোৰক অর্থাৎ পৰিপূৰক প্রয়োগত থকা প্রতিটো ধ্বনিকেই উপধ্বনি বা পূৰক ধ্বনি বুলি নির্ণয় কৰা হয়।

- একে পৰিৱেশত থকা দুটা ধ্বনিৰ এটাৰ সলনি আন এটা ব্যৱহাৰ হ'লে যদি অর্থৰ পৰিৱর্তন নহয় কেৱল উচ্চাৰণহে বেলেগ হয় তেনেহ'লে তাক ধ্বনিৰ মুক্ত বা অয়ত বিকল্প প্রয়োগ বুলি কোৱা হয়। মুক্ত বিকল্প প্রয়োগ ঘটা ধ্বনিবোৰৰ গোটটোক বর্ণ বুলি ধৰা হয় আৰু এই বর্ণ গোটৰ অন্তর্গত মুক্ত বিকল্প প্রয়োগৰ ধ্বনিবোৰক বর্ণগোটটোৰ উপধ্বনি বুলি চিনাক্ত কৰা হয়।



৪.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) কোঁৱৰ, অর্পনা (০০২) ঃ ভাষা বিজ্ঞান উপক্রমণিকা, ডিব্রুগড় ঃ বনলতা।
" " (১৯৯৫) ঃ ভাষা সাহিত্য অধ্যয়ন, ডিব্রুগড় ঃ বনলতা।
২) গোস্বামী, উপেন্দ্র নাথ (২০০৭)ঃ ভাষা বিজ্ঞান, গুৱাহাটী ঃ মণি মানিক প্রকাশ
৩) গোস্বামী, গোলোক চন্দ্র (১৯৭৭) ঃ ধ্বনি-বিজ্ঞানৰ ভূমিকা, গুৱাহাটী ঃ বাণী প্রকাশ।
" " (১৯৯০) ঃ অসমীয়া বর্ণ প্রকাশ, গুৱাহাটী ঃ বীণা লাইব্রেৰী।
" " (১৯৯০) ঃ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, গুৱাহাটী ঃ বীণা লাইব্রেৰী।
৪) দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ (২০০৬) ঃ আধনিক ভাষা বিজ্ঞান পৰিচয়, ডিব্রুগড় ঃ বনলতা।
৫) নাথ, প্রফুল্ল কুমাৰ (১৯৯৭) ঃ অসমীয়া ভাষাৰ অধ্যয়ন, ডিব্রুগড় ঃ বনলতা।
হাজৰিকা, জ্যোতিৰেখা
৬) পাদুন, নাহেন্দ্র (সম্পা.) (১৯৯৩) ঃ ভাষা তত্ত্ব-কথা শিৱসাগৰ ঃ আদৰণী সমিতি, অসম সাহিত্য সভাৰ ঊনষষ্ঠিতম শিৱসাগৰ অধিৱেশন।
৭) পাঠক, ৰমেশ (1991) ঃ ভাষা বিজ্ঞানৰ ভূমিকা, গুৱাহাটী ঃ অৰুণ প্রকাশন
" " (১৯৯০) ঃ অসমীয়া ভাষাৰ ইতিহাস, নলবাৰী ঃ জার্ণাল এম্পৰিয়াম
" " (১৯৮৮) ঃ ব্যাকৰণ আৰু প্রকৃতি বিজ্ঞান, গুৱাহাটী ঃ বীণা লাইব্রেৰী
৮) ভট্টাচার্য্য, বসন্ত কুমাৰ (১৯৯৩) ঃ ভাষা বিজ্ঞান প্রৱেশ, গুৱাহাটী ঃ চন্দ্র প্রকাশ।



৪.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ পৰিৱেশগত বা প্রয়োগত কাৰণত ঘটা ধ্বনিৰ উচ্চাৰণৰ তাৰতম্য বা চলতাৰ আভাস... চলতা অনুসৰি বিশিষ্ট, অবিশিষ্ট ধ্বনিৰ শ্রেণীবিভাজন সন্নিকট ধ্বনিৰ

পাৱস্পৰিক প্ৰভাৱৰ বাবে হোৱা ধ্বনিৰ উচ্চাৰণৰ পাৰ্থক্য তথা ধ্বনিৰ অভিন্ন আৰু সদৃশ পৰিৱেশৰ ধাৰণা আদিৰ বিষয়ে লিখিব লাগিব।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বিশিষ্ট ধ্বনি বা বর্ণ সম্পর্কে চমুকৈ লিখি ধ্বনিসমূহৰ বিৰোধ গটাব পৰা অভিন্ন আৰু সদৃশ পৰিৱেশৰ আভাস... অভিন্ন পৰিৱেশত ভিন্ন ধ্বনিৰ ব্যৱহাৰৰ দ্বাৰা শব্দ অর্থ পৰিৱর্তন ঘটোৱা ধ্বনিৰ বিৰোধী প্ৰয়োগ... সদৃশ পৰিৱেশত ধ্বনিৰ বিৰোধী প্ৰয়োগ... অবিৰোধী প্ৰয়োগৰ অন্তর্গত পৰিপূৰক প্ৰয়োগ বিশ্লেষণৰ দ্বাৰা বিশিষ্ট ধ্বনি বা বর্ণ চিনাক্ত কৰণ... বর্ণৰ মাজত হোৱা আংশিক মুক্ত বিকল্প প্ৰয়োগ আদি উদাহৰণসহ ব্যাখ্যা কৰিব লাগিব।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ উপধ্বনিৰ সংজ্ঞা তথা বৈশিষ্ট্যৰ চমু আলোচনা... অসমীয়া আৰু ইংৰাজী ভাষাৰ উদাহৰণৰ আধাৰত ধ্বনিৰ পৰিপূৰক প্ৰয়োগ আৰু মুক্ত বা অয়ত বিকল্প প্ৰয়োগৰ ধাৰণাৰ আধাৰত উপধ্বনি চিনাক্তকৰণ সম্পর্কে বিশ্লেষণ কৰিব লাগিব।



৪.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ ধ্বনি কাক বোলে? ধ্বনিৰ উচ্চাৰণ কেনেদৰে হয়? ধ্বনিৰ উচ্চাৰণত বাগ্‌যন্ত্ৰৰ ভূমিকা সম্পর্কে আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ গুণ আৰু প্ৰকৃতি অনুসৰি ধ্বনিক কেনেদৰে শ্ৰেণী বিভাজন কৰিব পাৰি চমুকৈ লিখক।

প্ৰশ্ন নং ৩ ঃ সন্নিকট ধ্বনিৰ পাৱস্পৰিক প্ৰভাৱৰ ফলত কেনেদৰে ধ্বনি গুণ বা ধ্বনি উচ্চাৰণৰ তাৰতম্য ঘটে উদাৱহণসহ ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৪ ঃ ধ্বনিৰ প্ৰয়োগত পৰিৱেশ বুলিলে কি বুজায়? উদাহৰণসহ ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৫ ঃ ধ্বনিৰ প্ৰয়োগ কেইপ্ৰকাৰৰ আৰু কি কি? উদাৱহণসহ চমুকৈ লিখক।

প্ৰশ্ন নং ৬ ঃ বিশিষ্ট ধ্বনি বা বর্ণ বুলিলে কি বুজে? ধ্বনিৰ পৰা বর্ণ নির্ণয় কৰা ধ্বনি প্ৰণালীসমূহৰ বিষয়ে চমুকৈ এটি প্ৰবন্ধ যুগত কৰক।

প্ৰশ্ন নং ৭ ঃ উপধ্বনি কাক বোলে? ধ্বনিৰ পৰিৱেশ আৰু প্ৰয়োগে বিশ্লেষণৰ আধাৰত উপধ্বনি কেনেদৰে নির্ণয় কৰা হ'ব উদাহৰণসহ বুজাই লিখক।

প্ৰশ্ন নং ৮ ঃ ধ্বনি, বর্ণ আৰু উপধ্বনিৰ সম্পর্কে বিচাৰ কৰক।

প্ৰশ্ন নং ৯ ঃ ধ্বনি, বর্ণ আৰু উপধ্বনিৰ পার্থক্য সম্বন্ধে চমুকৈ লিখক।

প্ৰশ্ন নং ১০ ঃ অভিন্ন আৰু সদৃশ পৰিৱেশত বিৰোধী প্ৰয়োগৰ আধাৰত বিশিষ্ট ধ্বনি বা বর্ণ কেনেদৰে নির্ণয় কৰা হয় বুজাই লিখক।

*** ***** ***

অধ্যায় ৫ ঃ অসমীয়া ভাষাৰ অনুক্রম বর্ণ আৰু উপহিত বর্ণ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ অনুক্রম ধ্বনি বা বর্ণ
৫.৪ উপহিত বর্ণ
৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৬ অধিক জানিবলৈ
৫.৭ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)
৫.৮ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ধ্বনিৰ সাধাৰণ পৰিচয় আগবঢ়াব পাৰিব
- অসমীয়া ভাষাৰ অনুক্রম বর্ণ আৰু উপহিত বর্ণ আৰু উপহিত বর্ণনো কাক বোলে সেই কথা জানিব পাৰিব
- উপহিত বর্ণৰ অন্তর্গত সুৰ-লহৰ, স্বৰৰ দীর্ঘত্ব, শ্বাসাঘাত, সন্ধি, অনুনাসিকতা আদিনো কি সেই বিষয়ে জানিব পাৰিব।

৫.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া প্রথম যান্মাসিকৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা এইখন তৃতীয় ঐচ্ছিকপাঠ্যবিষয়। পাঠ্যবিষয়ত এইটো পঞ্চম অধ্যায়। ইয়াৰ শিৰোনাম 'অসমীয়া ভাষাৰ অনুক্রম বর্ণ আৰু উপহিত বর্ণ'। অসমীয়া ভাষাৰ ধ্বনি বুলি ক'লে বিশিষ্ট স্বৰধ্বনি আৰু বিশিষ্ট ব্যঞ্জন ধ্বনিক বুজায়। অসমীয়া ভাষাত আঠোটা বিশিষ্ট স্বৰধ্বনি আৰু একৈশটা বিশিষ্ট ব্যঞ্জন ধ্বনি আছে। অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি কেইটা হ'ল—ই, এ, ঐ, উ, ও, অ', অ, আ আৰু বিশিষ্ট ব্যঞ্জন ধ্বনিকেইটা হ'ল— ক, খ, গ, ঘ, ঙ, চ, জ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, ৰ, ল, স আৰু হ।

কোনো কোনো ভাষাবিদে 'ৰ' আৰু 'য়' এই অন্তঃস্থ ধ্বনি দুটাকো বিশিষ্ট ব্যঞ্জন ধ্বনিৰ অন্তর্গত কৰিছে। আকৌ কোনো কোনো ভাষাবিদে 'ৰ' আৰু 'য়'ক শ্রুতি ধ্বনি বুলি অভিহিত কৰিছে।

ধ্বনিবিজ্ঞানত বাগিন্দ্রিয়ৰে উচ্চাৰিত হোৱা ধ্বনিসমূহকে ধ্বনি বুলি ধৰা হয়। ধ্বনিসমূহ উচ্চাৰণ কৰোতে হাওঁফাওঁৰ পৰা ওলাই অহা বায়ু প্রৱাহৰ পথ সকলো সময়তে কোমল তালুৰে

নিয়ন্ত্রণ কৰি থাকে। অর্থাৎ কোমল তালুৰ ওপৰৰ ফাললৈ থকা মাংশপেশীসমূহে সঞ্চালন কৰি থাকে। যেতিয়া কোমল তালু সম্পূর্ণ দাং খাই তেতিয়া বহির্গামী বায়ু প্রৱাহ মুখ বিৱৰেৰে বাহিৰলৈ ওলাই আহে; এনেদৰে সৃষ্টি হোৱা ধ্বনিক 'মৌখিক' (Oral) ধ্বনি বোলে। আকৌ যেতিয়া স্বৰতন্ত্রী দুখন তললৈ নমাই অনা হয় তেতিয়া মুখবিৱৰৰ পথ বন্ধ হয় আৰু সেই সময়ত বায়ু প্রৱাহ নাসিকা বিৱৰেৰে বাহিৰলৈ আহে। এইবিলাক ধ্বনিক 'নাসিক্য' ধ্বনি বুলি কোৱা হয়। আকৌ কোমল তালুখন মধ্য স্থানত ৰাখি থলেও বায়ু প্রৱাহ আংশিক মুখবিৱৰেৰে ওলাই আৰু আংশিক নাসিকা বিৱৰৰে বাহিৰলৈ ওলাই আহে। এনে অৱস্থাত উচ্চাৰিত হোৱা ধ্বনিবিলাককে 'মৌখিক নাসিক্য' (Ori-Nasal) ধ্বনি বুলি কোৱা হয়।

ভাষাত প্রয়োগ হোৱা মৌখিক ধ্বনি, নাসিক্য ধ্বনি আৰু মৌখিক নাসিক্য ধ্বনিসমূহৰ উপৰিও আৰু এক ধৰণে ধ্বনিসমূহ ভাগ কৰিব পাৰি, সেয়া হৈছে— মহাবাক্য (discourse) ইয়াৰ অন্তর্গত 'বাক্য' (Sentence) বাক্যৰ অন্তর্গত 'বাক্যাংশ' (Phrase) বাক্যাংশৰ অন্তর্গত 'শব্দ' (Word) আৰু শব্দৰ অন্তর্গত ধ্বনিসমূহক এটা ৰৈখিক ক্রমত সজোৱা হয়। ইয়াৰ ফলত এটা গোট বা একক আৰম্ভ হৈ দ্বিতীয় এটা গোট বা একক সৃষ্টি হয়। অর্থাৎ ওপৰৰ প্রত্যেকটো গোট (Unit) ক একো একোটা খণ্ডত বিভাজন কৰিব পাৰি। ইয়াকেই বিভাজ্য গোট বা একক বুলি কোৱা হয়। সেইবাবে শব্দৰ অন্তর্গত ধ্বনিসমূহক বিভাজ্য গোট বা একক বুলি ক'ব পাৰি। এই বিভাজ্য ধ্বনিক অনুক্রম বর্ণ বুলিও কোৱা হয়।

ভাষাত ব্যৱহৃত ধ্বনিসমূহক দুই প্রকাৰে ভাগ কৰা হয়। যেনে— ব্যঞ্জন ধ্বনি আৰু স্বৰধ্বনি। এই স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিসমূহ উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী বিভিন্ন প্রকাৰে ভাগ কৰিব পাৰি।

বিভাজ্য ধ্বনি বা অনুক্রম বর্ণ বা ধ্বনিৰ নিচিনা আন কিছুমান ধ্বনি আছে, যাক ক্রম অনুসৰি ভাগ কৰিব নোৱাৰি বাবে তাক অবিভাজ্য ধ্বনি বোলা হয়। অবিভাজ্য ধ্বনিবোৰে ভাবৰ তাৰতম্য ঘটায়। সুৰ-লহৰ, স্বৰৰ দীর্ঘত্ব, শ্বাসাঘাত, সন্ধি, অনুনাসিকতা আদিয়ে ভাবৰ তাৰতম্য ঘটায়। এইবোৰ অবিভাজ্য ধ্বনি বা উপহিত বর্ণ।

৫.৩ অনুক্রম ধ্বনি বা বর্ণ (Segmental Phoneme)

যিবোৰ বর্ণক ক্রমাগতভাৱে এটা ক্রমত ভাগ ভাগকৈ দেখুৱাব পাৰি তাক অনুক্রম বর্ণ বোলে। উদাহৰণস্বৰূপে 'মৰম' আৰু 'মানুহ' এই শব্দ দুটা লোৱা যাওঁক। 'মৰম' শব্দটো 'ম-অ-ৰ-অ-ম' এনেদৰে এটা ক্রমৰ মাজত সুন্দৰকৈ দেখুৱাব পাৰি বা বিভাজ্য কৰিব পাৰি। আকৌ 'মানুহ' শব্দটো 'ম-আ-ন-উ-হ' এনেদৰে আটাইকেইটা ধ্বনিয়ে বিভাজ্য। কিয়নো ম উচ্চাৰিত হৈ আ উচ্চাৰিত হৈছে আ উচ্চাৰিত হৈ ন উচ্চাৰিত হৈছে আৰু ৰৈখিক ক্রমটো সুন্দৰকৈ ৰক্ষা হৈছে।

এইবাৰ উদাহৰণ স্বৰূপে 'খালোঁ' এই ৰূপটো লোৱা যাওঁক। খ-আ-ল-ওঁ এনেদৰে বিভাজন কৰিলে দেখা যায় অনুনাসিক (ঁ) ধ্বনিটো স্বৰৰ সৈতে যুক্ত হৈ আছে বাবে ইয়াক ক্রমত দেখুৱাব নোৱাৰি আৰু সেয়েহে ই অনুক্রম বর্ণৰ অন্তর্গত নহয়।

৫.৪ উপহিত বর্ণ (Supra segmental Phoneme)

যিবোৰ বর্ণক ক্রম অনুসৰি বিভাজন কৰি দেখুৱাব নোৱাৰি অথচ যিবোৰৰ অস্তিত্ব অনুভৱ যোগ্য সেইবোৰক উপহিত বর্ণ বোলে। যেনে, 'তুমি যোৱা'। অসমীয়া ভাষাৰ এই বাক্যটো সাধাৰণভাৱে উচ্চাৰণ কৰিলে অনুজ্ঞা প্রকাশ কৰে। ইয়াত যদি অন্য সুৰ-লহৰ প্রয়োগ কৰা হয় তেনেহ'লে সি ভিন্ন অর্থ প্রকাশ কৰিব। যেনে, (ক) তুমি যোৱা? (খ) তুমি যোৱা! ইয়াৰ প্রথম বাক্যটোত প্রশ্ন আৰু দ্বিতীয় বাক্যটোত আশ্চর্যৰ ভাব প্রকাশ পাইছে। ইয়াৰ পৰা আমি জানিলোঁ যে সুৰ-লহৰৰ ভিন্নতাই একেটা বাক্যৰে ভাবৰ তাৰতম্য ঘটায়। এই সুৰ-লহৰ এটা উপহিত বর্ণ; অর্থাৎ ইয়াক ক্রম অনুসৰি বিভাজন কৰি দেখুৱাব নোৱাৰি। ক্রম অনুসৰি বিভাজন কৰিব নোৱাৰা বাবে উপহিত বর্ণক অবিভাজ্য বর্ণ বুলিও কোৱা হয়।

উপহিত বর্ণবোৰ হ'ল—

সুৰ লহৰ (Intonation)
স্বৰৰ দীর্ঘত্ব (Length)
বা মাত্রা (Mora)
স্বাসাঘাত (Stress Accent)
সন্ধি (Juncture)
অনুনাসিকতা (Nasalisation)

সুৰ লহৰ (Intonation) সাংগীতিক ঃ মানুহে কথা কওঁতে কোনো এটা বাক্যৰ অক্ষৰ বা শব্দবোৰৰ উচ্চাৰণৰ তাৰতম্য ঘটে। উচ্চাৰণ এনে তাৰতম্য অনুসৰি স্বৰতন্ত্রীৰ কম্পন দ্রুত বা ধীৰ হোৱাৰ ফলত যি লহৰৰ সৃষ্টি হয় তাক সুৰ (Pitch) বোলে। কোনো কোনো ভাষাত শব্দৰ অক্ষৰৰ সুৰে তাৰ অর্থ নিয়ন্ত্রণ কৰে। অর্থাৎ সুৰ অনুযায়ী এটা শব্দৰে অর্থৰ সলনি ঘটে। চীনা, আফ্রিকান আৰু অসমৰ ভোটবর্মী ভাষাবোৰ শব্দৰ অক্ষৰত সুৰ বন্ধা থাকে। এইবোৰ ভাষাত শব্দৰ অক্ষৰৰ সুৰ সলনি কৰি অর্থভেদে বুজোৱা হয়। এনে ভাষাক সুৰীয়া ভাষা বোলে। ভাষাৰ আলোচকসকলে সুৰ তিনি প্রকাৰৰ বুলি উল্লেখ কৰিছে—

(ক) উদাত্ত (High) (খ) অনুদাত্ত (Low) আৰু (গ) স্বৰিত (Mid or level) । এইবোৰ স্বৰতন্ত্রীৰ কম্পনৰ ওপৰত নির্ভৰশীল। স্বৰতন্ত্রীৰ স্পন্দন ক্রমে বাঢ়ি গ'লে সুৰো উচ্চ হৈ গৈ থাকে; এনে উচ্চ সুৰক উদাত্ত (High) বোলে। স্বৰতন্ত্রীৰ স্পন্দনৰ তীব্রতা ক্রমে কমি আহিলে সুৰ অনুদাত্ত (Low) হয় আৰু উদাত্ত আৰু অনুদাত্তৰ মাজৰ সুৰ হয় স্বৰিত (Mid or level) ।

এই তিনিটা সুৰৰ পৰাই আৰু অনেক সুৰৰ সৃষ্টি হ'ব পাৰে। যেনে উদাত্ত-উন্নত (High rising), অর্থাৎ উদাত্ত সুৰ আৰু বেছি উর্দ্ধমুখী হয়।

ইংৰাজী, অসমীয়া, বাংলা, হিন্দী অথবা তামিল, তেলেগু আদি ভাষাবোৰত সুৰ শব্দৰ বা অক্ষৰৰ অবিচ্ছেদ্য অঙ্গ নহয়, অর্থাৎ সুৰৰ তাৰতম্য হ'লেও শব্দটো সম্পূর্ণ বেলেগ হৈ নপৰে; কেৱল সামান্যভাৱে অর্থৰ সলনি হয়। যেনে অসমীয়া ভাষাত অঁ।' 'অঁ'? 'অ!' নাইবা

'হয়'।, 'হয় ?' আৰু 'হয় !' আৰু 'হয় !'—ৰ ভাৱৰ সামান্য তাৰতম্য হ'লেও শব্দ দুটাৰ মূল অর্থৰ কোনো সলনি হোৱা নাই। একেদৰে ইংৰাজী ভাষাটো তেনে উদাহৰণ আছে। যেনে, 'No!, 'No?' নাইবা 'John!', 'John?', আৰু 'John' অৰ ভাবৰ তাৰতম্য হয়; কিন্তু No নাইবা 'John' শব্দৰ মূল যিটো তাৰ অর্থৰ কোনো পৰিবর্তন নহয়।

অসমীয়া, ইংৰাজী আদি ভাষাত প্ৰত্যেক শব্দৰ অক্ষৰৰ সুৰলৈ লক্ষ্য নাৰাখি সমস্ত বাক্যটোৰ সুৰৰ প্ৰতিহে লক্ষ্য ৰখা হয়। সমগ্ৰ বাক্যৰ যি সুৰ সমষ্টি তাকে সুৰ লহৰ (Intonation) বোলা হয়। ওপৰত উল্লেখ কৰা অসমীয়া আৰু ইংৰাজী উদাহৰণ কেইটাত একোটাকৈ মাথোন শব্দ আছে যদিও ইয়াত যি সুৰৰ প্ৰয়োগ হৈছে সি সমগ্ৰ বাক্যৰ সুৰ, অর্থাৎ সুৰ লহৰ। সুৰ, শ্বাসাঘাত আৰু সন্ধিৰ যৌগিক পৰিণতিয়েই সুৰ লহৰ।

সুৰ লহৰৰ তাৰতম্যই বাক্যৰ অর্থৰ তাৰতম্য ঘটায়। উদাহৰণ স্বৰূপে এটি বাক্য ল'লেই সেই কথা বুজাব যাব। 'তুমি এতিয়া যোৱা'— এই বাক্যটো সুৰ লহৰৰ জৰিয়তে কেনেদৰে বেলেগ বেলেগ অর্থ প্ৰকাশ কৰিব পাৰি তাক তলত দাঙি ধৰা হ'ল—

(ক) 'তুমি এতিয়া যোৱা'—এই বাক্যটোত নিম্ন সুৰ আৰু সন্ধি হৈছে আৰু বাক্যটোৱে সাধাৰণ বিবৃতি বুজাইছে অর্থাৎ 'তুমি এতিয়া যাব পাৰা'— এই অর্থটোহে বুজাইছে।

(খ) 'তুমি এতিয়া যোৱা' এই বাক্যটোৰ সুৰ উদাও উন্নত (High rising) আৰু সন্ধি ঊর্দ্ধগামী। বাক্যটোৰ অর্থ হ'ল; তুমি ৰৈ নাথাকিবা, যোৱাগৈ, তুমি ৰৈ থকাটো কামনা নকৰোঁ।

(গ) 'তুমি এতিয়া যোৱা' ? এই বাক্যটোৰ সুৰ স্ৱৰিত-উন্নত (Mid-level with gradual rising) সুৰ আৰু সন্ধিযুক্ত। ইয়াৰ অর্থ হ'ল, তুমি এতিয়া যোৱা নেকি ? সাধাৰণভাৱে কৰা এটি প্ৰশ্ন।

(ঘ) 'তুমি এতিয়া যোৱা' ! ইয়াৰ সুৰ নিম্ন উন্নত আৰু ক্ষিপ্ৰ (Low with abrupt rising) । ইয়াৰ অর্থ হ'ল যাবলৈ ওলোৱা কথাটোত আচৰিত ভাব প্ৰকাশ পাইছে।

স্ৱৰৰ দীর্ঘত্ব (Length) ঃ মানুহে কথা কওঁতে যিবোৰ ধ্বনি উচ্চাৰণ কৰে সেইবোৰৰ কিছুমানত কম সময় আৰু কিছুমানত বেছি সময় লাগে। ধ্বনি উচ্চাৰণ এই সময়তেই হৈছে ধ্বনিৰ দৈর্ঘ্য বা দীর্ঘত্ব। নিয়তাভাস বা স্ৱৰধ্বনিবোৰৰ উচ্ছাৰণ সাধাৰণতে দীর্ঘ হয়। স্ৱৰধ্বনিবোৰ ইচ্ছামতে দীঘলীয়াকৈ বা চুটীকৈ উচ্চাৰণ কৰিব পাৰি। ধ্বনিৰ উচ্চাৰণৰ স্বাভাৱিক দৈর্ঘ্যকে সাধাৰণ দৈর্ঘ্য (Normal length) বুলি কোৱা হয়। ভাষাভেদে ধ্বনিৰ দৈর্ঘ্য ভিন্ন হয়।

ধ্বনি উচ্চাৰণৰ সময়ৰ এককেই হৈছে মাত্ৰা। ধ্বনি সাধাৰণ দৈর্ঘ্যও বহু মাত্ৰাৰ (degress) হ'ব পাৰে; দুটা মাত্ৰা স্বীকৃত হ'লে এটা হ্ৰস্ব (Short), আনটোক দীর্ঘ (Long) ; তিনিটা হ'লে , হ্ৰস্ব, অর্দ্ধ দীর্ঘ (Half-long) ; আৰু দীর্ঘ; আৰু চাৰিটা মাত্ৰা ধৰিলে হ্ৰস্ব, অর্দ্ধ হস্ব (Half-short) অর্দ্ধ দীর্ঘ আৰু দীর্ঘ বুলি উল্লেখ কৰিব পাৰি। ভাষা ভেদে ধ্বনিৰ দীর্ঘত্বৰ ভেদ হয়। সংস্কৃত ভাষাত স্ৱৰধ্বনিৰ তিনিটা মাত্ৰা স্বীকাৰ কৰা হয়—হ্ৰস্ব, দীর্ঘ আৰু প্লুত (Extra long)।

স্বৰধ্বনিৰ দৰে সংস্কৃতত ব্যঞ্জন ধ্বনিৰো মাত্রা আছে। ব্যঞ্জন ধ্বনিৰ মাত্রা স্বৰধ্বনিৰ হ্রস্ব মাত্রাতকৈও হ্রস্ব। কোনো কোনো ভাষাত ধ্বনিৰ দৈর্ঘ্যই শব্দৰ অর্থৰ সলনি কৰিব পাৰে আৰু কোনো কোনো ভাষাত নোৱাৰে। অসমীয়া ভাষাত স্বৰধ্বনিৰ মাত্রাৰ বিৰোধ নাই। অসমীয়াত একাক্ষৰী শব্দত, দ্ব্যক্ষৰী বা বেছি অক্ষৰ থকা শব্দৰ দ্বিতীয় অক্ষৰত, অথবা শ্বাসাঘাত যুক্ত অক্ষৰত স্বৰধ্বনি দীর্ঘ হয়।

শ্বাসাঘাত (Stress Accent) ঃ কথা-বতৰা পাতোতে বাক্যৰ সকলোবোৰ শব্দত সমানে জোৰ দি উচ্চাৰণ কৰা নহয়।কোনো কোনো শব্দৰ উচ্চাৰণত বেছি জোৰ পৰে আৰু কোনো কোনো শব্দত জোৰ কমকৈ পৰে। জোৰ পৰা শব্দবোৰৰ উচ্চাৰণ স্পষ্ট আৰু জোৰ নপৰা শব্দৰ উচ্চাৰণ আপেক্ষিকভাৱে কম স্পষ্ট হয়। শব্দৰ ক্ষেত্রতো কোনো এটা অক্ষৰৰ উচ্চাৰণত অধিক জোৰ পৰে আৰু কোনো এটাত নপৰে। শব্দ বা অক্ষৰৰ উচ্চাৰণৰ ক্ষেত্রত প্রয়োগ কৰা এই আপেক্ষিক জোৰৰ নাম শ্বাসাঘাত (Stress) । কোনো কোনো ভাষাত শ্বাসাঘাতৰ স্থানৰ বিৰোধ আছে; অথাৎ সেইবোৰ ভাষাত শ্বাসাঘাতৰ স্থানৰ পৰিবর্তন ঘটিলে অর্থৰো তাৰতম্য ঘটে।

ইংৰাজী ভাষাত একে যেন লগা শব্দটো শ্বাসাঘাতৰ পৰিবর্তন হ'লে অর্থৰ পৰিবর্তন ঘটে; যেনে, 'Permit অনুজ্ঞা বা অনুমতি পত্র (বিশেষ্য); Permit) আদেশ দিয়া বা অনুমতি দিয়া (ধাতু)। কিছুমান শব্দত সুনির্দিষ্ট শ্বাসাঘাতৰ প্রয়োগ নহ'লে সেইবোৰ অর্থৰহ শব্দই হ'ব নোৱাৰে।

গুৰু শ্বাসাঘাতযুক্ত ধ্বনিৰ মুখৰতা (Loudness) আপেক্ষিকভাৱে বেছি। অনিয়ত বা প্রৱাহ ধ্বনিয়েহে শ্বাসাঘাত বহন কৰে। নিয়ত ধ্বনি শ্বাসাঘাত বহনৰ ক্ষেত্রত অক্ষম। অনিয়ত ধ্বনিবোৰৰ ভিতৰত স্বৰধ্বনিবোৰৰ শ্বাসাঘাতৰ মাত্রা বেছি। সকলো বক্তাৰে উচ্চাৰণত শ্বাসাঘাতৰ প্রয়োগ হয়। কোনো কোনো ভাষাত শ্বাসাঘাতে আপেক্ষিকভাৱে গুৰু আৰু কোনো।

নিয়ত ধ্বনি ঃ বায়ু প্রৱাহ সম্পূর্ণ ৰোধ কৰি উচ্চাৰণ কৰা ধ্বনিক নিয়ত ধ্বনি (Stops) বা স্পর্শ ধ্বনি (Contact sounds) অথবা স্ফোট ধ্বনি (Plasive) কোৱা হয়। প, ত, ক, ব, দ, গ আদি নিয়ত ধ্বনি।

অনিয়ত ধ্বনি ঃ বায়ু প্রৱাহৰ পথ সম্পূর্ণ মুক্ত ৰাখি উচ্চাৰণ কৰা ধ্বনিবোৰ অনিয়ত ধ্বনি (Unobstruents and frictionless sounds) । স্বৰধ্বনিবোৰ অনিয়ত ধ্বনি।

কোনো ভাষাত ই আপেক্ষিকভাৱে লঘু। সেইদৰে এটা ভাষাৰ একেটা শব্দতে অক্ষৰ বিশেষে শ্বাসাঘাতৰ তাৰতম্য হয়। শ্বাসাঘাতৰ তাৰতম্যৰ কাৰণে কথিত ভাষাত শব্দবোৰৰ ৰূপ সলনি হয়; শ্বাসাঘাতহীন স্বৰধ্বনি বিশেষকৈ হ্রস্ব স্বৰধ্বনি কোনো কোনো ভাষাত লোপ পায়।

অসমীয়া ভাষাৰ কামৰূপী উপভাষাত শব্দৰ আদি অক্ষৰত শ্বাসাঘাত আটাইতকৈ গুৰু। উজনি অসমৰ ভাষাত শব্দৰ মাজতহে গুৰু শ্বাসাঘাত পৰে। কামৰূপী উপভাষাত শব্দৰ আদি অক্ষৰত শ্বাসাঘাত পৰা বাবে মাজৰ স্বৰধ্বনিবোৰ প্রায়েই লোপ পায় আৰু ওচৰা ওচৰিকৈ থকা ব্যঞ্জন লগ লাগে। যেনে—

কোমোৱা—কুম্ৱা

ভোমোৱা— ভম্ৱা

শ্বাসাঘাতৰ প্রভাৱৰ কাৰণেই কামৰূপী উপভাষাত শব্দবোৰৰ ৰূপৰ পৰিবর্তন ঘটা দেখা যায়। জগতৰ সকলো ভাষাৰ উচ্চাৰণতে শ্বাসাঘাতৰ প্রয়োগ অনিবার্য। কোনো কোনো ভাষাত শ্বাসাঘাত বেছি আৰু কোনো কোনো ভাষাত শ্বাসাঘাত কম।

সন্ধি (Juncture) ঃ সন্ধি এক প্রকাৰ লয় বিশেষ। মানুহে কথা- বতৰা পাতোঁতে ধ্বনিবোৰৰ ইটোৰ পৰা সিটোলৈ যি সংক্রমণ (Transition) হয় তাকে সন্ধি বোলে; অর্থাৎ ধ্বনিৰ এই সংযোগকেই সন্ধি (Juncture) বোলে। সন্ধিয়ে বাগিন্দ্রিয়ৰে উচ্চাৰিত বাক্যসমূহত লয়যুক্ত কৰি তোলে আৰু বাক্যত প্রয়োগ হোৱা লয়ৰ সাল-সলনিয়ে একে ধ্বনি সমষ্টিযুক্ত বাক্যৰ অর্থৰো পৰিবর্তন ঘটাব পাৰে। ইয়াৰ পৰা বুজা গ'ল যে সন্ধিৰ প্রয়োগভেদে একে ধ্বনি সমষ্টিৰে গঠিত বাক্যাংশ বা বাক্যৰ অর্থৰ তাৰতম্য হয়। উদাহৰণ স্বৰূপে অসমীয়া ভাষাৰ দুটা বাক্য লোৱা যাওঁক।

(ক) সি বা কি খায়।

(খ) সি বাকি খায়।

উক্ত বাক্য দুটা একে ধ্বনি সমষ্টিৰে গঁথিত যদিও সন্ধিৰ তাৰতম্যই বাক্য দুটাৰ অর্থৰ সলনি কৰিছে। আকৌ আন দুটি বাক্য লোৱা যাওঁক—

(ক) সি পাৰলৈ গ'ল।

(খ) সি পাৰ লৈ গ'ল।

এই বাক্য দুটাও একে ধ্বনি সমষ্টিৰে গঁথিত যদিও সন্ধিৰ তাৰতম্যই বাক্য দুটাৰ অর্থৰ সলনি কৰিছে।

ইংৰাজী ভাষাতো সন্ধিৰ প্রয়োগত বিৰোধ ঘটা দেখা যায়। যেনে, (ক) See the meat আৰু (খ) See them eat.

বেলেগ বেলেগ ভাষাত সন্ধিৰ নিয়মো বেলেগ বেলেগ। অসমীয়া বা ইংৰাজীৰ সন্ধিৰ নিয়ম অন্য ভাষাত নাখাটে। সেইদৰে সংস্কৃত ভাষাৰ সন্ধিৰ নিয়মো অসমীয়া ভাষাত প্রয়োগ নহয়।

সন্ধি সাধাৰণতে দুই প্রকাৰৰ। (1) বদ্ধ সন্ধি (Close Juncture) আৰু (2) মুক্ত সন্ধি (Open Juncture)।


বদ্ধ সন্ধি ঃ কোনো শব্দৰ ভিতৰুৱা ধ্বনিবোৰ ইটোৰ লগত সিটোৰ সংযোগক কোৱা হয় বদ্ধ সন্ধি। বদ্ধ সন্ধিকে আভ্যন্তৰীণ (Internal Juncture) সন্ধি নামেৰেও জনা যায়।

মুক্ত সন্ধি ঃ বাক্যত প্রয়োগ হোৱা শব্দবোৰৰ পূর্বৱর্তী শব্দৰ অন্ত্যধ্বনিৰ লগত পৰৱর্তী শব্দৰ আদি ধ্বনিৰ সংযোগক কোৱা হয় মুক্ত সন্ধি। মুক্ত সন্ধিক বহিঃ সন্ধি (External Juncture) নামেৰে জনা যায়। এইখিনিতে মনত ৰখা ভাল হ'ব যে দুয়োবিধ সন্ধিৰ মাজত বিৰোধ আছে।

অনুনাসিকতা (Nasalisation) ঃ অনুনাসিকতা বাক ধ্বনিৰ এটি বিশিষ্ট গুণ।

সাধাৰণতে শব্দত প্রয়োগ হোৱা স্বৰধ্বনিবোৰেই অনুনাসিকতা বহন কৰে। অনুনাসিকতাযুক্ত হ'লে কোনো শব্দৰ উচ্চাৰণ আৰু অর্থবো পৰিবর্তন হয়। যেনে, বাহ আৰু বাঁহ। অসমীয়া ভাষাৰ এই শব্দ দুটাৰ প্রথমটোৰ 'আ' ধ্বনি অনুনাসিক আৰু দ্বিতীয় 'আঁ' ধ্বনিটো অনুনাসিক। দুয়োটা শব্দৰ অর্থ ভিন্ন। প্রথম 'বাহ' শব্দটোৱে চৰাইৰ বাহৰ কথা বুজাইছে আৰু দ্বিতীয় বাঁহ শব্দটোৱে বাঁহ গছৰ কথা বুজাইছে। ইয়াৰ পৰা বুজা গ'ল যে অনুনাসিকতাই বিৰোধৰ সৃষ্টি কৰে। ক্রম অনুসাৰ ইয়াক বিভাজন কৰিব নোৱাৰি। সেইবাবে অনুনাসিকতাক উপহিত বর্ণৰ ভিতৰত ধৰা হয়। সকলো ভাষাৰ স্বৰধ্বনি অনুনাসিক হিচাপে পোৱা নাযায়। কোনো কোনোৰ মতে সংস্কৃতত এনে ধ্বনি নাই; বৃটিছ ইংৰাজী বা জার্মান ভাষাতো নাই। আমেৰিকান ইংৰাজীৰ কোনো কোনো উপভাষাত ইঁহতৰ উচ্চাৰণ হয়। ৰোমান ভাষাবোৰৰ ভিতৰত পর্তুগীজ আৰু ফৰাচী ভাষাত ইহঁতৰ বহুল প্রয়োগ হয়। আফ্রিকান ভাষাবোৰত সকলো স্বৰেই অনুনাসিকীকৃত হ'ব পাৰে।

অসমৰ জনজাতীয় ভাষাবোৰত আৰু অসমীয়াত এনে ধ্বনি পোৱা যায়। অসমীয়া ঈ,এ, আ, অ, ও, ঊ ধ্বনি অনুনাসিকীকৃত অর্থাৎ যথাক্রমে ঈ, এঁ, আঁ, অঁ, ওঁ, ঊঁ হ'ব পাৰে; এ' আৰু অ'ৰ অনুনাসিক উচ্চাৰণ বিৰল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাষাৰ আলোচকে সুৰ কেই প্রকাৰৰ বুলি কৈছে আৰু কি কি? (৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ ভাষাৰ সুৰ কিহৰ ওপৰত নির্ভৰ শীল? (৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৩ ঃ মাত্রা কি? (৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৪ ঃ সংস্কৃত ভাষাৰ স্বৰধ্বনিৰ কেইটা মাত্রা স্বীকাৰ কৰা হয় আৰু সেই মাত্রা কেইটা কি কি? (৫০টা শব্দৰ ভিতৰত)

.....



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অনুক্রম বর্ণ বা ধ্বনি কাক বোলে সেই বিষয়ে জানিলো।
- অনুক্রম বর্ণই যে বিভাজ্য ধ্বনি তাৰ ধাৰণা লাভ কৰিলোঁ।
- উপহিত বর্ণ বা ধ্বনি কি তাক জানিলো।
- উপহিত বর্ণই যে অবিভাজ্য ধ্বনি সেই বিষয়ে বিস্তৃতভাৱে জানিলো।

- উপহিত বর্ণৰ অন্তর্গত বিষয়সমূহ হ'ল— সুৰ-লহৰ, স্বৰৰ দীর্ঘত্ব, শ্বাসাঘাত, সন্ধি আৰু অনুনাসিকতা।



৫.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

1] গোস্বামী উপেন্দ্র নাথ (1976) ঃ ভাষা-বিজ্ঞান, গুৱাহাটী ঃ নিউ বুক ষ্টল।

2] গোস্বামী, উপেন্দ্রনাথ (1997) ঃ অসমীয়া ভাষাৰ ব্যাকৰণ, গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

3] গোস্বামী, গোলোকচন্দ্র (1977) ঃ ধ্বনি বিজ্ঞানৰ ভূমিকা, গুৱাহাটী ঃ বাণী প্রকাশ।

4] গোস্বামী, গোলোক চন্দ্র (2004) ঃ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, গুৱাহাটী ঃ বীণা লাইব্রেৰী।

5] পাঠক, ৰমেশ (1991) ঃ ভাষা বিজ্ঞানৰ ভূমিকা, গুৱাহাটী ঃ অৰুণ প্রকাশন।

6] ভট্টাচার্য, বসন্ত কুমাৰ (1993) ঃ ভাষা বিজ্ঞানৰ প্রৱেশ, গুৱাহাটী ঃ চন্দ্র প্রকাশ ।

7] মৰল, দীপাংকৰ (2007)ঃ ব্যৱহাৰিক ধ্বনি বিজ্ঞান, গুৱাহাটী ঃ বনলতা।



৫.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ সুৰ তিনি প্রকাৰৰ। যেনে উদাও (High) অনুদাও (Low) আৰু স্বৰত (Mid or level)।

২ নং প্রশ্নৰ উত্তৰ ঃ স্বৰতন্ত্রীৰ কম্পনৰ ওপৰত নির্ভৰশীল।

৩ নং প্রশ্নৰ উত্তৰ ঃ ধ্বনি উচ্চাৰণৰ সময়ৰ এককেই হৈছে মাত্রা।

৪ নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত ভাষাত স্বৰধ্বনিৰ তিনিটা মাত্রা স্বীকাৰ কৰা হয়। সেই মাত্রা কেইটা হ'ল হ্রস্ব, দীর্ঘ আৰু প্লুত।



৫.৮ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ অনুক্রম বর্ণ কাক বোলে? উদাহৰণসহ বুজাই লিখক।

প্রশ্ন নং ২ ঃ অনুক্রম বর্ণক বিভাজ্য ধ্বনি বুলি কিয় কোৱা হয়?

প্ৰশ্ন নং ৩ ঃ উপহিত ধ্বনি বা বৰ্ণ কাক বোলে? উদাহৰণসহ বুজাই লিখক।

প্ৰশ্ন নং ৪ ঃ উপহিত বৰ্ণৰ আন এটি নম কি?

প্ৰশ্ন নং ৫ ঃ উপহিত বৰ্ণৰ অন্তৰ্গত বিষয়বোৰ কি কি লিখক।

প্ৰশ্ন নং ৬ ঃ চমু টোকা লিখক —

সুৰ-লাহৰ, স্বৰৰ দীৰ্ঘত্ব, শ্বাসাঘাত, সন্ধি অনুনাসিকতা।

*** ***** ***

অধ্যায় ৬ঃ অসমীয়া ভাষাৰ স্বৰধ্বনি, শ্রেণী বিভাজন আৰু স্বৰধ্বনিৰ বিৰোধী প্রয়োগ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ স্বৰধ্বনিৰ পৰিচয়

৬.৩.১ স্বৰধ্বনিৰ শ্রেণী বিভাজন

৬.৪ স্বৰধ্বনীৰ বিৰোধী প্রয়োগ

৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৬ অধিক জানিবলৈ

৬.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ স্বৰধ্বনি সম্পর্কে এক সামগ্রিক ধাৰণা লাভ কৰিব পাৰিব
- স্বৰধ্বনী কেনেদৰে উচ্চাৰিত হয় আৰু স্বৰধ্বনিৰ বৈশিষ্ট্য কি সেই বিষয়েও এক ধাৰণা লাভ কৰিব পাৰিব
- অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহক কেনেদৰে বিভিন্ন ধৰণে শ্রেণী বিভাজন কৰা হয় সেই বিষয়ে অৱগত হ'ব পাৰিব
- স্বৰধ্বনিৰ বিভিন্ন স্থানত হোৱা বিৰোধী প্রয়োগ সম্পর্কেও আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া প্রথম ষান্মাসিকৰ শিক্ষার্থীসকলৰ বাবে আগবঢ়োৱা তৃতীয় ঐচ্ছিক পাঠ্যবিষয় '*ধ্বনিবিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব*'ৰ অন্তর্গত এইটো হ'ল ষষ্ঠ অধ্যায়। অধ্যায়টোৰ শিৰোনাম হ'ল 'অসমীয়া ভাষাৰ স্বৰধ্বনি, শ্রেণীবিভাজন আৰু স্বৰধ্বনিৰ বিৰোধী প্রয়োগ'। এই অধ্যায়টোত অসমীয়া ভাষাৰ স্বৰধ্বনিৰ বিভিন্ন দিশ আলোচিত হৈছে। অর্থাৎ এই অধ্যায়টোত অসমীয়া ভাষাৰ স্বৰধ্বনি, স্বৰধ্বনিৰ বৈশিষ্ট্য, স্বৰধ্বনিৰ শ্রেণীবিভাজন আৰু স্বৰধ্বনিৰ বিৰোধী প্রয়োগ সম্পর্কীয় সকলো কথা আলোচনা কৰা হৈছে। অধ্যায়টোৰ জৰিয়তে সামৰি লোৱা বিষয়সমূহে ভাষা শাখাৰ শিক্ষার্থীসকলক অসমীয়া ভাষাৰ স্বৰধ্বনিৰ বিষয়ে যথাযথ জ্ঞান লাভ কৰাত সহায় কৰিব।

৬.২ স্বৰধ্বনিৰ পৰিচয়

ভাষাত ব্যৱহৃত আটাইতকৈ ক্ষুদ্রতম ৰূপটোৱেই হৈছে ধ্বনি। এই ধ্বনিসমূহ উচ্চাৰিত হয় বাকযন্ত্রৰ দ্বাৰা। মানুহে বাকযন্ত্রৰ সহায়ত যিমানবোৰ ধ্বনি উচ্চাৰণ কৰে সেই ধ্বনিসমূহক দুটা ভাগত ভাগ কৰিব পাৰি। সেই ভাগ দুটা হ'ল স্বৰধ্বনি (Vowel) আৰু ব্যঞ্জনধ্বনি (Consonant)।

হাওঁফাওঁৰ পৰা ওলাই অহা বায়ুপ্রবাহক মুখবিৱৰৰ কোনো অংশতে বাধা প্রদান নকৰি মাত্র জিভাৰ সঞ্চালনৰ দ্বাৰা বতাহৰ প্রবাহ পৰিৱর্তন কৰি যিবোৰ ধ্বনি সৃষ্টি কৰা হয় সেইবোৰ ধ্বনিক স্বৰধ্বনি বুলি কোৱা হয়। সেয়ে স্বৰধ্বনি উচ্চাৰণত উচ্চাৰণ কৰণ জিভা আৰু ওঁঠ দুটাৰ ভূমিকা অতি গুৰুত্বপূর্ণ। উল্লেখযোগ্য যে স্বৰধ্বনি উচ্চাৰণত মুখবিৱৰৰ ক'তো বতাহৰ প্রবাহ ৰোধ কৰা নহয় আৰু হাওঁফাওঁৰ পৰা ওলাই অহা বায়ুপ্রবাহে স্বৰতন্ত্রীত ঘর্ষণৰো সৃষ্টি নকৰে। সেয়ে এই স্বৰধ্বনিসমূহক অনিয়তাঘৃষ্ট ধ্বনি বুলি কোৱা হয়। স্বৰধ্বনিবোৰ হ'ল নাদযুক্ত ধ্বনি। সেয়ে এই ধ্বনিবোৰ অধিক মুখৰ আৰু ইয়াক বহু দূৰৰ পৰাই শুনিবলৈ পোৱা যায়।

স্বৰধ্বনিসমূহৰ উচ্চাৰণলৈ মন কৰিলে দেখা যায় যে হাওঁফাওঁৰ পৰা ওলাই অহা বায়ুপ্রবাহে স্বৰতন্ত্রীত কঁপনি তুলি ওলাই আহে যদিও গলকোষ আৰু মুখবিৱৰৰ ক'তো বায়ুপ্রবাহ বাধাপ্রাপ্ত নহয়। সেয়ে স্বৰধ্বনিৰ ক্ষেত্রত কেৱল ঘোষহে পোৱা যায়। কিন্তু স্বৰধ্বনিৰ এই ঘোষ সম্পূর্ণ অনিয়ত আৰু অঘৃষ্ট। এনে অনিয়তাঘৃষ্ট বায়ুপ্রবাহৰ চলাচলত জিভাখন চেপেটা হৈ থাকে আৰু ওঁঠ দুটা বহল হৈ থাকে। এনে অৱস্থাত মুখবিৱৰত জিভাৰ বিভিন্ন অংশ ওপৰলৈ উঠা-নমা কৰিলে বায়ুপ্রবাহ কলিত হয় আৰু তেতিয়া অনিয়তাঘৃষ্ট ঘোষৰ তাৰতম্য ঘটি ভিন্ ভিন্ ধ্বনিৰ সৃষ্টি হয়। সেইদৰে ওঁঠ দুটাৰ অৱস্থান কিছু পৰিমাণে লৰচৰ কৰি বা ওঁঠ আৰু জিভা দুয়োটাৰে অৱস্থান একে সময়তে সলনি কৰিলেও বায়ুপ্রবাহ কলিত হয় আৰু এই কলনৰ ফলস্বৰূপেও ধ্বনিগুণৰ তাৰতম্য ঘটে। নাদকৰ বিস্তৃতিৰ তাৰতম্যৰ ফলত ভিন্ ভিন্ ধ্বনি পোৱা যায়। এইদৰে জিভা আৰু ওঁঠৰ কলনৰ দ্বাৰা হাওঁফাওঁৰ পৰা ওলাই অহা অনিয়তাঘৃষ্ট বায়ুপ্রবাহেৰে বিভিন্ন ধৰণৰ স্বৰধ্বনি উচ্চাৰণ কৰা হয়।

স্বৰধ্বনিসমূহৰ কিছুমান গুণ বা বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। এই বৈশিষ্ট্যবোৰ এনে ধৰণৰ—

(I) স্বৰধ্বনিবোৰ সম্পূর্ণ অনিয়ত আৰু অঘৃষ্ট। অর্থাৎ স্বৰধ্বনি উচ্চাৰণত হাওঁফাওঁৰ পৰা ওলাই অহা বায়ুপ্রবাহক মুখবিৱৰৰ ক'তো বাধা প্রদান কৰা নহয় আৰু বায়ুপ্রবাহে স্বৰতন্ত্রীত ঘর্ষণৰো সৃষ্টি নকৰে।

(II) স্বৰধ্বনিসমূহ মূলত ঃ সঘোষ ধ্বনি যদিও অঘোষ স্বৰধ্বনিও পোৱা যায়। অর্থাৎ স্বৰধ্বনি সঘোষ আৰু অঘোষ এই দুই ধৰণৰ হ'ব পাৰে।


(III)) স্বৰধ্বনিসমূহক আমি ইচ্ছামতে দীঘলিয়াকৈ উচ্চাৰণ কৰিব পাৰোঁ। অর্থাৎ অবাৰিত বায়ুপ্রবাহেৰে স্বৰধ্বনি উচ্চাৰিত হয় বাবে বহু সময়লৈ উচ্চাৰণ কৰি থাকিব পাৰি।

(IV) স্বৰধ্বনিবোৰ হ'ল নাদযুক্ত ধ্বনি। আন ধ্বনিতকৈ স্বৰধ্বনিবোৰ বেছি মুখৰ আৰু নাদিত হোৱা বাবে স্বৰধ্বনিৰ উচ্চাৰণ বহু দূৰৰ পৰা স্পষ্টকৈ শুনা যায়।

(V) স্বৰধ্বনিয়ে অনুনাসিকতা বহন কৰে। স্বৰধ্বনিক কেতিয়াবা অনুনাসিক কৰিব পাৰি।

(VI) স্বৰধ্বনিয়েহে সুৰ আৰু শ্বাসাঘাত বহন কৰিব পাৰে।

(VII) স্বৰধ্বনিবোৰ অক্ষৰাধাৰ হ'ব পাৰে। অক্ষৰৰ মূল হ'ল স্বৰধ্বনি। স্বৰধ্বনিয়ে অকলে অক্ষৰ গঠন কৰিব পাৰে। এইকেইটা হ'ল স্বৰধ্বনিৰ নিজস্ব লক্ষণ বা বৈশিষ্ট্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ স্বৰধ্বনি কাক বোলে? স্বৰধ্বনি কেনেকৈ উচ্চাৰণ হয়? স্বৰধ্বনিৰ কেইটামান বৈশিষ্ট্য উল্লেখ কৰক।

(১৫০টা শব্দৰ ভিতৰত)

.....

৬.৩.১ স্বৰধ্বনিৰ শ্রেণীবিভাজন

ভাষাত ব্যৱহৃত স্বৰধ্বনিসমূহেই হৈছে স্বয়ংসম্পূর্ণ ধ্বনি যিবোৰ ধ্বনি আন কোনো কোনো ধ্বনিৰ সহায় নোহোৱাকৈ স্বতন্ত্রভাৱে উচ্চাৰণ কৰিব পাৰি। অসমীয়া ভাষাত প্রয়োগ হোৱা স্বৰধ্বনিসমূহক বিভিন্ন ধৰণে শ্রেণীবিভাজন কৰিব পাৰি। অর্থাৎ অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহক জিভাৰ অংশ অনুসৰি, জিভাৰ উচ্চতা অনুসৰি, মুখবিৱৰৰ বিস্তৃতি অনুসৰি আৰু ওঁঠৰ অৱস্থান অনুযায়ী-এই চাৰি ধৰণে শ্রেণীবিভাজন কৰিব পাৰি। স্বৰধ্বনি উচ্চাৰণত জিভা আৰু ওঁঠ দুটাৰ ভূমিকা অতি গুৰুত্বপূর্ণ। জিভা হ'ল সকলোতকৈ সঞ্চালনক্ষম বাকযন্ত্র। ধ্বনি উচ্চাৰণৰ ক্ষেত্রত জিভাক অনায়াসে সঞ্চালন কৰিব পাৰি। সেয়ে ধ্বনি উচ্চাৰণত বিশেষকৈ স্বৰধ্বনি উচ্চাৰণত জিভাই এক বিশেষ ভূমিকা গ্রহণ কৰে।

জিভাৰ অংশ অনুসৰি স্বৰধ্বনি শ্রেণীবিভাজন ঃ স্বৰধ্বনি উচ্চাৰণত জিভাৰ বিভিন্ন অংশই আগভাগ লোৱা দেখা যায়। অর্থাৎ জিভাখনৰ আগ অংশ, মাজ অংশ আৰু শেষ অংশ-এই তিনিটা অংশই স্বৰধ্বনি উচ্চাৰণত গ্রহণ কৰা ভূমিকা অনুসৰি অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহক তিনিটা ভাগত শ্রেণীবিভাগ কৰা হয়। সেই ভাগ তিনিটা হ'ল—

(ক) প্রান্তীয় বা অগ্র (Front) (খ)কেন্দ্রীয় বা মধ্য (Central) আৰু

(গ) মূলীয় বা পশ্চ (Back)

জিভাৰ উচ্চতা অনুসৰি স্বৰধ্বনি শ্রেণীবিভাজন ঃ স্বৰধ্বনি উচ্চাৰণৰ ক্ষেত্রত জিভাৰ ভূমিকাই সর্বাধিক। বেলেগ বেলেগ স্বৰধ্বনি উচ্চাৰণত জিভাখনৰ ভিন্ ভিন্ অংশই মুখবিৱৰত ভিন্ ভিন্ অৱস্থান গ্রহণ কৰে। অর্থাৎ কিছুমান স্বৰধ্বনি উচ্চাৰণত

জিভাখন দাং খাই তালুৰ ওচৰ পায়গৈ আৰু আন কিছুমান স্বৰধ্বনি উচ্চাৰণত জিভাৰ আগটো প্রায় তললৈ নামি আহে। গতিকে জিভাখনৰ এই অৱস্থান বা উচ্চতা অনুসৰি অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহক চাৰিটা ভাগত শ্রেণীবিভাগ কৰিব পাৰি।

এই ভাগ চাৰিটা হ'ল—

(ক) উচ্চ (High) (খ) উচ্চ মধ্য (High-mid)

(গ) নিম্নমধ্য (Lowmid) (ঘ) নিম্ন (Low)

মুখবিৱৰৰ বিস্তৃতি অনুসৰি স্বৰধ্বনিৰ শ্রেণীবিভাজন ঃ স্বৰধ্বনি উচ্চাৰণৰ ক্ষেত্রত মুখবিৱৰৰ বিস্তৃতিও মনকৰিবলগীয়া। অর্থাৎ বিভিন্ন ধৰণৰ স্বৰধ্বনি উচ্চাৰণত মুখবিৱৰৰ বিস্তৃতিৰ তাৰতম্য ঘটা দেখা যায়। কিছুমান স্বৰধ্বনি উচ্চাৰণত মুখবিৱৰ মেল খাই থাকে আৰু কিছুমান স্বৰধ্বনি উচ্চাৰণত মুখবিৱৰ প্রায় বন্ধ হৈ থাকে। মুখবিৱৰৰ এই বিস্তৃতি অনুসৰি অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহক চাৰিটা ভাগত শ্রেণীবিভাগ কৰা হৈছে। এই ভাগ চাৰিটা হ'ল।

(ক) সংবৃত্ত (Close)

(খ) অর্দ্ধ সংবৃত্ত (Half close)

(গ) অর্দ্ধ বিবৃত (Half Open)


(ঘ) বিবৃত (Open)।

ওঁঠৰ অৱস্থান অনুসৰি স্বৰধ্বনিৰ শ্রেণীবিভাজন ঃ স্বৰধ্বনি উচ্চাৰণত ওঁঠ দুটাৰ অৱস্থানলৈও লক্ষ্য কৰা যায়। কিছুমান স্বৰধ্বনি উচ্চাৰণত ওঁঠ দুখন বহল আৰু চেপেটা হৈ থাকে আৰু কিছুমান স্বৰধ্বনি উচ্চাৰণত ওঁঠ দুখন গোলাকাৰ হয়। ওঁঠৰ এই অৱস্থান অনুসৰি অসমীয়া ভাষাৰ স্বৰধ্বনি সমূহক দুটা ভাগত ভাগ কৰা হৈছে। এই ভাগ দুটা হৈছে— (ক) প্রসৃত (Unrounded) আৰু (খ) কুঞ্চিত (Rounded)। অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহক ওপৰত উল্লেখ কৰা শ্রেণীবিভাজন অনুসৰি তালিকাভুক্ত কৰিব পাৰি। অসমীয়া ভাষাত আঠোটা স্বৰধ্বনি পোৱা যায়। এই স্বৰধ্বনিকেইটাক শ্রেণীবিভাজন অনুসৰি তলত তালিকাভুক্ত কৰি দেখুওৱা হ'ল—

জিভাৰ অংশ অনুসৰি →		সন্মুখ / অগ্র	কেন্দ্রীয় / মধ্য	মূলীয় / পশ্চ
জিভাৰ	উচ্চ / সংবৃত্ত	প্র. কু.	প্র. কু.	প্র. কু.
উচ্চতা	উচ্চমধ্য/অর্দ্ধসংবৃত্ত	এ'		ও
অনুসৰি	নিম্নমধ্য / অর্দ্ধবিবৃত্ত	এ		অ'
↓	নিম্ন / বিবৃত		আ	অ

অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহক মাত্রাৰ ফালৰ পৰাও শ্রেণীবিভাগ কৰিব পাৰি। মাত্রাৰ ফালৰ পৰা অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহক দুটা ভাগত ভাগ কৰিব পাৰি। এই ভাগ দুটা হ'ল (ক) হ্রস্বস্বৰ আৰু (খ) দীর্ঘস্বৰ। মাত্রাভেদে স্বৰধ্বনিৰ দৈর্ঘ্য ভিন্-ভিন্ হোৱা দেখা যায়। অসমীয়া ভাষাত হ্রস্বস্বৰত এক মাত্রা আৰু দীর্ঘস্বৰত দুই মাত্রা ধৰা

হয়। অৱশ্যে অসমীয়া ভাষাত স্বৰৰ এই মাত্রা বর্ণগত নহয়। কাৰণ অসমীয়াত স্বৰধ্বনিৰ মাত্রাৰ সালসলনিয়ে শব্দৰ অর্থৰ পৰিবর্তন ঘটাব নোৱাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহক কিহৰ ভিত্তিত শ্রেণীবিভাজন কৰা হয়? এই শ্রেণী বিভাজন অনুসৰি অসমীয়া স্বৰকেইটাৰ এখন তালিকা প্রস্তুত কৰক।

(১৫০ টা শব্দৰ ভিতৰত)

.....

৬.৪ স্বৰধনিৰ বিৰোধী প্রয়োগ

অসমীয়া ভাষাত ব্যৱহৃত ধ্বনিৰ এটা মন কৰিবলগীয়া দিশ হ'ল ধ্বনিৰ প্রয়োগ। শব্দত ধ্বনিৰ অৱস্থান নির্ণয় কৰাকে ধ্বনিৰ প্রয়োগ বুলি কোৱা হয়। কোনো এটা ভাষাত সকলো ধ্বনি শব্দৰ সকলো ঠাইতে উচ্চাৰিত নহয়। শব্দত ধ্বনিৰ এই অৱস্থান নির্ণয়েই হ'ল ধ্বনিৰ প্রয়োগ। ভাষাত ধ্বনিৰ এই প্রয়োগলৈ লক্ষ্য কৰিলে দুই ধৰণৰ প্রয়োগ দৃষ্টিগোচৰ হয়। সেই দুবিধ হ'ল (ক) বিৰোধী বা প্রতীপ প্রয়োগ আৰু (খ) অবিৰোধী বা অপ্রতীপ প্রয়োগ।

অভিন্ন পৰিবেশত যেতিয়া ধ্বনিৰ প্রয়োগ ঘটে তেনে প্রয়োগক বিৰোধী প্রয়োগ বোলা হয়। অর্থাৎ অভিন্ন পৰিবেশত যেতিয়া এটা ধ্বনিৰ ঠাইত আন এটা ধ্বনি প্রয়োগ কৰা হয় তেনে প্রয়োগক বিৰোধী প্রয়োগ বুলি কোৱা হয়। পৰিবেশ অভিন্ন হ'লে কিন্তু আলোচ্য ধ্বনি ভিন্ন হ'লে তেনে ধ্বনিবোৰৰ বিৰোধ ঘটে। এই বিৰোধী প্রয়োগৰ প্রতিটো ধ্বনিক বিশিষ্ট ধ্বনি বা বর্ণ বুলি কোৱা হয়। অর্থাৎ- আদি, মধ্য আৰু অন্ত্য পৰিবেশত, সংযুক্ত বা একাকী যি ৰূপতেই নহওক ধ্বনিৰ বিৰোধ ঘটিলে সেই ধ্বনিক বর্ণৰ মর্যাদা দিয়া হয়। অসমীয়া ভাষাৰ স্বৰধ্বনিৰ এনে বিৰোধী প্রয়োগৰ ফলত আঠোটা বিশিষ্ট স্বৰধ্বনি পোৱা যায়। অৱশ্যে অভিন্ন পৰিবেশতহে যে ধ্বনিৰ বিৰোধ বিচাৰ কৰা হয় এনে নহয়। কেতিয়াবা অভিন্ন পৰিবেশত ধ্বনিৰ বিৰোধ ঘটাৰ দৰে সদৃশ পৰিবেশতো ধ্বনিৰ বিৰোধ ঘটিব পাৰে। অর্থাৎ সকলো ভাষাতে সকলো ধ্বনিৰ বিশ্লেষণত অভিন্ন পৰিবেশ নোলাব পাৰে। তেতিয়া সদৃশ পৰিবেশত ধ্বনিৰ বিৰোধ বিচাৰ কৰা হয়।

অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহৰ বিৰোধ বিশ্লেষণ কৰিলে দেখা যায় যে অসমীয়া ভাষাত আঠোটা স্বৰধ্বনিৰ প্রয়োগ বৰ বৈচিত্র্যপূর্ণ। স্বৰধ্বনিসমূহৰ কম-বেছি পৰিমাণে আদি,মধ্য আৰু অন্ত্য-এই তিনিও অৱস্থানতে বিৰোধী প্রয়োগ হোৱা দেখা যায়। অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহৰ তিনি ধৰণৰ বিৰোধ হোৱা দেখা যায়। এই তিনিবিধ বিৰোধ হ'ল—

(ক) আঠোটা বর্ণৰ বিৰোধ (খ) ছয়টা বর্ণৰ বিৰোধ আৰু (গ) পাঁচোটা বর্ণৰ বিৰোধ। এই তিনিওবিধ বিৰোধ তলত দেখুওৱা হ'ল—

আঠোটা বর্ণৰ বিৰোধ ঃ পৰৱর্তী অক্ষৰত বা বদ্ধাক্ষৰত ই, উ নাথাকিলে মুক্তাক্ষৰত আঠোটা স্বৰধ্বনিৰ পৰস্পৰৰ মাজত বিৰোধ ঘটা দেখা যায়। মুক্তাক্ষৰৰ পৰৱর্তী অক্ষৰত ই, উ থাকিলে ব্যৱধায়ক ব্যঞ্জন যদি নাসিক্য ব্যঞ্জন অর্থাৎ ম, ন, ঙ হয় বা সংযুক্ত বর্ণ হয় তেতিয়াও আটাইকেইটা স্বৰৰ বিৰোধ হোৱা দেখা যায়। নিদর্শন স্বৰূপে—

ই—ব-ই-ল > বিল

এ'— ব- ই-ল > বে'ল

এ — ব-এ-ল > বেল

আ— ত-আ-ল > তাল

অ—ত-অ-ল > তল

অ'—ব-অ'-ল > বল

ও— ব-ও-ল > বোল

উ—ব-উ-ল > বুল

ওপৰৰ উদাহৰণ কেইটাত দুই ধৰণৰ পৰিবেশত অসমীয়া ভাষাৰ আঠোটা স্বৰধ্বনিৰ বিৰোধ ঘটা দেখা যায়। অর্থাৎ ইয়াত স্বৰবর্ণকেইটাৰ বাহিৰে ব্যঞ্জন বর্ণৰ আগৰ আৰু পাছৰ পৰিবেশ অভিন্ন। অর্থাৎ ব-ল আৰু ত-ল। অভিন্ন পৰিবেশত আঠোটা স্বৰৰ এটাৰ ঠাইত আন এটা প্রয়োগ হৈ বেলেগ বেলেগ অর্থযুক্ত শব্দৰ সৃষ্টি হৈছে। এয়েই হৈছে আঠোটা স্বৰৰ বিৰোধ আৰু এই বিৰোধী প্রয়োগৰ বাবে অসমীয়া ভাষাত আঠোটা বিশিষ্ট ধ্বনি বা বর্ণৰ সৃষ্টি হৈছে।

ছয়টা বর্ণৰ বিৰোধ ঃ স্বৰধ্বনিৰ ক্ষেত্রত কেতিয়াবা মাত্র ছটা ধ্বনিৰহে বিৰোধ ঘটা দেখা যায়। এই ছটা ধ্বনি হ'ল ই, এ',আ, অ', ও আৰু উ। পৰৱর্তী অক্ষৰত ই স্বৰ বা ব্যৱধায়ক ৰূপে ম, ন, ঙ-ৰ বাহিৰে অন্য একাকী ব্যঞ্জন থাকিলে এনে বিৰোধ হোৱা দেখা যায়। নিদর্শন স্বৰূপে—

ই—ভ ই ন ই হ ই > ভিনিহি

এ'— আ ব এ' ল ই > আবেলি

আ— ম অ দ আ হ ই > মদাহী

অ'— ৰ অ' দ আ ল ই > ৰ'দালি

ও— ভ ও গ ই > ভোগী

উ— ভ উ গ ই > ভুগি

অৱশ্যে মুক্তাক্ষৰত অনুনাসিক স্বৰবর্ণৰ ক্ষেত্রত এই নিয়ম নাখাটে। স্বৰধ্বনিৰ ছটা বর্ণৰ বিৰোধত এ আৰু অ স্বৰ লোপ পায়। অর্থাৎ ইহঁতৰ বিৰোধী প্রয়োগ হোৱা দেখা নাযায়। এ' এ আৰু অ অ'ৰ বিৰোধ নিৰাকৃত হোৱা পৰিলক্ষিত হয়।

পাঁচোটা বর্ণৰ বিৰোধ ঃ অসমীয়া ভাষাৰ স্বৰধ্বনিৰ মুক্তাক্ষৰত, আসন্ন পৰৱর্তী অক্ষৰত

উ আৰু ব্যৱধায়ক যিকোনো একাকী ব্যঞ্জন থাকিলে মাত্র পাঁচোটা বর্ণৰ মাজতহে বিৰোধ ঘটে। এই পাঁচোটা স্বৰ হ'ল— ই, এ, আ, অ' আৰু উ। এনে পৰিবেশত এ'- এ, অ-অ' আৰু ও-উ ৰ বিৰোধ নিৰাকৃত হোৱা দেখা যায় আৰু এ, অ আৰু ও যথাক্রমে এ', অ' আৰু উ ৰ সৈতে মিলি যায়। অর্থাৎ এই ক্ষেত্রত এ, অ আৰু ও বর্ণৰ বিৰোধী প্রয়োগ নহয়। নিদর্শন স্বৰূপে—

ই—ই ত ই > ইতি

এ'— এ' ত ই > এটি


আ—আ ত ই > আটি

অ'—অ' ত ই > অতি

উ— উ ত ই > উটি

এইদৰে অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহৰ মাজত তিনি ধৰণৰ বিৰোধ দেখা পোৱা যায়।

ওপৰত আলোচনা কৰা স্বৰসমূহৰ বিৰোধৰ ওপৰত ভিত্তি কৰি অসমীয়া ভাষাৰ স্বৰবর্ণসমূহক সবল স্বৰ আৰু দুর্বল স্বৰ-এই দুটা ভাগত ভাগ কৰিব পাৰি। অর্থাৎ স্বৰবর্ণৰ বিৰোধ বিচাৰ কৰি চালে অসমীয়া ভাষাৰ আঠোটা স্বৰৰ ভিতৰত ই, এ', আ, অ' আৰু উ বর্ণই হৈছে আটাইতকৈ সবল স্বৰ। ও-ৰ প্রৱলতা ইহঁততকৈ অলপ হীন আৰু এ আৰু অ স্বৰ সকলোতকৈ দুর্বল স্বৰ। আকৌ পাঁচোটা সবল স্বৰৰ ভিতৰত ই, আ আৰু উ-এই তিনিটাকহে প্রবলতম স্বৰ বুলি অভিহিত কৰিব পাৰি। কাৰণ এ' আৰু অ' স্বৰৰ প্রয়োগত কিছু সীমাবদ্ধতা দেখিবলৈ পোৱা যায়। মুক্তাক্ষৰৰ বিভিন্ন অৱস্থানত এই দুয়োটা ধ্বনিৰ প্রয়োগ স্বাভাৱিকতে আনবোৰতকৈ বিৰল। কিন্তু বদ্ধাক্ষৰত এই দুয়োটা ধ্বনি বহুল প্রয়োগ দেখা যায়। অসমীয়া ভাষাৰ আঠোটা স্বৰবর্ণক বিৰোধৰ ভিত্তিত সজালে দেখা যায় যে ই, আ আৰু উ এই তিনিটা হ'ল অধিক সবল স্বৰ, এ' আৰু অ' কম সবল স্বৰ, ও সামান্য দুর্বল স্বৰ আৰু এ আৰু অ হ'ল অধিক দুর্বল স্বৰ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ বিৰোধী প্রয়োগ কাক বোলে ? অসমীয়া স্বৰধ্বনিৰ বিৰোধী প্রয়োগ সম্পর্কে চমুকৈ আলোচনা কৰক।

(১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৪ ঃ অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহৰ বিৰোধ কেই প্রকাৰৰ আৰু কি কি ? বিৰোধৰ ভিত্তিত অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহক সবল স্বৰৰ পৰা দুর্বল স্বৰলৈ সজাই

লিখক। (১০০টা শব্দৰ ভিতৰত)।

.....



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিয়ে আমাক অসমীয়া ভাষাৰ স্বৰধ্বনি সম্পর্কে এক সম্যক ধাৰণা লাভ কৰাত সহায় কৰিলে।
- হাওঁফাওঁৰ পৰা ওলাই অহা অবাৰিত বায়ুপ্রবাহক জিভা আৰু ওঁঠৰ সহায়ত সঞ্চালন কৰি কেনেদৰে সেই বায়ুপ্রবাহেৰে বিভিন্ন ধৰণৰ স্বৰধ্বনি উচ্চাৰণ কৰা হয় সেই কথা এই অধ্যায়টিত সন্নিবিষ্ট কৰা হ'ল।
- সেইদৰে অসমীয়া ভাষাত প্রয়োগ হোৱা স্বৰধ্বনিসমূহৰ কিছুমান নিজস্ব গুণ বা বৈশিষ্ট্য আছে। সেই স্বৰধ্বনিৰ গুণ বা বৈশিষ্ট্যসমূহৰ কথাও অধ্যায়টিয়ে দাঙি ধৰিলে।
- অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহক বিভিন্ন ধৰণে শ্রেণী বিভাজন কৰিব পাৰি। অর্থাৎ জিভাৰ অংশ অনুসৰি, জিভাৰ উচ্চতা অনুসৰি, মুখবিৱৰৰ বিস্তৃতি অনুসৰি আৰু ওঁঠৰ অৱস্থান অনুসৰি- এইদৰে বিভিন্ন ধৰণে শ্রেণীবিভাগ কৰা হয়। অসমীয়া ভাষাৰ স্বৰধ্বনিৰ এই শ্রেণীবিভাজন সম্পর্কে অৱগত হোৱাত অধ্যায়টিয়ে সহায় কৰিলে।
- স্বৰধ্বনিসমূহৰ প্রয়োগ অতি মনকৰিবলগীয়া। ধ্বনিৰ বিৰোধী আৰু অবিৰোধী এই দুই ধৰণৰ প্রয়োগ দেখা যায়। তাৰ ভিতৰত স্বৰধ্বনিৰ বিৰোধী প্রয়োগৰ বিষয়ে অধ্যায়টোত এক আলোচনা দাঙি ধৰা হৈছে। অসমীয়া ভাষাৰ স্বৰধ্বনিৰ তিনি ধৰণৰ বিৰোধ পৰিলক্ষিত হয়। তিনিওবিধ বিৰোধী প্রয়োগ উদাহৰণসহ দেখুওৱা হৈছে।
- অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহ বিৰোধৰ ভিত্তিত কোনবোৰ সবল স্বৰ আৰু কোনবোৰ দুর্বল স্বৰ সেই কথাও এই অধ্যায়টোত প্রতিপাদিত হৈছে। মুঠতে এই অধ্যায়টোত অসমীয়া ভাষাৰ স্বৰধ্বনিৰ কেইটামান গুৰুত্বপূর্ণ দিশ যথাযথভাৱে উপস্থাপিত হৈছে।



৬.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) কোঁৱৰ, অর্পনা (২০০২) ঃ ভাষাবিজ্ঞান উপক্রমনিকা, ডিব্রুগড় বনলতা, ।
২) গোস্বামী, উপেন্দ্রনাথ (২০১৫) ঃ ভাষাবিজ্ঞান, মণি-মানিক গুৱাহাটী প্রকাশ,।
৩) গোস্বামী, উপেন্দ্রনাথ (২০১৫) ঃ অসমীয়া ভাষাৰ ব্যাকৰণ, গুৱাহাটী মণি-মানিক প্রকাশ।
৪) গোস্বামী, গোলকচন্দ্র (১৯৯৬) ঃ অসমীয়া বর্ণ প্রকাশ, গুৱাহাটী বীণা লাইব্রেৰী, ।

৫) গোস্বামী, গোলকচন্দ্ৰ (২০১৪) ঃ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, গুৱাহাটী বীণা লাইব্ৰেৰী।

৬) গোস্বামী, গোলোকচন্দ্ৰ (২০১৪) ঃ ধ্বনি বিজ্ঞানৰ ভূমিকা, গুৱাহাটী বীণা লাইব্ৰেৰী, ।

৭) দত্ত বৰুৱা, ফনীন্দ্ৰ নাৰায়ণ (২০০৬) ঃ আধুনিক ভাষা বিজ্ঞান পৰিচয়, ডিব্ৰুগড় বনলতা।

৮) দত্তবৰুৱা, ফনীন্দ্ৰ নাৰায়ণ (২০০৬) ঃ প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা , গুৱাহাটী বনলতা।

৯) নাথ, প্ৰফুল্ল কুমাৰ আৰু হাজৰিকা জ্যোতি ৰেখা (১৯৯৭) ঃ অসমীয়া ভাষাৰ অধ্যয়ন, গুৱাহাটী বনলতা।

১০) পাঠক, ৰমেশ (২০১৪) ঃ অসমীয়া ভাষাৰ ইতিহাস, গুৱাহাটী ঃ অশোক বুক ষ্টল।

১১) পাঠক, ৰমেশ (২০১১) ঃ ভাষা বিজ্ঞানৰ ভূমিকা, গুৱাহাটী ঃ অশোক বুক ষ্টল।

১২) ফুকন পাটগিৰী, দিপ্তী (২০১০) আধুনিক অসমীয়া ব্যাকৰণ, গোলাঘাট ঃ সৰস্বতী প্ৰকাশন।

১৩) শইকীয়া বৰা, লীলাৱতী (২০০৬) অসমীয়া ভাষাৰ ৰূপতত্ব, গুৱাহাটী ঃ বনলতা।

১৪) শইকীয়া বৰা, লীলাৱতী (২০১৬) ঃ অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ব, গুৱাহাটী ঃ চন্দ্ৰপ্ৰকাশ।

১৫) ভট্টাচাৰ্য, বসন্ত কুমাৰ (২০১৫) ঃ ভাষা বিজ্ঞান প্ৰৱেশ, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ ।

ইংৰাজী গ্ৰন্থ ঃ

1) Kakati, Banikanta (1995) : Assamese, Its Formation and Development, Guwahati LBS Publication.

৬.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ স্বৰধ্বনি কি— কেনেকুৱা ধ্বনিক স্বৰধ্বনি বুলি কয় উদাহৰণসহ লিখক। স্বৰধ্বনিৰ উচ্চাৰণ প্ৰক্ৰিয়া— স্বৰধ্বনিৰ নিজস্ব বৈশিষ্ট্য বা লক্ষণবোৰ কি কি চমুকৈ লিখক।

২ নং প্ৰশ্নৰ উত্তৰ ঃ শ্ৰেণীবিভাজন কি? অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহ কিহৰ ভিত্তিত কেনে ধৰণে শ্ৰেণীবিভাজন কৰা হয়..... শ্ৰেণীবিভাজনৰ ভিত্তিত স্বৰধ্বনিবোৰ তালিকা প্ৰস্তুত কৰক।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বিৰোধী প্ৰয়োগ মানে কি— অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহৰ কি কি বিৰোধ পোৱা যায় উদাহৰণসহ তাৰ এক খতিয়ান দাঙি ধৰক।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ স্বৰধ্বনিৰ বিৰোধ তিনি প্ৰকাৰৰ বিৰোধ— আঠোটা স্বৰৰ বিৰোধ—ছয়টা স্বৰৰ বিৰোধ— পাঁচটা স্বৰৰ বিৰোধ—বিৰোধৰ ভিত্তিত সবল স্বৰ আৰু দুৰ্বল স্বৰৰ শ্ৰেণীবিভাগ— সবল স্বৰৰ পৰা দুৰ্বল স্বৰলৈ এখন তালিকা প্ৰস্তুত কৰক।



৬.৮ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ বাগধ্বনি বুলিলে কি বুজায়? বাগধ্বনি কেই প্রকাৰৰ আৰু কি কি? প্রতিবিধৰে সংজ্ঞা লিখি উদাহৰণ দিয়ক।

প্রশ্ন নং ২ ঃ স্বৰধ্বনি উচ্চাৰণ কেনেকৈ হয়? স্বৰধ্বনি উচ্চাৰণত উচ্চাৰণ কৰণ জিভা আৰু ওঁঠৰ ভূমিকা সম্পর্কে এটি চমু টোকা যুগুত কৰক।

প্রশ্ন নং ৩ ঃ স্বৰধ্বনিৰ বৈশিষ্ট্য সম্পর্কে চমুকৈ আলোচনা কৰক।

প্রশ্ন নং ৪ ঃ স্বৰধ্বনিৰ শ্রেণীবিভাজন মানে কি? অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহক কিহৰ ভিত্তিত কেনেদৰে শ্রেণীবিভাগ কৰিব পাৰি সেই সম্পর্কে এক আলচ যুগুত কৰক।

প্রশ্ন নং ৫ ঃ অসমীয়া ভাষাৰ স্বৰধ্বনি কেইটা আৰু কি কি? শ্রেণীবিভাজন অনুসৰি এই স্বৰধ্বনিসমূহৰ এখন তালিকা প্রস্তুত কৰক।

প্রশ্ন নং ৬ ঃ ধ্বনিৰ প্রয়োগ বুলিলে কি বুজায়? ধ্বনিৰ প্রয়োগ কেই প্রকাৰৰ আৰু কি কি? উদাহৰণসহ আলোচনা কৰক।

প্রশ্ন নং ৭ ঃ বিৰোধী প্রয়োগ কি? অসমীয়া ভাষাৰ স্বৰসমূহৰ কি কি বিৰোধ পোৱা যায় চমুকৈ উল্লেখ কৰক।

প্রশ্ন নং ৮ ঃ সবল স্বৰ আৰু দুর্বল স্বৰ বুলিলে কি বুজায়? অসমীয়া ভাষাৰ স্বৰধ্বনিকেইটাক বিৰোধী প্রয়োগ অনুসৰি সবল আৰু দুর্বল স্বৰ হিচাপে শ্রেণী বিভাজন কৰি দেখুৱাওক।

*** ***** ***

অধ্যায় ৭ ঃ অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনি, শ্রেণী বিভাজন আৰু ব্যঞ্জনধ্বনিৰ বিৰোধী প্রয়োগ

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ ব্যঞ্জনধ্বনিৰ পৰিচয়

৭.৩.১ ব্যঞ্জনধ্বনিৰ শ্রেণী বিভাজন

৭.৪ ব্যঞ্জনধ্বনিৰ বিৰোধী প্রয়োগ

৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৬ অধিক জানিবলৈ

৭.৭ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

৭.৮ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনিৰ বিষয়ে এক সামগ্রিক ধাৰণা লাভ কৰিব পাৰিব
- অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনিৰ উচ্চাৰণ, স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ মাজত থকা পার্থক্য সম্পর্কে অৱগত হ'ব পাৰিব
- অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনিসমূহক কেনেদৰে বিভিন্ন ধৰণে শ্রেণী বিভাজন কৰিব পাৰি সেই বিষয়ে জানিব পাৰিব
- ব্যঞ্জনধ্বনিসমূহৰ বিভিন্ন স্থানত কেনেকৈ বিৰোধী প্রয়োগ ঘটে সেই কথাও জানিবলৈ সুবিধা পাব।

৭.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়াৰ প্রথম ষান্মাসিকৰ শিক্ষার্থীসকলৰ বাবে আগবঢ়োৱা তৃতীয় ঐচ্ছিক পাঠ্যবিষয় 'ধ্বনিবিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব'ৰ অন্তর্গত এইটো হ'ল সপ্তম অধ্যায়। এই অধ্যায়টোৰ শিৰোনাম হৈছে 'অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনি, শ্রেণীবিভাজন আৰু ব্যঞ্জনধ্বনিৰ বিৰোধী প্রয়োগ'। এই অধ্যায়টোত অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনি সম্পর্কীয় বিভিন্ন কথা আলোচনা কৰা হৈছে। অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনি,ব্যঞ্জনধ্বনিৰ উচ্চাৰণ, স্বৰধ্বনি-ব্যঞ্জনধ্বনিৰ মাজত থকা পার্থক্য, ব্যঞ্জনধ্বনিৰ শ্রেণী বিভাজন আৰু ব্যঞ্জনধ্বনিৰ বিৰোধী প্রয়োগ ইত্যাদি ব্যঞ্জনধ্বনি সম্পর্কীয় বিভিন্ন কথা এই অধ্যায়টোৰ জৰিয়তে দাঙি ধৰা হৈছে। অধ্যায়টোত অন্তর্ভুক্ত হোৱা বিষয়সমূহে ভাষা শাখাৰ শিক্ষার্থীসকলক অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনি সম্পর্কে এক সম্যক জ্ঞান লাভ কৰাত সহায় কৰিব পাৰিব।

৭.৩ ব্যঞ্জনধ্বনিৰ পৰিচয়

ভাষাত ব্যৱহৃত বাগধ্বনিসমূহক প্রধানত ঃ দুটা ভাগত ভগাব পাৰি। এটা হ'ল অনুক্রম বা বিভাজ্য ধ্বনি (Segmental phoneme) আৰু আনটো হ'ল উপহিত বা অবিভাজ্য ধ্বনি (Supra segmental phoneme) । অনুক্রম বা বিভাজ্য ধ্বনি দুই প্রকাৰৰ— (i) স্বৰধ্বনি আৰু (ii) ব্যঞ্জনধ্বনি। অসমীয়া ভাষাত ব্যৱহৃত ব্যঞ্জনধ্বনিসমূহ অন্যতম। যিবোৰ ধ্বনি উচ্চাৰণত হাওঁফাওৰ পৰা ওলাই অহা বহির্গামী বায়ু প্রবাহক মুখবিৱৰৰ ভিতৰত সম্পূর্ণ বা আংশিকভাৱে বাধা প্রদান কৰি তেনে অৱস্থাত যিবোৰ ধ্বনি সৃষ্টি কৰা হয় সেইবোৰ ধ্বনিক ব্যঞ্জনধ্বনি বোলা হয়। অর্থাৎ হাওঁফাওঁৰ পৰা বাহিৰলৈ ওলাই অহা বায়ুপ্রবাহক মুখবিৱৰৰ বিভিন্ন স্থানত বাগিন্দ্রিয়ৰে বাধা প্রদান কৰি বা নিয়ন্ত্রণ কৰি উচ্চাৰণ কৰা ধ্বনিবোৰেই হ'ল ব্যঞ্জনধ্বনি। ব্যঞ্জনধ্বনি উচ্চাৰণত মুখবিৱৰৰ বিভিন্ন অংশত হাওঁফাওঁ চালিত বায়ুপ্রবাহক সম্পূর্ণ বা আংশিকভাৱে বাধা প্রদান কৰা হয়। ব্যঞ্জনধ্বনিবোৰ অকলে উচ্চাৰণ কৰিব নোৱাৰি। স্বৰধ্বনিৰ সহায়তেই এই ব্যঞ্জনধ্বনিবোৰ উচ্চাৰিত হয়। ব্যঞ্জনধ্বনি উচ্চাৰণত ওঁঠ আৰু জিভাকে ধৰি মুখবিৱৰৰ বিভিন্ন অংশই ভিন্ ভিন্ ভূমিকা পালন কৰে। অর্থাৎ দুয়োটা ওঁঠ, জিভাৰ বিভিন্ন অংশ, ওপৰৰ আগদাঁত, দন্তমূল, কঠিন আলু, কোমল তালু, আলজিভা, গলকোষ, স্বৰতন্ত্রী আদি বিভিন্ন অংগই ব্যঞ্জনধ্বনি উচ্চাৰণত সহায় কৰে।

ব্যঞ্জন ধ্বনিৰ উচ্চাৰণলৈ লক্ষ্য কৰিলে দেখা যায় যে ভিন্ ভিন্ ব্যঞ্জনধ্বনিৰ উচ্চাৰণ প্রক্রিয়া বেলেগ বেলেগ যদিও মূলত ঃ হাওঁফাওঁৰ পৰা শ্বাসনলীৰে বায়ুৰ সোঁত বোৱাই বাগিন্দ্রিয়ৰ জৰিয়তে বিভিন্ন ঠাইত বায়ুপ্রবাহক বাধা প্রদান কৰি ব্যঞ্জনধ্বনিসমূহ উচ্চাৰণ কৰা হয়। হাঁওফাওঁৰ পৰা ওঁঠ নাইবা নাকলৈকে এই পথটোত স্বৰযন্ত্র, গলকোষ আৰু মুখবিৱৰ এই তিনি ঠাইত বহির্গামী বায়ু প্রবাহটো সম্পূর্ণ ৰোধ কৰি বা আংশকিভাৱে বাধা প্রদান কৰি বিভিন্ন ধৰণৰ ব্যঞ্জনধ্বনি উচ্চাৰণ কৰা হয়।

উচ্চাৰণৰ ফালৰ পৰা বাগধ্বনিসমূহক তিনিটা ভাগত ভাগ কৰিব পাৰি। সেই তিনিবিধ হ'ল (i) মৌখিক ধ্বনি, (ii) নাসিক্য ধ্বনি আৰু (iii) অনুনাসিক ধ্বনি। নাসিকবিৱৰৰ পথটো সম্পূর্ণৰূপে বন্ধ কৰি হাওঁফাওঁ চালিত বায়ুপ্রবাহক মুখবিৱৰেদি উলিয়াই দি তেনে অৱস্থাত যিবোৰ ধ্বনি সৃষ্টি কৰা হয় সেইবোৰ হ'ল মৌখিক ধ্বনি। সেইদৰে মুখবিৱৰৰ পথ সম্পূর্ণৰূপে বন্ধ কৰি হাওঁফাওঁচালিত বায়ুপ্রবাহক নাসিকাবিৱৰেদি ওলাই আহিবলৈ দিলে যি ধ্বনিৰ সৃষ্টি হয় সি হ'ল নাসিক্য ধ্বনি। আকৌ কোমল তালুখন ঠিক মাজত ৰাখি মুখবিৱৰ আৰু নাসিক বিৱৰৰ পথ অলপ মুকলি কৰি তাৰ মাজেৰে বায়ুপ্রবাহ ওলাই যাবলৈ দিলে তেনে অৱস্থাত যি ধ্বনিৰ সৃষ্টি হয় তেনে ধ্বনিক অনুনাসিক ধ্বনি বোলে। অর্থাৎ মৌখিক ধ্বনিৰ উচ্চাৰণত বায়ু প্রবাহ মুখেৰে উলিয়াই দিয়া হয়, নাসিক্য ধ্বনিৰ উচ্চাৰণত বায়ু প্রবাহ নাকেৰে উলিয়াই দিয়া হয় আৰু অনুনাসিক ধ্বনিৰ উচ্চাৰণত বায়ুপ্রবাহ কিছু নাকেৰে আৰু কিছু মুখেৰে উলিয়াই দিয়া হয়।

ব্যঞ্জন ধ্বনি উচ্চাৰণৰ ক্ষেত্রত স্বৰতন্ত্রীয়ে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। স্বৰতন্ত্রী হ'ল স্বৰযন্ত্রৰ ভিতৰত থকা দুচটা পাতল কোমল মাংসপেশী। অর্থাৎ স্বৰযন্ত্রৰ ভিতৰত জিভাৰ

দৰে দুচটা পাতল আৰু কোমল মাংসপেশী আছে। এই মাংসপেশী দুচটাক স্বৰতন্ত্রী বুলি কোৱা হয়। ব্যঞ্জনধ্বনি উচ্চাৰণৰ সময়ত কেতিয়াবা স্বৰতন্ত্রী দুখন আঁতৰাই ৰাখি বতাহ চলাচলৰ পথটো মুকলি কৰি ৰখা হয় আৰু কেতিয়াবা স্বৰতন্ত্রী দুখন ওচৰ চপাই আনি বতাহ চলাচলৰ পথটো ঠেক কৰি দিয়া হয়। স্বৰতন্ত্রীৰ এই ভিন্ ভিন্ স্থিতিৰ ওপৰত ভিত্তি কৰি বেলেগ বেলেগ ব্যঞ্জনধ্বনি উচ্চাৰিত হোৱা দেখা যায়। অর্থাৎ ধ্বনি উচ্চাৰণৰ সময়ত স্বৰতন্ত্রীত কেতিয়াবা কম্পনৰ সৃষ্টি হয় আৰু কেতিয়াবা ঘর্ষণৰ সৃষ্টি হয়। স্বৰতন্ত্রীৰ এই স্থিতিৰ বাবেই সঘোষ আৰু অঘোষ আৰু অল্পপ্রাণ আৰু মহাপ্রাণ আদি ভিন্ ভিন্ ব্যঞ্জনধ্বনি উচ্চাৰিত হোৱা দেখিবলৈ পোৱা যায়।

ধ্বনি উচ্চাৰণত স্বৰতন্ত্রীত কম্পনৰ সৃষ্টি হোৱা নোহোৱাৰ ওপৰত ভিত্তি কৰি বাগধ্বনিক দুটা ভাগত ভাগ কৰিব পাৰি। সেই ভাগ দুটা হ'ল (i) সঘোষ ধ্বনি আৰু (ii) অঘোষ ধ্বনি। ধ্বনি উচ্চাৰণৰ সময়ত স্বৰতন্ত্রী দুখন ওচৰ চপাই আনি বায়ুপ্রবাহৰ পথটোক সংকীর্ণ কৰি সেই ঠেক পথেৰে বায়ুপ্রবাহ জোৰেৰে ওলাই যাবলৈ দিলে স্বৰতন্ত্রীত কঁপনিৰ সৃষ্টি কৰে আৰু এই কম্পনৰ ফলত স্বৰতন্ত্রীত ঘোষ বা নাদ জন্মে। এনে অৱস্থাত যিবোৰ ব্যঞ্জন ধ্বনি উচ্চাৰিত হয় সেইবোৰ ব্যঞ্জন ধ্বনিক সঘোষ ব্যঞ্জনধ্বনি বোলা হয়। নিদর্শন স্বৰূপে— ব, দ, গ আদি ধ্বনি। আকৌ স্বৰতন্ত্রী দুখন পৰস্পৰৰ আঁতৰি থকা অৱস্থাত হাওঁফাওঁৰ পৰা ওলাই অহা বায়ুপ্রবাহে কোনো বাধা নোপোৱাকৈ ওলাই আহে। এই ক্ষেত্রত সেই বায়ুপ্রবাহে স্বৰতন্ত্রীত কঁপনিৰ সৃষ্টি কৰিব নোৱাৰে। এনে অৱস্থাত যিবোৰ ব্যঞ্জন ধ্বনি উচ্চাৰিত হয় সেইবোৰ ব্যঞ্জন ধ্বনিক অঘোষ ব্যঞ্জন ধ্বনি বোলা হয়। নিদর্শন স্বৰূপে — প, ত, ক ধ্বনি।

সেইদৰে ধ্বনি উচ্চাৰণৰ সময়ত স্বৰতন্ত্রীত ঘর্ষণৰ সৃষ্টি হোৱা নোহোৱাৰ ওপৰত ভিত্তি কৰি বাগধ্বনিক দুটা ভাগত ভাগ কৰা হৈছে। সেই ভাগ দুটা হ'ল (i) মহাপ্রাণ ধ্বনি আৰু (ii) অল্পপ্রাণ ধ্বনি। ধ্বনি উচ্চাৰণত হাওঁফাওঁৰ পৰা ওলাই অহা বায়ুপ্রবাহে স্বৰতন্ত্রীত ঘর্ষণৰ সৃষ্টি কৰি বেছি পৰিমাণে আৰু জোৰেৰে ওলাই আহিলে তেনে অৱস্থাত যি ব্যঞ্জনধ্বনি সৃষ্টি হয় তাক মহাপ্রাণ ধ্বনি বোলে। অর্থাৎ শ্বাসযুক্ত বায়ুপ্রবাহেৰে উচ্চাৰিত হোৱা ধ্বনিয়েই হৈছে মহা প্রাণ ধ্বনি। যেনে খ, ঘ, থ, ধ, ফ, ভ আদি ধ্বনি। আকৌ হাওঁফাওঁৰ পৰা ওলাই অহা বায়ুপ্রবাহে স্বৰতন্ত্রীত ঘর্ষণৰ সৃষ্টি নকৰি লাহে লাহে আৰু কম পৰিমাণে ওলাই আহিলে তেনে অৱস্থাত সৃষ্টি হোৱা ধ্বনিক অল্পপ্রাণ ধ্বনি বোলা হয়। অর্থাৎ শ্বাসহীন বায়ুপ্রবাহেৰে উচ্চাৰিত হোৱা ধ্বনিয়েই হ'ল অল্পপ্রাণ ধ্বনি। যেনে ক, গ, ত, দ, প, ব আদি ধ্বনি।

অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহলৈ মন কৰিলে দেখা যায় যে এই ব্যঞ্জনধ্বনিসমূহৰ লগত নানান উপাদান বা সামগ্রী ওতঃপ্রোতভাৱে সম্পৃক্ত হৈ থাকে। এইবোৰ উপাদানক ধ্বনিৰ পৰা আঁতৰাই আনিব নোৱাৰি। ধ্বনিৰ অন্তৰালত নিহিত হৈ থকা এই উপাদানবোৰক ধ্বনিৰ গুণ বুলি কোৱা হয়। ঘোষত্ব, মহাপ্রাণতা আদি হৈছে ব্যঞ্জন ধ্বনিৰ লগত সংযুক্ত হৈ থকা ধ্বনিগুণ।

স্বৰধ্বনি সমূহৰ দৰে ব্যঞ্জন ধ্বনিসমূহৰো কিছুমান নিজস্ব গুণ বা বৈশিষ্ট্য আছে। তলত ব্যঞ্জন ধ্বনিৰ এই বৈশিষ্টসমূহ উল্লেখ কৰি স্বৰধ্বনিৰ লগত ব্যঞ্জন ধ্বনিৰ এই বিশেষ গুণ বা

বৈশিষ্ট্যবোৰৰ এক তুলনামূলক আলোচনা দাঙি ধৰা হ'ল— (i) স্বৰধ্বনিবোৰ সাদয় অনিয়ত আৰু অঘৃষ্ট, স্বৰধ্বনি উচ্চাৰণত হাওঁফাওঁ চালিত বায়ুপ্ৰবাহ ক'তো বাধাপ্ৰাপ্ত নহয়। এনে অবাৰিত আৰু আঘৃষ্ট বায়ু প্ৰবাহেৰে স্বৰধ্বনি উচ্চাৰিত হয়। ব্যঞ্জনধ্বনিবোৰ সদায় নিয়ত আৰু সঘৃষ্ট। ব্যঞ্জন ধ্বনি উচ্চাৰণত হাওঁফাওঁ চালিত বায়ু প্ৰবাহ সম্পূৰ্ণ বা আংশিকভাৱে বাধাপ্ৰাপ্ত হয়। এনে বাধাযুক্ত আৰু সঘৃষ্ট অৱস্থাপ্ৰাপ্ত বায়ুপ্ৰবাহেৰে ব্যঞ্জন ধ্বনি উচ্চাৰণ কৰা হয়।

(ii) স্বৰধ্বনিবোৰ মূলত সঘোষ ধ্বনি। আনহাতে ব্যঞ্জন ধ্বনিবোৰ সঘোষ আৰু অঘোষ এই দুই ধৰণৰ হ'ব পাৰে। অৱশ্যে, কেতিয়াবা কোনো কোনো ভাষাত সঘোষ স্বৰধ্বনিও পোৱা যায়।

(iii) স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনি দুয়োবিধৰে দৈঘ্য আছে যদিও দুয়োবিধ ধ্বনিৰ দৈঘ্যৰ ক্ষেত্ৰত তাৰতম্য আছে। অৰ্থাৎ স্বৰধ্বনিবোৰ অনিয়ত বাবে ইয়াক ইচ্ছামতে হ্ৰস্ব-দীৰ্ঘ কৰি উচ্চাৰণ কৰিব পাৰি। কিন্তু ব্যঞ্জন ধ্বনিৰ দৈঘ্য স্বৰধ্বনিৰ তুলনাত কম হোৱা দেখা যায়। সেয়ে স্বৰধ্বনিবোৰ দীঘলীয়াকৈ উচ্চাৰণ কৰিব পাৰি কিন্তু ব্যঞ্জন ধ্বনিবোৰ দীঘলীয়াকৈ উচ্চাৰণ কৰিব নোৱাৰি।

(iv) স্বৰধ্বনিয়ে অনুনাসিকতা আৰু শ্বাসাঘাত বহন কৰিব পাৰে। আনহাতে ব্যঞ্জন ধ্বনিয়ে অনুনাসিকতা আৰু শ্বাসঘাত বহন কৰিব নোৱাৰে।


(v) সকলোবোৰ স্বৰধ্বনিৰে নাদ আছে অৰ্থাৎ স্বৰধ্বনিবোৰ অতি মুখৰ আৰু নাদিত। কিন্তু ব্যঞ্জন ধ্বনিৰ বিশেষকৈ নিয়ত ব্যঞ্জন ধ্বনিৰ নাদ বৰ কম। অধিক নাদ যুক্ত হোৱা বাবে স্বৰধ্বনিবোৰ বহু দূৰলৈ শুনা যায়। কিন্তু নাদ কম হোৱা বাবে ব্যঞ্জন ধ্বনিবোৰ বহু দূৰলৈ শুনা নাযায়।

(vi) স্বৰধ্বনিবোৰ মৌখিক আৰু অনুনাসিক এই দুয়ো ধৰণৰ হ'ব পাৰে। আনহাতে অনুনাসিক ব্যঞ্জনকেইটাৰ বাহিৰে আনবোৰ ব্যঞ্জন অনুনাসিক নহয়।

(vii) স্বৰধ্বনি অক্ষৰাধাৰ হ'ব পাৰে বা স্বৰধ্বনিয়ে অক্ষৰ গঠন কৰিব পাৰে। কিন্তু ব্যঞ্জন ধ্বনি অক্ষৰাধাৰ হ'ব নোৱাৰে। অৰ্থাৎ ব্যঞ্জন ধ্বনিয়ে অক্ষৰ গঠন কৰিব নোৱাৰে।

(viii) স্বৰধ্বনিবোৰ অন্য কোনো বাগধ্বনিৰ সহায় নোলোৱাকৈ উচ্চাৰণ কৰিব পাৰি। আনহাতে স্বৰধ্বনিৰ সহায় নোলোৱাকৈ ব্যঞ্জনধ্বনি উচ্চাৰণ কৰিব নোৱাৰি।

এইদৰে স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনি দুয়োবিধৰ কিছুমান নিজস্ব লক্ষণ বা বৈশিষ্ট্য আছে। অৱশ্যে স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিৰ এই বৈশিষ্ট্যসমূহৰ তুলনা কৰিলে দুয়োবিধ ধ্বনিৰ মাজত সাদৃশ্যতকৈ বৈসাদৃশ্যই অধিক দেখা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ব্যঞ্জন ধ্বনি কাক বোলে? ব্যঞ্জন ধ্বনি কেনেদৰে উচ্চাৰিত হয় চমুকৈ লিখক। (১০০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিৰ বৈশিষ্ট্যবোৰ বিচাৰ কৰি এক তুলনামূলক আলোচনা দাঙি ধৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

৭.৩.১ ব্যঞ্জন ধ্বনিৰ শ্রেণীবিভাজন

ব্যঞ্জন ধ্বনিসমূহক ক্রমাগতভাৱে সৰু সৰু ভাগত ভাগ কৰাকে ব্যঞ্জন ধ্বনিৰ শ্রেণীবিভাজন বুলি কোৱা হয়। অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহক বিভিন্ন ধৰণে শ্রেণী বিভাজন কৰিব পাৰি। অর্থাৎ অসমীয়া ভাষাত ব্যৱহৃত ব্যঞ্জন ধ্বনিসমূহক উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুযায়ী বিভিন্ন ধৰণে শ্রেণীবিভাগ কৰা হয়। ব্যঞ্জন ধ্বনি উচ্চাৰণত উচ্চাৰণৰ স্থান আৰু উচ্চৰণ কৰণে এক বিশেষ ভূমিকা গ্রহণ কৰে। মুখবিৱৰৰ যিবোৰ স্থানত ধ্বনিৰ উচ্চাৰণ হয় সেইবোৰ স্থানক উচ্চাৰণ স্থান বোলা হয়। এই উচ্চাৰণ স্থানকেইটা হ'ল (i) ওপৰৰ ওঁঠ, (ii) ওপৰৰ আগদাঁত (iii) দন্তমূল (iv) কঠিন তালু (v) কোমল তালু আৰু (vi) আলজিভা। আকৌ যাৰ দ্বাৰা মুখবিৱৰৰ বিভিন্ন স্থানত ধ্বনি উচ্চাৰণ কৰা হয় তাক উচ্চাৰণ কৰণ বুলি কোৱা হয়। এই উচ্চাৰণ কৰণ কেইটা হৈছে— (i) তলৰ ওঁঠ (ii) জিভাগ্র (iii) জিভাৰ সন্মুখভাগ (iv) জিভাৰ মাজভাগ (v) জিভাৰ পাছভাগ আৰু (vi) জিভামূল। অতি সহজে সঞ্চালন কৰিব পৰা এই অঙ্গকেইটাক উচ্চাৰণ কৰণ বোলা হয়। ভিন্ ভিন্ ব্যঞ্জনধ্বনি উচ্চাৰণত উচ্চাৰণ স্থান আৰু উচ্চাৰণ কৰণৰ ভূমিকা বিশেষভাৱে মন কৰিবলগীয়া।

উচ্চাৰণৰ স্থান অনুসৰি শ্রেণীবিভাজন ঃ অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহক উচ্চাৰণৰ স্থান অনুসৰি চাৰিটা ভাগত ভাগ কৰিব পাৰি। সেই চাৰিটা ভাগ হ'ল— (i) দ্বৌষ্ঠ্য (ii) দন্তমূলীয় (iii) পশ্চতালব্য আৰু (iv) কণ্ঠীয়।

দ্বৌষ্ঠ্য ধ্বনি ঃ তলৰ ওঁঠ আৰু ওপৰৰ ওঁঠ এই দুয়োটা ওঁঠ লগ লগাই হাঁওফাওঁ চালিত বায়ুপ্রবাহেৰে যি ধ্বনি উচ্চাৰণ কৰা হয় তেনে ধ্বনিক দ্বৌষ্ঠ ধ্বনি বোলা হয়। নিদর্শন স্বৰূপে— প, ফ, ব, ভ, আৰু ম ধ্বনি।

দন্তমূলীয় ধ্বনি ঃ জিভাৰ আগে দন্তমূলত বায়ুপ্রবাহ ৰোধ কৰি ক্ষন্তেক পাছতেই এৰি দিলে তেনে অৱস্থাত যি ধ্বনি উচ্চাৰিত হয় তাক দন্তমূলীয় ধ্বনি বোলে। নিদর্শন স্বৰূপে— ত, থ, দ, ধ, ন, চ, জ ৰ আৰু ল ধ্বনি।

পশ্চতালব্য ধ্বনি ঃ কোমল তালুত জিভাৰ পশ্চ অংশই বায়ুৰ সোঁত ৰোধ কৰি লগে লগে এৰি দিলে তেনে অৱস্থাত উচ্চাৰিত হোৱা ধ্বনিয়েই হৈছে পাশ্চতালব্য ধ্বনি। নিদর্শন স্বৰূপে ক, খ, গ, ঘ, ঙ আৰু স ধ্বনি।

কণ্ঠীয় ধ্বনি ঃ স্বৰতন্ত্রী দুখন পাছফালে চপাই নি কণ্ঠৰ মাজেৰে জোৰেৰে বায়ুপ্রবাহ

ওলাই আহিবলৈ দিলে যি ধ্বনিৰ সৃষ্টি হয় তাক কণ্ঠ্য ধ্বনি বোলা হয়। যেনে হ ধ্বনি।

উচ্চাৰণৰ ধৰণ অনুযায়ী শ্রেণীবিভাজন ঃ অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনি সমূহক উচ্চাৰণৰ ধৰণ অনুযায়ী পাঁচোটা ভাগত শ্রেণীবিভাজন কৰা হৈছে। এনে পাঁচোটা ভাগ হ'ল (i) নিয়ত বা স্পর্শ (ii) নাসিক্য (iii) উষ্ম (ঘ) কম্পিত আৰু (iv) পার্শ্বিক।

নিয়ত বা স্পর্শ ধ্বনি ঃ হাওঁফাওঁৰ পৰা ওলাই অহা বায়ুপ্রবাহক মুখবিৱৰৰ কোনো অংশত বাগিন্দ্রিয়ৰ দ্বাৰা সম্পূর্ণৰূপে ৰোধ কৰি ক্ষন্তেক পিছতে এৰি দিলে যি ধ্বনিৰ সৃষ্টি হয় তাকে নিয়ত বা স্পর্শধ্বনি বোলা হয়। মুখবিৱৰৰ স্থানবিশেষত স্পর্শ কৰি উচ্চাৰণ কৰা হয় বাবে ইহঁতক স্পর্শ ধ্বনি বোলা হয়। যেনে ক,খ,গ, ঘ, ত, থ, প, ব আদি ধ্বনিবোৰ হ'ল নিয়ত বা স্পর্শধ্বনি।

নাসিক্য ধ্বনি ঃ হাওঁফাওঁৰ পৰা ওলাই অহা বহির্গামী বায়ুপ্রবাহক মুখবিৱৰৰ কোনো স্থানত সম্পূর্ণৰূপে ৰোধ কৰি নাসিকা বিৱৰেদি বায়ুপ্রবাহ উলিয়াই দি যিবোৰ ধ্বনি সৃষ্টি কৰা হয় তেনেবোৰ ধ্বনিক নাসিক্য ধ্বনি বোলা হয়। অর্থাৎ নাসিক্য ধ্বনি উচ্চাৰণত বায়ুৰ সোঁতটো মুখবিৱৰত সম্পূর্ণৰূপে ৰোধ কৰি নাসিকা বিৱৰেদি উলিয়াই দিয়া হয়। নাসিক্য ধ্বনিকেইটা হ'ল ম, ন, ঙ।

উষ্মধ্বনি ঃ হাওঁফাওঁৰ পৰা ওলাই অহা বায়ুপ্রবাহক বতাহ চলাচলৰ পথটো সংকীর্ণ কৰি ওলাই আহিবলৈ দিলে বায়ুৰ সোঁতত ঘর্ষণ হয় আৰু তাৰ ফলত উত্তাপৰ সৃষ্টি হয়। এইদৰে ঘর্ষণৰ ফলত উত্তপ্ত হোৱা বায়ুপ্রবাহেৰে উচ্চাৰিত হোৱা ধ্বনিয়েই হ'ল উষ্ম ধ্বনি। নিদর্শন স্বৰূপে চ, জ, স আৰু হ ধ্বনি।

কম্পিত ধ্বনি ঃ জিভাৰ আগটোৱে কঁপি কঁপি একাধিকবাৰ উচ্চাৰণ স্থান স্পর্শ কৰি যি ধ্বনিৰ সৃষ্টি কৰে তাকে কম্পিত ধ্বনি বোলা হয়। যেনে ৰ ধ্বনি।

পার্শ্বিক ধ্বনি ঃ হাওঁফাওঁচালিত বতাহৰ প্রবাহক সন্মুখৰ ফালে ৰোধ কৰি বহির্গামী বায়ুৰ সোঁতটো উচ্চাৰণ কৰণ বা জিভাৰ একাষেৰে বা দুয়ো কাষেৰে উলিয়াই দি যি ধ্বনি উচ্চাৰণ কৰা হয় তেনে ধ্বনিক পার্শ্বিক ধ্বনি বোলা হয়। যেনে ল ধ্বনি।

অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহক স্বৰতন্ত্রীত কম্পনৰ সৃষ্টি হোৱা নোহোৱাৰ ওপৰত ভিত্তি কৰি দুটা ভাগত ভাগ কৰা হৈছে। সেই ভাগ দুটা হ'ল সঘোষ আৰু অঘোষ। হাওঁফাওঁ চালিত বায়ুপ্রবাহে স্বৰতন্ত্রীত কঁপনিৰ সৃষ্টি কৰি ওলাই আহিলে তেনে অৱস্থাত উচ্চাৰিত হোৱা ধ্বনিয়েই হ'ল সঘোষ ধ্বনি। আকৌ স্বৰতন্ত্রীত কঁপনিৰ সৃষ্টি নকৰাকৈ ওলাই অহা বায়ুপ্রবাহেৰে উচ্চাৰিত ধ্বনিয়েই হৈছে অঘোষ ধ্বনি।


সেইদৰে অসমীয়া ভাষাৰ স্পর্শ বা নিয়ত ব্যঞ্জন ধ্বনিসমূহক দুটা ভাগত ভাগ কৰা হৈছে। সেই ভাগ দুটা হ'ল মহাপ্রাণ আৰু অল্পপ্রাণ। স্বৰতন্ত্রীত ঘর্ষণৰ সৃষ্টি কৰি জোৰেৰে ওলাই অহা স্বাসযুক্ত বায়ুপ্রবাহেৰে উচ্চাৰিত হোৱা ধ্বনিয়েই হৈছে মহাপ্রাণ ধ্বনি আৰু স্বৰতন্ত্রীত ঘর্ষণৰ সৃষ্টি নকৰি লাহে লাহে ওলাই অহা শ্বাসহীন

বায়ুপ্রবাহৰ উচ্চাৰিত ধ্বনিয়েই হ'ল অল্পপ্রাণ ধ্বনি।

উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুযায়ী শ্রেণীবিভাগ কৰিলে অসমীয়া ভাষাত ২১ টা বিশিষ্ট ব্যঞ্জন ধ্বনি পোৱা যায়। এই ২১ টা বিশিষ্ট ব্যঞ্জন ধ্বনিৰ বাহিৰেও অসমীয়া ভাষাত আৰু দুটা অর্দ্ধস্বৰ আছে। সেই দুটা হ'ল দ্বৌষ্ঠ্য ৱ আৰু তালব্য য়। এই দুটাক ধৰিলে অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনিৰ সংখ্যা হ'ব ২৩ টা। তলত উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুযায়ী অসমীয়া ভাষাৰ ২১ টা বিশিষ্ট ব্যঞ্জন ধ্বনিৰ এখন তালিকা প্রস্তুত কৰি দেখুওৱা হ'ল—

উচ্চাৰণৰ স্থান → / উচ্চাৰণৰ ধৰণ ↓		দ্বৌষ্ঠ্য	দন্তমূলীয়	পাশ্চতলব্য	কণ্ঠীয়
নিয়ত বা স্পর্শ	অল্পপ্রাণ	প ব	ত দ	ক গ	
	মহাপ্রাণ	ফ ভ	থ ধ	খ ঘ	
নাসিক্য		ম	ন	ঙ	
উষ্ম			চ জ	স	হ
কম্পিত			ৰ		
পার্শ্বিক			ল		

এইদৰে অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহক উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুযায়ী শ্রেণীবিভাজন কৰিব পাৰি। অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনিৰ এই তালিকাখনলৈ লক্ষ্য কৰিলে দেখা যায় যে ইয়াত দন্তমূলীয় ধ্বনিৰ সংখ্যাই আটাইতকৈ বেছি। অর্থাৎ অসমীয়া ভাষাত দন্তমূলীয় ধ্বনি হ'ল ৯ টা। উল্লেখযোগ্য যে সংস্কৃতৰ পৰা অসমীয়া ব্যঞ্জনবর্ণৰ বিকাশ হৈ আহিলেও সংস্কৃতিৰ সকলোবোৰ ধ্বনিগুণ অসমীয়া ভাষাত ৰক্ষিত হোৱা নাই। অর্থাৎ অসমীয়া ভাষাত সংস্কৃতৰ দন্ত্য, মূর্দ্ধন্য আৰু তালব্য ধ্বনিৰ উচ্চাৰণ পোৱা নাযায়। এইকেইবিধ ধ্বনিৰ ধ্বনিগুণ লোপ পাই তাৰ ঠাইত আটাইকেইবিধ ধ্বনি দন্তমূলীয় ৰূপে উচ্চাৰিত হয়। দন্তমূলীয় ধ্বনিৰ প্রয়োগ অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনিৰ এক অন্যতম স্বকীয় বিশেষত্ব। কাৰণ অসমীয়াৰ লগত একেলগে উদ্ভৱ হোৱা আন ভগ্নীস্থানীয় আর্যভাষাত দন্তমূলীয় ধ্বনিৰ উচ্চাৰণ পোৱা নাযায়। দন্তমূলীয় ধ্বনিৰ উচ্চাৰণে অসমীয়া ব্যঞ্জন ধ্বনিক এক সুকীয়া বিশেষত্ব প্রদান কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহক কেনেদৰে বিভিন্ন ধৰণে শ্রেণীবিভাজন কৰিব পাৰি চমুকৈ আলোচনা কৰক।

(১৫০টা শব্দৰ ভিতৰত)।

.....

প্রশ্ন নং ৪ ঃ অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুযায়ী অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহৰ এখন তালিকা প্রস্তুত কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

৭.৪ ব্যঞ্জন ধ্বনিৰ বিৰোধ প্রয়োগ

অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহৰ দৰে ব্যঞ্জন ধ্বনিসমূহৰ বিৰোধী প্রয়োগ মন কৰিবলগীয়া। স্বৰধ্বনিৰ দৰে ব্যঞ্জন ধ্বনিসমূহৰ অভিন্ন পৰিবেশত বিৰোধ ঘটা দেখা যায়। অভিন্ন বা একে পৰিবেশত এটা ধ্বনিৰ ঠাইত আন এটা ধ্বনিৰ প্রয়োগ কৰিলে অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহৰ অর্থৰ সলনি ঘটা দেখা যায়। এইদৰে অভিন্ন পৰিবেশত অর্থৰ সলনি ঘটালে তাক বিৰোধী প্রয়োগ ঘটা বুলি কোৱা হয় আৰু বিৰোধী প্রয়োগৰ প্রতিটো ধ্বনিক বিশিষ্ট ধ্বনিৰ মর্যাদা দিয়া হয়। অসমীয়া ভাষাৰ আটাইবোৰ বিশিষ্ট ব্যঞ্জন ধ্বনিৰ মধ্য আৰু অন্ত অৱস্থানত বিৰোধী প্রয়োগ ঘটে। এই বিৰোধী প্রয়োগৰ ভিত্তিত অসমীয়া ভাষাত ২১ টা বিশিষ্ট ব্যঞ্জন ধ্বনি পোৱা যায়। ইয়াৰে স্পর্শ বা নিয়ত ধ্বনি হ'ল ১২ টা। সেই কেইটা হ'ল প, ফ, ব, ভ, ত, থ, দ ধ, ক, খ, গ আৰু ঘ। নাসিক্য ধ্বনি তিনিটা ম, ন আৰু ঙ ধ্বনি। উষ্ম ধ্বনি চাৰিটা চ, জ, স আৰু হ। কম্পিত ধ্বনি ১ টা ৰ আৰু পার্শ্বিক ধ্বনি ১ টা। সেইটো হ'ল অসমীয়া ভাষাৰ এই ২১ টা ব্যঞ্জন বিশিষ্ট ধ্বনিৰ শব্দৰ আদি, মধ্য আৰু অন্ত এই তিনিও স্থানতে বিৰোধ ঘটে। তলত এই ব্যঞ্জন বিশিষ্ট ধ্বনিকেইটাৰ আটাইকেইটা স্থানতে বিৰোধী প্রয়োগৰ নিদর্শন দাঙি ধৰা হ'ল—

আদ্য স্থানত বিৰোধ ঃ অসমীয়া ভাষাত ঙ ব্যঞ্জনবর্ণৰ বাহিৰে বাকী সকলোবোৰ ব্যঞ্জন ধ্বনিৰেই আদ্য অৱস্থানত বিৰোধী প্রয়োগ ঘটা দেখা যায়। ঙ ব্যঞ্জন ধ্বনি প্রয়োগৰ ক্ষেত্রত কিছু সীমাবদ্ধতা আছে। অর্থাৎ আদি অৱস্থানত ঙ ধ্বনিৰ প্রয়োগ নহয়। ঙ-ৰ বাহিৰে সকলো ধ্বনিৰেই আদি স্থানত বিৰোধ হোৱা দেখা যায়। নিদর্শন স্বৰূপে—

ক— ক আ ত > কাট
খ— খ আ ত > খাট
গ— গ আ ত > গাত
ঘ— ঘ-আ-ত > ঘাত

ত— ত আ ক> তাক
থ — থ আ ক > থাক
দ— দ আ ক > ডাক
ধ— ধ আ ক > ঢাক

প— প আ ট > পাট
ফ — ফ আ ট > ফাট
ব— ব আ ত > বাট
ভ— ভ আ ত > ভাত

ম— ম আ ক > মাক
ন — ন আ ক > নাক

ঙ —নাই-

চ— চ আ ল > চাল
জ—জ আ ল > জাল
স— স আ ল > সাল
হ— হ আ ল > হাল

ৰ — ৰ আ খ > ৰাখ
ল— ল আ খ > লাখ

মধ্য স্থানত বিৰোধ ঃ অভিন্ন পৰিবেশত মধ্যস্থানতো অসমীয়া ভাষাৰ সকলোবোৰ ব্যঞ্জন ধ্বনিৰ বিৰোধী প্রয়োগ ঘটা দেখা যায়। নির্দশন স্বৰূপে —

ক — আ ক অ ৰ —আকৰ
খ — আ খ অ ৰ > আখৰ

গ — ব আ গ ৰ > বাগৰ
ঘ — ব আ ঘ ৰ > বাঘৰ

ত — এ ত আ > এটা
থ — এ থ আ > এঠা

দ — আ দ ৰ উ আ > আদৰুৱা
ধ — আ ধ ৰ উ আ > আধৰুৱা

প — এ প আ ল > এপাল
ফ — এ ফ আ ল > এফাল

ব — আ ব আ স > আবাস
ভ — আ ভ আ স > আভাস

ম— ব আ ম ই > বামী
ন— ব আ ন ই > বাণী
ঙ—ব আ ঙ ই > বাঙী

চ— আ চ আ ৰ > আচাৰ
জ— আ জ আ ৰ > আজাৰ
স— আ স আ ৰ > আযাৰ
হ— আ হ আ ৰ > আহাৰ

ৰ— আ ৰ উ > আৰু
ল— আ ল উ > আলু

অন্ত্য স্থানত বিৰোধ ঃ মধ্য অৱস্থানৰ দৰেই অন্ত্য অৱস্থানটো অসমীয়া ভাষাৰ ২১ টা বিশিষ্ট ব্যঞ্জনধ্বনিৰ আটাইবোৰৰে অভিন্ন পৰিবেশত বিৰোধ ঘটা দেখা যায়। নিদর্শন স্বৰূপে

ক— চ অ ক > চক
খ— চ অ খ > চখ

গ —ব আ গ > বাগ
ঘ—ব আ ঘ > বাঘ

ত — ম অ ত > মত
থ — ম অ থ > মঠ

দ— ব অ দ > বদ
ধ— ব অ ধ > বধ

প— চ আ প > চাপ
ফ—চ আ ফ > চাফ

ব— গ আ ব > গাব
ভ— গ আ ভ > গাভ

ম— প আ ম > পাম
ন— প আ ন > পাণ
ঙ— প আ ঙ > পাং

চ— ব আ চ > বাচ
জ— ব আ জ > বাজ
স— ব আ স > বাস
হ— ব আ হ > বাহ


ৰ— প আ ৰ > পাৰ
ল— প আ ল > পাল

এইদৰে অসমীয়া ভাষাৰ এই ২১ টা বিশিষ্ট ব্যঞ্জন ধ্বনিৰ ঙ ৰ বাহিৰে সকলোবোৰ ধ্বনিৰেই আদ, মধ্য আৰু অন্ত্য অৱস্থানত বিৰোধ ঘটে। এই ২১ টা বিশিষ্ট ব্যঞ্জনৰ উপৰিও অসমীয়া ভাষাত দুটা অৰ্দ্ধস্বৰ আছে। এই দুটা হ'ল ৱ আৰু য়। অৱশ্যে এই দুটা অৰ্দ্ধস্বৰৰ বিৰোধী প্রয়োগত সীমাবদ্ধতা আছে।

গতিকে অসমীয়া ভাষাৰ য় আৰু ৱ এই দুটাক ধৰি ২৩ টা ব্যঞ্জন বিশিষ্ট ধ্বনিৰ প্রয়োগলৈ মন কৰিলে দেখা যায় যে কোনো কোনো ব্যঞ্জন ধ্বনিৰ বিৰোধী প্রয়োগৰ ক্ষেত্রত কিছু সীমাবদ্ধতা আছে। অর্থাৎ অসীয়া ভাষাত এই ২৩ টা ব্যঞ্জন বিশিষ্ট ধ্বনিৰ সকলো অৱস্থানতে সমানে প্রয়োগ নহয়। শব্দৰ আৰম্ভণিতে ঙ, ৱ আৰু য় ধ্বনিৰ প্রয়োগ নহয়। সেইদৰে শব্দৰ মাজত আন্তঃস্বৰ অৱস্থানত ৱ আৰু য় ধ্বনিৰ প্রয়োগ নহয়। ৱ আৰু য়ৰ বাহিৰে বাকী সকলো ব্যঞ্জন ধ্বনি আন্তঃস্বৰ অৱস্থানত প্রয়োগ হয়। আকৌ পদান্ততো ৱ আৰু য় ধ্বনিৰ প্রয়োগ পোৱা

নাযায়। বাকী সকলো ব্যঞ্জন ধ্বনিৰ পদান্তত বিৰোধী প্রয়োগ পোৱা যায়।

অসমীয়া ভাষাত মহাপ্রাণ ব্যঞ্জনবর্ণ কেইটাৰ প্রয়োগত কিছু বৈশিষ্ট পৰিলক্ষিত হয়। অন্ত্য অৱস্থানত অসমীয়া ভাষাৰ মহাপ্রাণ ব্যঞ্জনকেইটাৰ প্রয়োগ অতি সীমিত বুলি ক'ব পাৰি। সঘোষ মহাপ্রাণ ব্যঞ্জনকেইটাৰ প্রয়োগ অতি সীমিত বুলি ক'ব পাৰি। সঘোষ মহাপ্রাণ ব্যঞ্জনকেইটাতকৈ অঘোষ মহাপ্রাণ ব্যঞ্জনবর্ণৰ প্রয়োগ অতি বিৰল। সকলোবোৰ মহাপ্রাণ ব্যঞ্জনবর্ণই অন্ত্য অৱস্থানত শিথিল হৈ উচ্চাৰিত হোৱা দেখা যায়। গতিকে দেখা যায় যে অসমীয়া ভাষাৰ ব্যঞ্জন বিশিষ্ট্য ধ্বনিবোৰৰ ভিতৰত ঙ, ৰ আৰু য় ধ্বনিৰ প্রয়োগৰ ক্ষেত্রত কিছু সীমাবদ্ধতা আছে। ঙ ধ্বনি শব্দৰ আদি স্থানত আৰু ৰ আৰু য় ধ্বনি শব্দৰ আদি, আন্তঃস্বৰ আৰু অন্ত্য অৱস্থানত প্রয়োগ হোৱা দেখা নাযায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ অসমীয়া ভাষাৰ ব্যঞ্জন বিশিষ্ট ধ্বনিকেইটাৰ আদ্য, মধ্য আৰু অন্ত্য অৱস্থানত বিৰোধ দেখুৱাই উদাহণসহ এটি আলোচনা যুগুত কৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৬ ঃ অসমীয়া ভাষাত উষ্ম ব্যঞ্জন কেইটা আৰু কি কি? এই ব্যঞ্জনকেইটাৰ উচ্চাৰণৰ স্থান অনুযায়ী এখন তালিকা প্রস্তুত কৰি আদ্য,মধ্য আৰু অন্ত অৱস্থানত বিৰোধী প্রয়োগ দেখুৱাই এটি টোকা যুগুত কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনি সম্পর্কীয় এই অধ্যায়টোৱে আমাক অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিৰ বিষয়ে এক সামগ্রিক ধাৰণা আহৰণ কৰাত সহায় কৰিলে।
- হাওঁফাওঁৰ পৰা ওলাই অহা বায়ুপ্রবাহক বাগিন্দ্রিয়ৰ জৰিয়তে বিভিন্ন ঠাইত বাধা প্রদান কৰি ভিন্ ভিন্ ব্যঞ্জন ধ্বনি উচ্চাৰণ কৰা হয়। অসমীয়া ভাষাৰ বিভিন্ন ধৰণৰ ব্যঞ্জন ধ্বনিবোৰ কেনেদৰে উচ্চাৰিত হয় বা ব্যঞ্জন ধ্বনিবোৰৰ উচ্চাৰণ প্রক্রিয়া কেনে ধৰণৰ হৈ সম্পর্কে এই অধ্যায়টোৱে আমাক জানিবলৈ সুযোগ দিলে।
- অসমীয়া ভাষাত প্রয়োগ হোৱা ব্যঞ্জন ধ্বনিবোৰৰ বৈশিষ্ট্য কি আৰু স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিৰ এই লক্ষণ বা বৈশিষ্ট্যবোৰৰ মাজত কি কি ক্ষেত্রত মিল আছে আৰু কি কি ক্ষেত্রত অমিল আছে সেই কথাও এই অধ্যায়টোৰ জৰিয়তে অৱগত হ'ব পাৰিলোঁ।
- উচ্চাৰণ স্থান আৰু উচ্চাৰণ কৰণ কি? ব্যঞ্জন ধ্বনি উচ্চাৰণত এই উচ্চাৰণ স্থান আৰু

উচ্চাৰণ কৰণৰ ভূমিকা কি সেই কথাও এই অধ্যায়টোৰ জৰিয়তে দাঙি ধৰা হ'ল।

- অসমীয়া ভাষাত ব্যৱহৃত ব্যঞ্জন ধ্বনিসমূহৰ শ্রেণীবিভাজন সম্পর্কেও এই অধ্যায়টিয়ে আমাক এটা ধাৰণা দিবলৈ সক্ষম হৈছে। অসমীয়া ভাষাৰ বিভিন্ন ধৰণৰ ব্যঞ্জন ধ্বনিসমূহ উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুযায়ী কেনেদৰে বিভিন্ন ধৰণে শ্রেণী বিভাজন কৰিব পাৰি সেই কথাও এই অধ্যায়টোত প্রতিপাদিত্য হৈছে।
- অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহৰ বিৰোধী প্রয়োগ সম্পর্কেও এই অধ্যায়টোত আলোচনা কৰা হৈছে। আদি, মধ্য আৰু অন্ত্য অৱস্থানত অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনিসমূহৰ কেনেদৰে বিৰোধী প্রয়োগ ঘটে আৰ এনে বিৰোধী প্রয়োগৰ ক্ষেত্রত অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহৰ ক'ত ক'ত সীমাবদ্ধতা আছে সেই সকলো কথা অধ্যায়টিৰ পৰা জানিব পৰা গ'ল।



৭.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) কোঁৱৰ অর্পণা (২০০২), ভাষা বিজ্ঞান উপক্রমণিকা, ডিব্রুগড় ঃ বনলতা

২) গোস্বামী, উপেন্দ্রনাথ (২০১৫), ভাষা বিজ্ঞান, গুৱাহাটী ঃ মণি-মাণিক প্রকাশ

৩) গোস্বামী, উপেন্দ্রনাথ (২০১৫), অসমীয়া ভাষাৰ ব্যাকৰণ, গুৱাহাটী ঃ মণি মানিক প্রকাশ

৪) গোস্বামী, উপেন্দ্রনাথ (১৯৯৫), অসমীয়া ভাষাৰ ৰূপকথা, গুৱাহাটী ঃ মণি-মাণিক প্রকাশ

৫) গোস্বামী, গোলোকচন্দ্র (১৯৯৬), অসমীয়া বর্ণপ্রকাশ, গুৱাহাটী ঃ বীণা লাইব্রেৰী

৬) গোস্বামী, গোলোকচন্দ্র (২০১৪), অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, গুৱাহাটী ঃ বীণা লাইব্রেৰী

৭) গোস্বামী, গোলোকচন্দ্র (২০১৪), ধ্বনি বিজ্ঞানৰ ভূমিকা, গুৱাহাটী ঃ বীণা লাইবেৰী

৮) গোস্বামী, গোলোকচন্দ্র (২০০০), অসমীয়া ব্যাকৰণ প্রবেশ, গুৱাহাটী ঃ বীণা লাইব্রেৰী

৯) দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ (২০০৬), আধুনিক ভাষা বিজ্ঞানৰ পৰিচয়, ডিব্রুগড় ঃ বনলতা

১০) দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ (২০০৬) , প্রয়োগ ভাষা বিজ্ঞানৰ ৰূপৰেখা, ডিব্রুগড় ঃ বনলতা

১১) নাথ প্রফুল্ল কুমাৰ আৰু হাজৰিকা, জ্যোতিৰেখা (১৯৯৭), অসমীয়া ভাষাৰ অধ্যায়ন, গুৱাহাটী ঃ বনলতা

১২) পাঠক, ৰমেশ (২০১৪), অসমীয়া ভাষাৰ ইতিহাস, গুৱাহাটী ঃ অশোক বুক ষ্টল

১৩) পাঠক, ৰমেশ (২০১১), ভাষা বিজ্ঞানৰ ভূমিকা, গুৱাহাটী ঃ অশোক বুক ষ্টল

১৪) ফুকন পাটগিৰি, দীপ্তি (২০১০), আধুনিক অসমীয়া ব্যাকৰণ, গোলাঘাট ঃ সৰস্বতী প্রকাশন

১৫) শইকীয়া বৰা, লীলাৱতী (২০০৬), অসমীয়া ভাষাৰ ৰূপতত্ব, গুৱাহাটী ঃ বনলতা

১৬) শইকীয়া বৰা, লীলাৱতী (২০০৬), অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ব, গুৱাহাটী ঃ চন্দ্রপ্রকাশ

১৭) হাজৰিকা, লক্ষী (২০১৩), ভাষাবিজ্ঞান আৰু অসমীয়া, ভাষাবিজ্ঞান পৰিচিত, গুৱাহাটী ঃ অশোক পাব্লিকেচন

ইংৰাজী গ্রন্থ ঃ

1) Kakati, Banikanta (1995); Assamese,Its Formation and Development, LBS Publication.



৭.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ ব্যঞ্জনধ্বনি কি.....কোনবোৰ ধ্বনিক ব্যঞ্জন ধ্বনি বোলা হয়। ব্যঞ্জনধ্বনি সমূহ কেনেদৰে উচ্চাৰিত হয়..... ভিন ভিন ব্যঞ্জনৰ উচ্চাৰণ প্রক্রিয়াৰ চমু বিৱৰণ।

২ নং প্রশ্নৰ উত্তৰ ঃ স্বৰধ্বনিৰ বৈশিষ্ট্য— ব্যঞ্জনধ্বনিৰ বৈশিষ্ট্য দুয়োবিধ ধ্বনিৰ বৈশিষ্ট্যৰ ভিত্তিত সাদৃশ্য আৰু বৈসাদৃশ্য বিচাৰ কৰক।

৩ নং প্রশ্নৰ উত্তৰ ঃশ্রেণীবিভাজন মানে কি..... অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনিক কিহৰ ভিত্তিত শ্রেণীবিভাজন কৰা হয়..... উচ্চাৰণৰ স্থান অনুযাী শ্রেণী বিভাজন উচ্চাৰণৰ ধৰণ অনুযায়ী শ্রেণী বিভাজন সর্ম্পকে চমুকৈ লিখক।

৪ নং প্রশ্নৰ উত্তৰ ঃ ব্যঞ্জনধ্বনি মানে কি..... ব্যঞ্জনধ্বনি কেইটা কি কি..... উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুযায়ী শ্রেণীবিভাজন আৰু তাৰ ভিত্তিত অসমীয়া বিশিষ্ট ব্যঞ্জনৰ এখন তালিকা প্রস্তত ।

৫ নং প্রশ্নৰ উত্তৰ ঃ বিৰোধী প্রয়োগ কি..... বিশিষ্ট অসমীয়া ব্যঞ্জনকেইটা কি কি স্থানত বিৰোধ হয় অর্থাৎ আদ, মধ্য আৰু অন্ত্যস্থানত বিৰোধ বিৰোধৰ উদাহৰণ দাঙি ধৰক।

৬ নং প্রশ্নৰ উত্তৰ ঃ উষ্ম ব্যঞ্জন কাক বোলে..... উষ্ম ব্যঞ্জন কেইটা আৰু কি কি উচ্চাৰণৰ স্থান অনুযায়ী তালিকা প্রস্তুত, আদ মধ্য আৰু অন্ত্য স্থানত বিৰোধী প্রয়োগ বিৰোধী প্রয়োগৰ উদাহৰণ।



৭.৮ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ বাগধ্বনি কেই ভাগত বিভক্ত আৰু সেই ভাগকেইটা কি কি? প্রতিবিধৰে সংজ্ঞাসহ এটি চমু পৰিচয় দাঙি ধৰক।

প্রশ্ন নং ২ ঃ ব্যঞ্জনধ্বনি কাক বোলে? ব্যঞ্জন ধ্বনিৰ উচ্চাৰণ প্রক্রিয়া কেনেধৰণৰ চমুকৈ উল্লেখ কৰক।

প্রশ্ন নং ৩ ঃ উচ্চাৰণগত দিশৰ পৰা বাগধ্বনিক কেনেদৰে ভাগ কৰা হয়? প্রতিবিধ ধ্বনিৰ বিষয়ে এটি টোকা যুগুত কৰক।

প্রশ্ন নং ৪ ঃ স্বৰতন্ত্রী কাক বোলে? ব্যঞ্জনধ্বনি উচ্চাৰণত স্বৰতন্ত্রীয়ে কেনে ভূমিকা পালন কৰে চমুকৈ উল্লেখ কৰক।

প্রশ্ন নং ৫ ঃ সঘোষ আৰু অঘোষ ধ্বনি কাক বোলে? দুয়ো বিধৰে সংজ্ঞা লিখি উদাহৰণ দিয়ক।

প্রশ্ন নং ৬ ঃ মহাপ্রাণ ধ্বনি আৰু অল্পপ্রাণ ধ্বনি কি? কিহৰ ভিত্তিত এই ভাগ দুটা কৰা হয়। দুয়োবিধ ধ্বনিৰে এটি চমু পৰিচয় দাঙি ধৰক।

প্রশ্ন নং ৭ ঃ ব্যঞ্জনধ্বনিৰ প্রধান বৈশিষ্ট্য কেইটা উল্লেখ কৰি স্বৰধ্বনৰ লগত ইয়াৰ পার্থক্য নিৰূপণ কৰক।

প্রশ্ন নং ৮ ঃ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ মাজত এক তুলনামূলক আলোচনা দাঙি ধৰক।

প্রশ্ন নং ৯ ঃ উচ্চাৰণ স্থান আৰু উচ্চাৰণ কৰণ কি? অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনি উচ্চাৰণত প্রয়োগ হোৱা উচ্চাৰণ স্থান আৰু উচ্চাৰণ কাৰণসমূহৰ এক পৰিচয় দাঙি ধৰক।

প্রশ্ন নং ১০ ঃ নিয়ত বা স্পর্শ ধ্বনি কাক বোলে? অসমীয়া ভাষাত নিয়ত ধ্বনি কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান অনুযায়ী অসমীয়াৰ নিয়ত বা স্পর্শ ধ্বনি কেইটাৰ এখন তালিকা প্রস্তুত কৰক।

প্রশ্ন নং ১১ ঃ অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি কেইটাৰ এখন তালিকা যুগুত কৰক।

প্রশ্ন নং ১২ ঃ কোনবোৰ ধ্বনিয়ে অসমীয়া ব্যঞ্জনধ্বনিক বিশিষ্ট্যতা প্রদান কৰিছে? তেনে ধ্বনি কেইটা আৰু কি কি? উচ্চাৰণৰ ধৰণ অনুসৰি এই ধ্বনিকেইটাৰ এখন তালিকা প্রস্তুত কৰক।

প্রশ্ন নং ১৩ ঃ উষ্ম ধ্বনি কাক বোলে? অসমীয়া ভাষাত উষ্মধ্বনি কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান অনুযায়ী উষ্মধ্বনিকেইটাক এখন তালিকা সজাই লিখক।

প্রশ্ন নং ১৪ ঃ অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনকেইটাৰ আদ্য, মধ্য আৰু অন্ত্য অৱস্থানত বিৰোধ দেখুৱাই উদাহৰণসহ এটি আলোচনা যুগুত কৰক।

প্রশ্ন নং ১৫ ঃ অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহৰ বিৰোধী প্রয়োগৰ ক্ষেত্রত দেখা দিয়া সীমাবদ্ধতাসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ অসমীয়া ভাষাৰ ধ্বনি আৰু আখৰমালা

অধ্যায় গাঁথনি

8.1 উদ্দেশ্য

8.2 পৰিচয়

8.3 অসমীয়া ভাষাৰ আখৰমালা ঃ চমু পৰিচয়

8.3.1 অসমীয়া ভাষাৰ স্বৰধ্বনি আৰু আখৰমালা

8.3.2 অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনি আৰু আখৰমালা

8.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

8.5 অধিক জানিবলৈ

8.6 অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

8.7 আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ ধ্বনি আৰু আখৰমালাৰ এক পৰিচয় লাভ কৰিব পাৰিব
- অসমীয়া ভাষাৰ স্বৰধ্বনি আৰু আখৰমালা সম্পর্কে জানিব পাৰিব
- অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনি আৰু আখৰমালাৰ বিষয়ে অৱগত হ'ব
- অসমীয়া ভাষাৰ ধ্বনি আৰু আখৰমালাৰ মাজত থকা পার্থক্যসমূহৰ বিষয়েও জানিব পাৰিব।

৮.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়াৰ প্রথম যান্মাসিকৰ শিক্ষার্থীসকলৰ বাবে আগবঢ়োৱা তৃতীয় ঐচ্ছিক পাঠ্যবিষয় 'ধ্বনি বিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব'ৰ অন্তর্গত এইটো হ'ল অষ্টম অধ্যায়। এই অষ্টম অধ্যায়টোৰ শিৰোনাম হ'ল 'অসমীয়া ভাষাৰ ধ্বনি আৰু আখৰমালা'। অসমীয়া ভাষালৈ মন কৰিলে দেখা যায় যে অসমীয়া ভাষাত ব্যৱহৃত ধ্বনি আৰু আখৰমালা একে নহয়। অর্থাৎ অসমীয়া ভাষাত বিশিষ্ট ৰূপে প্রয়োগ হোৱা স্বৰধ্বনি তথা ব্যঞ্জনধ্বনি আৰু সেই ধ্বনিসমূহক প্রতিনিধিত্ব কৰা আখৰসমূহৰ মাজত কেনে ধৰণৰ সম্পর্ক আছে নাইবা অসমীয়া ভাষাৰ ধ্বনি আৰু আখৰসমূহৰ মাজত কেনেধৰণৰ পার্থক্য আছে সেই সকলো কথা এই অধ্যায়টোত বিশদভাৱে আলোচনা কৰা হৈছে। গতিকে এই অধ্যায়টোৰ জৰিয়তে অসমীয়া ভাষা শাখাৰ শিক্ষার্থীসকলে অসমীয়া ভাষাৰ ধ্বনি আৰু আখৰমালাৰ বিষয়ে এক সামগ্রিক ধাৰণা লাভ কৰিব বুলি আশা কৰিব পাৰি।

৮.৩ অসমীয়া ভাষাৰ আখৰমালা ঃ চমু পৰিচয়

অসমীয়া ভাষাৰ এটা মন কৰিবলগীয়া কথা হ'ল অসমীয়াৰ স্বৰ আৰু ব্যঞ্জন আখৰমালা। অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিসমূহক যিবোৰ আখৰে প্ৰতিনিধিত্ব কৰে সেইবোৰকে আখৰমালা বুলি কোৱা হয়। অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনি আৰু আখৰমালালৈ মন কৰিলে দেখা যায় যে এই দুয়োৰে মাজত যথেষ্ট পাৰ্থক্য আছে। স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি এই দুয়োবিধ বিশিষ্ট ধ্বনি আৰু আখৰ একে নহয়। সংস্কৃতৰ স্বৰবৰ্ণমালা আৰু ব্যঞ্জনবৰ্ণমালাৰ আৰ্হিত অসমীয়া ভাষাতো লিখোঁতে বানানৰ ক্ষেত্ৰত সকলোবোৰ স্বৰ আৰু ব্যঞ্জন ব্যৱহাৰ কৰা হয় যদিও উচ্চাৰণৰ ক্ষেত্ৰত সংস্কৃত বৰ্ণমালাৰ লগত অসমীয়া বৰ্ণমালাৰ যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হয়। অৰ্থাৎ সংস্কৃত বৰ্ণমালাৰ অনুকৰণত অসমীয়া লিখোঁতে বহুতো আখৰ ব্যৱহাৰ কৰা হয় যদিও সেই আটাইবোৰৰে ধ্বনিগুণ অসমীয়া ভাষাত ৰক্ষিত হোৱা নাই। সংস্কৃত ভাষাত বিশিষ্ট ধ্বনি বা বৰ্ণ আৰু আখৰৰ মাজত কোনো পাৰ্থক্য নাই। সংস্কৃতত বৰ্ণ আৰু আখৰ একেই অৰ্থাৎ সংস্কৃতত বৰ্ণ যিমান আখৰো সিমান। কিন্তু অসমীয়া ভাষাত বিশিষ্ট ধ্বনি আৰু আখৰ একে নহয়। অৰ্থাৎ অসমীয়া ভাষাত বানানৰ ক্ষেত্ৰত সংস্কৃতৰ অনুকৰণত আটাইবোৰ আখৰ ব্যৱহাৰ কৰা হয় যদিও সকলোৱে বিশিষ্ট ধ্বনিৰ মৰ্যাদা লাভ কৰা নাই। তলত অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি আৰু বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহক প্ৰতিনিধিত্ব কৰা আখৰ মালাৰ এক পৰিচয় দাঙি ধৰা হ'ল—

৮.৩.১ অসমীয়া ভাষাৰ স্বৰধ্বনি আৰু আখৰমালা

অসমীয়া ভাষাত আঠোটা বিশিষ্ট স্বৰধ্বনি পোৱা যায়। এইকেইটা স্বৰধ্বনি হ'ল— ই, এ, এ', আ, অ, অ', ও আৰু উ। এই আঠোটা স্বৰধ্বনিৰ বিপৰীতে অসমীয়া স্বৰবৰ্ণমালাত 11 টা আখৰ পোৱা যায়। এই এঘাৰটা আখৰ হ'ল অ, আ, ই ঈ, উ, ঊ, ঋ, এ, ঐ, ও আৰু ঔ। গতিকে অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি যিমান আখৰৰ সংখ্যা তাতোকৈ বেছি। সংস্কৃতৰ আৰ্হিত বানানৰ ক্ষেত্ৰত লিখোঁতে স্বৰবৰ্ণমালাত থকা আটাইবোৰ আখৰেই ব্যৱহাৰ কৰা হয়। উল্লেখযোগ্য যে অসমীয়া ভাষাত স্বৰবৰ্ণমালাত থকা আটাইবোৰ আখৰে বিশিষ্ট ধ্বনিৰ মৰ্যাদা লাভ কৰা নাই। ইয়াৰ কাৰণ হ'ল অসমীয়া ভাষাত স্বৰৰ হ্ৰস্ব-দীৰ্ঘৰ উচ্চাৰণৰ পাৰ্থক্য নাই। সেয়ে ই-ঈ ৰ ঠাই 'ই' আৰু উ-ঊ ৰ ঠাইত 'উ'-কহে বিশিষ্ট ধ্বনি ৰূপে ধৰা হয়। সেইদৰে অসমীয়া ভাষাত 'এ' আৰু 'অ' স্বৰধ্বনিৰ দুই ধৰণৰ উচ্চাৰণ পোৱা যায়। সেই দুটা উচ্চাৰণ হ'ল— এ আৰু এ'— অ আৰু অ'। এই দুয়োবিধ ধ্বনি উচ্চাৰণ কৰোঁতে ধ্বনিগুণৰ পাৰ্থক্য বুজাবৰ বাবে এ আৰু অ ধ্বনিৰ লগত উৰ্দ্ধকমা (') ব্যৱহাৰ হয়। এ' আৰু অ'— এই ধ্বনি দুটা লিখিবৰ বাবেও অসমীয়া ভাষাত কোনো সুকীয়া

আখৰ নাই। অভিন্ন পৰিবেশত অর্থৰ সলনি ঘটাব পাৰে বাবে অসমীয়া ভাষাত এই চাৰিওটা ধ্বনিয়েই বিশিষ্ট ধ্বনি।

সেইদৰে অসমীয়া স্বৰবর্ণমালাত থকা ঋ আখৰটো লিখোতে বানানৰ ক্ষেত্রত ব্যৱহাৰ কৰা হয় যদিও অসমীয়া ভাষাত ই 'ৰি' হিচাপেও উচ্চাৰিত হয়। আকৌ অসমীয়া ভাষাৰ স্বৰবর্ণমালাত দুটা যৌগিক স্বৰধ্বনি পোৱা যায়। সেই দুটা হ'ল— ঐ আৰু ঔ। অর্থাৎ ঐ স্বৰটো অ আৰু ই স্বৰ লগলাগি আৰু ঔ স্বৰটো অ আৰু উ স্বৰ লগলাগি গঠন হৈছে। গতিকে দুটা স্বৰধ্বনি লগলাগি গঠন হোৱা বাবে ইহঁতক যৌগিক স্বৰ বা দ্বিস্বৰ ধ্বনি বুলি কোৱা হয়। লিখোঁতে বানানৰ ক্ষেত্রত ইহঁতক ব্যৱহাৰ কৰা হয় যদিও এই দুয়োটা স্বৰেও বিশিষ্ট স্বৰৰ মর্যাদা লাভ কৰা নাই। গতিকে সংস্কৃতিৰ আর্হিত অসমীয়াত বানানৰ ক্ষেত্রত 11 টা আখৰ পোৱা যায় যদিও প্রকৃততে আঠোটা ধ্বনিকহে বিশিষ্ট ধ্বনি ৰূপে ধৰা হয়। অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি আৰু আখৰৰ তালিকাখন তলত দিয়া হ'ল—

বিশিষ্ট ধ্বনি	আখৰ
ই	ই, ঈ
এ'	—
এ	এ
আ	আ
অ	অ
অ'	—
ও	ও
উ	উ, ঊ

ওপৰৰ তালিকাখনৰ পৰা দেখা যায় যে অসমীয়া ভাষাত 'ই' আৰু 'উ' বিশিষ্ট ধ্বনিয়ে হ্রস্ব আৰু দীর্ঘ এই দুয়োবিধ ধ্বনিয়ে প্রতিনিধিত্ব কৰে। সেইদৰে অসমীয়া ভাষাত দুটা নতুন ধ্বনি বিশিষ্ট ৰূপে পোৱা যায় যি দুটা ধ্বনি বুজাবৰ বাবে কোনো আখৰ নাই। সেয়ে অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনি আৰু আখৰৰ মাজত পার্থক্য আছে।

অসমীয়া ভাষাৰ স্বৰসমূহলৈ মন কৰিলে দুটা ৰূপ দেখা যায়। এটা হ'ল মুখ্যৰূপ আৰু আনটো হ'ল গৌণ ৰূপ। অ স্বৰৰ বাহিৰে অসমীয়া ভাষাৰ সকলোবোৰ স্বৰৰে একোটা গৌণ ৰূপ পোৱা যায়। শব্দৰ আদি অৱস্থানত স্বৰবর্ণ মুখ্য ৰূপত প্রয়োগ হয় যদিও শব্দৰ মাজত বা ব্যঞ্জন ধ্বনিৰ পাছত প্রয়োগ হ'লে স্বৰবর্ণৰ ৰূপ সুকীয়া হোৱা দেখা যায়। তলত অসমীয়া ভাষাৰ স্বৰৰ মুখ্যৰূপ আৰু গৌণৰূপবোৰৰ প্রয়োগসহ এখন তালিকা দাঙি ধৰা হ'ল—


স্বৰৰ মুখ্যৰূপ	গৌণৰূপ	প্ৰয়োগৰ নিদৰ্শন
অ	—	কমল, কদম, অসম
আ	া	আচাৰ, আজাৰ, আকাশ
ই	ি	খিৰিকি, মিছিৰি,ভিনিহি
ঈ	ী	চহকী, জীৱনী, বগলী
উ	ু	কুকুৰ, কুলি, আলু
ঊ	ূ	গধূলি, কাকূতি, ধূপ
ঋ	ৃ	তৃণ, মাতৃ, কৃষক
এ	ে	কেৰেলা, বেঙেনা, বেল
ঐ	ৈ	জাকৈ, কাৰৈ, গৰৈ
ও	ো	কোমোৱা, কোমল, নোমাল
ঔ	ৌ	চৌকা, নৌকা, ভাটৌ

গতিকে দেখা গ'ল যে অ স্বৰৰ বাহিৰে অসমীয়া ভাষাৰ আটাইবোৰ স্বৰৰে এটা গৌণ ৰূপ বা স্বতন্ত্ৰ চিন দেখিবলৈ পোৱা যায়। এই গৌণ ৰূপ বা স্বতন্ত্ৰ চিহ্নবোৰ সদায় শব্দৰ মাজত বা ব্যঞ্জনৰ লগতহে সংযোগ হয়।

সেইদৰে অসমীয়া ভাষাৰ স্বৰবৰ্ণমালাৰ উ, ঊ আৰু ঋ আন ধ্বনিৰ লগত যোগ হ'লে কিছুমান নতুন ৰূপৰ সৃষ্টি হোৱা দেখা যায়। নিদৰ্শন স্বৰূপে—

ৰ ÙÂ উ Ô ৰু (গৰু, সৰু, পৰুৱা)
ৰ ÙÂ ঊ Ô ৰূ (স্বৰূপ, ৰূপ)
শ ÙÂ উ Ô শু (শিশু, পশু)
হ ÙÂ উ Ô হু (বিহু, বহুত)
গ ÙÂ উ Ô গু (মাগুৰ, গুবৰুৱা)
ক্র ÙÂ উ Ô ক্রু (ক্রটি)
ব্র ÙÂ উ Ô ব্রু (বব্রুবাহন)
শ্র ÙÂ উ Ô শ্রু (শ্রুতি, শ্রুতলিপি)
স্ত ÙÂ উ Ô স্তু (বস্তু, স্তুতি, প্রস্তুতি)
শ্র ÙÂ ঊ Ô শ্রূ (শুশ্রষা, শ্রদ্ধা)
ভ্র ÙÂ ঊ Ô ভ্রূ (ভ্রূক্ষেপ)
হ ÙÂ ঋ Ô হৃ (হৃত, হৃদয়)

এইদৰে কিছুমান ব্যঞ্জন বৰ্ণৰ লগত উ, ঊ আৰু ঋ স্বৰ লগ লাগিলে নতুন কিছুমান ৰূপৰ সৃষ্টি হৈ বানানৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা দেখা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি আৰু আখৰ একেনে? চমুকৈ বুজাই লিখক।(100 টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ স্বৰৰ গৌণ প্রতীক মানে কি? অসমীয়া ভাষাৰ স্বৰবৰ্ণসমূহৰ গৌণ প্রতীকসমূহ উল্লেখ কৰি এখন তালিকা প্রস্তুত কৰক।(100 টা শব্দৰ ভিতৰত)

.....

৮.৩.২ অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনি আৰু আখৰমালা

স্বৰবর্ণমালাৰ দৰে অসমীয়া ভাষাৰ ব্যঞ্জনবর্ণমালাও সংস্কৃতৰ আৰ্হিত গঢ়ি তোলা হৈছে। অসমীয়া ভাষাত অৰ্দ্ধ স্বৰ দুটাক বাদ দি 21 টা বিশিষ্ট ব্যঞ্জনধ্বনি পোৱা যায়। কিন্তু সংস্কৃত ব্যঞ্জনবর্ণমালা অনুযায়ী অসমীয়া ভাষাত লিখোঁতে বানানৰ ক্ষেত্রত 41 টা আখৰ ব্যৱহাৰ কৰা হয়। গতিকে ব্যঞ্জনবর্ণৰ ক্ষেত্রতো অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জনধ্বনি আৰু আখৰৰ মাজত পার্থক্য দেখা যায়। ব্যঞ্জনবর্ণমালাত থকা সকলোবোৰ ব্যঞ্জনবর্ণই বানানৰ ক্ষেত্রত প্রয়োগ কৰা হয় যদিও অসমীয়া ভাষাত সকলোবোৰ ব্যঞ্জনবর্ণই সংস্কৃতৰ ধ্বনিগুণ অনুসৰি উচ্চাৰিত নহয়। অর্থাৎ অসমীয়া ভাষাৰ ব্যঞ্জনবর্ণবোৰত সংস্কৃত ব্যঞ্জনবর্ণৰ উচ্চাৰণ পোৱা নাযায়। সংস্কৃতৰ পৰা জন্ম লাভ কৰিলেও অসমীয়া ব্যঞ্জনবর্ণই এক ৰূপ পৰিগ্রহণ কৰিছে। ইয়াৰ প্রধান কাৰণ হ'ল সংস্কৃতৰ দন্ত্য, মূর্দ্ধন্য আৰু তালব্য— এই ব্যঞ্জন ধ্বনিসমূহৰ উচ্চাৰণ অসমীয়া ভাষাত নাই। সংস্কৃতৰ এই আটাইকেইবিধ ধ্বনি অসমীয়া ভাষাত দন্তমূলীয় ধ্বনি ৰূপেহে উচ্চাৰিত হয়। অর্থাৎ অসমীয়া ভাষাত বানানৰ ক্ষেত্রত ব্যঞ্জন বর্ণমালাত থকা দন্ত্য ত, থ, দ, ধ আৰু মূর্দ্ধন্য ট, ঠ, ড আৰু ঢ —এই আখৰকেইটা ব্যৱহাৰ কৰা হয় যদিও ইহঁতৰ প্রকৃত ধ্বনিগুণ অসমীয়া ভাষাত ৰক্ষিত হোৱা নাই। এই আটাইকেইটা ধ্বনিয়েই অসমীয়াত দন্তমূলীয় ৰূপে উচ্চাৰিত হয়। বানানৰ ক্ষেত্রত দুয়োবিধ আখৰেই প্রয়োগ কৰা হয় যদিও চাৰিটা ধ্বনিকহে বিশিষ্ট ধ্বনিৰ মর্যাদা দিয়া হয়। সেই চাৰিটা ধ্বনি হ'ল— দন্তমূলীয় স্পর্শ ত, থ দ আৰু ধ ধ্বনি। সেইদৰে সংস্কৃতৰ তালব্য স্পর্শ চ, ছ, জ আৰু ঝ— এই চাৰিটা ধ্বনিও অসমীয়াত দন্তমূলীয় ধ্বনি ৰূপে উচ্চাৰিত হয়। অসমীয়া ভাষাত চ আৰু ছ ৰ উচ্চাৰণৰ ক্ষেত্রত কোনো পার্থক্য নাই। সেইদৰে জ আৰু ঝ ধ্বনিৰ উচ্চাৰণতো কোনো পার্থক্য নাই। সেয়ে লিখোঁতে বানানৰ ক্ষেত্রত এই আটাইকেইটা ধ্বনিয়েই ব্যৱহাৰ কৰা হয় যদিও চ আৰু জ ধ্বনিকহে বিশিষ্ট ধ্বনিৰ মর্যাদা দিয়া হৈছে। সেয়ে অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জন ধ্বনিৰ তুলনাত আখৰৰ সংখ্যা অধিক পোৱা

যায়। সেইদৰে সংস্কৃত ভাষাত পাঁচোটা নাসিক্য ধ্বনি পোৱা যায়। সেই কেইটা হ'ল ম, ন, ণ, ঞ আৰু ঙ। এই পাঁচোটা ধ্বনিৰ ভিতৰত অসমীয়া ভাষাত ণ আৰু ঞ-ৰ উচ্চাৰণ লোপ পায়। ঞ ধ্বনি অসমীয়াত 'য়' বা 'ইয়'ৰ দৰে উচ্চাৰণ হোৱা দেখা যায়। যেনে— ভূঞা, কেঞা আদি। আকৌ 'চ' বৰ্গৰ ধ্বনিৰ লগত 'ঞ' ধ্বনিটোৰ সহযোগ হ'লে অসমীয়াতে 'ঞ' ৰ উচ্চাৰণ 'ন' লৈ পৰিবৰ্তন হোৱা দেখা যায়। যেনে চঞ্চল (চন্চল), অঞ্চল (অনচ্ল), লাঞ্চনা (লান্চনা) আদি। সেয়ে লিখোঁতে নাসিক্য ব্যঞ্জন ৰূপে পাঁচোটা আখৰ লিখা হয় যদিও তিনিটা ধ্বনিহে বিশিষ্ট ধ্বনি ৰূপে ধৰা হয়। সেইদৰে বানানৰ ক্ষেত্ৰত লিখোঁতে য, জ, ঝ এই তিনিটা আখৰ লিখা হয় যদিও এই তিনিটা ধ্বনিক 'জ' বিশিষ্ট ধ্বনিয়ে প্ৰতিনিধিত্ব কৰে। অসমীয়া ব্যঞ্জন বৰ্ণমালাত শ, ষ, স-এই তিনিটা ধ্বনিয়েই বানানৰ ক্ষেত্ৰত প্ৰয়োগ হয় যদিও অসমীয়া ভাষাত বিশিষ্ট ধ্বনিৰ মৰ্যাদা পায় ১ টা ধ্বনিয়ে। সেইটো হ'ল পশ্চতালব্য অঘোষ উষ্ম স (x)। উল্লেখযোগ্য যে পশ্চতালব্য অঘোষ উষ্ম স (x) এই ধ্বনিটো অসমীয়া বিশিষ্ট ব্যঞ্জনধ্বনিৰ এক বৈশিষ্ট্যমূলক উচ্চাৰণ। আন সমগোত্ৰীয় ভাষাত এই ধ্বনি উচ্চাৰণ পোৱা নাযায়।


অসমীয়া ব্যঞ্জনবৰ্ণমালাত থকা 'ক্ষ' বৰ্ণটো এটা সুকীয়া বৰ্ণ নহয়, ই যুক্ত বৰ্ণহে। অৰ্থাৎ ক্ষ হ'ল 'ক' আৰু 'ষ' ৰ যুক্তৰূপ। সেইদৰে 'ৰ', 'ড়' আৰু 'ঢ়'ৰ সুকীয়া উচ্চাৰণ অসমীয়া ভাষাত পোৱা নাযায়। আকৌ খণ্ড ৎ বা হসন্ত ৎ ব্যঞ্জনান্ত 'ত'ৰে আন এটা পৃথক ৰূপ। 'ং' (অন্তস্বাৰ) হ'ল 'ঙ'ৰ বিকল্প ৰূপ। সেইদৰে ঃ (বিসৰ্গ) আৰু ঁ (চন্দ্ৰবিন্দু)ৰ সুকীয়া উচ্চাৰণ নাই। আন বৰ্ণৰ লগত সংযোগ হৈহে ইহঁত উচ্চাৰিত হয়। ঃ (বিসৰ্গ)ৰ উচ্চাৰণ 'হ'ৰ দৰে আৰু চন্দ্ৰবিন্দুৰ উচ্চাৰণত নাসিক্য প্ৰৱণতা দেখা যায়। এইদৰে সংস্কৃতৰ আৰ্হিত বানানৰ ক্ষেত্ৰত অসমীয়া ভাষাত 41 টা আখৰ ব্যৱহাৰ কৰা হয় যদিও উচ্চাৰণৰ ক্ষেত্ৰত এইবোৰ যথেষ্ট সীমিত হৈ পৰা পৰিলক্ষিত হয়। তলত অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি আৰু সেই ধ্বনিসমূহক প্ৰতিনিধিত্ব কৰা আখৰসমূহৰ এখন তালিকা দাঙি ধৰা হ'ল—

বিশিষ্ট ব্যঞ্জন ধ্বনি	আখৰ
প	প
ফ	ফ
ব	ব, ৱ
ভ	ভ
ত	ত, ট, ৎ
থ	থ, ঠ
দ	দ, ড
ধ	ধ, ঢ
ক	ক

খ	খ
গ	গ
ঘ	ঘ
ম	ম
ন	ন, ণ, ঞ
ঙ	ঙ, ং
চ	চ, ছ (শ, ষ, স)
জ	জ, ঝ, য (হ্য)
স	স, শ, ষ
হ	হ, ঃ
ৰ	ৰ, ড়
ল	ল

গতিকে অসমীয়া ভাষাৰ ব্যঞ্জন বর্ণমালাত 41 টা ব্যঞ্জনবর্ণ পোৱা যায় যদিও কিছুমান বর্ণৰ উচ্চাৰণ বা ব্যৱহাৰত বিশেষত্ব পৰিলক্ষিত হয়।

অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি আৰু সেই ব্যঞ্জন ধ্বনিসমূহক প্রতিনিধিত্ব কৰা আখৰসমূহ বিশ্লেষণ কৰি শেষত ক'ব পাৰি যে অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি আৰু আখৰৰ মাজত যথেষ্ট পার্থক্য আছে। সংস্কৃত ব্যঞ্জন বর্ণমালাৰ আর্হিত অসমীয়া ভাষাত আখৰবোৰ লিখা হয় যদিও উচ্চাৰণৰ ক্ষেত্রত সংস্কৃতৰ লগত অসমীয়া ব্যঞ্জনবর্ণৰ বিশেষ মিল নাই, বৰং যথেষ্ট পৰিবর্তন হৈছে বুলিব পাৰি। সেয়েহে স্বৰধ্বনিৰ দৰেই ব্যঞ্জনধ্বনিৰ ক্ষেত্রতো বিশিষ্ট ব্যঞ্জন আৰু আখৰ একে নহয়। অসমীয়া ব্যঞ্জন বিশিষ্ট ধ্বনি আৰু আখৰৰ মাজত যথেষ্ট পার্থক্য বিদ্যমান।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি আৰু আখৰ সম্পর্কে চমুকৈ এক আলচ যুগুত কৰক।

(150টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৪ ঃ সংস্কৃতৰ পৰা অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনি কিমান দূৰ আঁতৰি আহিছে সেই সম্পর্কে এক চমু টোকা যুগুত কৰক ।(100টা শব্দৰ ভিতৰত)

.....



৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনি আৰু সেইবোৰক প্ৰতিনিধিত্ব কৰা আখৰমালা সম্পৰ্কে এক সাধাৰণ পৰিচয় লাভ কৰিলে।
- সংস্কৃত স্বৰ আৰু ব্যঞ্জন বৰ্ণমালা অনুযায়ী অসমীয়া ভাষাৰ দুয়োখন বৰ্ণমালা গঢ় লৈ উঠিলেও অসমীয়া ভাষাৰ বৰ্ণমালাই এক সুকীয়া ৰূপ পৰিগ্ৰহণ কৰিছে। অসমীয়া ভাষাৰ স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিৰ এক সুকীয়া বিশেষত্ব আছে। তদুপৰি অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি আৰু আখৰৰ সংখ্যাও একে নহয়। সেইদৰে অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি আৰু সেই ধ্বনিবোৰক প্ৰতিনিধিত্ব কৰা আখৰৰ সংখ্যাও একে নহয়। এই অধ্যায়টোৰে অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনি আৰু আখৰ সম্পৰ্কে এক সম্যক ধাৰণা আগবঢ়ালে।
- অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনি আৰু আখৰৰ মাজত পাৰ্থক্য কিমান, অসমীয়া ভাষাৰ স্বৰধ্বনি আৰু গৌণ প্ৰতীক, আন বৰ্ণৰ লগত সংযোগ হ'লে উ, ঊ আৰু ঋ ধ্বনিয়ে কেনেদৰে পৰিবৰ্তন লাভ কৰে সেই সকলো কথা এই অধ্যায়টোৰ জৰিয়তে অৱগত হ'ব পাৰিলোঁ। তদুপৰি অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি আৰু আখৰৰ মাজত থকা পাৰ্থক্যবোৰ জনাত এই অধ্যায়টোৱে যথেষ্ট সহায় কৰিলে বুলি ধাৰণা কৰিব পাৰি।
- অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনি সংস্কৃততকৈ কি কি দিশত পৃথক হৈ পৰিছে সেই কথাও এই অধ্যায়টোত প্ৰতি পাদিত হৈছে। মুঠতে 'অসমীয়া ভাষাৰ ধ্বনি আৰু আখৰমালা' শীৰ্ষক অধ্যায়টোৰ জৰিয়তে অসমীয়া ভাষাৰ বিশিষ্ট স্বৰ আৰু ব্যঞ্জনধ্বনি আৰু সেই ধ্বনিবোৰক প্ৰতিনিধিত্ব কৰা আখৰ সম্পৰ্কে এক থূলমূল আভাস লাভ কৰিবলৈ সক্ষম হ'লো।



৮.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

1] কোঁৱৰ, অৰ্পনা (2002); ভাষাবিজ্ঞান উপক্ৰমণিকা, ডিব্ৰুগড় ঃ বনলতা

2] গোস্বামী, উপেন্দ্ৰনাথ (2015); ভাষাবিজ্ঞান, গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ

3] গোস্বামী, উপেন্দ্ৰনাথ (2015); অসমীয়া ভাষাৰ ব্যাকৰণ, গুৱাহাটী ঃ মণি-মানিক প্ৰকাশ

4] গোস্বামী, গোলোক চন্দ্ৰ (1996); অসমীয়া বৰ্ণ প্ৰকাশ, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী

5] গোস্বামী, গোলোকচন্দ্ৰ (2014); অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী

6] গোস্বামী, গোলোকচন্দ্র (2014); ধ্বনিবজ্ঞানৰ ভূমিকা, গুৱাহাটী ঃ বীণা লাইব্রেৰী
7] গোস্বামী,গোলোকচন্দ্র (2000); অসমীয়া ব্যাকৰণ প্রবেশ, গুৱাহাটী ঃ বীণা লাইব্রেীৰ
8] দত্তবৰুৱা, ফণীন্দ্রনাৰায়ণ (2006); আধুনিক ভাষাবিজ্ঞান পৰিচয়, ডিব্রুগড় ঃ বনলতা
9] দত্তবৰুৱা,ফণীন্দ্রনাৰায়ণ (2006); প্রয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা, ডিব্রুগড় ঃ বনলতা
10] নাথ, প্রফুল্ল কুমাৰ আৰু হাজৰিকা, জ্যোতিৰেখা (1997); অসমীয়া ভাষাৰ অধ্যয়ন, গুৱাহাটী ঃ বনলতা
11] পাঠক, ৰমেশ (2014); অসমীয়া ভাষাৰ ইতিহাস, গুৱাহাটী ঃ অশোক বুক ষ্টল
12] বাঠক, ৰমেশ (2011); ভাষা বিজ্ঞানৰ ভূমিকা, গুৱাহাটী ঃ অশোক বুক ষ্টল
13] ফুকন পাটগিৰি, দীপ্তি (2010); আধুনিক অসমীয়া ব্যাকৰণ, গোলাঘাট ঃ সৰস্বতী প্রকাশন
14] শইকীয়া বৰা, লীলাৱতী (2006); অসমীয়া ভাষাৰ ৰূপতত্ব, গুৱাহাটী ঃ বনলতা
15] শইকীয়া বৰা, লীলাৱতী (2016); অসমীয়া ব্যাকৰণ আৰু ব্যৱহাৰ, গুৱাহাটী ঃ চন্দ্রপ্রকাশ
16] ভট্টাচার্য, বসন্ত কুমাৰ (2015); ভাষাবিজ্ঞান প্রবেশ, গুৱাহাটী ঃ চন্দ্রপ্রকাশ
17] হাজৰিকা, লক্ষী (2013); ভাষাবিজ্ঞান আৰু অসমীয়া ভাষা বিজ্ঞান পৰিচিতি, গুৱাহাটী ঃ অশোক পাব্লিকেশ্বন

ইংৰাজী গ্রন্থ ঃ

1) Kakati, Banikanta (1995); Assamese, Its Formation and Development, Guwahati.

৮.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ বিশিষ্ট ধ্বনি কি— আখৰ কি— বিশিষ্ট ধ্বনি আৰু আখৰ যে একে নহয়, দুয়োৰে মাজত কি কি ক্ষেত্রত পার্থক্য আছে সেই সম্পর্কে এক চমু পৰিচয় দাঙি ধৰিব লাগিব।

২ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাৰ স্বৰৰ গৌণ প্রতীক— অসমীয়া ভাষাৰ স্বৰবর্ণমালাত কিমান আখৰ আছে— সেইবোৰ কি কি— স্বৰবোৰক প্রতিনিধিত্ব কৰা গৌণচিহ্নসমূহ কি কি তাৰ এক চমু পৰিচয় উদাহৰণসহ তালিকা এখনত দাঙি ধৰক।

৩ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি কেইটা আৰু কি কি— সেই বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহক প্রতিনিধিত্ব কৰা আখৰসমূহ কি কি সেই সম্পর্কে একে চমু বিৰৰণ দিয়ক।

৪ নং প্রশ্নৰ উত্তৰ ঃ সংস্কৃত ব্যঞ্জন ধ্বনিৰ স্বৰূপ আৰু অসমীয়া ব্যঞ্জন ধ্বনিৰ নিজস্বতা বা স্বকীয় বৈশিষ্ট্যসমূহ উল্লেখ কৰি সংস্কৃত ব্যঞ্জন ধ্বনিৰ লগত অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিৰ ক'ত কি পার্থক্য আছে সেই কথা চমুকৈ উল্লেখ কৰক।



৮.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনি আৰু আখৰমালা সম্পৰ্কে এটি চমু আলোচনা যুগুত কৰক।

প্ৰশ্ন ২ ঃ অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি আৰু আখৰৰ মাজত থকা পাৰ্থক্যসমূহ কি কি সেই সম্পৰ্কে চমুকৈ উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ স্বৰধ্বনিৰ গৌণ প্ৰতীক মানে কি বুজায়? অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহৰ গৌণ প্ৰতীকসমূহ উল্লেখ কৰি সেইবোৰৰ প্ৰয়োগ বিশ্লেষণ কৰক।

প্ৰশ্ন ৪ ঃ অসমীয়া ভাষাত কোনকেইটা স্বৰে আন বৰ্ণৰ লগত সংযোগ হ'লে নতুন ৰূপ গ্ৰহণ কৰে? সেই স্বৰকেইটাই সৃষ্টি কৰা নতুন ৰূপসমূহৰ বিষয়ে চমুকৈ উল্লেখ কৰক।

প্ৰশ্ন ৫ ঃ অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনি আৰু আখৰ একেনে? অসমীয়া বিশিষ্ট ব্যঞ্জন ধ্বনি আৰু আখৰৰ এখন তালিকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৬ ঃ অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি স্বকীয় বৈশিষ্ট্যকেইটা চমুকৈ উল্লেখ কৰক।

প্ৰশ্ন ৭ ঃ অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি আৰু আখৰৰ মাজত কেনেধৰণৰ সম্পৰ্ক আছে সেই কথা ফঁহিয়াই আলোচনা কৰক।

প্ৰশ্ন ৮ ঃ সংস্কৃত ব্যঞ্জন ধ্বনিৰ লগত অসমীয়া বিশিষ্ট ব্যঞ্জনসমূহৰ কি কি দিশত পাৰ্থক্য আছে সেই বিষয়ে এক চমুটোকা যুগুত কৰক।

*** ***** ***

অধ্যায় ৯ ঃ অসমীয়া ধ্বনিৰ ঐতিহাসিক বিকাশ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ প্রত্নলিপি/প্রত্নলেখ
৯.৪ চর্যাপদ আৰু অন্যান্য লিখিত সাহিত্য শ্রেণীত পৰিলক্ষিত হোৱা ধ্বনিৰ বিকাশ
৯.৫ অন্যান্য প্রান্তত পৰিলক্ষিত হোৱা ধ্বনিৰ ঐতিহাসিক বিকাশ
৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৭ অধিক জানিবলৈ
৯.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৯.৯ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ধ্বনিসমূহে কিদৰে বিকাশ লাভ কৰি বর্তমানৰ ৰূপ লাভ কৰিছে, সেই সম্পর্কে আলোচনা কৰিব পাৰি
- ভাষাৰ বিভিন্ন যুগত হোৱা ধ্বনিসমূহৰ পৰিৱর্তন সম্পর্কে অৱগত হ'ব পাৰিব।

৯.২ পৰিচয়

পূর্বৱর্তী আঠটা অধ্যায়ত ধ্বনিবিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্বৰ কেতবোৰ গুৰুত্বপূর্ণ দিশৰ আলোচনা পঢ়িবলৈ পালে। এই অধ্যায়টোত অসমীয়া ধ্বনিৰ ঐতিহাসিক বিকাশৰ কথা আলোচনা কৰা হ'ব। ভাৰতৰ আন আন আর্য ভাষাসমূহৰ দৰে অসমীয়া ভাষাও সংস্কৃত ভাষা সম্ভূত। সংস্কৃত বা প্রাচীন ভাৰতীয় আর্যভাষাৰ পৰাই কালক্রমত পালি, প্রাকৃত, অপভ্রংশৰ মাজেদি আহি খৃঃ ১০ ম শতিকা মানত নব্য ভাৰতীয় আর্য ভাষাসমূহক কিছুমান প্রাকৃত বা তাৰ পৰৱর্তী অপভ্রংশৰ পৰা উদ্ভৱ হোৱা বুলি ধৰি লোৱা হৈছে। কিন্তু এটা কথা ঠিক যে সকলো নব ভাৰতীয় আর্য ভাষা একেটা সময়তে উদ্ভৱ বুলি যি দৰে ক'ব নোৱাৰি একেদৰে এইবোৰৰ কোনো এটাকে বিশেষ এবিধ প্রাকৃত বা অপভ্রংশৰ পৰিণতি বুলি কোৱাও টান। সেয়ে অসমীয়া ভাষাৰ উৎপত্তি সম্পর্কে ক'বলৈ গৈ বিভিন্ন জন পণ্ডিতে ভিন্ ভিন্ প্রাকৃতৰ কথা উল্লেখ কৰিছে। কনকলাল বৰুৱাই অসমীয়া ভাষা পৈশাচী প্রাকৃতৰ পৰা উদ্ভৱ বুলি মত প্রকাশ কৰিছে। বেনীমাধৱ বৰুৱা আৰু ডিম্বেশ্বৰ নেওগে অসমীয়া ভাষাৰ পূর্ব প্রাকৃত হিচাপে কামৰূপী প্রাকৃতৰ নাম উল্লেখ কৰিছে। দেৱানন্দ ভৱালীয়ে কামৰূপী আৰু সৌমাৰ প্রাকৃতৰ পৰা অসমীয়া ভাষাৰ উদ্ভৱ হৈছে

বুলি মত দিছে। Linguistic Survey of India ৰ প্ৰণেতা জৰ্জ গ্ৰীয়েৰ্ছণ, সুনীতি কুমাৰ চেটাৰ্জী, বাণীকান্ত কাকতিৰ দৰে পণ্ডিতে অসমীয়া ভাষাৰ মূল হিচাপে মাগধী প্ৰাকৃতকে ঠাৱৰ কৰিছে। উল্লিখিত মতসমূহৰ ভিতৰত শেষৰটো অৰ্থাৎ অসমীয়া ভাষা মাগধী প্ৰাকৃতৰ পৰা উদ্ভূত, এই মতটোহে বিচাৰি বিশ্লেষণৰ ফালৰ পৰা অধিক সমৰ্থন যোগ্য হিচাপে বিবেচিত হৈছে। অসমীয়া ভাষাৰ প্ৰথমখন গৱেষণা গ্ৰন্থ 'Assamese Its for mation and Development'ত বাণীকান্ত কাকতিয়ে পূৰ্ববৈ পৰা চলি অহা অসমীয়া ভাষা বাংলা ভাষাৰ এক উপভাষা কথাষাৰ খণ্ডন কৰি অসমীয়া ভাষাটো বাংলা ভাষাৰ পৰা ওলোৱা নাই নাইবা ই বাংলা ভাষাৰ এটা মৃত্যুমুখী উপভাষাও নহয়। অসমীয়া ভাষাটো বাংলাৰে সৈতে সম্পৰ্ক থকা এটা সুকীয়া ভাষা। বাংলা আৰু অসমীয়া দুয়োটা ভাষাই এক মান্য মাগধী অপভ্ৰংশৰ উপভাষা।

সুনীতি কুমাৰ চেটাৰ্জীয়েও মাগধী অপভ্ৰংশৰ প্ৰাচ্য ৰূপটোক 'ৰাঢ়', 'বৰেন্দ্ৰ', 'কামৰূপী' আৰু 'বঙ্গ' এই চাৰিটা ভগাই 'কামৰূপী' শাখাৰ পৰা উত্তৰ বাংলা আৰু অসমীয়া ভাষাৰ উদ্ভৱ বুলি মত দি গৈছে। মন কৰিবলগীয়া কথা এয়ে যে উত্তৰ বংগৰ ভাষাটো একেটা মূলৰ পৰা ওলোৱা অসমীয়া ভাষাৰ একেবাৰে নিকটতম ভগ্নী ভাষা হ'লেও পৰৱৰ্তী সময়ত উত্তৰ বাংলাই বাংলা সাহিত্যিক ভাষাৰ অধীনতা মানি ল'লে।

ভাৰতীয় আৰ্য ভাষাৰ তৃতীয় স্তৰ অৰ্থাৎ অপভ্ৰংশ স্তৰৰ পৰা নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ উদ্ভৱ হৈছে বুলি ধৰা হয়। অৰ্থাৎ খ্ৰীষ্টীয় দশম শতিকাৰ আশে-পাশে নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ উদ্ভৱ। সেই ফালৰ পৰা চাবলৈ গ'লে অসমীয়া ভাষাটোৰ জন্মকাল দশম শতিকাৰ পাছৰ বুলি ধাৰণা হোৱাটো স্বাভাৱিক। কিন্তু ভাস্কৰ বৰ্মাৰ ৰাজত্বকালত কামৰূপলৈ অহা চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ বিৱৰণ- 'তেওঁলোকৰ (কামৰূপৰ মানুহৰ) ভাষা মধ্য ভাৰতৰ ভাষাতকৈ অলপ বেলেগ' আৰু প্ৰাচীন কামৰূপৰ হিন্দু ৰজাসকলৰ (ষষ্ঠ-সপ্তম) শতিকাৰ পৰা দ্বাদশ শতিকালৈ তামৰ ফলিসমূহৰ ভাষাই তদানীন্তন কালতেই এই অঞ্চলৰ ভাষাটোৱে এক সুকীয়া ৰূপত বিকাশ লাভ কৰা কথাটো স্পষ্ট কৰে। এই তামৰ ফলিসমূহৰ ভাষা সংস্কৃত আছিল যদিও ঠায়ে ঠায়ে সংস্কৃতভিন্ন শক (যেন— ঠাইৰ নাম, গছ-গছনিৰ নাম, মানুহৰ নাম আৰু অন্যান্য শব্দ)ৰ প্ৰয়োগ আৰু লৌকিক ভাষাৰ প্ৰভাৱত হোৱা ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক পৰিৱৰ্তনৰ নিদৰ্শন কিছুমান সংৰক্ষণ হৈ থকালৈ চাই বেনীমাধৱ বৰুৱা, ডিম্বেশ্বৰ নেওগ, উপেন্দ্ৰনাথ গোস্বামী আদি পণ্ডিতসকলে অসমত সুকীয়া প্ৰাকৃত এটা গঢ় লৈ উঠা বুলি মন্তব্য কৰিছে আৰু ইয়াক 'কামৰূপী প্ৰাকৃত' নামেৰে অভিহিত কৰিছে।

ওপৰৰ আলোচনাৰ পৰা এটা কথা স্পষ্ট হ'ল যে অসমীয়া ভাষাটো মূলতঃ মগধীয় ভাষা। মগধ বিদেহ অঞ্চলৰ পৰা আহি উত্তৰ বঙ্গৰ মাজেদি আৰ্য ভাষাই প্ৰাচীন কামৰূপত প্ৰৱেশ কৰে আৰু সপ্তম শতিকামানৰ পৰাই সুকীয়া ৰূপত বিকাশ লাভ কৰে।

প্ৰাচীনতম অসমীয়া পুথিখন হৈছে হেম সৰস্বতীৰ 'প্ৰ াদ চৰিত'। হেম সৰস্বতী আছিল ত্ৰয়োদশ শতিকাৰ শেষ ভাগৰ বুলি ভবা কমতাপুৰৰ ৰজা দুৰ্ল্লভ নাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰা কবি। হেম সৰস্বতীৰ সময়ৰ পৰাহে অসমীয়া ভাষা-সাহিত্যৰ ধাৰাবাহিক নিদৰ্শন পোৱা যায়। ইয়াৰ

পূৰ্বকালৰ ভাষাৰ স্বৰূপ বুজিবলৈ প্ৰাচীন কামৰূপৰ তাম্ৰলিপিসমূহ, বৌদ্ধ সিদ্ধাচাৰ্যসকলৰ চৰ্যাপদসমূহ আৰু বড়ু চণ্ডীদাসৰ *'শ্ৰীকৃষ্ণ কীৰ্তন'* আদি লিখিত নথিৰ আশ্ৰয় ল'বলগীয়া হয়। এতেকে প্ৰাচীন কামৰূপত তাম্ৰলিপি, শিলালিপিসমূহৰ পৰা ধৰি (খ্ৰীষ্ট্ৰীয় ৫ ম, ষষ্ঠ শতিকাৰ পৰা) খ্ৰীষ্ট্ৰীয় ত্ৰয়োদশ শতিকালৈকে এই সময়ছোৱাক প্ৰত্ন অসমীয়া হিচাপে নামকৰণ কৰিব পাৰি।

সৰলীকৰণ প্ৰৱণতা ভাষাৰ স্বাভাৱিক নিয়ম। প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিৰ্বতনৰ পথত বিভিন্ন স্তৰত নানান ধ্বনিগত আৰু ৰূপগত পৰিৱৰ্তন সাধিত হৈ নব্য ভাৰতীয় আৰ্য ভাষাবোৰত কিছু ভিন্ন ৰূপত আত্মপ্ৰকাশ কৰা দেখা যায়। বৈদিক সংস্কৃত স্তৰত উচ্চাৰিত ধ্বনি আৰু ধ্বনিৰ প্ৰতীক বৰ্ণ বা আখৰৰ মাজত সামঞ্জস্য আছিল কিন্তু পৰৱৰ্তীকালত উচ্চাৰিত ধ্বনিৰ লোপ বৃদ্ধি আৰু ধ্বনিগুণৰ তাৰতম্য ঘটিল যদিও লিপিমালাত অনুৰূপ পৰিবৰ্তন নঘটিল; নতুন ধ্বনিসমূহৰ বাবে কোনো নতুন বৰ্ণৰো সংযোজন নঘটিল। উদাহৰণ স্বৰূপে সংস্কৃত ভাষাত— অ আ ই ঈ উ ঋ ঌ ৯ ৯৯ এ ও ঐ ঔ (ইয়াৰ ভিতৰত ঌ টোৰ উচ্চাৰণ আৰু প্ৰয়োগ কেৱল বৈদিক সংস্কৃততহে পোৱা যায়। পৰৱৰ্তী সংস্কৃত স্তৰত ই সম্পূৰ্ণভাৱে লোপ পালে। হ্ৰস্ব ৯ ৰ উচ্চাৰণ আৰু প্ৰয়োগো ধ্ৰুপদী সংস্কৃত স্তৰত এটা শব্দ 'ক্ ৯ প্' ধাতুত পোৱা যায়)— এই চৈধ্যটাৰ স্বৰবৰ্ণৰ সলনি অসমীয়াত অ, আ, ই, ঈ, উ, ঊ, ঋ, এ, ঐ, ও ঔ এই এঘাৰটাহে ৰক্ষিত হৈছে। ইয়াৰ মাজতো আকৌ অসমীয়াত বিশিষ্ট স্বৰধ্বনি আঠটাহে অ, অ', আ, ই, উ, এ, এ' ও।

ঠিক একেদৰে সংস্কৃত ব্যঞ্জন বৰ্ণমালাৰ আটাইকেইটাই অসমীয়াত ৰক্ষিত হৈছে যদিও 'ৱ' আৰু 'য়' এই অৰ্ধস্বৰ দুটা ধৰি অসমীয়াত বিশিষ্ট ব্যঞ্জন ধ্বনিৰ সংখ্যা ২৩ টাহে। সংস্কৃতৰ তালব্য আৰু মূৰ্দ্ধন্য ধ্বনিৰ উচ্চাৰণ অসমীয়াত লোপ পালে। দন্ত্য স্পৰ্শ ধ্বনিবোৰো দন্তমূলীয় হিচাপে উচ্চাৰিত হয়। সংস্কৃতৰ 'য়' ধ্বনি অসমীয়াত সাধাৰণতে 'জ' আৰু 'ৱ' ধ্বনি বিশেষকৈ আদ্য অৱস্থানত 'ব' হিচাপে উচ্চাৰিত হয়। উষ্ম ধ্বনি শ, ষ, স ধ্বনি পশ্চতালব্য অঘোষ উষ্ম ধ্বনি স (×) ধ্বনি হিচাপেহে উচ্চাৰণ হয়। মন কৰিবলগীয়া যে অসমীয়াত দন্তমূলীয় ধ্বনি বুজাবলৈ কোনো চিহ্ন বা ধ্বনি প্ৰতীক নাই। সংস্কৃত দন্ত্য ধ্বনিৰ আৰ্হিত লিখিত দন্ত্য ধ্বনি কেইটাকে অসমীয়াত দন্তমূলীয় ধ্বনি হিচাপে ব্যৱহাৰ কৰা হয়। সেইদৰে পশ্চতালব্য অঘোষ উষ্ম ধ্বনি বুজাবলৈও অসমীয়াত কোনো ধ্বনি প্ৰতীক নাই। × ৰে বুজোৱা এই ধ্বনিটো অসমীয়াত স বা য হিচাপে লিখা হয়। তদুপৰি সংস্কৃত উষ্ম ধ্বনি তিনিটা (স, ষ, শ) বিভিন্ন পৰিৱেশত দন্তমূলীয় উষ্ম চ, হ হিচাপেহে উচ্চাৰিত হয়। যেনে- কলস > কলহ, ত্ৰিশ > ত্ৰিচ্ ইত্যাদি।

৯.৩ প্ৰত্নলেখ/প্ৰত্নলিপি সমূহত হোৱা ধ্বনিৰ বিকাশ

বৰ্তমানলৈকে ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰাপ্ত লিপিবোৰৰ ভিতৰত আটাইতকৈ প্ৰাচীন খ্ৰীষ্ট্ৰীয় পঞ্চম শতিকাৰ সুৰেন্দ্ৰ বৰ্মাৰ উমাচল লিপি আৰু নগাজৰী খনিকৰ গাঁৱৰ শিলালিপিৰ পৰা খ্ৰীষ্ট্ৰীয় ত্ৰয়োদশ শতিকাৰ আমবাৰী শিলা লেখলৈকে এইছোৱা সময়ৰ শিলালিপি, তাম্ৰলিপিসমূহৰ ভাষা নিৰীক্ষণ কৰিলে দেখা যায় যে এইবোৰৰ ভাষা মূলতঃ সংস্কৃতেই যদিও এই সংস্কৃত ভাষাৰ

মাজত সংস্কৃত ব্যাকৰণ বহির্ভুত নিয়ম কিছুমানো সংৰক্ষিত হৈ আছে। ৰজা আৰু ব্রাহ্মণভিন্ন অন্যান্য মানুহৰ নাম, ঠাই, পুখুৰী, নৈ, বিবিধ গছ-গছনিৰ নাম আদি 'দেশী শব্দ' আৰু ৰূপসমূহৰ লগতে লৌকিক ভাষাৰ প্রভাৱত ঘটা উচ্চাৰণগত পৰিবর্তন কিছুমানো পৰিলক্ষিত হয়।

তলত প্রাচীন কামৰূপৰ শিলালিপি, তাম্রলিপি সমূহত ঘটা ধ্বনিতাত্ত্বিক পৰিবর্তনসমূহ দেখুওৱা হ'ল—

স্বৰ ধ্বনিৰ পৰিবর্তন ঃ

১। হ্রস্ব স্বৰৰ দীর্ঘীকৰণ

অ > আ ঃ অগ্গাহিত > আগ্গ্যাহিত (বৰাগাঁও-৬০)
অশ্বত্থ > আশ্বত্থ (শুভংকৰ পাটক - ৫২)

ই > ঈ ঃ উপৰি > উপৰী (বৰাগাঁও - ৫৭)
ইত্যাদি > ইত্যাদী (গুৱাহাটী আৰু গুৱাকুচি - ১)

উ > ঊ ঃ সূনু > সূনূ (নিধনপুৰ - ১২)
তনুজ > তনূজ (নগাঁও - ১৯)

২। দীর্ঘ স্বৰৰ হ্রস্বীকৰণ

মধ্য ভাৰতীয় আর্য ভাষা স্তৰত প্রাচীন ভাৰতীয় আর্য ভাষাৰ সংযুক্ত ব্যঞ্জনৰ আৰু পদান্ত অনুস্বৰৰ পূর্ববতী দীর্ঘ স্বৰ হ্রস্ব স্বৰত পৰিণত হয়। কেতিয়াবা কেতিয়াবা সংযুক্ত ব্যঞ্জন বা পদান্ত অনুস্বাৰৰ পূর্ব স্থানৰ বাদে অন্য স্থানতো এনে হয়।

আ > অ ঃ শাংকৰী > শংকৰী (বৰাগাঁও - ৪)
বাজসনেয়ী > বজসনেয়ী (নিধনপুৰ - ১০৬)

ঈ > ই ঃ ঈশ্বৰ > ইশ্বৰ (নিধনপুৰ - ৬+)
দীপ্ত > দিপ্ত (গছতল - ৩)

ঊ > উ ঃ ময়ূৰ > ময়ুৰ (নিধনপুৰ - ১৫)
কামৰূপ > কামৰুপ (পুষ্পভদ্রা - ৪১)

৩। 'ঋ' কাৰৰ পৰিবর্তন ঃ

প্রাচীন ভাৰতীয় আর্য ভাষাৰ 'ঋ' ধ্বনিটো মধ্য ভাৰতীয় আর্য ভাষাত অ, ই, উ বা স্বৰযুক্ত 'ৰ' ধ্বনিলৈ পৰিবর্তন হয়। একাদশ-দ্বাদশ শতিকাৰ তামৰ ফলিতো এনে বৈশিষ্ট্য ৰক্ষিত হৈছে।

ঋ > অ ঃ বৃহদাল্যাং > ৰহদাল্যাং (বৰগাঁও - ৭১)
ঋ > ই ঃ হৃত > হিত (গছতল - ৫)

ঋ > ৰি ঃ কৃত্বা > ক্রিত্বা (কমৌলি - ৫৮)
ঋ > ৰু ঃ ঋষিগণ > ৰুষিগণ (বৰগাঁও - ৬৫-৬৬)

৪। দ্বিস্বৰ 'ঐ' আৰু 'ঔ'ৰ পৰিবর্তন ঃ

প্রাচীন ভাৰতীয় আর্য ভাষাৰ 'ঐ' আৰু 'ঔ' এই যৌগিক স্বৰ দুটা মধ্য ভাৰতীয় আর্য

ভাষাত বেছিভাগ ক্ষেত্রতে 'এ' আৰু 'ও'-ত পৰিণত হয়। 'ঐ' কেতিয়াবা 'ই' লৈও পৰিবর্তন হয়। প্রাচীন কামৰূপৰ শিলালিপিসমূহত এই বৈশিষ্ট্যসমূহ ৰক্ষিত হোৱা দেখা যায়।

ঐ > এ ঃ গৰুড়ৈ > গৰুড়ে (অসম ফলি - ২৮)

ঐ > ই ঃ শনৈশ্বৰ > শনিশ্চৰ (নিধনপুৰ - ৬০)

ঔ > ও ঃ ধৌতেশ্বৰ > ধোতেশ্বৰ (নিধনপুৰ - ১০৮)

৪। স্বৰৰ সলনি স্বৰান্তৰ প্রয়োগ ঃ

এটা স্বৰৰ পৰিবর্তে অন্য এটা স্বৰৰ ব্যৱহাৰ মধ্য ভাৰতীয় আর্য ভাষাৰ স্বৰ প্রয়োগৰ এক প্রধান বৈশিষ্ট্য। প্রাচীন কামৰূপৰ লেখাৱলীৰ মাজতো এই বৈশিষ্ট্য পোৱা যায়।

অ > উ ঃ বাজসনেয়ী > বাজসুনয়ী (নিধনপুৰ - ৮৩)

আ > ঈ ঃ পাতাল > পাতীল (পুষ্পভদ্রা - ২)

ই > অ ঃ কল্পিতা > কল্পতা (নিধনপুৰ - ৮)

উ > অ ঃ সুনয়ন > সনয়ন (নিধনপুৰ - ১১৫)

ঊ > অ ঃ শম্ভোদর্দ্যা > শম্ভোদদ্যত (গুৱাকুচি - ২)

এ > অ ঃ আত্রেয় > আত্রয় (নিধনপুৰ - ৬০)

এ > ই ঃ তাৰেৰ > তাৰিৰ (উলুবাৰী - ৪৭)

এ > ঐ ঃ কুলাচলস্যেৰ > কুলাচলস্যৈৰ (নিধনপুৰ - ২৮)

ও > অ ঃ যশোভূতি > যশভূতি (নিধনপুৰ - ৬২)

৫। স্বৰলোপ আৰু স্বৰাগম ঃ মধ্য ভাৰতীয় আর্য ভাষা স্তৰত দেখা পোৱা স্বৰলোপ আৰু স্বৰাগম প্রাচীন কামৰূপৰ লেখাৱলীসমূহতো দেখা যায়-

স্বৰলোপ ঃ

(ক) আদি স্বৰলোপ

উড়ুম্বৰ > ডুম্বৰী (নিধনপুৰ - ১২৯-১৩০)

(খ) অন্ত্য স্বৰ লোপ

সঞ্চয়তয়া > সঞ্চয়তয় (নিধনপুৰ - ৩৭)

প্রাপয়িতা > প্রাপয়িত (নিধনপুৰ - ৩৭)

স্বৰাগম ঃ

মধ্য স্বৰাগম ঃ

পুষ্কৰিণী > পুষ্কিৰিণী (নিধনপুৰ - ১৩৪)

শ্রী > সিৰি (গুৱাকুচি - ৭৫)

অন্ত্য স্বৰাগম ঃ

উড়ুম্বৰ > ডুম্বৰী (নিধনপুৰ ১২৯-১৩০)

প্রসিদ্ধ > প্রসিদ্ধি (পুষ্পভ্রদ্রা - ১০)

ব্যঞ্জন ধ্বনিৰ ক্রমবিকাশ

একক ব্যঞ্জনৰ পৰিবর্তন ঃ

১। সংস্কৃতৰ শ, ষ, স- এই উষ্ম ধ্বনি তিনিটাৰ বিকল্প প্রয়োগ কামৰূপীয়া লেখাৱলীসমূহত প্রচুৰ পৰিমাণে দেখা যায়।

স > শ ঃ আসক্তি > আশক্তি (বৰাগাঁও - ৪২)
সকল > শকল (গুৱাহাটী - ৩১)

স > ষ ঃ নিসেৱিত > নিষেৱিত (বৰগাঁও - ৩৩)
তিৰস্কৃতা > তীৰস্কৃতা (বৰগাঁও - ৪৭)

শ > স ঃ অশ্ব > অস্ব (নিধনপুৰ - ২)
কেশৰি > কেসৰি (নগাঁও - ২৬)

শ > ষ ঃ দর্শিত > দর্ষিত (নিধনপুৰ - ৪৮)
কাশী > কাষী (গুৱাহাটী - ৪৯)

ষ > স ঃ দুষ্কৰ > দুস্কৰ (গুৱাহাটী - ৪৪)
শ্রমৱিষী > শ্রমৱিসী (খনামুখ - ৫)

ষ > শ ঃ কল্মষঃ > কল্মশঃ (উত্তৰ বৰবিল - ৩৫)

২। 'য়' 'জ' বিকল্প প্রয়োগ

প্রাচীন কামৰূপৰ লেখাৱলীসমূহৰ ঠায়ে ঠায়ে 'য়' আৰু 'জ' ৰ বিকল্প প্রয়োগ ঘটিছে।

য় > জ ঃ য়াগেশ্বৰ > জাগেশ্বৰ (নিধনপুৰ - ১০৬)
য়শা > জশা (গুৱাহাটী - ১৫)

জ > য় ঃ জায়েত > য়ায়েত (বৰগাঁও - ৪)

৩। 'ব' আৰু 'ৱ'ৰ পার্থক্যহীনতা

প্রাচীন কামৰূপৰ লেখাৱলীসমূহৰ বহু ঠাইত 'ব' আৰু 'ৱ' ধ্বনি দুটাৰ পার্থক্য ৰক্ষিত হোৱা নাই।

বলভদ্র > ৱলভদ্র (উমাচল - ৩)
বহু > ৱহু (ডুবি অনুশাসন - ১৩, ১৯)

৪। অন্যান্য পৰিবর্তন

(ক) ভ, থ > হ ঃ শুভংকৰ > শুহংকৰ (সুভংকৰ পাঠক - ৩২)
(খ) হ > ঘ ঃ সিংহাসন > সিংঘাসন (নগাঁও - ২৯)
(গ) ল > ড ঃ দুর্ল্ললিত > দুল্লডিত (গছতল - ২৮)
(ঘ) ল > ন ঃ মণ্ডলং > মণ্ডনং (হায়ুংথল - ২৬)
(ঙ) ণ > ন ঃ শংকৰ নাৰায়ন > সংকৰ নাৰায়ন
(দেওপানীৰ শংকৰ নাৰায়ণ মূর্ত্তিৰ লেখ)
(চ) গ, দ, ৱ > ক, ত, প
অভিগামিক > অভিকামিক (নিধনপুৰ - ৪৫)

এতদদ্বয়ং > এততদ্বয়ং (কমৌলি - ৫০)

ৱাসৱা > ৱাসপা (বৰগাঁও - ৪৩)

(ছ) ত, থ, প, ট > দ, ঢ, ৱ, ড

লিখিতম্ > লিখিদ ঃ (হৰিহৰ মূর্ত্তিৰ লেখ দেওপানী)

মঠপতি > মঢৱদী (দেওপানী বিষ্ণু মূর্ত্তিৰ লেখ)

৫। লোপ

মধ্য ভাৰতীয় আর্য ভাষা স্তৰত সংযুক্ত ব্যঞ্জনৰ একোটা ব্যঞ্জন লোপ হোৱাৰ উপৰি অযুক্ত অৱস্থাতো কিছুমান ব্যঞ্জন লোপ হোৱা পৰিলক্ষিত হয়। প্রাচীন কামৰূপৰ লেখাৱলীসমূহতো এই দুই ধৰণৰ লোপৰ নিদর্শন পোৱা যায়।

(ক) মধ্য ব্যঞ্জন লোপ

তায়িক > তাইক (বৰগাঁও - ৩৫)

শাসয়িতা > শাসইতা (নিধনপুৰ - ১৩৫)

(খ) মধ্যাক্ষৰ লোপ

ক্ষিতিমথ > খিমথ (বৰগাঁও - ১৫)

পয়োধি > পধি (কমৌলি - ৬৬)

৬। ব্যঞ্জনাগম

নৰকা > নৰঙ্কা (বৰগাঁও - ২৬)

সতাং > স্বতাং (শুভংকৰ পাটক - ৪২)

ইয়াৰ উপৰি অপ্রয়োজনীয় স্থানত অনুস্বাৰ আৰু বিসর্গ আগমৰো ভালেমান নিদর্শন আছে।

খলু > খলুং (গছতল - ৪০, ৪৪)

চন্দ্র > চন্দ্র ঃ (ডুবি ১০, ৮৬)

৭। বিপর্যাসমূলক পৰিবর্তন ঃ

পালি-প্রাকৃতৰ দৰে কামৰূপী লেখতো পদ মধ্যস্থিত ধ্বনিৰ পাৰস্পৰিক স্থান পৰিবর্তন আৰু সমধ্বনিৰ বিষম পৰিবর্তন ঘটা দেখা যায়।—

(ক) বর্ণ বিপর্যয় ঃ

অনুৰাধেতি > অনূধাৰেতি (গুৱাহাটী - ৪৫)

সূন্ধৰনন্ত > সূন্ধৰন্তন (গছতল - ১৭)

(খ) বিষমীভৱন

অমল্ম > অমলন (নগাঁও - ২)

যৌৱনম্ > যৌৱনন্ (নগাঁও - ১৯)

৮। মহাপ্রাণীভৱন

ত > থ ঃ হস্তি > হস্থি (পুষ্প ভদ্রা - ২১)

প্রান্ত > প্রাণঠ্ (বৰগাঁও - ৩৬)

৯। অল্পপ্রাণীভৱন

ভ > ব, ৱ ঃ ৰাভা > ৰাৱা (শুভংকৰ পাটক - ৬১)

ধ > দ ঃ ৰাণকাধিকৃতান > ৰাণকাদি-কৃতান (শুভংকৰ পাটক - ৩৩)

সংযুক্ত ব্যঞ্জনৰ পৰিবর্তন ঃ

১। ৰ যুক্ত ব্যঞ্জনৰ 'ৰ' লোপ

(ক) ৰেফ্ লোপ

গার্গ্যো > গাগ্যো (নিধনপুৰ - ১৫)

পদৈর্য়স্য > পদৈয়স্য (গুৱাকুচি - ২)

(খ) ৰ-কাৰ লোপ

পৰিত্রো > পৰিতো (গুৱাহাটী - ৪০)

তন্ত্র > তন্ত (গুৱাকুচি - ২৫)

২। য়-যুক্ত ব্যঞ্জনৰ 'য়' লোপ

ৎস্য > ৎস ঃ মাৎস্যন্যায় > মাৎসন্যায় (নিধনপুৰ - ১০)

ন্য > ন ঃ অন্যে > অনে (বৰগাঁও - ২০, ৫৫)

৩। যুক্ত ব্যঞ্জনৰ সমবর্ণ লোপ

চ্চ > চ ঃ সচ্চৰিত্র > সচৰিত্র (শুভংকৰ পাটক - ৪৪)

জ্জ > জ ঃ য়ানুৰাগজ্জনেষু > যানুৰাগজনেষু (বৰগাঁও - ২১, ২২)

জ্জ > জ্ব ঃ সমুজ্জ্বাল্য > সমুজ্বাল্য (ডুবি - ১১১)

ট্ট > ট ঃ ভট্টাৰক > ভটাৰক (গুৱাহাটী - ৫১)

ত্ত > ত ঃ ভৱত্তস্য > ভৱতস্য (নিধনপুৰ - ১১)

ত্ত্ব > ত্ব ঃ সত্ত্ব > সত্ব (নিধনপুৰ - ৪১)

থ্থ > থ ঃ ইত্থং > ইথং (বৰগাঁও - ২০)

দ্দ > দ ঃ কেচিদ্দিশো > কেচিদিশো (পর্বতীয়া ২৭)

ন্ন > ন ঃ তস্মান্নৈতানি > তস্মানৈতানি (নিধনপুৰ - ১৪০)

৪। প্রাচীন ভাৰতীয় আর্য ভাষাৰ সংযুক্ত ব্যঞ্জনবোৰ মধ্য ভাৰতীয় আর্য স্তৰত অধিকাংশ ক্ষেত্রতে সমীভৱন, স্বৰভক্তি আদি প্রক্রিয়াৰে সৰলতা প্রাপ্ত হৈছিল। এনে উদাহৰণ কামৰূপী লেখাৱলীসমূহতো পোৱা যায়।

সমীভৱন

চ্য > চ্চ ঃ ৰাহ্বচ্য > ৰাহৱ্চ্চ (নিধনপুৰ - ১১০)

ক্ত > ত্ত ঃ ভোক্তু > ভোত্তু (নিধনপুৰ - ৫৪)

র্য > য্য ঃ প্রকাশিতার্য > প্রকাশিতায্য্ (নিধনপুৰ - ৩৭)

র্য > জ্জ ঃ ৱীর্য > বীজ্জ (গুৱাহাটী - ১৪)

ন্য > ন্ন ঃ ৰাজন্যক > ৰাজন্নক (পুষ্পভদ্রা - ২০)

র্ণ > ণ্ণ ঃ কর্ণসুৱর্ণ > কণ্ণসুৱণ্ণ (নিধনপুৰ - ৩)

ম্ন > ন্ন ঃ প্রদ্যুম্ন > প্রদ্যুন্ন (নিধনপুৰ - ৮০)

ম্ব > ম্ম ঃ ডুম্বৰী > ডুম্মৰী (শুভংকৰ পাটক - ৫৮)

র্ৱ > ৱৰ্ ঃ সর্ৱা > সৱৰ্া (গুৱাহাটী - ১৯)

র্ল > ল্ল ঃ স্বর্লোকং > স্বল্লোকং (কমৌলি - ৬৫)

স্বৰভক্তি

অ-কাৰৰ আগমেৰে—

ভ্রাত্রে > ভ্রাতৰে (শুভংকৰ পাটক - ৪৮)

ই-কাৰৰ আগমেৰে

শ্রী > সিৰি (গুৱাকুচি - ৭৫)

৫। অন্যান্য পৰিবর্তন

ক্ষ > খ, ঃ ক্ষিতিমথ > খিমথ (বৰগাঁও - ১৫)

ক্থ ঃ মাক্ষিয়ান > মক্খিয়ান (গুৱাহাটী - ৪৫)

ম্র > ম্ব্র ঃ আম্র > আম্ব্র (শুৱালকুচি - ৫৯)

অম্ব (গুৱাকুচি - ৫৮)

ৎ স > চ্ছ ঃ ৱৎসৰে > ৱচ্ছৰে (খনামুখ - ৪৩)

ষ্ট > স্ত ঃ প্রৱিষ্ট > প্রবিস্ত (তেজপুৰ - ৫)

ষ্ক > স্ক ঃ ৱহিষ্কৃত্য > ৱহিস্কৃত্য (অসমফলি - ৪৭)

৬। সংস্কৃত ভ্রষ্ট অনিয়মিত ৰূপ

(ক) 'ৰ'-ৰ অব্যৱহিত পূর্বৱর্তী বা পৰবর্তী ব্যঞ্জনৰ দ্বিত্বকৰণ

শক্রং > শক্ক্রং (ডুবি- ৫, ১৪)

কর্কশ > কর্ক্কশ (ডুবি - ৫)

(খ) সাদৃশ্যমূলক দ্বিৰুক্তি

ছুৰিকা > চ্ছুৰিকা (অসম ক্ষলি - ৩৪)

স্থিতি > স্থিত্তি (নিধনপুৰ - ৩৮)

ভগদত্তনামা > ভগদত্তন্নামা (গুৱাকুচি - ১১)

(গ) অযোগবাহ বর্ণ অনুস্বাৰ (ং)ৰ ৰূপান্তৰ

(i) 'শ' আৰু 'হ'ৰ পূর্বৱর্তী ং > ঙ

অংশ > অঙ্শ (নিধনপুৰ)

সিংহ > সিঙ্হ (নিধনপুৰ - ৭৮)

(ii) 'ৰ'ৰ পূর্বৱর্তী ং > ম

সংৱেদ্যা > সম্বেদ্যা (নিধনপুৰ - ১২৯)

য়ংৱেদ > য়মৱেদ (বৰগাঁও - ৫৯)

(iii) উষ্ম বর্ণৰ পূর্বৱর্তী ং > ন

পুংসাম > পুন্সাম (উত্তৰ বৰবিল - ২৮)

হংস > হন্স (বৰগাঁও - ১১)

৯.৪ চর্যাপদ আৰু অন্যান্য লিখিত শ্রেণীৰ সাহিত্যত হোৱা ধ্বনিৰ বিকাশ

খ্রীষ্ট্রীয় ৮ম শতিকাৰ পৰা ১০ম শতিকাৰ ভিতৰত ৰচিত সহজীয়া বৌদ্ধ সিদ্ধাচার্যসকলৰ চর্যাপদসমূহক হিন্দী, মৈথিলী, অসমীয়া, ওডিআ আদি ভগ্নীসম ভাষাসমূহে তেওঁলোকৰ নিজ নিজ ভাষাৰ প্রত্নৰূপ বুলি দাবী কৰি আহিছে। ভাষাবিদ বাণীকান্ত কাকতিয়ে বৌদ্ধ দোহাসমূহৰ পৰা আধুনিক অসমীয়ালৈ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বিশেষত্ব কিছুমান লেথেৰি নিছিগা ধাৰাৰে প্রবাহিত হৈ অহা লক্ষ্য কৰিছে। তদুপৰি চর্যাপদ ৰচনা কৰা কেইবাজনো সিদ্ধ মীননাথ, মৎসেন্দ্রনাথ, লুইপ (লৌ হিত্য পাদ), সৰহপা আদি কামৰূপৰ আছিল বুলি প্রসিদ্ধি আছে। বৌদ্ধ দোহাবোৰৰ ভাষা আৰু বৈয়াকৰণিক ৰূপৰ লগত অসমীয়া ভাষাৰ সম্পর্ক আন আন ভাষাবোৰতকৈ অধিক কাৰণে এই গীতবোৰক অসমীয়া সাহিত্যৰ প্রাচীনতম নিদর্শনৰূপে গণ্য কৰা হৈছে।

চর্যাপদৰ মাজত পৰিলক্ষিত অসমীয়া ধ্বনিৰ উৎস আৰু বিকাশ তলত দেখুওৱা হ'ল— স্বৰধ্বনিসমূহৰ উৎস আৰু বিকাশ।

প্রাচীন ভাৰতীয় আর্যৰ (প্রা ভা আ) স্বৰধ্বনিসমূহে মধ্য ভাৰতীয় আর্য (ম ভা আ)ৰ মাজেদি আহি উদ্ভৱকালীন অসমীয়া (উ অ) বা চর্যাপদত কেনে ৰূপ লৈছে তলত দেখুওৱা হ'ল।

অ ঃ প্রাঃভাঃআ

অ > মঃভাঃঅঃ > উঃ অ

চক্র > চক্ক > চকা (চ ঃ ১৪)

প্রা ভা আ আ > ম ভা আ অ > উ অ অ

ব্যাখ্যান > বক্খান > বখান (চ. ৩৪)

প্রা ভা আ সংযুক্ত বর্ণৰ স্বৰভক্তি যোগেদি

প্রাণ > পৰাণ (চ. ১০)

আ ঃ প্রা ভা আ অ (সংযুক্ত ব্যঞ্জনৰ পূর্বৱতী) > ম ভা আ অ > উ অ আ

ভদ্র > ভল্ল > ভাল (চ. ১২)

প্রা ভা অ. অক > ম ভা অ- অ অ > উ অ. আ

ভেলক > ভেলঅ > ভেলা (চ . ১৫)

ই ঃ প্রা ভা আ ই > ম ভা আ ই > উঅ ই

অগ্নি > অগ্নি > আগি (চ. ৪৭)

প্রা ভা আ ঈ > ম ভা আ ই > উ অ ই

যোগী > জোই > জোই (চ. ১০.১৪)

প্রা ভা আ ঋ > ম ভা আ ই > উ অ. ই

ঘৃণা > ঘিণ্ন > ঘিন (চ. ৩১)

প্রা ভা আ য় > উ অ. ই

ময়া > মই (চ. ১৬. ২৯)

প্রা ভা আ সংযুক্ত 'য়'ৰ সম্প্রসাৰণ; যেনে ঃ

ব্যাপক > বিআপক (চ. ৯)

প্রা ভা আ সংযুক্ত ব্যঞ্জনৰ স্বৰভক্তি ঃ যেনে ঃ

বর্ষতি > বৰিসঅ (চ. ৯)

ঈ ঃ প্রা ভা আ ই > উ অ. ঈ

শিষ্য > সীস (চ. ৪০)

প্রা ভা আ এ > উ অ. ঈ

অর্দ্ধৰাত্রে > অধৰাতি (চ. ২)

ঊ ঃ প্রা ভা আ উ > ম ভা আ. উ > উ অ. ঊ

দুগ্ধ > দুদ্ধ > দুধ (চ. ৪২)

প্রা ভা আ ঋ > ম ভা আ উ > উ অ. ঊ

ঋজু > উজ্জু > উজু (চ. ১৫, ৩২)

প্রা ভা আ ঊ > ম ভা আ. উ > উ অ. ঊ

শূণ্য > সুণ্ণ > সুন (চ. ৬, ৩১, ৩৬)

প্রা ভা আ. সংযুক্ত 'ৰ'-ৰ সম্প্রসাৰণৰ দ্বাৰা

দ্বাৰ > দুৱাৰ (চ. ৩)

এ ঃ প্রা ভা আ অ > ম ভা আ. এ > উ অ. এ

অ এ > এত্থ > এথা (চ. ১৫)

প্রা ভা আ ঈ > ম ভা আ অ ই > উ অ. এ

ঈ দিশ > অসই > এহু (চ. ২৬)

প্রা ভা আ ও > ম ভা আ এ > উ অ ও

কোহপি > কেৰি > কেহো (চ. ১৮)

প্রা ভা আ ঐ > ম ভা আ এ > উ অ. এ

তৈল > তেল্ল > তেল (চ. ৪১)

প্রা ভা আ য়- সংযুক্ত ব্যঞ্জনৰ পৰা

ব্যঙ্গ > বেঙ্গ (চ. ৩৩)

ও ঃ প্রা ভা আ উ > ম ভা আ উ > উ অ ও

সুবর্ণ > সুৱণ্ণ > সোণ (চ. ৮, ৪৯)

প্রা ভা আ অঃ > ম ভা আ. ও > উঅ ও

কঃ > কো > কো (চ. ২৯)

প্রা ভা আ ঋ > ম ভা আ উ > উ অ. ও

মৃণাল > মুণাল > মোনাল (চ. ১০)

দ্বিস্বৰ আৰু সন্নিহিত স্বৰৰ উৎস ঃ

মধ্য ভাৰতীয় আর্য ভাষাৰ স্তৰত স্বৰমধ্যৱর্তী ব্যঞ্জন ধ্বনি লোপ হোৱাৰ ফলত ধ্বন্যাত্মক অবক্ষয়ৰ দ্বাৰা উদ্ভৱকালীন অসমীয়াত দ্বিস্বৰ আৰু সন্নিহিত স্বৰসমূহৰ উদ্ভৱ হৈছে।

অ অ ঃ বচন > ব অ ন (চ. ৩৯, ৪৫)

নগৰী > নঅৰী (চ. ১১)

অ ঈ ঃ নদী > নঈ (চ. ১৪)

উ অ ঃ ভুৱন > ভুঅন (চ. ১৮)

এ অ ঃ সংবেদন > সংবেঅন (চ. ১৫)

ওঅ ঃ লোক > লোঅ (চ. ৫, ১৮, ২২)

ও ই ঃ কোহপি > কোই (চ. ৪২)

আ আ ঃ ৰাজা > ৰাআ (চ. ৩৪)

আই ঃ যাতি > জাই (চ. ১৫, ২০)

চর্যাপদত অসমীয়া ব্যঞ্জন ধ্বনিসমূহৰ উৎস

ক ঃ

আদিস্থানত

প্রা ভা আ ক > মভা আ ক > উ অ. ক

কৰুণা > কৰুণা > কৰুণা (চ. ৮.১২)

প্রা ভা আ স্ক > ম ভা আ খ > উ অ. ক

স্কন্ধ > খন্ধ > কান্ধ (চ. ৩, ৪২)

মধ্যস্থানত

প্রা ভা আ. ক্ক > ম ভা আ ক্ক্ > উ অ. ক

পক্ক > পক্ক্ > পাকেলা (চ. ৫০)

প্রা ভা আ শৃঙ্খল > সংকল > সিকলি (চ. ১৬)

ঙ্খ > মভাআঙ্ক > উ অ. ক

প্রা ভা আ ল্ক > ম ভা আ ক্ক > উ অ. ক

ৰল্কল > ৰক্কল > কাকলঅ (চ. ৩)

খ ঃ

আদিস্থানত

প্রা ভা আ খ > ম ভা আ খ > উ অ খ

খাদতি > খাই > খাই (চ. ২৮, ৪১)

প্রা ভা আ ক্র > ম ভা আ ক > উ অ খ

ক্রীড়তি > কীলই > খেলই (চ. ৪১)

মধ্যস্থানত

প্রা ভা আ ক্ষ > ম ভা আ ক্খ > উঅ খ

অক্ষি > অক্খি > আখি (চ. ১৫)

প্রা ভা আ খ্য > ম ভা আ ক্খ > উঅ. খ

ব্যাখান > ৱকখান > বখান (চ. ২৯, ৩৪)

গ ঃ

আদিস্থানত

প্রা ভা অ গ > ম গা আ গ > উঅ গ

গুৰু > গুৰু > গুৰু (চ. ১)

মধ্যস্থানত

প্রা ভা অ গ্র > ম ভা আ গ্গ > উঅ গ

অগ্রে > অগ্গে > উঅ আগে (চ. ১৫)

প্রা ভা অ র্গ > ম ভা অ গ্গ > উঅ গ

মার্গয়তি > মাগ্গই > মচাই (চ. ২)

প্রা ভা অ গ্য > ম ভা আ গ্গ > উঅ গ

অভাগ্যেন > অভগ্গে > অভাগে (চ. ৩৫)

প্রা ভা অ গ্ন > ম ভা আ গ্গ > উঅ গ

অগ্নি > অগ্গি > আগি (চ. ৪৭)

প্রা ভা অ অঘোষ ‘ক’ৰ ঘোষীভৱন দ্বাৰা

শকুন > উঅ. সগুণ (চ. ৫০)

ঘ ঃ

আদি স্থানত

প্রা ভা আ ঘ > ম ভা আ ঘ > উঅ ঘ

ঘৃণা > ঘিণা > ঘিণ (চ. ৩১)

প্রাভাআ ‘গ’ৰ পৰৱর্তী ‘হ’ ধ্বনিৰ সমীভৱন আৰু বর্ণ বিপর্যয়ৰ ফলত

গৃহ > ঘৰ > ঘৰ (চ. ৩)

মধ্যস্থানত

প্রা ভা আ হ > ম ভা আ ঘ > উঅ. ঘ

সংহাৰ > সংঘাৰ > সংঘাৰা (চ. ২০)



জানি থোৱা ভাল

প্রা আ ভা — প্রাচীন ভাৰতীয় আর্য

চ ঃ

আদিস্থানত

প্রা ভা আ চ > ম ভা আ চ > উঅ চ

চক্ক > চক্ক > চকা (চ. ১৪)

মধ্যস্থানত

প্রা ভা আ ত্য > ম ভা আ চ্চ > উঅ. চ

নৃত্য > নচ্চ > নাচ (চ. ১০)

ছ ঃ

আদিস্থানত

প্রা ভা আ ছ > ম ভা আ ছ > উঅ ছ

ছায়া > ছাআ > ছাআ (চ. ৪৬)

প্রা ভা আ ক্ষ > ম ভা আ ছ > উঅ ছ

ক্ষাৰঃ > ছাৰ > ছাৰ (চ. ১১)

মধ্যস্থানত

প্রা ভা আ স্ত > ম ভা আ চ্ছ > উ অ ছ

আস্তে > আচ্ছই > আচ্ছ, আছ (চ. ৪৪)

প্রা ভা আ ৎস > ম ভা আ চ্ছ > উঅ ছ

উৎসল > উচ্ছল > উছল (চ. ১৯)

জ ঃ

আদিস্থানত

প্রা ভা আ য় > ম ভা আ জ > উঅ জ

য়াতি > জাই > জাই (চ. ১৫, ২০)

মধ্যস্থানত

প্রা ভা আ জ > ম ভা আ জ, জ্জ > উঅ জ

ঋজু > উজু, উজ্জু > উজু (চ. ১৫)

প্রা ভা আ র্জ > ম ভা আ জ্জ > উঅ জ

গর্জতি > গজ্জই > গাজই (চ. ১৮)

ঝ ঃ

আদিস্থানত

প্রা ভা আ ধ্য > ম ভা আ ঝ > উঅ ঝ

ধ্যান > ঝান > উ অ ঝান (চ. ১)

মধ্যস্থানত

প্রা ভা আ ধ্য > ম ভা আ জ্ঝ > উঅ ঝ

মধ্য > মজ্ঝ > মাঝ (চ. ৪৫)

প্রা ভা আ ক্য > ম ভা আ ঞ্ ঝ > উঅ ঝ

সন্ধ্যা > সঞ্ঝা > সাঁঝ (চ. ৩৩)

ট ঃ

আদিস্থানত

প্রা ভা আ ত্র > ম ভা আ ট > উঅ ট

ত্রুটিত > টুট্টিঅ > টুটি (চ. ৩৭)

মধ্যস্থানত

প্রা ভা আ র্ত্ম > ম ভা আ ট্ট > উঅ ট

ৱর্ত্ম > ৱট্ট > বাট (চ. ১৫)

প্রাা ভা আ ট্ট > ম ভা আ ট্ট > উঅ ট

পট্ট > পট্ট > পাট (চ. ১৬)

প্রা ভা আ ট্ট > ম ভা আ ট্ট > উঅ ট

খট্টা > খট্টা > খাট (চ. ২৮)

ঠ ঃ

আদিস্থানত

প্রা ভা আ ঠ > ম ভা আ ঠ > উঅ ঠ

ঠক্কুৰ > ঠকুৰ > ঠাকুৰ (চ. ১২)

মধ্যস্থানত

প্রা ভা আ ত্থ > ম ভা আ ট্ঠ > উঅ ঠ

উত্থিত > উট্ঠিঅ > উঠি (চ. ২১)

প্রা ভা আ ষ্ঠ > ম ভা আ ট্ঠ > উঅ ঠ

কোষ্ঠ > কোট্ঠ > কোঠা (চ. ১২)

ড ঃ

আদিস্থানত

প্রা ভা আ দ > ম ভা আ ড > উঅ ড

দাহ > ডাহ > ডাহ (চ. ৫০)

ড় ঃ

মধ্যস্থানত

প্রা ভা আ ড > ম ভা আ ড > উঅ ড়

নাডী > নাডী > নাড়ী (চ. ১১, ২০)

প্রা ভা আ জ > ম ভা আ ড > উ অ ড়

যোজিত > জোডিঅ > উঅ জোড়িঅ (চ. ৫)

প্রা ভা আ র্দ > ম ভা আ ড্ড > উঅ ড়

কপর্দিকা > কৱড্ডিআ > কবড়ী (চ. ১৪)

প্রা ভা আ শু > ম ভা আ শু > উঅ. ড়

ভাণ্ডিকা > হাণ্ডিআ > হাড়ী (চ. ৩৩)

ঢ় ঃ

মধ্যস্থানত

প্রা ভা আ ষ্ট > ম ভা আ ড্ঢ > উঅ ঢ়

বেষ্টিত > বেড্ঢিঅ > বেঢ়িল (চ. ৬)

প্রা ভা আ গ্ধ > ম ভা আ ড্ঢ > উঅ ঢ়

মুগ্ধ > মুড্ঢ > মূঢ় (চ. ৬)

ণ ঃ

আদিস্থানত

প্রা ভা অ 'ন'ৰ স্বতো মূর্ধন্যী ভৱনৰ দ্বাৰা

প্রা ভা আ নানা > ণাণা (চ. ২৮)

মধ্যস্থানত

প্রা ভা আ ণ > ম ভা আ ণ > উঅ ণ

কৰুণা > কৰুণা > কৰুণা (চ. ৮)

ত ঃ

আদিস্থানত

প্রা ভা আ ত্র > ম ভা আ ত > উঅ ত

ত্রিভূৱন > তিহুঅন > তিহুঅণ (চ. ১৫)

প্রা ভা আ ত্ব > ম ভা আ ত > উঅ ত

ত্বয়া > তত্র > তই (চ. ৩৯)

মধ্যস্থানত

প্রা ভা আ ত্র > ম ভা আ ত্ত > উঅ ত

পত্র > পত্ত > পাত (চ. ৪৫)

প্রা ভা আ ত্ত > ম ভা আ ত্ত > উঅ ত

প্রা ভা আ র্ত-ৰ বর্ণ বিপর্যয়ৰ দ্বাৰা

ভর্তা > ভতাৰ (চ. ২০)

প্রা ভা আ ক্ত > ম ভা আ ত্ত > উঅ ত

ভক্ত > ভত্ত > ভাত (চ. ৩৩)

থ ঃ

আদিস্থানত

প্রা ভা আ স্ত, স্থ > ম ভা আ থ > উঅ থ

স্থিৰ > থিৰ > থিৰ (চ. ৩, ৩৮)

মধ্যস্থানত

প্রা ভা আ স্ত, ত্র > ম ভা আ থ > উঅ থ

হস্ত > হত্থ > হাথ (চ. ৩২)

অত্র > এত্থ > এথা (চ. ১৫)

দ ঃ

আদিস্থানত

প্রা ভা আ দ > ম ভা আ দ > উঅ দ

দর্পণ > দপ্পণ > দাপণ (চ. ৩২)

প্রা ভা আ 'দ্ব'-ৰ স্বৰভক্তিৰ দ্বাৰা

দ্বাৰ > দু আৰ (চ. ৩)

মধ্যস্থানত

প্রা ভা আ ঃ র্দ > ম ভা আ দ্দ > উঅ দ

মর্দল > মদ্দল > মাদলা (চ. ১৯)

প্রা ভা আ দ্র > ম ভা আ ন্দ, দ্দ > উঅ দ

নিদ্রা > নিন্দ, নিদ্দা > নিদ (চ. ২)

প্রা ভা আ দ্ভ-ৰ স্বৰ ভক্তিৰ দ্বাৰা

অদ্ভূত > অদ্ভুঅ (চ. ৩৯)

ধ ঃ

আদিস্থানত

প্রা ভা আ ধ > ম ভা আ ধ > উঅ ধ

ধন্য > ধনিঅ > ধনি (চ. ৩৩)

মধ্যস্থানত

প্রা ভা আ র্ধ > ম ভা আ দ্ধ > উ অ. ধ

অর্ধ > অদ্ধঅ > অধ (চ. ২৭)

প্রা ভা আ দ্ধ > ম ভা আ দ্ধ > উঅ ধ

বুদ্ধি > বুদ্ধি > বুধি (চ. ৩৩)

প্রা ভা আ গদ্ধ > ম ভা আ দ্ধ > উঅ ধ

দুগ্ধ > দুগ্ধ > দুধ (চ. ৮২)

ন ঃ

আদিস্থানত

প্রা ভা আ স্ন > ম ভা আ ণ > উঅ ন

স্নেহ > নেহ > নেহ (চ. ৪৯)

মধ্যস্থানত

প্রা ভা আ ন্য > মা ভা আ ন্ন > উঅ ন

অন্য > অন্ন > অন (চ. ৩৮)

প ঃ

আদিস্থানত

প্রা ভা আ প্র, স্প > ম ভা আ প > উঅ প

স্পর্শ > পৰস > পৰস (চ. ১৩)

প্রা ভা আ 'প্র'-ৰ স্বৰভক্তিৰ দ্বাৰা

প্রাণ > পৰাণ (চ. ১০)

মধ্যস্থানত

প্রা ভা আ ত্ম, র্প > ম ভা আ প্প > উঅ প

আত্মা > অপ্পা > অপা (চ. ৩. ৩২)

সর্প > সপ্প > সাপ (চ. ৪১)

ফ ঃ

আদিস্থানত

প্রা ভা আ ফ, স্ফ > ম ভা আ ফ > উঅ ফ

ফুল্লিত > ফুলিঅ > ফুলিলা (চ. ৪১)

স্ফাৰ > ফাৰ > ফাল (চ. ৪)

ব ঃ

আদিস্থানত

প্রা ভা আ ব > ম ভা আ ব, ৱ > উঅ ব

বলৱর্দ্দ > ৱলীঅদ্দ > বলদ (চ. ৩৩)

প্রা ভা আ দ্ব > ম ভা আ ব > উঅ ব

দ্বি > ৱেণ্নি > বেণি (চ. ১, ৪)

প্রা ভা আ ব্য > ম ভা আ ব > উঅ ব

ব্যাখ্যান > বক্খান > বখান (চ. ২৯)

প্রা ভা আ ৱ > ম ভা আ ৱ > উঅ ব

ৱধূটী > ৱহুড়ী > ৱহুড়ী (চ. ২)

মধ্যস্থানত

প্রা ভা আ ভ- ৰ অল্পপ্রাণীভৱনৰ ফলত

লভতে > লবএ (চ. ১১)

ভ ঃ

আদিস্থানত

প্রা ভা আ ভ > ম ভা আ ভ > উঅ ভ

ভেলক > ভেলঅ > ভেলা (চ . ১৫)

মধ্যস্থানত

প্রা ভা আ র্ধ্ব > ম ভা আ ব্ ভ > উঅ ভা

উর্ধ্ব > উব্ভ > উভিল (চ. ৪০)

ম ঃ

আদিস্থানত

প্রা ভা আ ম > ম ভা আ ম > উঅ ম

ময়া > এম > মই (চ. ১৬, ১৮)

মধ্যস্থানত

প্রা ভা আ ন্ম, র্ম > ম ভা আ ম্ম > উঅ ম

জন্ম > জম্ম > জাম (চ. ৮, ১৯)

কর্ম > কর্ম্ম > কাম (চ. ২২)

প্রা ভা আ প > উঅ ম

ক্ষপণক > খমন (চ. ২০)

য় ঃ

আদিস্থানত

প্রা ভা আ য়, জ > উঅ য

য়াতি > যাই (চ. ১০)

ৰ ঃ

আদিস্থানত

প্রা ভা আ ৰ > ম ভা আ ৰ > উঅ ৰ

ৰাত্রি > ৰত্তি > ৰাতি (চ. ২, ২৮)

মধ্যস্থানত

প্রা ভা আ ল > উঅ ৰ

বিফলিত > বিহৰিউ (চ. ৩১)

প্রা ভা আ ঋ > ম ভা আ ৰ > উঅ ৰ

গৃহ > ঘৰ > ঘৰ (চ. ৩)

ল ঃ

আদিস্থানত

প্রা ভা আ ন > উঅ ল

নগ্ন > লাঙ্গ (চ. ১০)

মধ্যস্থানত

প্রা ভা আ ৰ > ম ভা আ ৰ > উঅ ল

স্ক্ষাৰ > ক্ষাৰ > ফাল (চ. ৪)

প্রা ভা আ দ্র > ম ভা আ ল্ল > উঅ ল

ভদ্র > ভল্ল > ভাল (চ. ১২)

প্রা ভা আ ল্ল > ম ভা আ ল্ল > উঅ ল

খল্ল > খল্ল > খাল (চ. ৩২)

ৰ ঃ

মধ্যস্থানত

প্রা ভা আ প-ৰ ঘোষীভৱনৰ ফলত

অংকপালিকা > অংকৰালী (চ. ৪)

শ ঃ প্রা ভা আ শ, স > ম ভা আ স, শ > উঅ শ

শৃগালী > সিআলী > শিআলী (চ. ৫০)

প্রা ভা আ শ্য, শ্ব > ম ভা আ স > উঅ শ

শ্যালী > সালী > শালী (চ. ১১)

ষ ঃ

আদিস্থানত

প্রাভাআ শ, স > উঅ ষ

শোভতে > ষোহই (চ. ৪৬)

সম > ষম (চ. ৩৩)

মধ্যস্থানত

প্রাভাআ ষ, য্য, স, খ > উঅ ষ

সুষ্যতি > সোষই (চ. ৪২)

স ঃ

আদিস্থানত

প্রাভাআ স, শ, স্ব, শ্ব, স্র > উঅ স

সর্প > সাপ (চ. ৪১)

স্বভাৱ > সহাৱ (চ. ৯, ৩২)

স্বশুৰ > সুসুৰা (চ. ২)

স্রোত > সোন্ত (চ. ৩৮)

মধ্যস্থানত

প্রাভাআ শ, ষ, য্য > উঅ স

আশা > আসা (চ. ৪৫)

শেষ > সেস (চ. ৪৯)

শিষ্য > সীস (চ. ৪০)

হ ঃ

আদিস্থানত

প্রাভাআ হ > মভাআ হ > উঅ হ

হস্ত > হত্থ > হাথ (চ. ৩২)

মধ্যস্থানত

প্রাভাআ হ, শ > উঅ হ

দশদিশ > দহদিহ (চ. ৩৫)

গোশালিকা > গোহালী (চ. ৩৯)

প্রাভাআ ঘ, থ, ধ, ক্ষ, ভ, ক্ষ > উঅ, হ

মুখ > মুহ (চ. ৪০)

ব্যাঘুটিত > বাহুড়ই (চ. ৮)

শশধৰ > শশহৰ (চ. ২৭)

বিফলতি > বিহৰিউ (চ. ৩১)

ভৱতি > হোই (চ. ৩, ১৭)

দক্ষিণ > দহিণ (চ. ৫, ১৪)

চর্যা পদৰ পিছতেই অসমীয়া ভাষাৰ লগত নিগূঢ় সম্পর্ক থকা আন এখন গ্রন্থ হৈছে বড়ু চণ্ডীদাসৰ *'শ্রীকৃষ্ণ কীর্ত্তন'*। অৱশ্যে বঙলা পণ্ডিতসকলেও *'শ্রীকৃষ্ণ কীর্ত্তন'ক* তেওঁলোকৰ সাহিত্যৰ অন্তর্ভুক্ত কৰি লৈছে। *'শ্রীকৃষ্ণ কীর্ত্তন'ৰ* ভাষাৰ মাজত বহুতো খাচ অসমীয়া শব্দৰ প্রয়োগ আৰু অসমীয়া ৰূপতত্ত্বৰ লগত ইয়াৰ ভাষাৰ মিললৈ লক্ষ্য কৰি বাণীকান্ত কাকতিয়ে *'শ্রীকৃষ্ণ কীর্ত্তন'ক* অসমীয়া বঙলা এই দুয়োটা ভাষাৰ উমৈহতীয়া স্তৰ বা অৱস্থাৰ নিদর্শন বুলিছে। অসমীয়া ভাষাত ব্যৱহৃত অনেক শক *'শ্রীকৃষ্ণ কীর্ত্তন'ত* প্রয়োগ পৰিলক্ষিত হোৱাৰ লগতে কামৰূপী উপ-ভাষাৰ লগত ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক দিশত যথেষ্ট সাদৃশ্য আছে। ধ্বনিতত্ত্বৰ ক্ষেত্রত *'শ্রীকৃষ্ণ কীর্ত্তন'ৰ* লগত পুৰণি অসমীয়া আৰু কামৰূপী উপভাষাৰ মিলসমূহ দেখুওৱা হ'ল—

১। প্রাচীন ভাৰতীয় আর্য্য ভাষাৰ শ, খ-ত পৰিণত হৈছে। যেনে— সং আদেশ; কৃ, কী আদেখ; পুৰণি অসমীয়া আদেখ (হেম সৰস্বতী); কামৰূপী আদেখ।

২। প্রাঃ ভাঃ আঃ ভাষাৰ ক্ষ, 'খ'ত পৰিণত হৈছে। যেনে সং চক্ষু, কৃ. কীঃ চখু, কাম. চখু।

৩। মধ্য ভাৰতীয় আর্য্য ভাষাৰ- অই, ঐত পৰিণত হৈছে যেনে— সং চৈত্র; কৃ. কী. চৈত; কাম. চৈত; পুৰণি অসমীয়া চৈত (মাধৱ কন্দলী)

৪। *'শ্রীকৃষ্ণ কীর্ত্তন'* আৰু কামৰূপী দুয়ো ঠাইতে মহাপ্রাণ ধ্বনিৰ প্রচলন বেছি। যেনে—

কৃ. কী. ভোখ; কাম ভুখ, ভখ

কৃ. কী. হাথী; কাম. হাথী

প্রাচীন অসমীয়াতো এই নিয়ম প্রযোজ্য।

শিথান, ভাঠি, ঠোট (মাধৱ কন্দলী)

৫। সমীভূত শকৰ একে ৰূপ দুয়ো ঠাইতে পৰিলক্ষিত হয়। যেনে—

কৃ. কী. চতুত্থী; কাম. চতুত্থী।

৬। অসমীয়া আৰু *'শ্রীকৃষ্ণ কীর্ত্তন'* এই দুয়ো ঠাইতে স্বৰভক্তিৰ জৰিয়তে তৎসম, অর্ধ তৎসম ৰূপ লোৱা দেখা যায়।

কৃ. কীঃ তপত; অস. তপত

পৰাণ; পৰাণ



জানি থোৱা ভাল

মা আ ভা — মধ্য ভাৰতীয় আর্য, চ — চর্যাপদ

উ অ — উদ্ভৱকালীন অসমীয়া, গু, চ, ক — গুৰুচৰিত কথা

ব্রজা — ব্রজাৱালী

৯.৫ অন্যান্য প্রান্তত পৰিলক্ষিত হোৱা ধ্বনিৰ ঐতিহাসিক বিকাশ

প্রত্ন অসমীয়া স্তৰৰ চর্যাপদ, *শ্রীকৃষ্ণ কীর্তনৰ* পৰা বর্তমান স্তৰৰ অসমীয়া ভাষালৈকে ধ্বনিগত, শব্দগত আৰু ৰূপগত বহুখিনি বৈশিষ্ট্য নিৰৱচ্ছিন্নভাৱে সংৰক্ষিত হৈ আছে। অসমীয়া ভাষাৰ বুৰঞ্জীৰ বিভিন্ন স্তৰত পুৰণি অসমীয়া, মধ্যযুগীয়া অসমীয়া আদিত ধ্বনিগত পৰিবর্তনসমূহ কেনেদৰে হৈছে তলত উদাহৰণ দিয়া হ'ল—

স্বৰ ধ্বনি পৰিবর্তন	উদাহৰণ
প্রাভাআ > উ.অ.ভা > পু. অঃ	
অ > আ > আ	অগ্নি > আগি > আগি (ব্রজা)
অ > ই > ই	উত্তম > উত্তিম > ওতিম (ব্রজা)
অ > এ > এ	অএ > এথা > এথা
ঈ > এ > এ	ঈদৃশ > এহু > এহু
উ > অ > অ'	কুৰু > কৰু > কৰু (ব্রজা.)

মধ্যভাৰতীয় আর্যৰ বিভিন্ন স্তৰত দেখা দিয়া লোপ, আগম সম্প্রসাৰণ, বিপর্যয়, মহাপ্রাণীভৱন আদি বিভিন্ন ধ্বনি পৰিবর্তন প্রক্রিয়াসমূহ উদ্ভৱকালীন অসমীয়াৰ দৰে পুৰণি

অসমীয়াতো পোৱা যায়।

ব্যঞ্জন লোপ

প্রাভাআ	উ অ ভা.	পু. অসমীয়া
কোহপি	কোই	কোই (ব্রজা.)
স্ফটিক		ফোটিক (হেম সৰস্বতী)
তুচ্চ		তুচ (গু. চ. ক.)

আগম

উ. অ. ভা	অস.
সং. প্রাণ > পৰাণ (চ.)	পৰাণ
সং স্পর্শ > পৰশ	পৰশ

সম্প্রসাৰণ

য় > ই ; ব্যাপক > বি আপক (হেম সৰস্বতী)

ৱ > উ ; দ্বাৰ > দুৱাৰ (হেম সৰস্বতী)

ধ্বনি বিপর্যয়

দীর্ঘ > দীঘ্র (গুৰু চৰিত কথা)

কৈৱর্ত্ত > কেৱত্র (গুৰু চৰিত কথা)

অল্পপ্রাণী ভৱন আৰু মহাপ্রাণী ভৱন

হাতিয়াৰ > হাথীয়াৰ (বুৰঞ্জী সাহিত্য)

ধন-ভয়ে > ধন বএ (গুৰু চৰিত কথা)

উদ্ভৱকালীন অসমীয়াৰ দৰে মধ্যযুগীয়া অসমীয়াতো য, জ আৰু 'ৰ' 'ল' বিকল্প প্রয়োগ ঘটিছে

যজ্ঞ > জজ্ঞ (গু. চ. ক.)

নলৰিল > নৰৰিল (গু. চ. ক)

উদ্ভৱকালীন অসমীয়াৰ দৰে মধ্যযুগীয়া অসমীয়াতো

ক্ষ > খ, ঞ্চ > চ, ৎস > চ্ছ, চ, শ > হ হিচাপে ব্যৱহৃত হয়।

ক্ষ > খ ; দক্ষিণ > দখিন (বুৰঞ্জী সাহিত্য)

ঞ্চ > চ ; কিঞ্চিৎ > কিচু (গু. চ. ক)

ৎস > চ ; কুৎসিৎ > কুচিত (গু. চ. ক.)

শ > হ ; বশ > বহ (বুৰঞ্জী সাহিত্য)

উদ্ভৱকালীন অসমীয়া ভাষাত স্বৰমধ্যৱর্ত্তী 'য়' আৰু 'ৱ' লোপ পায়। ঠিক একেদৰে 'গুৰু চৰিত কথা'তো মধ্য 'ৱ' আৰু অন্ত্য 'য়', 'ৱ' লোপৰ উদাহৰণ পোৱা যায়। যেনে—

সম্প্রদায় > সম্প্রদা,

ব্যৱসায় > বেৰসা

প্রভাৱে > প্রভাএ ইত্যাদি

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে প্ৰাচীন কামৰূপৰ প্ৰত্নলেখ, তাম্ৰ লেখ আদিৰ ভাষাই অসমীয়া ভাষাৰ লগত প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সম্পৰ্ক প্ৰতিষ্ঠা কৰে। চৰ্যাপদৰ লগত থকা অসমীয়া ভাষাৰ নিগূঢ় সম্পৰ্কই অসমীয়া ভাষাটো যে মূলতঃ এক মগধীয়া ভাষা আৰু মগধীয় আন আন ভাষা বা মগধ অঞ্চলত প্ৰচলিত আন আন প্ৰাকৃতৰ লগত ইয়াৰ সম্বন্ধ দেখুৱায়।

চৰ্যাপদসমূহৰ মাজত মধ্যভাৰতীয় আৰ্যভাষাৰ স্তৰৰ বিভিন্ন ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহ ৰক্ষিত হৈছে। ঠিক একেদৰে চৰ্যাপদৰ বহুতো ভাষিক বৈশিষ্ট্য বা ইয়াৰ ক্ৰমবিকশিত ৰূপ পুৰণি অসমীয়া, মধ্য যুগীয় অসমীয়া, মান্য ভাষা, কামৰূপী ভাষা আদি বিভিন্ন স্তৰত দেখা যায়। এইসমূহে অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, শাব্দিক আদি দিশত ক্ৰমবিবৰ্তনৰ ইতিহাস দাঙি ধৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমীয়া ভাষা উদ্ভৱ সম্পৰ্কে থকা মতসমূহ উল্লেখ কৰি ইয়াৰ ভিতৰত কোনটো অধিক গ্ৰহণযোগ্য বিচাৰ কৰক।

.....

প্ৰশ্ন নং ২ ঃ 'কামৰূপী প্ৰাকৃত' সম্পৰ্কে এটা টোকা প্ৰস্তুত কৰক।

.....

প্ৰশ্ন নং ৩ ঃ প্ৰাচীন কামৰূপৰ শিলালেখ তাম্ৰলেখ আদিত অসমীয়া থলুৱা ভাষাৰ প্ৰভাৱত গঢ় লোৱা সংস্কৃত ভিন্ন ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহ দেখুৱাওক।

.....

প্ৰশ্ন নং ৪ ঃ *'শ্ৰীকৃষ্ণ কীৰ্ত্তন'ৰ* ভাষাৰ লগত কামৰূপী উপভাষাৰ সাদৃশ্যসমূহ দেখুৱাওক।

.....



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টিৰ প্ৰাৰম্ভণিতে আমি অসমীয়া ভাষা উদ্ভৱ সম্পৰ্কে থকা বিভিন্ন মত সম্পৰ্কে জানিব পাৰিলোঁ আৰু এই সমূহৰ ভিতৰত আটাইতকৈ গ্ৰহণযোগ্য বুলি বিবেচিত অসমীয়া ভাষা মাগধী প্ৰাকৃত সম্ভূত এই কথা জানিব পাৰিলোঁ।
- আন আন নব্য ভাৰতীয় আয্য ভাষাসমূহৰ দৰে অসমীয়া ভাষাটোও খ্ৰীষ্ট্ৰীয় দশম শতিকাৰ আশে-পাশে উদ্ভৱ বুলি ধৰা হয় যদিও খ্ৰীষ্টীয় ষষ্ঠ-সপ্তম শতিকা মানতে কামৰূপৰ ভাষাই এক সুকীয়া ৰূপত বিকাশ লাভ কৰাৰ তথ্য হিউৱেন চাঙৰ বিৱৰণি আৰু পঞ্চম

শতিকাৰ পৰা দ্বাদশ শতিকালৈকে খোদিত তামৰ ফলিৰ পৰা জানিব পাৰি।

- প্রাচীন কামৰূপৰ শিলালেখ, তাম্রলেখসমূহ সংস্কৃতত লিখা হৈছিল যদিও ইয়াৰ মাজত সংস্কৃত ভিন্ন উপাদান, লৌকিক ভাষাটোৰ প্রভাৱত সোমাই পৰা ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক পৰিবর্তনৰ নিদর্শন কিছুমান সংৰক্ষিত হৈ থকা দেখা যায়। ইয়াৰ উপৰি হিউৱেন চাঙৰ মন্তব্য— 'এই অঞ্চলৰ ভাষা মধ্যভাৱততকৈ পৃথক।' এই দুই দিশলৈ লক্ষ্য ৰাখি বেণী মাধৱ বৰুৱা, ডিম্বেশ্বৰ নেওগ, উপেন্দ্র নাথ গোস্বামী আদিয়ে অসমত সুকীয়া প্রাকৃত এটা গঢ় লৈ উঠা বুলি ধাৰণা কৰে আৰু ইয়াক 'কামৰূপী প্রাকৃত' নামেৰে নামকৰণ কৰিছে।'
- খ্রীষ্ট্রীয় পঞ্চম-ষষ্ঠ শতিকাৰ পৰা খ্রীষ্ট্রীয় ত্রয়োদশ শতিকালৈকে এই যুগটোক উদ্ভৱ কালৰ অসমীয়া বা প্রত্ন অসমীয়া বোলা হৈছে। এই সময়ছোৱাৰ ভাষাগত বৈশিষ্ট্য সংৰক্ষিত হৈছে ৰজাঘৰীয়া ভূমিদান ফলি, শ্রীকৃষ্ণ কীর্ত্তন আৰু চর্যাপদসমূহত।
- প্রাচীন কামৰূপৰ শিলালেখ, তাম্রলেখ আদিৰ ভাষাই, যিদৰে প্রাচীন ভাৰতীয় আর্যভাষাৰ লগত সম্পর্ক দেখুৱাই ঠিক একেদৰে এইবোৰৰ মাজত কামৰূপৰ মানুহৰ মাজত প্রচলিত লৌকিক ভাষাটোৰো নিদর্শন দাঙি ধৰে।
- চর্যাপদসমূহ, *শ্রীকৃষ্ণ কীর্ত্তন* আদিৰ মাজত বাংলা, ওডিআ, অসমীয়া আদি ভগ্নী স্থানীয় ভাষাসমূহৰ নিজ নিজ ভাষিক নির্দশন কিছুমান সংৰক্ষিত হৈ আছে। সেয়েহে প্রত্যেকটো ভাষাই চর্যাপদ, *শ্রীকৃষ্ণ কীর্ত্তনক* নিজ নিজ ভাষাৰ প্রত্ন ৰূপ বুলি দাবী কৰি আহিছে।
- চর্যাপদসমূহৰ লগত ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শাব্দিক ক্ষেত্রত অসমীয়া ভাষাৰ নিগূঢ় আৰু যথেষ্ট মিল পৰিলক্ষিত হয়। ঠিক একেদৰে *শ্রীকৃষ্ণ কীর্ত্তনৰ* ভাষাৰ লগতো ৰূপতাত্ত্বিক দিশত কামৰূপী উপভাষাৰ যথেষ্ট মিল পৰিলক্ষিত হয়।
- উদ্ভৱ কালীন অসমীয়াৰ ভাষিক বৈশিষ্ট্যসমূহ অসমীয়া ভাষাৰ বুৰঞ্জীৰ বিভিন্ন স্তৰ, পুৰণি অসমীয়া, মধ্যযুগৰ অসমীয়া, মান্যভাষা, উপভাষা আদিত সংৰক্ষিত হৈ আছে। সেয়েহে চর্যাপদৰ পৰা আধুনিক অসমীয়ালৈকে অসমীয়া ভাষাৰ বৈশিষ্ট্যপূর্ণ প্রবাহ লেথেৰি নিচিগা।



৯.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

1] গোস্বামী, উপেন্দ্র নাথ (২০০২) ঃ অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি বিকাশ, গুৱাহাটী ঃ বৰুৱা এজেন্সী

2] ডেকা, খগেশ সেন (২০১৬) ঃ ভাষা চিন্তাৰ ৰেঙণি, গুৱাহাটী ঃ জ্যোতি প্রকাশন

3] বৰা, লীলাৱতী শইকীয়া (২০১৬) ঃ সংস্কৃত পালি-প্রাকৃত আৰু অসমীয়া ব্যাকৰণ, গুৱাহাটী ঃ বনলতা

4] মহন্ত, সুবাসনা (২০০৩) ঃ উদ্ভৱকালীন অসমীয়া ভাষা, ডিব্রুগড় ঃ বনলতা
5] হাজৰিকা, পৰীক্ষিত (২০০৮) ঃ চর্যাপদ, গুৱাহাটী ঃ ডালিমী প্রকাশন
6] হাজৰিকা, বিশ্বেশ্বৰ (অনু) (২০০২) ঃ অসমীয়া ভাষাৰ গঠন আৰু বিকাশ মূল ঃ ড° বাণীকান্ত কাকতি, গুৱাহাটী ঃ বীণা লাইব্রেৰী



৯.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভাষা উদ্ভৱ সম্পর্কে বিভিন্ন জন পণ্ডিতে দিয়া মতসমূহ..... মাগধী প্রাকৃতৰ লগত অসমীয়া ভাষাৰ সাদৃশ্য.....।

২ নং প্রশ্নৰ উত্তৰ ঃ প্রাচীন কামৰূপৰ শিলালেখ-তাম্রলেখত প্রান্ত সংস্কৃত ভিন্ন উপাদানসমূহ..... প্রাচীন কামৰূপৰ ভাষা সম্পর্কে হিউৱেন চাঙৰ মন্তব্য.... বেণী মাধৱ বমৰুৱা, উপেন্দ্র নাথ গোস্বামীৰ ধাৰণা.....।

৩ নং প্রশ্নৰ উত্তৰ ঃ খ্রীষ্টীয় পঞ্চম-ষষ্ঠ শতিকাৰ পৰা ত্রয়োদশ শতিকা পর্যন্ত কামৰূপৰ তামৰ ফলি-শিলালেখ আদিত পোৱা সংস্কৃত ভিন্ন উপাদান সমূহ.....ধ্বনি পৰিবর্তন সমূহ.....

৪ নং প্রশ্নৰ উত্তৰ ঃ 'শ্রীকৃষ্ণ কীর্তন'ৰ ভাষা আৰু কামৰূপী উপাভাষাৰ মাজত ধ্বনিতাত্ত্বিক..... ৰূপতাত্ত্বিক..... শাকিত..... সাদৃশ্যসমূহ।



৯.৯ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ প্রাচীন ভাৰতীয় আর্যভাষা সংস্কৃত আৰু অসমীয়া ভাষাৰ স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিসমূহৰ ধ্বনিগত মিল-অমিলসমূহ দেখুৱাওক।

প্রশ্ন নং ২ ঃ প্রাচীন কামৰূপৰ প্রত্নলেখসমূহত পৰিলক্ষিত ধ্বনিতাত্ত্বিক পৰিবর্তনসমূহ আলোচনা কৰক।

প্রশ্ন নং ৩ ঃ চর্যাপদসমূহৰ মাজত পৰিলক্ষিত অসমীয়া ধ্বনিৰ উৎস সমূহ দেখুৱাওক।

প্রশ্ন নং ৪ ঃ উদ্ভৱকালীন অসমীয়া-চর্যাপদ, *শ্রীকৃষ্ণ কীর্ত্তন* লগত পুৰণি অসমীয়া আৰু মধ্যযুগীয়া অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক সাদৃশ্যসমূহ দেখুৱাওক।

*** ***** ***

অধ্যায় ১০ ঃ অসমীয়া ভাষাৰ সৈতে মাগধীয় ভাষাৰ (বাংলা, ওড়িয়া আৰু মৈথিলী) ধ্বনিমালাৰ তুলনা

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ অসমীয়া আৰু বাংলা ধ্বনিৰ তুলনা

১০.৩.১ অসমীয়া আৰু বাংলা ভাষাৰ স্বৰধ্বনিৰ তুলনা

১০.৩.২ অসমীয়া আৰু বাংলা ভাষাৰ ব্যঞ্জনধ্বনিৰ তুলনা

১০.৪ অসমীয়া আৰু ওড়িয়া ধ্বনিৰ তুলনা

১০.৪.১ অসমীয়া আৰু ওড়িয়া স্বৰধ্বনিৰ তুলনা

১০.৪.২ অসমীয়া আৰু ওড়িয়া ব্যঞ্জনধ্বনিৰ তুলনা

১০.৫ মৈথিলী ভাষাৰ এক চমু পৰিচয়

১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৭ অধিক জানিবলৈ

১০.৮ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১০.৯ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ সৈতে মাগধীয় ভাষাসমূহৰ (বিশেষকৈ বাংলা আৰু ওড়িয়া ভাষাৰ) এক তুলনামূলক জ্ঞান লাভ কৰিব পাৰিব
- অসমীয়া আৰু বাংলা ভাষাৰ ধ্বনিসমূহৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্যসমূহৰ বিষয়ে জানিব পাৰিব
- অসমীয়া আৰু ওড়িয়া ভাষাৰ ধ্বনিৰ মাজত থকা মিল আৰু অমিলবোৰৰ বিষয়ে অৱগত হ'ব
- অসমীয়া ভাষাৰ সমগোত্রীয় মৈথিলী ভাষাৰো এক চমু পৰিচয় লাভ কৰিব পাৰিব
- ধ্বনিগত দিশত অসমীয়া ভাষাৰ সৈতে অন্যান্য সমগোত্রীয় ভাষাসমূহৰ সম্পর্ক কেনে ধৰণৰ সেই বিষয়েও আলোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়াৰ প্রথম ষাণ্মাসিকৰ শিক্ষার্থীসকলৰ বাবে আগবঢ়োৱা তৃতীয় ঐচ্ছিক পাঠ্যবিষয় 'ধ্বনিবিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব'ৰ অন্তর্গত এইটো হ'ল দশম অধ্যায়।

এই অধ্যায়টোৰ শিৰোনাম হৈছে 'অসমীয়া ভাষাৰ সৈতে মাগধীয় (বাংলা, ওড়িয়া আৰু মৈথিলী) ভাষাৰ ধ্বনিমালাৰ তুলনা'। এই অধ্যায়টোত অসমীয়া ভাষাৰ সৈতে বাংলা ওড়িয়া আদি মাগধীয় ভাষাবোৰৰ ধ্বনিমালাৰ এক তুলনামূলক আলোচনা দাঙি ধৰা হৈছে। অর্থাৎ অধ্যায়টোৰ জৰিয়তে ভাষা শাখাৰ শিক্ষার্থীসকলে অসমীয়া ভাষাৰ উপৰিও বাংলা, ওড়িয়া আদি ভাষাৰ ধ্বনি সম্পর্কে জ্ঞান লাভ কৰিব পাৰিব আৰু অসমীয়া ভাষাৰ ধ্বনিমালাৰ লগত এই দুয়োটা ভাষাৰ ধ্বনিমালাৰ এক তুলনামূলক জ্ঞান লাভ কৰিবলৈও সক্ষম হ'ব। তদুপৰি এই অধ্যায়টোত অসমীয়া ভাষাৰ ভগ্নীস্থানীয় মৈথিলী ভাষাৰ এক চমু পৰিচয় দিবলৈ চেষ্টা কৰা হৈছে। ধ্বনিগত দিশত অসমীয়া ভাষাৰ লগত ভগ্নীস্থানীয় মাগধীয় ভাষাকেইটাৰ সাদৃশ্য-বৈশাদৃশ্য কেনে ধৰণৰ সেই সম্পর্কেও এক সম্যক ধাৰণা লাভ কৰিব পাৰিব।

১০.৩ অসমীয়া আৰু বাংলা ধ্বনিৰ তুলনা

আধুনিক ভাৰতীয় আর্যভাষা অসমীয়াৰ দৰে বাংলা ভাষাও এটা অন্যতম গুৰুত্বপূর্ণ আৰু শক্তিশালী ভাষা। এই দুয়োটা ভাষাই একেটা মূল উৎসৰ পৰা অর্থাৎ মাগধী প্রাকৃত অপভ্রংশৰ প্রাচ্য শাখাৰ পৰা খ্রীষ্টাব্দ নৱম-দশম শতিকামানত জন্ম লাভ কৰিবলৈ সক্ষম হৈছে। একেটা মূল উৎসৰ পৰা জন্ম লাভ কৰা বাবে এই দুয়ো ভাষাৰ মাজত যথেষ্ট সাদৃশ্য আছে। তদুপৰি দুয়ো ভাষাৰে কিছুমান এনে ধৰণৰ বৈশিষ্ট্য আছে যিবোৰে দুয়োটা ভাষাকে স্বকীয় বিশেষত্ব প্রদান কৰিছে। তলত অসমীয়া আৰু বাংলা ভাষাৰ ধ্বনিতত্ত্বৰ এক তুলনা দাঙি ধৰা হ'ল—

ভাষাত ব্যৱহৃত বিভাজ্য ধ্বনিসমূহক দুটা ভাগত ভাগ কৰা হয়। এবিধ হ'ল স্বৰধ্বনি আৰু আনবিধ হ'ল ব্যঞ্জনধ্বনি।

১০.৩.১ অসমীয়া আৰু বাংলা ভাষাৰ স্বৰধ্বনিৰ তুলনা

অসমীয়া ভাষাৰ স্বৰধ্বনি ঃ অসমীয়া ভাষাত আঠোটা বিশিষ্ট স্বৰধ্বনি পোৱা যায়। সেই কেইটা হ'ল— ই, এ', এ, আ, অ, অ', ও আৰু উ। অসমীয়া ভাষাৰ এই স্বৰধ্বনি কেইটাক চাৰি ধৰণে শ্রেণীবিভাজন কৰিব পাৰি।

(i) স্বৰধ্বনি উচ্চাৰণত জিভাখনৰ ভিন্ ভিন্ অংশই মুখবিৱৰত ভিন্ ভিন্ অৱস্থান গ্রহণ কৰে। সেয়ে জিভাৰ অংশ অনুসৰি অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহক (ক) প্রান্তীয় বা অগ্র (Front) (খ) কেন্দ্রীয় বা মধ্য (Central) আৰু (গ) মূলীয় বা পশ্চ (Back)-এই তিনিটা ভাগত ভাগ কৰা হৈছে।

(ii) উচ্চাৰণ কৰণ জিভাই মুখবিৱৰত ভিন্ ভিন্ অৱস্থান গ্রহণ কৰে। তাৰ ওপৰত ভিত্তি কৰি স্বৰধ্বনিসমূহক উচ্চ (High) (খ) উচ্চ মধ্য (High-mid) (গ) নিম্ন মধ্য (Low-mid) আৰু (ঘ) নিম্ন (Low) - এই চাৰিটা ভাগত ভাগ কৰা হৈছে।

(iii) স্বৰধ্বনি উচ্চাৰণত মুখবিৱৰৰ বিস্তৃতিৰো তাৰতম্য ঘটে। মুখবিৱৰৰ বিস্তৃতি অনুসৰি অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহক (ক) সংবৃত্ত (Close) (খ) অৰ্দ্ধসংবৃত্ত (Half-Close) (গ) অৰ্দ্ধবিবৃত (Half Open) আৰু (ঘ) বিবৃত (Open) - এই চাৰিটা ভাগত শ্রেণীবিভাজন কৰা হৈছে।

(iv) স্বৰধ্বনি উচ্চাৰণত ওঁঠ দুটাৰ অৱস্থানলৈও লক্ষ্য ৰখা হয়। ওঁঠৰ অৱস্থান অনুসৰি অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহক (ক) কুঞ্চিত (Rounded) আৰু (খ) প্রসৃত (Un-Rounded) - এই দুটা ভাগত ভাগ কৰা হৈছে। ওঁঠ দুটা গোলাকাৰ হৈ উচ্চাৰিত হোৱা স্বৰধ্বনিক কুঞ্চিত আৰু ওঁঠ দুটা বহল হৈ উচ্চাৰিত হোৱা স্বৰধ্বনিক প্রসৃত ধ্বনি বোলা হয়। তলত এই শ্রেণীবিভাজন অনুসৰি অসমীয়া ভাষাৰ স্বৰধ্বনিৰ তালিকাখন উল্লেখ কৰা হ'ল—

জিভাৰ অংশ অনুসৰি মুখবিৱৰৰ বিস্তৃত অনুসৰি	সন্মুখ	কেন্দ্রীয় মূলীয়
উচ্চ সংবৃত্ত	ই	উ
উচ্চ মধ্য অৰ্দ্ধসংবৃত্ত	এ'	ও
নিম্ন মধ্য অৰ্দ্ধবিবৃত	এ	অ'
নিম্ন বিবৃত	আ	অ

অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি আৰু আখৰৰ মাজত পার্থক্য আছে। অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি হ'ল আঠোটা। কিন্তু অসমীয়া স্বৰবর্ণমালাত 11 (এঘাৰ)টা আখৰ পোৱা যায়। সেই কেইটা হ'ল— অ, আ, ই, ঈ, উ, ঊ, ঋ, এ, ঐ, ও আৰু ঔ। অসমীয়া ভাষাত স্বৰৰ হ্রস্ব আৰু দীর্ঘ উচ্চাৰণৰ মাজত কোনো পার্থক্য নাই। সেয়ে ই, ঈৰ ঠাইত ই আৰু উ, ঊ-ৰ ঠাইত উ ধ্বনিকহে বিশিষ্ট ৰূপে ধৰা হয়। সেইদৰে অসমীয়া ভাষাত 'এ' আৰু 'অ' ধ্বনিৰ দুই ধৰণৰ উচ্চাৰণ হোৱা দেখা যায় আৰু সেই ধ্বনি দুটা উচ্চাৰণ কৰোঁতে ধ্বনিগুণৰ পার্থক্য বুজাবৰ বাবে 'এ' আৰু 'অ' ধ্বনিৰ লগত উর্দ্ধকমা (') ব্যৱহাৰ কৰা হয়। সেইদৰে স্বৰবর্ণ মালাত থকা 'ঋ' আখৰটো 'ৰি' হিচাপেহে উচ্চাৰিত হয়। অসমীয়া স্বৰবর্ণমালাত ঐ অ আৰু ঔ এই দুটা যৌগিক স্বৰ পোৱা যায়। দুটা স্বৰ লগ লাগি (অ+ই=ঐ, অ+উ=ঔ) গঠন হোৱা বাবে এই দুটা স্বৰক দ্বিস্বৰ ধ্বনি বুলি কোৱা হয়। গতিকে অসমীয়া ভাষাত সংস্কৃতৰ আর্হিত বানানৰ ক্ষেত্রত 11টা আখৰ ব্যৱহাৰ কৰা হয় যদিও প্রকৃততে অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি হ'ল আঠোটা। তদুপৰি অসমীয়া ভাষাৰ মুখ্য স্বৰসমূহৰ উপৰিও একোটাকৈ গৌণ ৰূপ (অ স্বৰৰ বাহিৰে) পোৱা যায়। শব্দৰ মাজত বা ব্যঞ্জনৰ লগত এই গৌণৰূপবোৰহে ব্যৱহাৰ হয়। (আগৰ ষষ্ঠ আৰু অষ্টম অধ্যায়ত অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহৰ প্রয়োগ, বিশিষ্ট ধ্বনি আৰু আঘৰ, গৌণৰূপ ইত্যাদি কথা বিশদভাৱে আলোচনা কৰা হৈছে।)

অমসীয়া ভাষাত অনুনাসিকতা এটা বিশিষ্ট ধ্বনি। অর্থাৎ অভিন্ন পৰিবেশত অনুনাসিকতাই অসমীয়া ভাষাত শব্দৰ অর্থৰ ভিন্নতা ঘটাব পাৰে। ঁ (চন্দ্রবিন্দু)ৰ দ্বাৰা অনুনাসিকতা সূচিত কৰা হয়। ই অকলে বহিব নোৱাৰে। স্বৰৰ লগত অনুনাসিকতা ওতঃপ্রোতভাৱে জড়িত হৈ থাকে। নিদর্শন স্বৰূপে—

বাহ — চৰাইৰ বাহ ঃ বাঁহ — এবিধ ওখ উদ্ভিদ

আহত — আঘাতপ্রাপ্ত হোৱা ঃ আঁহত — এবিধ ডাঙৰ গছ

অকা — এবিধ জনজাতি ঃ অঁকা — ছবি অংক কৰা

অসমীয়া ভাষাত যথেষ্ট সংখ্যক দ্বিস্বৰ ধ্বনি পোৱা যায়। অর্থাৎ অসমীয়া স্বৰবর্ণমালাত 'ঐ' আৰু 'ঔ' এই দুটা দ্বিস্বৰ ধ্বনি আছে। এই দুয়োটা দ্বিস্বৰৰ বাহিৰেও অসমীয়া ভাষাত আৰু বহুতো দ্বিস্বৰ ধ্বনি পোৱা যায়। তেনে কেইটামান দ্বিস্বৰ ধ্বনিৰ নিদর্শন হ'ল— ইএ (দিয়েক), ইআ (হিয়া), ইঅ (কিয়), এই (য়ে'ই), আই (মনাই), আএ (লায়েক), উৱা (ধৰুৱা), ইউ (জীউ) ইত্যাদি।

বাংলা ভাষাৰ স্বৰধ্বনি ঃ বাংলা ভাষাত স্বৰধ্বনিৰ সংখ্যা হ'ল সাতোটা। এই সাতোটা স্বৰধ্বনি হ'ল— ই, এ, অ্যা, আ, অ', ও আৰু উ। এই সাতোটা স্বৰধ্বনিৰ উপৰিও বাংলা ভাষাৰ প্রাদেশিক উচ্চাৰণত আৰু দুটা স্বৰধ্বনি পোৱা যায়। সেই দুটা হ'ল— আ' আৰু এ'। এই দুটাক ধৰিলে বাংলা ভাষাত নটা স্বৰধ্বনি পোৱা যায়। কৃষ্ণপদ গোস্বামীয়ে এই প্রত্যেকটো ধ্বনিকে একো একোটা মূল ধ্বনি বুলি উল্লেখ কৰিছে।

অসমীয়া ভাষাৰ দৰে বাংলা ভাষাৰ স্বৰধ্বনিসমূহকো একে ধৰণে শ্রেণীবিভাজন কৰিব পাৰি। অর্থাৎ জিভাৰ অংশ অনুসৰি স্বৰধ্বনিসমূহক সন্মুখ, কেন্দ্রীয় আৰু পশ্চ— এই তিনিটা ভাগত ভাগ কৰা হয়। জিভাৰ উচ্চতা অনুসৰি বাংলা ভাষাৰ স্বৰধ্বনিসমূহক উচ্চ, উচ্চ-মধ্য, নিম্নমধ্য আৰু নিম্ন— এই চাৰিটা ভাগত ভাগ কৰিব পাৰি। আকৌ মুখবিৱৰৰ বিস্তৃতি অনুসৰি বাংলা স্বৰধ্বনিবোৰক সংবৃত্ত, অর্দ্ধসংবৃত্ত, অর্দ্ধবিবৃত আৰু বিবৃত— এই চাৰিটা ভাগত শ্রেণীবিভাগ কৰিব পাৰি। সেইদৰে ওঁঠৰ অৱস্থান অনুসৰি বাংলা ভাষাৰ স্বৰধ্বনিবোৰক প্রসৃত আৰু বর্ত্তুল— এই দুটা ভাগত ভগাব পাৰি। তলত এই শ্রেণীবিভাজন অনুসৰি বাংলা ভাষাৰ স্বৰধ্বনিসমূহক এখন তালিকাত অন্তর্ভুক্ত কৰি দেখুওৱা হ'ল—

জিভাৰ অংশ অনুসৰি মুখবিৱৰৰ বিস্তৃত অনুসৰি	সন্মুখ ঃ প্রসৃত	কেন্দ্রীয় ঃ প্রসৃত	পশ্চ ঃ বর্ত্তুল
উচ্চ ঃ সংবৃত্ত	ই		উ
উচ্চ মধ্য ঃ অর্দ্ধসংবৃত্ত	এ		ও
নিম্ন মধ্য ঃ অর্দ্ধবিবৃত	এ' অ্যা		অ
নিম্ন ঃ বিবৃত্ত	আ'	আ	

অসমীয়া ভাষাৰ দৰে বাংলা ভাষাৰো বিশিষ্ট স্বৰধ্বনি আৰু আঘৰ একে নহয়। বিশিষ্ট স্বৰধ্বনি আৰু আখৰৰ মাজত পার্থক্য আছে। সংস্কৃত স্বৰবর্ণমালাৰ আৰ্হিত বাংলা ভাষাত লিখোঁতে বানানৰ ক্ষেত্রত 11 টা আখৰ ব্যৱহাৰ কৰা হয় যদিও বাংলা ভাষাত বিশিষ্ট স্বৰধ্বনি হ'ল 9 টা (প্রাদেশিক উচ্চাৰণ দুটা ধৰি)। বাংলা ভাষাতো স্বৰৰ হ্রস্ব-দীর্ঘৰ পার্থক্য নাই। ই আৰু ঈ-ৰ পার্থক্য নাই বাবে ই আৰু উ আৰু ঊ ৰ পার্থক্য নাই বাবে বিশিষ্ট ধ্বনিৰূপে উ ৰ প্রয়োগ হোৱা দেখা যায়। ঋ ধ্বনি বাংলা ভাষাত ৰি হিচাপে উচ্চাৰিত হয়। বাংলা ভাষাত 'এ' আৰু 'আ' ধ্বনি দুই ধৰণে উচ্চাৰিত হয় আৰু পার্থক্য দেখুৱাই ধ্বনিগুণ বুজাবৰ বাবে 'এ' আৰু 'আ'-ৰ লগত উর্দ্ধকমা (') ব্যৱহাৰ কৰা হয়। তদুপৰি বাংলা ভাষাত ঐ আৰু ঔ-এই দুটা দ্বিস্বৰ ধ্বনি পোৱা যায়। বাংলা ভাষাত সাধাৰণ স্বৰধ্বনিৰ উচ্চাৰণ হ্রস্ব হয় যদিও আবেগৰ তাৰতম্যৰ বাবে কেতিয়াবা হ্রস্ব উচ্চাৰণ দীর্ঘ হোৱা দেখা যায়।

অসমীয়া ভাষাৰ দৰে বাংলা ভাষাতো শব্দৰ আদিতে স্বৰবর্ণ লিখা হয় যদিও শব্দৰ মাজত ব্যঞ্জনবর্ণৰ পাছত থাকিলে স্বৰবর্ণৰ ৰূপ সলনি হয়। অর্থাৎ বাংলা ভাষাৰ স্বৰধ্বনিসমূহৰ মুখ্যৰূপৰ উপৰিও একোটা স্বতন্ত্র চিন বা গৌণৰূপ পোৱা যায়। অ বর্ণৰ স্বতন্ত্র চিহ্ন নাই। তলত বাংলা ভাষাৰ স্বৰধ্বনিৰ মুখ্যৰূপ আৰু গৌণৰূপবোৰৰ প্রয়োগসহ এখন তালিকা দিয়া হ'ল—

স্বৰবর্ণৰ মুখ্যৰূপ	**গৌণৰূপ**	**উদাহৰণ**
আ	া	কা (কাঁচা, কাকাতুয়া)
ই	ি	কি (কিৰণ, কিল্‌কিল্‌)
ঈ	ী	কী (কীর্তি, কীর্ত্তন)
উ	ু	কু (কুড়ি, কুড়ুল)
ঊ	ূ	কূ (কূজন, কূল)
ঋ	ৃ	কৃ (কৃষাণ, কৃপন)
এ	ে	কে (কেবল, কেঠো)
ঐ	ৈ	কৈ (কৈশোৰ, কৈলাস)
ও	ো	কো (কোঁকড়া, কোয়েল)
ঔ	ৌ	কৌ (কৌটা, কৌতুক)

অসমীয়া ভাষাৰ দৰে বাংলা ভাষাতো অনুনাসিকতা বিশিষ্ট ধ্বনি। বাংলা ভাষাত স্বৰবোৰ অনুনাসিক হিচাপে উচ্চাৰিত হয় আৰু চন্দ্রবিন্দুৰ দ্বাৰা অনুনাসিকতা সূচিত কৰা হয়। স্বৰধ্বনিৰ অনুনাসিকতাৰ ফলত অর্থৰ পৰিবর্তন ঘটা দেখা যায়। নিদর্শন স্বৰূপে—

কুড়ি — বিশ û কুঁড়ি — মুকুল

বাস — সুগন্ধ û বাঁশ — বাঁহ আদি

বাংলা ভাষাতো ঐ আৰু ঔ এই দুয়োটা দ্বিস্বৰ ধ্বনিৰ উপৰিও আন বহুতো দ্বিস্বৰ ধ্বনিৰ প্ৰয়োগ আছে। নিদৰ্শন স্বৰূপে— ইউ (পিউ), ইএ (দিয়ে), অও (কও), আউ (দাউ দাউ), আয় (গায়), ইআ (দিয়া), ওই (বোই), অ্যায় (ন্যায়), এএ (দেয়ে) ইত্যাদি।

অসমীয়া আৰু বাংলা ভাষাৰ স্বৰধ্বনিৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্য ঃ

অসমীয়া আৰু বাংলা ভাষাৰ স্বৰধ্বনিৰ তুলনা কৰিলে দেখা যায় যে দুয়োটা ভাষাৰ স্বৰধ্বনিসমূহৰ মাজত কিছুমান সাদৃশ্য আৰু বৈসাদৃশ্য আছে। সেইবোৰ এনে ধৰণৰ—

সাদৃশ্য ঃ

(i) অসমীয়া আৰু বাংলা দুয়োটা ভাষাতে স্বৰধ্বনিসমূহক জিভাৰ অংশ, জিভাৰ উচ্চতা, মুখবিৱৰৰ বিস্তৃতি আৰু ওঁঠৰ অৱস্থান— চাৰি ধৰণে শ্ৰেণীবিভাজন কৰা হয়।

(ii) অসমীয়া আৰু বাংলা— এই দুয়োটা ভাষাতে স্বৰৰ হ্ৰস্ব আৰু দীৰ্ঘৰ পাৰ্থক্য নাই। মাত্ৰ বানানৰ ক্ষেত্ৰতহে হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্য মানি চলা হয়।

(iii) দুয়োটা ভাষাতে বিশিষ্ট স্বৰধ্বনি আৰু আখৰৰ মাজত পাৰ্থক্য দেখিবলৈ পোৱা যায়।

(iv) দুয়োটা ভাষাতে 'এ' ধ্বনিটোৰ দুই ধৰণৰ উচ্চাৰণ পোৱা যায় আৰু ধ্বনিগুণ বুজাবৰ বাবে দুয়োটা ভাষাতে 'এ' ধ্বনিৰ লগত উৰ্দ্ধকমা প্ৰয়োগ কৰা হয়।

(v) অসমীয়া আৰু বাংলা দুয়োটা ভাষাতে অনুনাসিকতা এক বিশিষ্ট ধ্বনি।

(vi) দুয়োটা ভাষাত স্বৰধ্বনি মুখ্যৰূপসমূহৰ বাহিৰেও গৌণৰূপৰ প্ৰয়োগ পোৱা যায়।

(vii) অসমীয়া আৰু বাংলা দুয়োটা ভাষাতে ঐ আৰু ঔ দ্বিস্বৰৰ বাহিৰেও আৰু বহুতো দ্বিস্বৰৰ ব্যৱহাৰ পোৱা যায়।

বৈসাদৃশ্য ঃ

(i) অসমীয়া ভাষাত 'অ' স্বৰধ্বনিৰ দুই ধৰণৰ উচ্চাৰণ পোৱা যায়। এটা হ'ল নিম্ন-বিবৃত অ আৰু আনটো হ'ল নিম্নমধ্য-অৰ্দ্ধবিবৃত অ'। কিন্তু বাংলা ভাষাত অ ধ্বনিৰ দুই ধৰণৰ উচ্চাৰণ পোৱা নাযায়।

(ii) অসমীয়া ভাষাত বিশিষ্ট ধ্বনি হ'ল আঠোটা। কিন্তু বাংলা ভাষাৰ প্ৰাদেশিক উচ্চাৰণত দুটা ধ্বনি নটা বিশিষ্ট ধ্বনি পোৱা যায়।

(iii) বাংলা ভাষাত পোৱা এটা বিশিষ্ট ধ্বনি হ'ল অ্যা। অসমীয়া ভাষাত এনেদৰে উচ্চাৰণ হোৱা বিশিষ্ট স্বৰ পোৱা নাযায়।

(iv) অসমীয়া ভাষাত অ স্বৰটো নিম্ন বিবৃত পশ্চৰূপে উচ্চাৰিত হয়। কিন্তু বাংলা ভাষাত অ স্বৰধ্বনিটো নিম্নমধ্য অৰ্দ্ধবিবৃত পশ্চৰূপে উচ্চাৰিত হোৱা দেখা যায়।



জানি থোৱা ভাল

অসমীয়া আৰু বাংলা— এই দুয়ো ভাষাৰে স্বৰধ্বনিৰ কিছু স্বকীয় বিশেষত্ব আছে। অর্থাৎ বাংলা ভাষাত অ্যা আৰু আ' বিশিষ্ট ধ্বনি দুটাই স্বকীয়ত্ব প্রকাশ কৰে। এই ধ্বনি দুটা অসমীয়া ভাষাত নাই। সেইদৰে অসমীয়া ভাষাৰ স্বকীয়ত্ব প্রকাশ কৰা অ' ধ্বনি বাংলা ভাষাত পোৱা নাযায়।

১০.৩.২ অসমীয়া আৰু বাংলা ভাষাৰ ব্যঞ্জনধ্বনিৰ তুলনা

স্বৰধ্বনিৰ দৰে অসমীয়া আৰু বাংলা ভাষাৰ ব্যঞ্জন ধ্বনিও নিজস্ব বৈশিষ্টৰে সমুজ্জ্বল। তলত দুয়োটা ভাষাৰ ব্যঞ্জন ধ্বনিৰ এক তুলনা দাঙি ধৰা হ'ল—

অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনি ঃ

অসমীয়া ভাষাত অর্দ্ধস্বৰ দুটাক ধৰি 23 টা বিশিষ্ট ব্যঞ্জন ধ্বনি পোৱা যায়। সেই কেইটা হ'ল— প, ফ, ব, ভ, ত, থ, দ, ধ, ক, খ, গ, ঘ, ম, ন, ঙ, চ, জ, স, হ, ৰ, ল, ৱ আৰু য়। অসমীয়া ভাষাৰ এই ব্যঞ্জন ধ্বনিসমূহক উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুযায়ী শ্রেণীবিভাজন কৰিব পাৰি। উচ্চাৰণৰ স্থান অনুযায়ী অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহক (i) দ্বৌষ্ঠ্য (ii) দন্ত মূলীয় (iii) তালব্য (iv) পশ্চতালব্য আৰু (v) কণ্ঠীয়— এই পাঁচোটা ভাগত ভাগ কৰিব পাৰি। সেইদৰে উচ্চাৰণৰ ধৰণ অনুসৰি অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহক (i) স্পর্শ বা নিয়ত (ii) নাসিকা (iii) উষ্ম (iv) কম্পিত (v) পার্শ্বিক আৰু (vi) অর্দ্ধস্বৰ— এই ছটা ভাগত ভাগ কৰিব পাৰি। আকৌ অসমীয়া ভাষাৰ নিয়ত ধ্বনিসমূহক অল্পপ্রাণ আৰু মহাপ্রাণ— এই দুটা ভাগত ভাগ কৰা হয়। সেইদৰে স্বৰতন্ত্রীত কম্পনৰ সৃষ্টি কৰা-নকৰাৰ ওপৰত ভিত্তি কৰি অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহক সঘোষ আৰু অঘোষ— এই দুটা ভাগত ভাগ কৰা হৈছে। তলত এই শ্রেণীবিভাজন অনুসৰি অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিৰ এখন তালিকা দিয়া হ'ল—

উচ্চাৰণৰ স্থান / উচ্চাৰণৰ ধৰণ		দ্বৌষ্ঠ্য	দন্তমূলীয়	তালব্য	পশ্চতালব্য	কণ্ঠীয়
স্পর্শ বা নিয়ত	অল্প প্রাণ	প ব	ত দ		ক গ	
	মহাপ্রাণ	ফ ভ	থ ধ		খ ঘ	
ন্যাসিক্য			ম	ন	ঙ	

উষ্ম			চ জ		স	হ
কম্পিত			ৰ			
পার্শ্বিক			ল			
অৰ্দ্ধস্বৰ	ৰ			য়		

স্বৰধ্বনিৰ দৰে অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি আৰু আখৰৰ মাজত পার্থক্য আছে। সংস্কৃত বর্ণমালাত থকা 41 টা ব্যঞ্জনবর্ণ লিখোঁতে বানানৰ ক্ষেত্রত অসমীয়া ভাষাত ব্যৱহাৰ কৰা হয় যদিও বিশিষ্ট ব্যঞ্জন ধ্বনিৰ সংখ্যা হ'ল 23 টা। (আগৰ সপ্তম আৰু অষ্টম অধ্যায়ত অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনি আৰু বিশিষ্ট ব্যঞ্জন আৰু আখৰ সম্পর্কে বিশদভাৱে আলোচনা কৰা হৈছে।)

অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিসমূহলৈ মন কৰিলে দেখা যায় যে ব্যঞ্জন ধ্বনিৰ ক্ষেত্রত অসমীয়া ভাষাত কেতবোৰ নিজস্ব বৈশিষ্ট্য আছে। অসমীয়া ভাষাত সংস্কৃত অনুযায়ী লিখিত ৰূপত ব্যঞ্জনসমূহ ব্যৱহাৰ কৰা হয় যদিও সংস্কৃতৰ লগত অসমীয়া ব্যঞ্জনৰ যথেষ্ট পার্থক্য আছে। অর্থাৎ উচ্চাৰণৰ দিশত সংস্কৃতৰ লগত অসমীয়া ব্যঞ্জনৰ বিশেষ মিল নাই আৰু এই ক্ষেত্রত যথেষ্ট পৰিৱর্তন হৈছে বুলিব পাৰি। অসমীয়া ভাষাত সংস্কৃতৰ দন্ত্য আৰু মূর্দ্ধন্য উচ্চাৰণ নাইকিয়া হৈ এইবোৰ ধ্বনি দন্তমূলীয় হিচাপে উচ্চাৰিত হয়। সেইদৰে শ, ষ, স- এই আটাইকেইটা ধ্বনিৰ উচ্চাৰণ নাইকিয়া হৈ তাৰ ঠাইত পশ্চতালব্য অঘোষ উষ্ম স (x) ধ্বনিহে উচ্চাৰিত হয়। ইও অসমীয়া ভাষাৰ এক বৈশিষ্ট্যমূলক উচ্চাৰণ। সেইদৰে সংস্কৃতৰ তালব্য স্পর্শ চ, ছ, জ, ঝ- এই চাৰিটা ধ্বনিৰ উচ্চাৰণ নাইকিয়া হৈ কেৱল চ আৰু জ- এই দুটা দন্তমূলীয় উষ্মৰূপে উচ্চাৰিত হ'ল। এইদৰে অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিৰ ক্ষেত্রত কিছুমান নিজস্ব বৈশিষ্ট্য গঢ় লৈ উঠিল।

বাংলা ভাষাৰ ব্যঞ্জন ধ্বনি ঃ

বাংলা ভাষাত ব্যৱহৃত বিশিষ্ট ব্যঞ্জন ধ্বনিৰ সংখ্যা হ'ল 29 টা বাংলা ভাষাৰ এই 29 টা ব্যঞ্জন বিশিষ্ট ধ্বনি হ'ল— প, ফ, ব, ভ, ত, থ, দ, ধ, ট, ঠ, ড, ঢ, চ, ছ, জ, ঝ, ক, খ, গ, ঘ, ম, ন, ঙ, শ, হ, ৰ, ল, ড় আৰু ঢ়। বাংলা ভাষাৰ এই বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহক উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুযায়ী শ্রেণীবিভাগ কৰিব পাৰি। অর্থাৎ উচ্চাৰণৰ স্থান অনুযায়ী বাংলা ভাষাৰ ব্যঞ্জন ধ্বনিবোৰক (i) ওষ্ঠ্য (ii) দন্ত্য (iii) দন্তমূলীয় (iv) দন্তমূলীয় মূর্দ্ধন্য (v) পশ্চাৎ দন্তমূলীয় বা দন্তমূলীয় তালব্য (vi) প্রসস্ত দন্তমূলীয় (vii) পশ্চতালব্য আৰু (viii) কণ্ঠনলীয়— এই আঠোটা ভাগত ভগাব পাৰি। সেইদৰে উচ্চাৰণৰ ৰীতি বা ধৰণ অনুযায়ী বাংলা ব্যঞ্জন ধ্বনিসমূহক (i) স্পর্শ (ii) উষ্ম (iii) নাসিক্য (iv) পার্শ্বিক (v) কম্পনজাত আৰু (vi) তাড়নজাত— এই ছটা ভাগত ভাগ কৰিব পাৰি। সেইদৰে স্বৰতন্ত্রীত কম্পন হোৱা নোহোৱাৰ ওপৰত ভিত্তি কৰি বাংলা ভাষাৰ ব্যঞ্জন

ধ্বনিসমূহক সঘোষ আৰু অঘোষ এই দুটা ভাগত ভাগ কৰা হৈছে। আকৌ স্পর্শ ব্যঞ্জনসমূহৰ লগত শ্বাস যুক্ত হৈ থকা-নথকাৰ ওপৰত ভিত্তি কৰি বাংলা ভাষাৰ বিশিষ্ট স্পর্শ ব্যঞ্জনকেইটাক অল্পপ্রাণ আৰু মহাপ্রাণ- এই দুটা ভাগত ভাগ কৰা হয়। এইদৰে বিভিন্ন ধৰণে শ্রেণীবিভাজন কৰি বাংলা ভাষাত 29 টা বিশিষ্ট ব্যঞ্জন ধ্বনি পোৱা যায়। তলত উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ বা ৰীতি অনুযায়ী বাংলা ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহক শ্রেণীবিভাজন কৰি এখন তালিকাত অন্তর্ভুক্ত কৰি দেখুওৱা হ'ল—

উচ্চাৰণৰ স্থান- উচ্চাৰণৰ ধৰণ	ওষ্ঠ্য	দন্ত্য	দন্তমূলীয়	দন্তমূলীয় মূর্দ্ধন্য	দন্তমূলীয় তালব্য/ পশ্চাৎ দন্তমূলীয়	প্রশস্ত দন্তমূলীয়	পশ্চতালব্য	কণ্ঠনলীয়
স্পর্শ অল্পপ্রাণ	প ব	ত দ		ট ড		চ জ	ক গ	
স্পর্শ মহাপ্রাণ	ফ ভ	থ ধ		ঠ ঢ		ছ ঝ	খ ঘ	
নাসিক্য	ম	ন					ঙ	
উষ্ম					শ			হ্
পার্শ্বিক			ল					
কম্পনজাত			ৰ					
তাড়নজাত				ড় ঢ়				

বাংলা ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহলৈ মন কৰিলে দেখা যায় যে সংস্কৃতৰ আৰ্হিত বাংলা ব্যঞ্জন বর্ণমালাত বহুতো আখৰ পোৱা যায় যদিও উচ্চাৰণৰ ফালৰ পৰা ব্যঞ্জনধ্বনিৰ সংখ্যা কম। অর্থাৎ বাংলা ভাষাত বিশিষ্ট ব্যঞ্জন ধ্বনি আৰু ব্যঞ্জনবর্ণমালাত থকা আখৰৰ সংখ্যা একে নহয়। 29 টা ব্যঞ্জন বিশিষ্ট ধ্বনিৰ পৰিবর্তে বাংলা ব্যঞ্জনবর্ণমালাত 38 টা আখৰ পোৱা যায়। এই আখৰসমূহ হ'ল — ক, খ, গ, ঘ, ঙ, চ, ছ, জ, ঝ, ঞ, ট, ঠ, ড. ঢ, ণ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, য. ৰ, ল, শ, ষ, স, হ, ড়, ঢ়, য়, ং, ঃ আৰুঁ। অসমীয়া ব্যঞ্জনবর্ণমালাত ব্যৱহৃত ক্ষ, ৰ আৰু ৎ এই বর্ণকেইটা বাংলা ভাষাৰ বর্ণমালাত পোৱা নাযায়। 'ক্ষ' বর্ণটো ক ÙÂ ষ ৰে গঠিত হোৱা বাবে ইয়াক বর্ণমালাত নেদেখুৱাই সংযুক্ত বর্ণৰূপে পৃথকভাৱে দেখুওৱা হয়। বাংলা ভাষাৰ ব্যঞ্জনমালাত 'ৰ' বর্ণটো পোৱা নাযায়। কাৰণ অন্তঃস্থ 'ব' ৰ উচ্চাৰণ বাংলা ভাষাত নাই। সেইদৰে বাংলা ভাষাত খণ্ড ৎ (ত) ক স্বতন্ত্র বর্ণৰূপে ধৰা নহয়। আকৌ বর্ণমালাত শ-ষ-স আটাইকেইটা ধ্বনি আছে যদিও সকলোৰে উচ্চাৰণ 'শ' ৰ দৰে। সেয়ে বানানৰ ক্ষেত্রত আটাইকেইটা প্রয়োগ হয় যদিও বিশিষ্ট ধ্বনি ৰূপে 'শ' ক মর্যাদা দিয়া হৈছে।। বাংলা ভাষাত ঃ (বিসর্গ) হ'ল

'হ'- ৰ অনুৰূপ ধ্বনি। সেইদৰে 'ঞ' বৰ্ণটো বৰ্ণমালাত আছে যদিও ইয়াৰ উচ্চাৰণ 'য়ঁ' বা 'ইয়ঁ' ৰূপে হয়। যেনে— মিঞা > মিয়াঁ। সেইদৰে চ বৰ্গৰ বৰ্ণৰ লগত 'ঞ' বৰ্ণটো যুক্ত হ'লে ইয়াৰ উচ্চাৰণ দন্ত্য 'ন' ৰ দৰে হয়। যেনে— বঞ্চনা(বন্‌চনা), বাঞ্ছা (বান্‌ছা) আদি। এইদৰে বাংলা ভাষাত বিশিষ্ট ব্যঞ্জন ধ্বনি আৰু আখৰৰ মাজত বহুতো পাৰ্থক্য দেখা যায়।

অসমীয়া আৰু বাংলা ভাষাৰ ব্যঞ্জন ধ্বনিৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্য ঃ

স্বৰধ্বনিৰ দৰেই অসমীয়া আৰু বাংলা ভাষাৰ ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰতো কিছুমান নিজস্ব বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। স্বৰধ্বনিৰ দৰেই দুয়ো ভাষাৰে ব্যঞ্জনধ্বনিৰ মাজতো কিছুমান সাদৃশ্য আৰু কিছুমান বৈসাদৃশ্য দেখিবলৈ পোৱা যায়। সেইবোৰ হ'ল—

সাদৃশ্য ঃ

(i) অসমীয়া আৰু বাংলা— এই দুয়ো ভাষাতে সংস্কৃতৰ আৰ্হিত ব্যঞ্জনবৰ্ণমালা মানি চলা হৈছে যদিও উচ্চাৰণ অনুযায়ী সকলোবোৰ ব্যঞ্জনবৰ্ণ পোৱা নাযায়।

(ii) অসমীয়া আৰু বাংলা— এই দুয়ো ভাষাতে ওষ্ঠ্য, দন্তমূলীয় আৰু পশ্চতালব্য এই তিনিটা নাসিক্য ধ্বনিৰ প্ৰয়োগ পোৱা যায়।

(iii) দুয়ো ভাষাতে বিশিষ্ট ব্যঞ্জনধ্বনি আৰু আখৰৰ সংখ্যা বেলেগ বেলেগ হোৱা দেখা যায়।

বৈসাদৃশ্য ঃ

(i) অসমীয়া ভাষাত বিশিষ্ট ব্যঞ্জন ধ্বনিৰ সংখ্য হ'ল 23 টা। আনহাতে বাংলা ভাষাত বিশিষ্ট ব্যঞ্জন ধ্বনিৰ সংখ্যা হ'ল 29 টা।

(ii) অসমীয়া ভাষাত ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰত দন্ত্য আৰু মূৰ্দ্ধন্য উচ্চাৰণ পোৱা নাযায়; তাৰ ঠাইত দন্তমূলীয় উচ্চাৰণহে পোৱা যায়। কিন্তু বাংলা ভাষাত দন্ত্য আৰু মূৰ্দ্ধন্য উচ্চাৰণ পোৱা যায়।

(iii) অসমীয়া ভাষাত চ-ছ আৰু জ-ঝ ৰ পাৰ্থক্য আছে বাবে ছ আৰু ঝ ধ্বনিয়ে বিশিষ্ট ধ্বনিৰ স্থান লাভ কৰিছে।

(iv) অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিৰ এটা বৈশিষ্ট্যমূলক উচ্চাৰণ হ'ল পশ্চতালব্য অঘোষ উষ্ম স (X) ধ্বনি যিটো বাংলা ভাষাত পোৱা নাযায়। কিন্তু বাংলা ভাষাত শ ধ্বনিটো দন্তমূলীয় তালব্যৰূপে উচ্চাৰিত হয়।

(v) অসমীয়া ভাষাত চ আৰু জ ধ্বনিৰ উচ্চাৰণ দন্তলমূলীয়। কিন্তু বাংলা ভাষাত চ আৰু জ ৰ উচ্চাৰণ প্ৰশস্ত দন্তমূলীয়।

(vi) অসমীয়া ভাষাত অৰ্দ্ধস্বৰ ৰ আৰু য় ধ্বনিৰ বহুল প্ৰয়োগ দেখা যায়। কিন্তু বাংলা ভাষাত ৰ ধ্বনিৰ প্ৰয়োগ নাই। অৰ্দ্ধস্বৰ ৰ ৰ উচ্চাৰণ বাংলা ভাষাত 'ব' ৰ দৰেই হোৱা দেখা যায়।

(vii) বাংলা ভাষাত তাড়িত 'ড়' আৰু 'ঢ়' ধ্বনিৰ প্ৰয়োগ আছে। কিন্তু অসমীয়া ভাষাত 'ড়' আৰু 'ঢ়'ৰ উচ্চাৰণ 'ৰ' দৰেই হয়।


(viii) অসমীয়া ভাষাৰ বৰ্ণমালাত 'ক্ষ' ধ্বনিৰ প্ৰয়োগ পোৱা যায়। আনহাতে বাংলা ভাষাৰ ব্যঞ্জনমালাত ক্ষ ধ্বনিৰ ব্যৱহাৰ পোৱা নাযায়।

এইদৰে অসমীয়া আৰু বাংলা ভাষাৰ ব্যঞ্জন ধ্বনিৰ তুলনা কৰিলে দেখা যায় যে ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰত দুয়ো ভাষাতে সাদৃশ্যতকৈ বৈসাদৃশ্য অধিক। দুয়ো ভাষাৰে ধ্বনিতত্ত্বক এক সুকীয়া ৰূপ প্ৰদান কৰাৰ ক্ষেত্ৰত অসমীয়া আৰু বাংলা ভাষাৰ ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰত থকা এই বৈসাদৃশ্যসমূহে বিশেষ ভূমিকা গ্ৰহণ কৰিছে।



জানি থোৱা ভাল

অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিৰ আটাইতকৈ স্বকীয় বিশেষত্ব হ'ল পশ্চতালব্য অঘোষ উষ্ম স (X) ধ্বনিৰ উচ্চাৰণ। আন কোনো সমগোত্ৰীয় আৰ্য ভাষাত এই উচ্চাৰণ পোৱা নাযায়। তদুপৰি বাংলা ভাষাত নথকা 'ৰ' ধ্বনিৰ প্ৰয়োগ অসমীয়া ব্যঞ্জনধ্বনিৰ আন এটা অন্যতম বিশেষত্ব। অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনিৰ আন এক স্বকীয়ত্ব হ'ল দন্তমূলীয় ধ্বনিৰ বহুল প্ৰয়োগ। অৰ্দ্ধস্বৰ দুটাক ধৰি অসমীয়া ভাষাৰ 23 টা বিশিষ্ট ব্যঞ্জনৰ ভিতৰত 9 টা ব্যঞ্জনেই দন্তমূলীয় ধ্বনি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমীয়া আৰু বাংলা ভাষাৰ স্বৰধ্বনি সম্পৰ্কে এক তুলনামূলক টোকা যুগুত কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ২ ঃ অসমীয়া আৰু বংলা ভাষাৰ ব্যঞ্জন ধ্বনিৰ মাজত কি কি সাদৃশ্য আৰু বৈসাদৃশ্য দেখা যায় সেই সম্পৰ্কে এক আলোচনা যুগুত কৰক। (২০০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৩ ঃ অসমীয়া আৰু বাংলা ভাষাৰ ধ্বনিতত্ত্বৰ ক্ষেত্ৰত কি কি স্বকীয়ত্ব পৰিলক্ষিত হয় সেই কথা ফঁহিয়াই বুজাই লিখক। (২০০টা শব্দৰ ভিতৰত)

.....

১০.৪ অসমীয়া আৰু ওড়িয়া ধ্বনিৰ তুলনা

আধুনিক ভাৰতীয় আৰ্য ভাষাসমূহৰ ভিতৰত ওড়িআ ভাষা এক সমৃদ্ধিশালী ভাষা। এই ভাষা প্ৰধানতঃ ওড়িআ প্ৰদেশত প্ৰচলিত মাগধীয় ভাষাগুচ্ছৰ ভিতৰত ওড়িআ ভাষা সাহিত্য-

সম্পদেৰে সমৃদ্ধ আৰু উন্নত ভাষা। একেটা উৎসৰ পৰা অর্থাৎ পূব মাগধীয় শাখাৰ পৰা জন্ম লাভ কৰিলেও অসমীয়া আৰু বাংলা ভাষাৰ লগত ওড়িয়া ভাষাৰ যথেষ্ট পার্থক্য আছে। এই পার্থক্য প্রধানভাৱে দেখা যায় লিপি ব্যৱহাৰ আৰু উচ্চাৰণৰ দিশত। অর্থাৎ ওড়িআ লিপিৰ মূল কুটিল লিপি যদিও চুবুৰীয়া তেলুগু লিপিৰ প্রভাৱত ওড়িয়া লিপিয়ে অসমীয়া আৰু বাংলা লিপিতকৈ এক সুকীয়া ৰূপ পৰিগ্রহণ কৰিছে। আকৌ উচ্চাৰণৰ ক্ষেত্রত দেখা দিয়া এটা অন্যতম বিশেষত্ব হ'ল— ওড়িয়া ভাষাৰ শব্দবোৰ স্বৰান্ত হিচাপে উচ্চাৰণ হয়। এই দুয়োটা বৈশিষ্ট্যই ওড়িআ ভাষাক বাংলা আৰু অসমীয়াতকৈ পৃথক কৰি তুলিছে। ধ্বনিতত্ত্বৰ ক্ষেত্রত অসমীয়া আৰু বাংলা ভাষাৰ লগত ওড়িয়া ভাষাৰ সাদৃশ্য আৰু বৈসাদৃশ্য দুয়োটাই দেখিবলৈ পোৱা যায়। তদুপৰি অসমীয়া আৰু বাংলা ভাষাত নথকা এনে কিছুমান বৈশিষ্ট্য ওড়িয়া ভাষাত আছে যিকেইটা বৈশিষ্ট্যই ভাষাটোক বিশেষত্ব প্রদান কৰিছে। তলত অসমীয়া আৰু ওড়িআ ভাষাৰ ধ্বনিৰ তুলনা দাঙি ধৰা হ'ল—

১০.৪.১ অসমীয়া আৰু ওড়িয়া ভাষাৰ স্বৰধ্বনিৰ তুলনা

অসমীয়া ভাষাৰ স্বৰধ্বনি ঃ

অসমীয়া ভাষাৰ স্বৰধ্বনি সম্পর্কে ইতিমধ্যে উপশাখাত আলোচনা কৰা হৈছে। এতিয়া আমি ওড়িআ ভাষাৰ স্বৰধ্বনিৰ প্রসঙ্গলৈ আহোঁ—

ওড়িয়া ভাষাৰ স্বৰধ্বনি ঃ ওড়িয়া ভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা হ'ল 6 টা। এই 6 টা স্বৰধ্বনি হ'ল — অ, আ, ই, উ, এ আৰু ও। ওড়িয়া ভাষাৰ এই 6 টা বিশিষ্ট স্বৰধ্বনিক বিভিন্ন ধৰণে শ্রেণীবিভাজন কৰিব পাৰি। কৃষ্ণা ভট্টাচার্যই ওড়িয়া ভাষাৰ স্বৰধ্বনিসমূহক জিভাৰ অংশ অনুসৰি সন্মুখ(অগ্র, কেন্দ্রীয়(মধ্য আৰু মূলীয়(পশ্চ- এই তিনিটা ভাগত ভাগ কৰিছে। সেইদৰে জিভাৰ উচ্চতা অনুযায়ী ওড়িয়া ভাষাৰ স্বৰধ্বনিসমূহক উচ্চ, উচ্চমধ্য আৰু নিম্ন — এই তিনিটা ভাগত ভাগ কৰিছে। আকৌ মুখাবিৰৰ বিস্তৃতি অনুসৰি ওড়িয়া ভাষাৰ স্বৰধ্বনিসমূহক সংবৃত্ত, অর্দ্ধসংবৃত্ত আৰু বিবৃত এই তিনিটা ভাগত ভাগ কৰা হয়। ওঁঠৰ অৱস্থান অনুসৰি ওড়িয়া স্বৰধ্বনিক প্রসৃত আৰু কুঞ্চিত আদি ভাগত ভাগ কৰা হয়। তলত ওড়িয়া ভাষাৰ 6 টা বিশিষ্ট স্বৰধ্বনিক শ্রেণীবিভাজন অনুসৰি তালিকাভুক্ত কৰা হ'ল—

	সন্মুখ(অগ্র	কেন্দ্রীয়(মধ্য	মূলীয়(পশ্চ
উচ্চ(সংবৃত্ত	ই		উ
উচ্চমধ্য(অর্দ্ধসংবৃত্ত	এ		ও
নিম্ন (বিবৃত		আ	অ

অসমীয়া আৰু বাংলা ভাষাৰ দৰে ওড়িয়া ভাষাতো বিশিষ্ট স্বৰধ্বনি আৰু আখৰ একে নহয়। দুয়োৰে মাজত যথেষ্ট পার্থক্য আছে। সংস্কৃত বর্ণমালা অনুযায়ী ওড়িয়া ভাষাতো স্বৰবর্ণমালাৰ 11 টা আখৰ মানি চলা হয় যদিও ওড়িয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনি হ'ল 6 টা। এই বিশিষ্ট স্বৰধ্বনিক প্রতিনিধিত্ব কৰা আখৰ কেইটা হ'ল— অ, আ, ই, ঈ, উ, ঊ, ঋ, এ, ঐ, ও, ঔ। ওড়িয়া ভাষাতো স্বৰৰ হ্রস্ব-দীর্ঘৰ পার্থক্য নাই। সেয়ে ই-ঈ-ৰ ঠাইত ই আৰু উ-ঊ ৰ ঠাইত উ-ক বিশিষ্ট স্বৰ ৰূপে ধৰা হয়। ওড়িয়া ভাষাত ঐ আৰু ঔ দ্বিস্বৰ ধ্বনি। অর্থাৎ অÙÂই ৰ সংযোগত ঐ আৰু অÙÂঔ ৰ সংযোগত ঔ দ্বিস্বৰ ধ্বনিৰ সৃষ্টি হৈছে। ওড়িয়া ভাষাত ঋ ধ্বনিৰ উচ্চাৰণত বিশেষত্ব আছে। ওড়িয়া ঋ ধ্বনিটো ৰ হিচাপে উচ্চাৰিত হয়। এইদৰে বিশিষ্ট স্বৰধ্বনি 6 টা যদিও ওড়িয়া বর্ণমালাত আখৰৰ সংখ্যা অধিক হোৱা দেখা যায়। গতিকে বিশিষ্ট স্বৰধ্বনি আৰু আখৰৰ মাজত পার্থক্য আছে।

অসমীয়া আৰু বাংলা ভাষাৰ দৰে ওড়িআ ভাষাতো স্বৰবর্ণসমূহৰ মুখ্য ৰূপৰ উপৰিও কিছুমান গৌণ ৰূপৰ প্রয়োগ আছে। এই গৌণৰূপবোৰ ব্যঞ্জনৰ লগত লগ লাগি ব্যৱহাৰ হয়। অ স্বৰবর্ণৰ বাহিৰে সকলোবোৰ স্বৰৰে গৌণ ৰূপ পোৱা যায় আৰু এই গৌণৰূপবোৰ ব্যঞ্জনৰ লগত অদৃশ্য হৈ থাকে। তলত ওড়িয়া ভাষাৰ মুখ্যৰূপ, গৌণৰূপ আৰু গৌণৰূপৰ উদাহৰণসহ এখন তালিকা দাঙি ধৰা হ'ল—

মুখ্যৰূপ	গৌণৰূপ	উদাহৰণ
আ	া	কাস, কাঠুৰিআ
ই	ি	কিৰণ, ফুটিআনি
ঈ	ী	মাতুলানী, পতলী
উ	ু	বালুত, কাঠুৰিআ
ঊ	ূ	সূর্য, ময়ূৰ
ঋ	ৃ	মাতৃ, সংস্কৃত
এ	ে	কেউটুনী, দেউল
ঐ	ৈ	পৈত্রিক
ও	ো	ফোটকা, খোল
ঔ	ৌ	পৌষ, সৌতুনী

ওড়িয়া ভাষাতো অনুনাসিকতা বিশিষ্ট হোৱা দেখা যায়। অর্থাৎ অনুনাসিকতাই শব্দৰ অর্থৰ সলনি ঘটাব পাৰে। চন্দ্রবিন্দুৰ (ঁ) দ্বাৰা এই অনুনাসিকতা সূচিত কৰা হয়। নিদর্শন স্বৰূপে—

গা (গোৱা) û গাঁ (গাঁও)

না (নাও) û নাঁ (নাম)

বা (বতাহ) û বাঁ (বাঁও)

অসমীয়া আৰু বাংলা ভাষাৰ দৰে ওড়িয়া ভাষাতো ঐ আৰু ঔ এই দুটা দ্বিস্বৰৰ বাহিৰেও আৰু বহুতো দ্বিস্বৰ ধ্বনিৰ প্ৰয়োগ পোৱা যায়। নিদৰ্শন স্বৰূপে— ইউ (পিউসা), উই (দুই), অউ (ভউনি), উৱা (নউৱা), ইআ (খিআ), আও (খাও), আই (ভাই), এও (নেউল) আদি।

অসমীয়া আৰু ওড়িআ ভাষাৰ স্বৰধ্বনিৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্য ঃ

অসমীয়া আৰু ওড়িয়া ভাষাৰ স্বৰধ্বনিৰ তুলনা কৰিলে দুয়ো ভাষাতে কিছুমান সাদৃশ্য আৰু বৈসাদৃশ্য দেখিবলৈ পোৱা যায়। ওড়িয়া ভাষাৰ স্বৰধ্বনিৰ কিছুমান নিজস্ব বৈশিষ্ট্য আছে যিবোৰে ওড়িয়া ভাষাক বিশেষত্ব প্ৰদান কৰিছে। অসমীয়া আৰু ওড়িয়া স্বৰধ্বনিৰ সাদৃশ্য আৰু বৈসাদৃশ্যবোৰ এনেধৰণৰ—

সাদৃশ্য ঃ

(i) অসমীয়া আৰু ওড়িয়া দুয়ো ভাষাতে স্বৰৰ হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্য নাই।

(ii) দুয়ো ভাষাতে স্বৰৰ অনুনাসিকতা বিশিষ্ট্য আৰু অনুনাসিকতাৰ প্ৰয়োগ দুয়ো ভাষাতে শব্দৰ অৰ্থৰ ভিন্নতা ঘটাব পাৰে।

(iii) অসমীয়া আৰু ওড়িয়া দুয়ো ভাষাতে ঐ আৰু ঔ ৰ উপৰিও আন কিছুমান দ্বিস্বৰ ধ্বনিৰ প্ৰয়োগ আছে।

(iv) দুয়ো ভাষাতে স্বৰধ্বনিৰ মুখ্যৰূপবোৰৰ উপৰিও গৌণ ৰূপ কিছুমান দেখিবলৈ পোৱা যায়। এই গৌণৰূপবোৰ ব্যঞ্জনৰ লগত প্ৰয়োগ হয়।

(v) দুয়ো ভাষাতে স্বৰধ্বনিসমূহক বিভিন্ন ধৰণে শ্ৰেণীবিভাজন কৰি দেখুৱাব পাৰি।

বৈসাদৃশ্য ঃ অসমীয়া আৰু ওড়িয়া ভাষাৰ স্বৰধ্বনিসমূহৰ মাজত কিছুমান বৈসাদৃশ্য আছে। দুয়ো ভাষাৰে স্বকীয়তা প্ৰদানৰ ক্ষেত্ৰত এই বৈসাদৃশ্যসমূহে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। সেইবোৰ হ'ল—

(i) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা ৪ টা। কিন্তু ওড়িয়া ভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা হ'ল ৬ টা।

(ii) জিভাৰ উচ্চতা অনুসৰি অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহক উচ্চ, উচ্চমধ্য, নিম্নমধ্য আৰু নিম্ন— এই চাৰি ধৰণে শ্ৰেণীবিভাজন কৰা হয়। কিন্তু ওড়িয়া ভাষাৰ স্বৰধ্বনিসমূহক জিভাৰ উচ্চতা অনুসৰি উচ্চ, উচ্চমধ্য আৰু নিম্ন- এই তিনিটা ভাগত ভগোৱা হয়। অৰ্থাৎ ওড়িয়া ভাষাত নিম্নমধ্য স্বৰৰ উচ্চাৰণ পোৱা নাযায়।

(iii) অসমীয়া ভাষাত এ' আৰু অ' এই দুটা স্বৰৰ উচ্চাৰণ পোৱা যায়। কিন্তু ওড়িয়া ভাষাত এই দুটা উচ্চাৰণ নাই বা এই দুটা বিশিষ্ট স্বৰধ্বনি পোৱা নাযায়।

(iv) অসমীয়া ভাষাত মুখবিৱৰৰ বিবৃত্তি অনুসৰি স্বৰসমূহক সংবৃত্ত, অৰ্দ্ধসংবৃত্ত, অৰ্দ্ধবিবৃত আৰু বিবৃত্তি- এই চাৰিটা ভাগত ভাগ কৰা হয়। কিন্তু ওড়িয়া ভাষাত স্বৰৰ

অৰ্দ্ধবিবৃত্তি উচ্চাৰণ পাবলৈ নাই।

(v) ওড়িয়া স্বৰধ্বনিৰ আন এটা বৈশিষ্ট্য হ'ল ঋ স্বৰধ্বনিৰ সুকীয়া উচ্চাৰণ। অৰ্থাৎ ওড়িয়া ভাষাত ঋ ধ্বনিটো ৰু ৰূপে উচ্চাৰণ সুকীয়া উচ্চাৰণ হয় যিটো উচ্চাৰণ অসমীয়া ভাষাত পোৱা নাযায়।

(vi) ওড়িয়া ভাষাত স্বৰৰ গুৰুত্ব অধিক। কাৰণ ওড়িয়া ভাষাত শব্দবোৰ স্বৰান্ত। কিন্তু অসমীয়া ভাষাত শব্দবোৰ স্বৰান্ত নহয়।



জানি থোৱা ভাল

নব্য ভাৰতীয় আর্যভাষাসমূহৰ ভিতৰত অন্যতম সমৃদ্ধিশালী ভাষা হ'ল ওড়িয়া ভাষা। লিপিৰ ক্ষেত্ৰত অসমীয়া আৰু বাংলা লিপিতকৈ ওড়িয়া লিপিৰ যথেষ্ট পার্থক্য দেখা যায়। ওড়িয়া লিপিয়ে তেলুগু লিপিৰ প্ৰভাৱত এক পৃথক ৰূপ লাভ কৰিছে। সেইদৰে ওড়িয়া ভাষাক স্বকীয় প্ৰদান কৰা আন এটা বিশেষত্ব হ'ল শব্দৰ স্বৰান্ত উচ্চাৰণ আৰু ঋ ধ্বনিৰ 'ৰু' ৰূপে উচ্চাৰণ। এইকেইটা বৈশিষ্ট্য সমগোত্ৰীয় অসমীয়া আৰু বাংলা ভাষাত পোৱা নাযায়। এইবোৰ ওড়িয়া ভাষাৰ নিজস্ব বৈশিষ্ট্য।

১০.৪.২ অসমীয়া আৰু ওড়িয়া ব্যঞ্জন ধ্বনিৰ তুলনা

অসমীয়া আৰু বাংলা ভাষাৰ দৰে ওড়িয়া ভাষাতো সংস্কৃত ব্যঞ্জনবর্ণমালাৰ আৰ্হিত ব্যঞ্জনবর্ণমালা গঢ় লৈ উঠিছে যদিও উচ্চাৰণৰ ক্ষেত্ৰত ওড়িয়া ব্যঞ্জন ধ্বনিৰ কিছুমান নিজস্ব বৈশিষ্ট্য আছে। এই বৈশিষ্ট্যবোৰে ওড়িয়া ভাষাৰ ব্যঞ্জন ধ্বনিক সমগোত্ৰীয় আন ভাষাৰ পৰা পৃথক কৰি তুলিছে।

অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনি ঃ

অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনি সম্পর্কে ইতিমধ্যে 10.3.2 উপশাখাত আলোচনা কৰা হৈছে। গতিকে ইয়াত কেৱল ওড়িয়া ভাষাৰ ব্যঞ্জন ধ্বনিৰ কথা আলোচনা কৰিছে।

ওড়িয়া ভাষাৰ ব্যঞ্জন ধ্বনি ঃ

ওড়িয়া ভাষাত বিশিষ্ট ব্যঞ্জন ধ্বনিৰ সংখ্য হ'ল 31 টা। এই ৩১টা বিশিষ্ট ব্যঞ্জন ধ্বনি হ'ল— প, ফ, ব, ভ, ত, থ, দ, ধ, ট, ঠ, ড, ঢ. ক, খ, গ, ঘ, চ, ছ, জ, ঝ, স, হ, ম, ন, ণ, ঙ, ৰ, ল, ল়, র আৰু য়। ইয়াৰ বিপৰীতে ওড়িয়া ব্যঞ্জনবর্ণমালাত বহুতো আখৰ পোৱা যায়। সেইবোৰ হ'ল ক, খ, গ, ঘ, ঙ, চ, ছ, জ, ঝ, ঞ, ট, ঠ, ড, ঢ, ণ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, য, ৰ, ল, ল়, শ, ষ, হ, ক্ষ, য়, ং, ঃ আৰু ঁ। অৰ্থাৎ ওড়িয়া ভাষাত উচ্চাৰণৰ দিশত পোৱা বিশিষ্ট ব্যঞ্জন ধ্বনি আৰু সেইবোৰ লিখিবলৈ ব্যৱহাৰ কৰা আখৰৰ সংখ্য একে নহয়।

ওড়িয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহক উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী শ্ৰেণীবিভাজন কৰিব পাৰি। উচ্চাৰণৰ স্থান অনুযায়ী ওড়িয়া ভাষাৰ বিশিষ্ট

ব্যঞ্জনধ্বনিসমূহক (i) দ্বৌষ্ঠ (i) দন্ত্য (iii) দন্তমূলীয় মূর্দ্ধন্য (iv) তালব্য (vi) কণ্ঠ বা পশ্চতালব্য আৰু (vii) কণ্ঠনালীয়— এই সাতোটা ভাগত কৰা হৈছে। সেইদৰে উচ্চাৰণৰ ধৰণ অনুযায়ী ওড়িয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহক (i) স্পর্শ (ii) ঘৃষ্ট (iii) উষ্ম (iv) নাসিক্য (v) কম্পিত (vi) পার্শ্বিক আৰু (vii) অর্দ্ধস্বৰ এই সাতোটা ভাগত ভাগ কৰা হৈছে। সেইদৰে স্পর্শ বা নিয়ত ব্যঞ্জনধ্বনিকেইটাক অল্পপ্রাণ আৰু মহাপ্রাণ— এই দুটা ভাগত ভাগ কৰা হৈছে। তলত এই শ্রেণীবিভাজন অনুসৰি ওড়িআ ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনিকেইটাৰ এখন তালিকা দাঙি ধৰা হ'ল—

উচ্চাৰণৰ স্থান / উচ্চাৰণৰ ধৰণ		দৌষ্ঠ্য	দন্ত্য	দন্তমূলীয়	মূর্দ্ধন্য	তালব্য	কণ্ঠ বা পশ্চতালব্য	কণ্ঠনলীয়
স্পর্শ বা নিয়ত	অল্পপ্রাণ	প ব	ত দ		ট ড		ক গ	
	মহাপ্রাণ	ফ ভ	থ ধ		ঠ ঢ	ছ ঝ	থ ঘ	
ঘৃষ্ট						চ জ		
উষ্ম				স				হ
নাসিক্য		ম		ন	ণ		ঙ	
				ৰ				
				ল	ল্			
		ৱ				য়		

ওড়িয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনিৰ তালিকাখনলৈ মন কৰিলে দেখা যায় যে ওড়িয়া ব্যঞ্জন ধ্বনিৰ কিছুমান নিজস্ব বৈশিষ্ট্য আছে। ওড়িয়া ভাষাত দন্ত্য, মূর্দ্ধন্য আৰু তালব্য এই তিনিবিধ ধ্বনিৰ প্রয়োগ পোৱা যায়। অর্থাৎ ওড়িয়া ভাষাত তালব্য চ-ছ আৰু জ-বা এই আটাইকেইটা ধ্বনিৰ প্রয়োগ আছে আৰু মূর্দ্ধন্য ট, ঠ, ড, ঢ, ণ-এই আটাইকেইটা মূর্দ্ধন্য ধ্বনিৰ উচ্চাৰণ পোৱা যায়। তদুপৰি ওড়িয়া ভাষাত দুটা ল ধ্বনিৰ প্রয়োগ আছে। তাৰে এটা হ'ল দন্তমূলীয় ল আৰু আনটো হ'ল মূর্দ্ধন্য ল্। সেইদৰে ওড়িয়া ভাষাত ড আৰু ড় ধ্বনিক একে ধ্বনিৰূপে ধৰা হয় আৰু ঢ আৰু ঢ় ধ্বনি একে ধ্বনি ৰূপে গণ্য কৰা হয়। ওড়িয়া ভাষাত ব আৰু ৱ এই দুয়োটা ধ্বনিৰ প্রয়োগ আছে যদিও অর্দ্ধস্বৰ 'ৱ' ৰ বিশেষ উচ্চাৰণ পোৱা নাযায়। তদুপৰি ওড়িয়া ভাষাত ঙ, ণ, ল্, ৱ আৰু য় আদি কেইটামান ধ্বনি শব্দৰ আদ্য স্থানত প্রয়োগ নহয়। ওড়িয়া ভাষাত ঞ ধ্বনিৰ স্বতন্ত্র উচ্চাৰণ নাই। তদুপৰি ঞ-ৰ একক ব্যৱহাৰ পোৱা নাযায়। কেৱল যুক্তাক্ষৰতহে এই ধ্বনিৰ প্রয়োগ হয়। যুক্তাক্ষৰত ঞ ৰ উচ্চাৰণ ং ৰ দৰে হয়। ঙ ধ্বনি কিছুমান তৎসম শব্দত প্রয়োগ হয়। অর্দ্ধস্বৰ য় ৰ উচ্চাৰণ 'জ'ৰ দৰে আৰু শ, ষ-ৰ উচ্চাৰণ 'স' ৰ দৰে হয়। ওড়িয়া ভাষাত অন্ত্য স্থানত ব্যঞ্জন ধ্বনিৰ প্রয়োগ নাই। কাৰণ ওড়িয়া ভাষাত শব্দবোৰ স্বৰান্তৰূপে উচ্চাৰিত হয়।

এইদৰে বিশ্লেষণ কৰিলে দেখা যায় যে ওড়িয়া ভাষাত বিশিষ্ট ব্যঞ্জন আৰু আখৰ

একে নহয়। অর্থাৎ বিশিষ্ট ব্যঞ্জন ধ্বনি যিমান, আখৰ তাতোকৈ অধিক পোৱা যায়।



জানি থোৱা ভাল

ওড়িয়া ভাষাত ব্যঞ্জনধ্বনিৰ এটা অন্যতম বিশেষত্ব হ'ল— দুটা ল ধ্বনিৰ ব্যৱহাৰ। এটা হ'ল দন্তমূলীয় ল আৰু আনটো হ'ল মূর্দ্ধন্য ল। আন সমগোত্রীয় ভাষাত এইদৰে দুটা ল ধ্বনিৰ প্রয়োগ পোৱা নাযায়। আকৌ মূর্দ্ধন্য ধ্বনিৰ যথেষ্ট ব্যৱহাৰ ওড়িআ ব্যঞ্জনধ্বনিৰ আন এক অন্যতম বিশেষত্ব।

অসমীয়া আৰু ওড়িয়া ব্যঞ্জন ধ্বনিৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্য ঃ

অসমীয়া আৰু ওড়িয়া ভাষাৰ ব্যঞ্জন ধ্বনিৰ তুলনামূলক আলোচনা কৰিলে দুয়ো ভাষাৰ ব্যঞ্জন ধ্বনিৰ মাজত কোনো কোনো ক্ষেত্রত সাদৃশ্য আৰু কোনো কোনো ক্ষেত্রত বৈসাদৃশ্য দেখা যায়। সেইবোৰ এনেধৰণৰ—

সাদৃশ্য ঃ

(i) অসমীয়া আৰু ওড়িয়া দুয়ো ভাষাতে সংস্কৃত ব্যঞ্জনবর্ণমালা মানি চলা হৈছে যদিও দুয়ো ভাষাতে উচ্চাৰণ অনুযায়ী সকলোবোৰ ব্যঞ্জনবর্ণ পোৱা নাযায়।

(ii) দুয়ো ভাষাতে বিশিষ্ট ব্যঞ্জন ধ্বনি আৰু আখৰৰ সংখ্যা একে নহয়।

(iii) অসমীয়া আৰু বাংলা-দুয়োটা ভাষাতে ৰ আৰু য়- এই দুটা অর্দ্ধস্বৰৰ প্রয়োগ পোৱা যায়।

বৈসাদৃশ্য ঃ

(i) অসমীয়া ভাষাত দন্ত্য আৰু মূর্দ্ধন্য ব্যঞ্জন ধ্বনিৰ উচ্চাৰণ নাই। এই দুয়োবিধ ধ্বনিয়ে দন্তমূলীয় ৰূপে উচ্চাৰিত হয়। কিন্তু ওড়িয়া ভাষাত দন্ত্য আৰু মূর্দ্ধন্য দুয়োবিধ ধ্বনিৰে উচ্চাৰণ আছে।

(ii) ওড়িয়া ভাষাত চ-ছ আৰু জ-ঝ এই কেইটা তালব্য ধ্বনিৰ সুকীয় উচ্চাৰণ পোৱা যায়। সেইবাবে এই আটাইকেইটা ধ্বনিয়েই বিশিষ্ট ধ্বনি। কিন্তু অসমীয়া ভাষাত ছ আৰু ঝ ধ্বনিৰ সুকীয় উচ্চাৰণ নাই বাবে ই বিশিষ্ট ধ্বনি নহয়।

(iii) ওড়িয়া ভাষাত দুটা ল ধ্বনিৰ প্রয়োগ আছে। এটা দন্তমূলীয় পার্শ্বিক ল আৰু মূর্দ্ধন্য পার্শ্বিক ল। কিন্তু অসমীয়া ভাষাত মূর্দ্ধন্য পার্শ্বিক ল ধ্বনিৰ প্রয়োগ নাই।

(iv) ওড়িয়া ভাষাত ঘৃষ্ট আৰু উষ্ম দুয়োবিধ ধ্বনিৰ উচ্চাৰণ পোৱা যায়। কিন্তু অসমীয়া ভাষাত ঘৃষ্ট উচ্চাৰণ নাই।

(v) অসমীয়া ভাষাত বিশিষ্ট স (x) ধ্বনিৰ উচ্চাৰণ হ'ল পশ্চতালব্য অঘোষ উষ্ম স। কিন্তু ওড়িয়া ভাষাত ই দন্তমূলীয় উষ্মৰূপে উচ্চাৰণ হয়।


(vi) অসমীয়া আৰু ওড়িয়া দুয়ো ভাষাতে ৰ আৰু য়-এই দুয়োটা অর্দ্ধস্বৰ ধ্বনিৰ

প্রয়োগ আছে যদিও ওড়িয়া ভাষাত 'ৱ' ধ্বনি বহুক্ষেত্রত 'ব' ৰূপেই উচ্চাৰণ হয়।

(vii) ওড়িয়া ভাষাৰ ব্যঞ্জন ধ্বনিৰ এক অন্যতম বৈশিষ্ট্য হ'ল ঢ আৰু ঢ়ঢ় আৰু ড়-ৰ একে ৰূপ। এই বৈশিষ্ট্যটো অসমীয়া ভাষাত দেখিবলৈ পোৱা নাযায়।

(viii) অসমীয়া আৰু ওড়িয়া দুয়ো ভাষাতে দন্তমূলীয় ধ্বনিৰ প্রয়োগ আছে যদিও অসমীয়া ভাষাত দন্তমূলীয় ধ্বনিৰ প্রয়োগ যথেষ্ট বেছি।

এইদৰে অসমীয়া আৰু ওড়িয়া ভাষাৰ ব্যঞ্জন ধ্বনিৰ তুলনা কৰিলে দুয়ো ভাষাতে সাদৃশ্যতকৈ বৈসাদৃশ্য অধিক দেখা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ অসমীয়া আৰু ওড়িয়া স্বৰধ্বনিৰ মাজত থকা মিল আৰু অমিলসমূহ বিচাৰ কৰি এটি চমু আলোচনা যুগুত কৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৫ ঃ অসমীয়া আৰু ওড়িয়া ব্যঞ্জনধ্বনিৰ এক চমু আলোচনা দাঙি ধৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৬ ঃ ওড়িয়া ভাষাৰ ধ্বনিতত্ত্বৰ স্বকীয় বৈশিষ্ট্যসমূহ বিচাৰ কৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৭ ঃ অসমীয়া বাংলা আৰু ওড়িয়া স্বৰধ্বনিৰ এক তুলনামূলক আলোচনা যুগুত কৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....

১০.৫ মৈথিলী ভাষাৰ এক চমু পৰিচয়

মাগধীয় ভাষাসমূহৰ ভিতৰত আন এটা অন্যতম ভাষা হ'ল মৈথিলী ভাষা। এই ভাষা প্রধানকৈ বিহাৰৰ অন্তর্গত মিথিলা অঞ্চল আৰু নেপালৰ তাৰাই অঞ্চলত প্রচলিত ভাষা। অৱশ্যে ভাৰতৰ বিভিন্ন প্রান্তত মৈথিলী ভাষী লোক আছে। অর্থাৎ দ্বাৰভাংগা, ভাগলপুৰ, পূর্ণিয়া, মুংগেৰ, উত্তৰ ছাওঁতাল পৰগণা, মজফৰপুৰ, পূব চম্পাৰণ আদি এক বিস্তীর্ণ অঞ্চলত মৈথিলী ভাষাৰ প্রচলন আছে। বিহাৰী ভাষাকেইটাৰ ভিতৰত মৈথিলী ভাষা অন্যতম। মৈথিলীৰ আদর্শ ৰূপটো দ্বাৰভাংগাৰ ব্রাহ্মণ সম্প্রদায়ৰ মাজত প্রচলিত ভাষাৰূপৰ আধাৰতে গঢ় লৈ উঠিছে। প্রথমে মৈথিলী ভাষাটোক অৱহট্ঠ মিথিলা অপভ্রংশ, মিথিলা ভাষা, মৈথিলী অপভ্রংশ, তিৰহুতিয়া আদি বিভিন্ন নামেৰে বুজোৱা হৈছিল। 1801 চনতহে কোলব্রুকে মৈথিলী শব্দটো প্রয়োগ কৰে। তাৰ পৰৱর্তী সময়ত গ্রীয়ার্ছনে মৈথিলী শব্দটোৰ প্রয়োগ ব্যাপক কৰি তোলে।

চতুর্দশ শতিকাৰ প্ৰথমার্দ্ধৰ কবি জ্যোতিৰীশ্বৰ ঠাকুৰৰ দ্বাৰা ৰচিত 'বর্ণ-ৰত্নাকৰ' নামৰ গ্ৰন্থখনেই হ'ল মৈথিলী ভাষাৰ প্ৰাচীনতম সাহিত্যিক নিদর্শন। বিদ্যাপতি ঠাকুৰ বা বিদ্যাপতি হ'ল মৈথিলী সাহিত্যৰ সর্বশ্ৰেষ্ঠ কবি। বিদ্যাপতিৰ মৈথিলী ভাষাত ৰচনা কৰা 'পদাৱলী'য়ে এই ভাষাটোক সমৃদ্ধ কৰাই নহয়, সমগ্ৰ পূব ভাৰতত এই ভাষাটোক জনপ্ৰিয় আৰু আদৰণীয় কৰি তোলে। অষ্টাদশ শতিকা পর্যন্ত মৈথিলী ভাষাৰ তিৰহুতিয়া নামৰ এক নিজা লিপিৰো প্ৰচলন আছিল। পৰৱর্তী সময়ত হিন্দী ভাষাৰ আধিপত্য বিস্তাৰৰ ফলস্বৰূপে হিন্দীয়েই ইয়াত সাহিত্যিক ভাষাৰ স্থান লাভ কৰে আৰু হিন্দী ভাষাই আধিপত্য বিস্তাৰ কৰিলেও আধুনিক মৈথিলী ভাষাত সাহিত্য সৃষ্টি নোহোৱাকৈ থকা নাই। হৰিমোহন ঝা ৰামদেৰ ঝা, সুহাস যাদৱ, ধীৰেন্দ্ৰ ঝা, কাঞ্চিৰাম ঝা, সুধাংশু শেখৰ চৌধুৰী আদিয়ে মৈথিলী ভাষাত সাহিত্য ৰচনা কৰি এই ভাষাক বিশেষভাৱে সমৃদ্ধ কৰি তুলিছে।


মৈথিলী ভাষাৰ ধ্বনিতত্ত্ব ঃ

মৈথিলী ভাষাত আঠোটা বিশিষ্ট স্বৰধ্বনি পোৱা যায়। এই কেইটা হ'ল— অ, আ, ই, উ, এ, ও, আ' আৰু এ (1)। আকৌ মৈথিলী ভাষাত ব্যঞ্জনধ্বনিৰ সংখ্যা হ'ল 32 টা। সেই 32 টা ব্যঞ্জনধ্বনি হ'ল— ক, খ, গ, ঘ, ঙ, চ, ছ, জ, ঝ, ট, ঠ, ড, ঢ, ত, থ, দ, ধ, ন, ন্হ, প, ফ, ব, ভ, ম, ম্হ, ৰ, ৰ্হ ল, ল্হ, স স্হ আৰু হ।

মৈথিলী ভাষাত স্বৰৰ হ্ৰস্ব-দীর্ঘৰ পার্থক্য নাই। সেইদৰে অনুনাসিকতা মৈথিলী ভাষাত বিশিষ্ট ৰূপে প্ৰয়োগ হয়। অর্থাৎ মৈথিলী ভাষাত অনুনাসিকতাই শব্দৰ অর্থৰ সলনি ঘটাব পাৰে। নিদর্শন স্বৰূপে— বাস—আশ্ৰয়

বাঁস — বাঁহ

বর্তমান মৈথিলী ভাষাত গৱেষণামূলক চিন্তা চর্চা আৰম্ভ হৈছে। জয়বসন্ত মিশ্ৰ, সুভদ্ৰা ঝা, কৃষ্ণকান্ত মিশ্ৰ আদিয়ে মৈথিলী ভাষাত গৱেষণামূলক চিন্তাৰে ক্ৰমোন্নতিৰ দিশত আগবঢ়াৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিছে। তদুপৰি বিভিন্ন বিশ্ববিদ্যালয়ে মৈথিলী ভাষাক এক সাহিত্যিক ভাষা ৰূপে স্বীকৃতি দিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ মৈথিলী ভাষা সম্পর্কে এক চমু টোকা যুগুত কৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ সৈতে অন্যান্য সমগোত্রীয় ভাষা বাংলা আৰু ওড়িয়া ভাষাৰ ধ্বনিতত্ত্বৰ এক তুলনামূলক আলোচনা এই অধ্যায়টোৰ জৰিয়তে দাঙি ধৰা হৈছে। গতিকে অসমীয়া ভাষাৰ লগত সমগোত্রীয় বাংলা তথা ওড়িয়া ভাষাৰ ধ্বনিৰ ক্ষেত্রত সম্বন্ধ বা পার্থক্য কেনেকুৱা সেই সম্পর্কে অৱগত হ'ব পাৰিলোঁ।
- অসমীয়া আৰু বাংলা ভাষাৰ স্বৰধ্বনি, দুয়ো ভাষাৰে স্বৰধ্বনিৰ শ্রেণীবিভাজন, স্বৰধ্বনি আৰু আখৰ, স্বৰৰ গৌণ প্রতীক, দ্বিস্বৰ ধ্বনি, অনুনাসিকতা, অসমীয়া আৰু বাংলা ভাষাৰ স্বৰধ্বনিৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্য সম্পর্কে জ্ঞান লাভ কৰাত এই অধ্যায়টোৱে সহায় কৰিলে।
- আকৌ অসমীয়া আৰু বাংলা ভাষাৰ ব্যঞ্জনধ্বনি, ব্যঞ্জনধ্বনিৰ শ্রেণীবিভাজন, ব্যঞ্জন ধ্বনি আৰু আখৰ, দুয়ো ভাষাৰ ব্যঞ্জনধ্বনিৰ মাজত থকা মিল আৰু অমিল সম্পর্কেও অৱগত হ'ব পাৰিলোঁ।
- অসমীয়া আৰু ওড়িয়া ভাষাৰ ধ্বনিতত্ত্বৰ এক সম্যক জ্ঞান লাভ কৰিবলৈ এই অধ্যায়টিৰ জৰিয়তে আমি সক্ষম হ'লো। অর্থাৎ অসমীয়া আৰু ওড়িয়া ভাষাৰ স্বৰধ্বনি, স্বৰধ্বনিৰ শ্রেণীবিভাজন, দুয়ো ভাষাৰে স্বৰধ্বনি আৰু আখৰ, অনুনাসিকতা, দ্বিস্বৰ ধ্বনি, স্বৰধ্বনিৰ ক্ষেত্রত থকা সাদৃশ্য আৰু পার্থক্য সম্পর্কেও জানিবলৈ সুবিধা পালোঁ।
- তদুপৰি অসমীয়া আৰু ওড়িয়া ভাষাৰ ব্যঞ্জনধ্বনি, ব্যঞ্জনধ্বনি আৰু আখৰ, ব্যঞ্জনধ্বনিৰ শ্রেণীবিভাজন, দুয়ো ভাষাতে ব্যঞ্জন ধ্বনিৰ ক্ষেত্রত থকা সাদৃশ্য আৰু বৈসাদৃশ্য সম্পর্কেও অবগত হ'ব পাৰিলোঁ।
- এই অধ্যায়টোত মৈথিলী ভাষাতো এক চমু পৰিচয় দাঙি ধৰা হৈছে। গতিকে মৈথিলী ভাষাৰ সামান্য পৰিচয়েও আমাক সেই ভাষা সম্পর্কে এক সাধাৰণ ধাৰণা দিব পাৰিছে।
- মনকৰিবলগীয়া যে অসমীয়া, বাংলা, ওড়িয়া এই তিনিওটা ভাষাত থকা স্বকীয় বৈশিষ্ট্যসমূহৰ বিষয়ে জনাত এই অধ্যায়টোৱে আমাক সহায় কৰিলে।
- এই তিনিটা ভগ্নীস্থানীয় ভাষাৰ মাজত ধ্বনিতত্ত্বৰ ক্ষেত্রত কি কি দিশত সম্বন্ধ আছে আৰু কি কি দিশত পার্থক্য আছে তাৰ এক স্পষ্ট ধাৰণা লাভ কৰিব পৰা গ'ল।



১০.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

1] কোঁৱৰ, অর্পনা (2002); ভাষাবিজ্ঞান উপক্রমনিকা, ডিব্রুগড় ঃ বনলতা,

2] গোস্বামী, উপেন্দ্রনাথ (2015); ভাষাবিজ্ঞান, গুৱাহাটী ঃ মণি-মানিক প্রকাশ

„ „ (2015); অসমীয়া ভাষাৰ ব্যাকৰণ, গুৱাহাটী ঃ মণি মানিক প্রকাশ

„ „ (2015); অসমীয়া ভাষাৰ উদ্ধৱ, সমৃদ্ধি আৰু বিকাশ, গুৱাহাটী ঃ মণি মানিক প্রকাশ

3] গোস্বামী, গোলোকচন্দ্র (1996) ;অসমীয়া বর্ণ প্রকাশ, গুৱাহাটী ঃ বীণা লাইব্রেৰী

„ „ (2000); অসমীয়া ব্যাকৰণ প্রবেশ, গুৱাহাটী ঃ বীণা লাইব্রেৰী

„ „ (2002); অসমীয়া ভাষাৰ উচ্চাৰণ, গুৱাহাটী ঃ বীণা লাইব্রেৰী

„ „ (2014) ; ধ্বনি বিজ্ঞানৰ ভূমিকা, গুৱাহাটী ঃ বীণা লাইব্রেৰী

„ „ (2014); অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, গুৱাহাটী ঃ বাণী লাইব্রেৰী

4] ঠাকুৰ, নগেন (2016); ভাৰতীয় ভাষা আৰু সাহিত্য, গুৱাহাটী ঃ জ্যোতিপ্রকাশন, পাণ বজাৰ

5] পাঠক, ৰমেশ (2011); ভাষা বিজ্ঞানৰ ভূমিকা, গুৱাহাটী ঃ অশোক বুক ষ্টল

„ „ (2014); অসমীয়া ভাষাৰ ইতিহাস, গুৱাহাটী ঃ অশোক বুক ষ্টল

6] ফুকন পাটগিৰি, দীপ্তি (2010); আধুনিক অসমীয়া ব্যাকৰণ, গোলাঘাট ঃ সৰস্বতী প্রকাশন

„ „ (2012); অসমীয়া, বাংলা আৰু ওডিআ ভাষা (তুলনামূলক অধ্যয়ন); গুৱাহাটী ঃ বনলতা

„ „ (2015); আধুনিক ভাৰতীয় আর্যভাষা, গুৱাহাটী ঃ অসম পাবলিচিং কোম্পানী

7] শইকীয়া বৰা, লীলাৱতী (2016); অসমীয়া ব্যাকৰণ আৰু ব্যৱহাৰ, গুৱাহাটী ঃ চন্দ্রপ্রকাশ

8] ভট্টাচার্য, বসন্ত কুমাৰ (2015); ভাষাবিজ্ঞান প্রবেশ, গুৱাহাটী ঃ চন্দ্রপ্রকাশ

বাংলা গ্রন্থ ঃ

9] গোস্বামী, কৃষ্ণপদ (2001); বাংলা ভাষাতত্ত্বৰ ইতিহাস, কলকতা ঃ করুণা প্রকাশনী

10] ঘোষ, জগদীশ এবং অনিলচন্দ্র (2003); আধুনিক বাংলা ব্যাকরণ ওরচনা, কলকতা ঃ প্রেসিডেন্সী লাইব্রেরী

11] চট্টোপাধ্যায়, সুনুতিকুমার (1889); বাংলা ভাষা প্রসঙ্গে, জিজ্ঞাসা এজেন্সিজ লিমিটেড

„ „ (1996); বাংলা ভাষাতত্ত্বের ভূমিকা, কলিকতা ঃ কলিকতা বিশ্ববিদ্যালয়

„ „ (2003); ভাষা প্রকাশ বাঙ্গালা ব্যাকরণ, নতুন দিল্লী ঃ ৰূপ এণ্ড কোম্পানী

12] চক্রৱর্তী, বামনদেব (2003); উচ্চতর বাংলা ব্যাকরণ, কলকতা ঃ অক্ষয় মালঞ্চ

13] চাকী, জ্যোতিভূষণ (2001); বাংলা ভাষাৰ ব্যাকরণ, কলকতা ঃ আনন্দ বাজার পত্রিকা ব্যৱহার বিধি

14] মজুমদার, পরেশচন্দ্র (1995); আধুনিক ভাৰতীয় ভাষা প্রসঙ্গে, কলকতা ঃদে'জ পাবলিশিং

15] শ, রামেশ্বর (1996); সাধারণ ভাষাবিজ্ঞান ও বাংলা ভাষা, কলকতা ঃ পুস্তক বিপনি

16] সেন, সুকুমার (1919); ভাষার ইতিবৃত্তি, কলকতা ঃ আনন্দ পালিশার্স প্রাইভেট লিমিটেড

17] হাই, আবদুল (2010); ধ্বনিবিজ্ঞান ও বাংলা ধ্বনিতত্ত্ব, মল্লিক ব্রাদার্স ঢাকা।

ইংৰাজী গ্রন্থ ঃ

1) Bhattacharya, k. (1993); Bengali-Oriya verb Marphology (A Contrastive Study); Das Gupta & Co. Private Limited, Calcutta,

2) Chatterji, S.K (1979); Origin and Development of the Bengali language, George, Allen and Unwin, London.

3) Kakati, B (1972); Assamese. Its Formation and Development, Lawer's Book Stall, Guwahati.

১০.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ স্বৰধ্বনি কি— অসমীয়া ভাষাৰ স্বৰধ্বনি—বাংলা ভাষাৰ স্বৰধ্বনি- দুয়ো ভাষাৰে স্বৰধ্বনিৰ তুলনা কৰি সাদৃশ্য-বৈসাদৃশ্য বিচাৰ কৰক।

২ নং প্রশ্নৰ উত্তৰ ঃ ব্যঞ্জন ধ্বনি কাক বোলে— অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনি—বাংলা ভাষাৰ ব্যঞ্জনধ্বনি—দুয়ো ভাষাৰ ব্যঞ্জন ধ্বনিৰ তুলনা কৰি সাদৃশ্য আৰু বৈসাদৃশ্য সমূহ লিখক।

৩ নং প্রশ্নৰ উত্তৰ ঃ ধ্বনিগত দিশত অসমীয়া স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিৰ ক্ষেত্রত কি কি নিজস্ব বৈশিষ্ট্য আছে — বাংলা ভাষাৰো স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিৰ ক্ষেত্রত কি কি সুকীয়া বৈশিষ্ট্য বিদ্যামান সেই কথা পর্যালোচনা কৰক।

৪ নং প্রশ্নৰ উত্তৰ ঃ স্বৰধ্বনি— অসমীয়া ভাষাৰ স্বৰধ্বনি— ওড়িয়া ভাষাৰ স্বৰধ্বনি— দুয়ো ভাষাৰে স্বৰধ্বনিৰ তুলনা কৰি কি কি ক্ষেত্রত মিল আছে কি কি ক্ষেত্রত অমিল আছে সেই বিষয়ে উল্লেখ কৰক।

৫ নং প্রশ্নৰ উত্তৰ ঃ ব্যঞ্জনধ্বনি— অসমীয়া ভাষাৰ ব্যঞ্জধ্বনি— ওড়িয়া ভাষাৰ ব্যঞ্জন ধ্বনি— দুয়ো ভাষাৰে ব্যঞ্জন ধ্বনিৰ মাজত থকা সম্বন্ধ আৰু পার্থক্য বিচাৰ কৰক।

৬ নং প্রশ্নৰ উত্তৰ ঃ ওড়িয়া ভাষাৰ স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনি- এই দুয়োবিধ ধ্বনি সম্পর্কে লিখি দুয়োবিধ ধ্বনিৰ ক্ষেত্রত ক'ত ক'ত স্বকীয় বিশেষত্ব পৰিলক্ষিত হয় চমুকৈ লিখক।

৭ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া, বাংলা, ওড়িয়া তিনিও ভাষাৰে স্বৰধ্বনি সম্পর্কে লিখক আৰু পৰৱর্তী সময়ত তিনিও ভাষাৰ স্বৰধ্বনিৰ মাজত কি কি ক্ষেত্রত সাদৃশ্য আছে আৰু কি কি ক্ষেত্রত বৈসাদৃশ্য আছে সেইকথা বিচাৰ কৰক।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ মৈথিলী ভাষা কি—ক'ৰ পৰা উদ্ভৱ হৈছে ক'ত ক'ত প্ৰচলিত—সেই সম্পৰ্কে চমুকৈ উল্লেখ কৰি—মৈথিলী ভাষাৰ ধ্বনি সম্পৰ্কে এক চমু আভাস দাঙি ধৰক।



১০.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ অসমীয়া ভাষাৰ স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিৰ এক চমু পৰিচয় দাঙি ধৰক।

প্ৰশ্ন নং ২ ঃ বাংলা ভাষাৰ স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনি সম্পৰ্কে এক চমু আলোচনা যুগুত কৰক।

প্ৰশ্ন নং ৩ ঃ অসমীয়া আৰু বাংলা ভাষাৰ স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনি সম্পৰ্কে আলোচনা কৰি দুয়ো ভাষাৰে এক তুলনা দাঙি ধৰক।

প্ৰশ্ন নং ৪ ঃ ওড়িয়া ভাষাৰ স্বৰধ্বনিৰ এক পৰিচয় দাঙি ধৰি অসমীয়া ভাষাৰ স্বৰধ্বনিৰ সৈতে এক তুলনামূলক আলোচনা যুগুত কৰক।

প্ৰশ্ন নং ৫ ঃ অসমীয়া আৰু ওড়িয়া ভাষাৰ ব্যঞ্জনধ্বনি সম্পৰ্কে লিখি দুয়ো ভাষাৰ ব্যঞ্জনধ্বনিৰ সাদৃশ্য-বৈসাদৃশ্য বিচাৰ কৰক।

প্ৰশ্ন নং ৬ ঃ অসমীয়া বাংলা আৰু ওড়িয়া ভাষাৰ স্বৰধ্বনিৰ এক তুলনা দাঙি ধৰক।

প্ৰশ্ন নং ৭ ঃ অসমীয়া বাংলা আৰু ওড়িয়া— এই তিনিও ভাষাৰ ব্যঞ্জন ধ্বনিৰ মাজত থকা মিল আৰু অমিলসমূহ বিচাৰ কৰক।

প্ৰশ্ন নং ৮ ঃ স্বৰধ্বনিৰ ক্ষেত্ৰত অসমীয়া, বাংলা আৰু ওড়িয়া ভাষাৰ কি কি নিজস্ব বৈশিষ্ট্য আছে সেই সম্পৰ্কে উল্লেখ কৰক।

প্ৰশ্ন নং ৯ ঃ অসমীয়া বাংলা আৰু ওড়িয়া ভাষাৰ ব্যঞ্জনধ্বনিৰ ক্ষেত্ৰত থকা স্বকীয় বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্ৰশ্ন নং ১০ ঃ মৈথিলী ভাষাৰ এক চমু পৰিচয় দাঙি ধৰি অসমীয়া ভাষাৰ লগত ইয়াৰ সাদৃশ্য বা পাৰ্থক্য কেনেধৰণৰ সেই কথা বিচাৰ কৰক।

প্ৰশ্ন নং ১১ ঃ সমগোত্ৰীয় আন ভাষাত নথকা অসমীয়া ভাষাৰ স্বকীয় বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰি এক চমু টোকা যুগুত কৰক।

প্ৰশ্ন নং ১২ ঃ মাগধীয় ভাষাগুচ্ছ বুলিলে কি বুজায়? এই ভাষাসমূহৰ এক চমু পৰিচয় দাঙি ধৰক।

অধ্যায় ১১ ঃ অসমীয়া ধ্বনিত আর্যভিন্ন উপাদান

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ আর্যভিন্ন ভাষা পৰিয়াল আৰু অসমীয়া ভাষাৰ ওপৰত তাৰ প্রভাৱ
১১.৪ অসমত প্রচলন থকা বিভিন্ন আর্যভিন্ন ভাষাৰ ধ্বনিয়ে কি ধৰণে অসমীয়া ভাষাৰ ধ্বনিক প্রভাৱিত কৰিছে
১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৬ অধিক জানিবলৈ
১১.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১১.৮ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমৰ আর্যভিন্ন ভাষাসমূহৰ এটি আভাস পাব
- আর্যমূলীয় ভাষা হোৱা স্বত্বেও অসমীয়া ভাষাৰ ধ্বনিগত স্বকীয়তাৰ বিষয়ে জানিব পাৰিব
- আন আর্যমূলীয় ভাষাৰ লগত অসমীয়া ভাষাৰ ধ্বনিগত বৈসাদৃশ্য আৰু এই বৈসাদৃশ্য গঢ় লোৱাত আর্যভিন্ন ভাষাৰ প্রভাৱ কেনেধৰণৰ সেইবিষয়ে বহলাই জানিব পাৰিব।

১১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া প্রথম যাণ্মাসিকৰ অন্তর্গত শিক্ষার্থীৰ বাবে আগবঢ়োৱা এইখন তৃতীয় ঐচ্ছিক পাঠ্যবিষয়। এই পাঠ্যবিষয় 'ধ্বনিবিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব'ৰ অন্তর্গত এইটো একাদশ অধ্যায়। ইয়াত অসমীয়া ধ্বনিতত্ত্ব থকা আর্যভিন্ন উপাদানৰ বিষয়ে বিস্তৃত আলোচনা কৰা হৈছে। ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ সতম্ শাখাৰ, ভাৰত ইৰাণীয় উপশাখাৰ এটি প্রশাখা হ'ল ভাৰতীয় আর্য। খ্রীষ্টপূর্ব পঞ্চদশ শতিকা মানত ইৰাণ অঞ্চলৰ পৰা বিভিন্ন দল উপদলত বিভক্ত হৈ আর্যসকল আহি ভাৰতত প্রৱেশ কৰিছিল বুলি ভাষাবিদসকলে মত প্রকাশ কৰিছে। ভাৰতলৈ অহা আর্যসকলৰ ভাষাই হ'ল 'ভাৰতীয় আর্যভাষা'। এই ভাৰতীয় আর্যৰে অন্তর্গত এটি উল্লেখযোগ্য ভাষা হ'ল অসমীয়া । ভাৰতীয় আর্যৰ আদি স্তৰ প্রাচীন ভাৰতীয় আর্যভাষাৰ পৰা মধ্য ভাৰতীয় আর্য ভাষাৰ মাজেদি অনেক পৰিৱর্তন আৰু ক্রমবিকাশৰ পিছত খ্রীষ্টিয় দশম শতিকামানত অসমীয়া ভাষাই জন্ম লাভ কৰে। কিন্তু আর্যমূলীয় হ'লেও অসমীয়া

ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু শব্দসম্ভাৰত এনে কিছুমান বৈশিষ্ট্য দেখিবলৈ পোৱা যায় যিসমূহ আর্যমূলীয় আন শাখাৰ ভাষাতো বাদেই একে মাগধী প্রাকৃতৰ পৰা উদ্ভৱ হোৱা বাংলা, ওড়িআ, মৈথিলী, মগহী, ভোজপুৰী ভাষাতো দেখিবলৈ পোৱা নাযায়। অসমীয়া ভাষা প্রচলিত অঞ্চলৰ ভাষাগত পৰিৱেশৰ বাবেই এনেবোৰ বৈশিষ্ট্য গঢ় লোৱা বুলি ভাষাবিদ গ্রীয়ার্ছন, সুনীতি কুমাৰ চেটার্জী, বাণীকান্ত কাকতি আদিকে ধৰি পৰৱর্তী কালৰো অনেক ভাষাবিজ্ঞানীয়ে অনুমান কৰিছে। কাৰণ অসমীয়া ভাষা হ'ল অনার্য ভাষাৰ সাগৰৰ মাজত থকা এটা দ্বীপৰ নিচিনা। আর্য সভ্যতাৰ বিকাশ হোৱাৰ বহু আগৰে পৰাই অষ্ট্রিক আৰু চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ লোকে ভাৰতত বসতি কৰিছিল। সেয়েহে আর্য আৰু অনার্য জনসমষ্টিৰ যেতিয়া প্রাচীন কালতেই মিশ্রণ আৰম্ভ হৈছিল অনার্যসকলৰ ধ্বনি উচ্চাৰণ বৈশিষ্ট্যৰ দ্বাৰা আর্যসকলো প্রভাৱিত হ'ল। অসমতো বৃহৎ সংখ্যক অনার্য ভাষাৰ মাজত প্রচলিত অসমীয়া ভাষাই পাৰস্পৰিক সংমিশ্রণ আৰু সম্প্রীতিৰ বাবে মাগধী প্রাকৃতৰ পৰা উদ্ভৱ হোৱা আন ভাষাতকৈ কিছু সুকীয়া ৰূপত আত্মপ্রকাশ লাভ কৰিলে। বৃহৎ সংখ্যক অনার্য জনসমষ্টিৰ মাজত পৰি সুকীয়া ৰূপ লাভ কৰা বাবেই অসমীয়া ভাষা প্রসংগত চীনা পৰিব্রাজক হিউৱেন চাঙে কৈছিল যে "তেওঁলোকৰ ভাষা মধ্যদেশৰ ভাষাতকৈ কিছু বেলেগ"। সুনীতি কুমাৰ চেটার্জীয়ে 'Language and Literatures of Modern India' গ্রন্থত মন্তব্য আগবঢ়াইছে এনেদৰে—"Assamese appear rather foreign not only before speakers of distant languages like Hindustani, Panjabi or Marathi, but also before Bengali speakers whose language is otherwise so very near to Assamese."

১১.৩ আর্যভিন্ন ভাষা পৰিয়াল আৰু অসমীয়া ভাষাৰ ওপৰত তাৰ প্রভাৱ

অসমীয়া ভাষাত থকা আর্যভিন্ন উপাদানসমূহ কোনো এটা নির্দিষ্ট সময়ত আৰু কোনো এটা বিশেষ ভাষাৰ প্রভাৱত গঢ় লোৱা নহয়। বিভিন্ন সময়ত বিভিন্ন মানুহৰ সৈতে হোৱা পাৰস্পৰিক সংমিশ্রণৰ ফলত ধীৰে ধীৰে এই উপাদানসমূহে ভাষাটোক প্রভাৱিত কৰে। আর্যভিন্ন ভাষা পৰিয়ালসমূহৰ ভিতৰত চীন তিব্বতীয় ভাষাগোষ্ঠীৰ তিব্বত-বর্মীয় শাখাৰ বিভিন্ন ভাষাৰ প্রভাৱেই এই ক্ষেত্রত অধিক। কিন্তু চীন-তিব্বতীয়ৰে টাই আহোম শাখা আৰু আন আর্যভিন্ন ভাষা পৰিয়ালৰ প্রভাৱো ইয়াত নথকা নহয়। আনহাতে দ্রাৱিড় পৰিয়ালৰ প্রভাৱৰ কথা ভাষাবিদসকলে বিশেষকৈ শব্দসম্ভাৰৰ ক্ষেত্র তহে দেখুৱাব বিচাৰিছে। অসমীয়া ভাষাৰ ধ্বনিতত্ত্বত দ্রাৱিড়ীয় প্রভাৱৰ কথা স্পষ্ট আৰু নির্দিষ্টকৈ স্বীকৃত আৰু আলোচিত হোৱা নাই। অসমীয়া ভাষাক প্রভাৱিত কৰা আর্যভিন্ন ভাষা পৰিয়ালকেইটা হৈছে—

(ক) চীন-তিব্বতীয় ভাষা-পৰিয়াল

(খ) অষ্ট্রিক ভাষা-পৰিয়াল

(গ) দ্রাৱিড় ভাষা-পৰিয়াল

(ক) চীন-তিব্বতীয় ভাষা-পৰিয়াল ঃ পৃথিৱীৰ অন্যতম বৃহৎ এক ভাষাগোষ্ঠী হ'ল চীন-তিব্বতীয় ভাষাগোষ্ঠী।পৃথিৱীৰ সর্ববৃহৎ ভাষা পৰিয়াল ইণ্ডো-ইউৰোপীয়ৰ পিছতে এই ভাষা

পৰিয়ালৰ স্থান।পূব আৰু দক্ষিণ-পূব এছিয়াত প্রধানকৈ এইসকল লোকৰ বসতিস্থল।এই ভাষাগোষ্ঠীটোৰ লোকসকলৰ আদিম বাসস্থান চীন দেশৰ দক্ষিণ-পশ্চিম অঞ্চলৰ য়াং ছিকিয়াং আৰু হোৱাংহো নদীৰ উৎপত্তিস্থল বুলি ভাষাবিদসকলে মত প্রকাশ কৰিছে। তাৰপৰাই তেওঁলোকে ভাৰতবর্ষ,ব্রহ্মদেশ, শ্যামদেশ আৰু চীনদেশত বিয়পি পৰে। জাতিগত দৃষ্টিকোণৰ পৰা এওঁলোক মংগোলীয়। চীন-তিব্বতীয় ভাষা-পৰিয়ালৰ প্রধান শাখা দুটা—

(অ) তিব্বত-বর্মী

(আ) থাই চীনীয় বা শ্যাম-চীনীয়

(অ) তিব্বত-বর্মী ঃ চীন-তিব্বতীয় পৰিয়ালৰ তিব্বত-বর্মী শাখাৰ ভাষা বৃহৎ জনসমষ্টিৰ মাজত প্রচলিত।এই শাখাৰ ভাষাসমূহক চাৰিটা উপশাখাত বিভক্ত কৰা হৈছে—

— হিমালয়ী

— উত্তৰ-অসম

— অসম-বর্মী

— তিব্বতী

এই চাৰিটাৰ ভিতৰত উত্তৰ-অসম আৰু অসম-বর্মী উপশাখাৰ ভাষা অসম আৰু উত্তৰ-পূর্বাঞ্চলৰ বিস্তৃৰ মানুহে কয়। আদি বা আবৰ, মিছিং, অকা, ডফলা, মিছিমি জনগোষ্ঠীৰ ভাষাসমূহ উত্তৰ-অসম শাখাৰ অন্তর্গত। অবিভক্ত বৰ অসমৰ বর্তমানৰ অৰুণাচল প্রদেশ এই শাখাৰ ভাষা কোৱা লোকৰ উল্লেখযোগ্য বসতিস্থল। ইয়াৰে মিছিংসকলে অসমৰ লখিমপুৰ, ধেমাজি, যোৰহাট, মাজুলী, ডিব্রুগড়, শোণিতপুৰ, বিশ্বনাথ চাৰিআলি আদি জিলাত প্রধানকৈ বসবাস কৰে। অসম বর্মী তিব্বত-বর্মী শাখাৰ অতি শক্তিশালী এটা উপশাখা।এই উপশাখাৰ ভাষাসমূহ আকৌ তিনিটা ভাগত বিভক্ত—

— বডো-নাগা

— কুকিচীন

— বর্মী

এই তিনিটা ভাগৰ ভিতৰত বডো-নাগাৰ ভাষা উত্তৰ-পূর্বাঞ্চলত উদ্ভেনদী। অসমীয়া ভাষাত গঢ় লোৱা আর্যভিন্ন উপাদানৰ ক্ষেত্রত এই শাখাটোৰ প্রভাৱেই আটাইতকৈ বেছি। বডো আৰু নাগা এই দুই ফৈদৰ সমষ্টিয়েই হ'ল বডো-নাগা। বডোৰ অন্তর্গত ভাষাসমূহ হ'ল বৰো, গাৰো, ডিমাছা, ৰাভা, তিৰা, হাজং, চুটিয়া, টিপৰা আদি। সমগ্র অসমতে বডো ফৈদৰ বিভিন্ন ভাষা প্রচলিত। নাগা ফৈদৰ ভাষা ঘাইকৈ নাগালেণ্ডত প্রচলিত যদিও মণিপুৰ, অসমৰ উত্তৰ-কাছাৰ আদিতো এওঁলোকৰ বসতি আছে। কুকি-চীন উপশাখাৰ অন্তর্গত ভাষাৰ ভিতৰত মণিপুৰৰ মেইথেই, মিজোৰামৰ মিজো প্রধান। বডো-নাগা আৰু কুকি-চীন দুয়োটাৰে বৈশিষ্ট্য নিহিত এটা ভাষা হ'ল কার্বি। অসমৰ কার্বি-আংলং তেওঁলোকৰ মুখ্য বসতিস্থল যদিও ৰাজ্যখনৰ শিৱসাগৰ, নগাঁও, কামৰূপ আদি বিভিন্ন জিলাতে অনেক কার্বি ভাষা কোৱা মানুহে বাস কৰি আহিছে। বর্মী ফৈদৰ প্রধান ভাষা বর্মীয় ব্রহ্মদেশত মুখ্যতঃ প্রচলিত। তিব্বতী শাখাৰ ভাষা ঘাইকৈ তিব্বত আৰু হিমালয়ৰ পশ্চিম অঞ্চলত পোৱা যায়।

থাই চীনীয় বা শ্যাম-চীনীয় ঃ চীন-তিব্বতীয় ভাষা পৰিয়ালৰ এটা প্ৰধান শাখা হ'ল থাই চীনীয় বা শ্যাম-চীনীয়। টাই বা থাই, চীনীয়, কৱেন আদি ইয়াৰ উপশাখা। ইয়াৰে টাই উপশাখাৰ ভাষা অসমত ব্যাপকভাৱে প্ৰচলিত। আহোম, শ্বান, খামতি, টুৰুং, আইতনিয়া, ফাকিয়াল আদি টাই শাখাৰ ভাষা।

অষ্ট্ৰিক ভাষা-পৰিয়াল ঃ অসমত প্ৰচলিত আৰু অসমীয়া ভাষাক প্ৰভাৱিত কৰা এটা উল্লেখযোগ্য ভাষা পৰিয়াল হ'ল অষ্ট্ৰিক।পৃথিৱীৰ ভাষা-পৰিয়ালসমূহৰ ভিতৰত অষ্ট্ৰিক এটা শক্তিশালী ভাষাগোষ্ঠী। ভাৰতৰ উপৰিও ব্ৰহ্মদেশ, ইণ্ডোনেছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় দ্বীপপুঞ্জলৈকে এই পৰিয়ালৰ ভাষাৰ প্ৰচলন আছে। অষ্ট্ৰিক ভাষাপৰিয়ালৰ প্ৰধান শাখা দুটা—

(অ) অষ্ট্ৰ-এছীয়

(আ) অষ্ট্ৰনেছীয়

অষ্ট্ৰ-এছীয় শাখাৰ প্ৰধান ভাগ দুটা— কোল বা মুণ্ডা আৰু মোন-খোমেৰ। চাওতালী, মুণ্ডাৰী, কুকি, শবৰ আদি হ'ল কোল শাখাৰ ভাষা। মোন-খোমেৰ উপশাখাৰ ভাষাৰ ভিতৰত মেঘালয়ৰ খাছী আৰু জয়ন্তীয়া, নিকোবৰ দ্বীপপুঞ্জৰ নিকোবৰী, কম্বোজৰ খমেৰ, মালয়ৰ ছাকায় আদি উল্লেখযোগ্য। অষ্ট্ৰনেছীয় শাখাৰ ভাষা উত্তৰ-পূৰ্বাঞ্চলত নাই।এই শাখাৰ ভাষাসমূহক ভৌগোলিক অৱস্থিতিৰ ওপৰত ভিত্তি কৰি ইণ্ডোনেছীয়, মেলানেছীয়, পলিনেছীয়, মেক্ৰোনেছীয় আদি ভাগত ভাষাবিদসকলে বিভক্ত কৰিছে।


দ্ৰাৱিড় ভাষা-পৰিয়াল ঃ দ্ৰাৱিড় পৰিয়ালৰ ভাষা প্ৰধানকৈ ভাৰতৰ দক্ষিণ অংশত প্ৰচলিত। ইয়াৰ উপৰিও পাকিস্থান আৰু শ্ৰীলংকাত দুই-এটা এই পৰিয়ালৰ ভাষাৰ প্ৰচলন আছে।পূব-ভূমধ্যসাগৰীয় অঞ্চলেই এওঁলোকৰ আদিম বসতিস্থল আছিল বুলি পণ্ডিতসকলে অনুমান কৰিছে। দ্ৰাবিড় ভাষাগোষ্ঠীৰ শাখা মূলতঃ তিনিটা —

(অ) দ্ৰাবিড় শাখা

(আ) অন্ধ্ৰশাখা

(ই) উত্তৰ-পশ্চিম শাখা

তামিল, মালায়ালম, কানাড়ী আৰু তেলেগু হ'ল দ্ৰাবিড় শাখাৰ প্ৰধান ভাষা। ইয়াৰে তামিল, মালায়ালম, কানাড়ী, কোটা আদি হ'ল দ্ৰাবিড় শাখাৰ ভাষা।তেলেগু, কোলামী আদি অন্ধ্ৰ শাখাৰ আৰু ব্ৰাহুই হ'ল উত্তৰ-পশ্চিম শাখাৰ ভাষা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমীয়া ভাষাক প্ৰভাৱিত কৰা আৰ্যভিন্ন ভাষা পৰিয়ালকেইটাৰ বিষয়ে বহলাই লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....



জানি থোৱা ভাল

— অসমীয়া ভাষাৰ ধ্বনি, ৰূপ, শব্দসম্ভাৰক প্ৰভাৱিত কৰা আৰ্যভিন্ন ভাষা পৰিয়ালসমূহৰ ভিতৰত চীন তিব্বতীয় ভাষাগোষ্ঠীৰ ভাষাৰ প্ৰভাৱেই সকলোতকৈ বেছি।

— অসমীয়া ভাষাক অষ্ট্ৰিক পৰিয়ালৰ কোল শাখাৰ ভাষাই যথেষ্টভাৱে প্ৰভাৱিত কৰা বুলি বাণীকান্ত কাকতিয়ে কৈ গৈছে। তেওঁ কৈছে—"The influence of the Kolarian Languages seem to be more deepacting than that of any other non-Aryan Language"

এই প্ৰসংগত তেখেতে আকৌ কৈছে "The N.I.A. Assamese seems to have been hoisted upon an Austric speaking people, and while the grammatical structure of the language remained substancially Aryan, the non-Aryan languages made inroads into the speech in several directions"

১১.৪ অসমত প্ৰচলন থকা বিভিন্ন আৰ্যভিন্ন ভাষাৰ ধ্বনিয়ে কি ধৰণে অসমীয়া ভাষাৰ ধ্বনিক প্ৰভাৱিত কৰিছে

(ক) সংস্কৃতৰ তালব্য ধ্বনিবোৰৰ উচ্চাৰণ মাগধী প্ৰাকৃতত তালব্য-ঘৃষ্ট হৈছিল। মাগধী প্ৰাকৃতৰ পৰা বিকাশ হোৱা আটাইকেইটা ভাষাতে এই বৈশিষ্ট্য ৰক্ষিত হৈছে।একমাত্ৰ অসমীয়াতহে এই ধ্বনিসমূহ দন্তমূলীয় উষ্ম হিচাপে উচ্চাৰিত হয়। বৰো, গাৰো আদি তিব্বত-বৰ্মীয় ভাষাত তালব্য ঘৃষ্ট ধ্বনিৰ উচ্চাৰণ নাই। দন্তমূলীয় উষ্ম আৰু দন্তমূলীয় ঘৃষ্ট ধ্বনিৰ উচ্চাৰণহে পোৱা যায়।এই তিব্বতবৰ্মীয় ভাষাগোষ্ঠীৰ মাজত দীৰ্ঘসময় ধৰি প্ৰচলন থকা বাবেই সেই ভাষাসমূহৰ প্ৰভাৱত অসমীয়া ভাষাৰ ধ্বনি উচ্চাৰণত সেই বৈশিষ্ট্য গঢ় লৈ উঠিল বুলি ভাষাবিদসকলে মন্তব্য কৰিছে। সুনীতি কুমাৰ চেটাৰ্জীয়েও সংস্কৃত তালব্য ধ্বনি অসমীয়াত দন্তমূলীয় হিচাপে উচ্চাৰণ হোৱাৰ ক্ষেত্ৰত তিব্বত বৰ্মী প্ৰভাৱ পৰাৰ সম্ভাৱনা দেখুৱাইছে।

(খ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ স্তৰত ভাষাত দন্ত্য আৰু মূৰ্দ্ধণ্য দুই ধৰণৰ ধ্বনিৰে উচ্চাৰণ আছিল। কিন্তু তাৰ পৰাই বিকশিত অসমীয়া ভাষাত দন্ত্য আৰু মূৰ্দ্ধণ্য ধ্বনিৰ উচ্চাৰণ নাই। সংস্কৃত বৰ্ণমালাৰ আদৰ্শত দন্ত্য আৰু মূৰ্দ্ধণ্য বৰ্গৰ আখৰসমূহ ৰক্ষিত হৈছে যদিও এই দুটা বৰ্গৰ পৰিৱৰ্ত্তে অসমীয়া ভাষাত দন্তমূলীয় ধ্বনিহে উচ্চাৰণ হয়। তিব্বত-বৰ্মীয় ভাষাৰ বিশেষজ্ঞসকলে দেখুৱাইছে যে বৰো, গাৰো, ডিমাছা আদি ভাষাসমূহত বিশুদ্ধ দন্ত্য বা বিশুদ্ধ মূৰ্দ্ধণ্য ধ্বনিৰ উচ্চাৰণ পোৱা নাযায়। দন্তমূলীয় ধ্বনিৰ উচাৰণ কিন্তু ব্যাপক।সেয়েহে অসমীয়া ভাষাৰ ধ্বনি উচ্চাৰণ প্ৰক্ৰিয়া তেওঁলোকৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ সম্ভাৱনাৰ কথা

ভাষাবিজ্ঞানীসকলে ব্যক্ত কৰিছে। ভাষাবিদ গ্ৰীয়াৰ্ছনৰ মতে অসমীয়া ভাষাৰ এই বৈশিষ্ট্য তিব্বত বর্মী ভাষাৰ প্ৰভাৱৰ ফল। কিন্তু ভাষাবিদ লীলাৱতী শইকীয়া বৰাই এইক্ষেত্ৰ ত মত প্ৰকাশ কৰিছে যে "মূল তিব্বত-বর্মী ভাষাত দন্তমূলীয় ধ্বনি (alveolar) নাছিল; মূলৰ দন্ত্য ধ্বনি সাতোটা অসমৰ তিব্বতবর্মী ভাষাবোৰত দন্তমূলীয় ধ্বনিলৈ ৰূপান্তৰিত হৈছে।"গতিকে অসমীয়া ভাষাত দন্তমূলীয় ধ্বনি গঢ় লোৱাত তিব্বত-বর্মী প্ৰভাৱৰ কথা তেখেতে স্বীকাৰ কৰিব নিবিচাৰে। ভাষাবিদ ৰমেশ পাঠকে অসমীয়া ভাষাত দন্তমূলীয় ধ্বনি গঢ় লোৱাত অষ্ট্ৰিক ভাষা পৰিয়ালৰ প্ৰভাৱৰ সম্ভাৱনীয়তা দেখুৱাইছে। কিন্তু অষ্ট্ৰিক মূলীয় খাচী ভাষাৰ বাহিৰে আন ক'তো দন্তমূলীয় ধ্বনি নাই।সেয়েহে অসমীয়া দন্তমূলীয় ধ্বনি উচ্চাৰণত অষ্ট্ৰিক প্ৰভাৱৰ কথাও সর্বজনগ্ৰাহ্য নহয়। লীলাৱতী শইকীয়া বৰাই কয় যে "সম্ভৱতঃ একেটা ভৌগোলিক পৰিবেশত সুদীর্ঘকাল একেলগে ওচৰা-ওচৰিকৈ থাকিবলগীয়া হোৱাৰ কাৰণে ৰাজনৈতিক, অর্থনৈতিক আৰু সাংস্কৃতিক কাৰণত অষ্ট্ৰিক, আর্য আৰু তিব্বত-বর্মী ভাষা-ভাষীৰ মাজত হোৱা পাৰস্পৰিক সংস্পর্শৰ (contact) ফলতে আর্য-অনার্য এই ভাষাবোৰত দন্তমূলীয় উচ্চাৰণ নতুনকৈ গঢ় লৈ উঠিল।" ভাষাবিদ বাণীকান্ত কাকতিয়েও তেওঁৰ 'Assamese Its Formation and Development' গ্ৰন্থত উল্লেখ কৰিছে—

"Under the levelling influence of the surrounding Tibeto Burman dialects, both the cerebrals and the dentals have lost their proper enunciation"

"The alveolar sound may be due to the influence of the Bodo languages in which "dental consonants are pronounced as semi-cerebrals as in English"'

অসমীয়া ভাষাৰ দন্তমূলীয় ধ্বনি উচ্চাৰণ সম্পর্কত সুনীতি কুমাৰ চেটার্জীয়েও তিব্বত-বর্মীয় প্ৰভাৱৰ কথাকে ক'ব বিচাৰে।

(গ) সংস্কৃতৰ শিশ্ ধ্বনিকেইটাৰ উচ্চাৰণ তদ্ভৱ শব্দৰ মাজত বা শেষত নিয়মিতভাৱে 'হ'লৈ পৰিৱর্তন হয়।যেনে—

কলস > কলহ,

শ্বশুৰ > শহুৰ

ভাষাবিদ নগেন ঠাকুৰে কৈছে যে "এই বৈশিষ্ট্যৰ কাৰণ নির্দ্ধাৰণ কৰা সমস্যা যদিও, অসমীয়াত ই এটা নির্দিষ্ট ৰীতিৰে পৰিৱর্তন হোৱাৰ ক্ষেত্ৰ ত আহোমভাষীসকলৰ উচ্চাৰণৰ কিছু প্ৰভাৱ হয়তো থাকিব পাৰে।" আহোম ভাষাত শিশ্ধ্বনিৰ সমপর্যায়ৰ ধ্বনি উচ্চাৰণ কৰিবলগা হ'লে সচৰাচৰ 'খ' অথবা 'হ' ৰূপে উচ্চাৰিত হয়। অসমীয়া ভাষা আহোমসকলে গ্ৰহণ কৰাৰ পাছত তেওঁলোকৰ ধ্বনি উচ্চাৰণৰ বৈশিষ্ট্যৰ প্ৰভাৱ অসমীয়াত সোমাই পৰাৰ সম্ভাৱনাৰ কথা তেওঁ ব্যক্ত কৰিছে। সুনীতি কুমাৰ চেটার্জীয়ে এই বৈশিষ্ট্যৰ ক্ষেত্ৰ তো তিব্বতবর্মী প্ৰভাৱৰ কথাকে কৈছে যদিও সেই মত পৰৱর্তী পণ্ডিসকলে মানি লোৱা নাই। কাৰণ মূল তিব্বত বর্মীয় ভাষাত মধ্য আৰু অন্ত্য অৱস্থানত 'হ'ৰ ব্যৱহাৰ বিৰল। বাণীকান্ত কাকতিয়ে ইয়াক স্থানীয় প্ৰভাৱ বুলি

উল্লেখ কৰিছে।

(ঘ) সংস্কৃতৰ তালব্য 'শ', মূর্দ্ধণ্য 'ষ' আৰু দন্ত্য 'স' অসমীয়াত নোহোৱা হৈ পশ্চতালব্য 'X' ধ্বনিৰ উচ্চাৰণ গঢ় লৈ উঠিল। অসমীয়া ভাষাৰ ধ্বনি উচ্চাৰণৰ ই এক স্বতন্ত্র বৈশিষ্ট্য। আন কোনো মাগধীয়া ভাষাতে এই বৈশিষ্ট্য দেখা নাযায়। সুনীতি কুমাৰ চেটার্জীয়ে অসমীয়া ধ্বনি উচ্চাৰণৰ এই বৈশিষ্ট্যটোৰ ক্ষেত্রত তিব্বত-বর্মী প্রভাৱৰ সম্ভাৱনা দেখুৱাইছে।

(ঙ) অসমীয়া ভাষা আর্যমূলীয় হ'লেও মূলত থকা হ্রস্ব আৰু দীর্ঘ স্বৰৰ পার্থক্য অসমীয়াত ৰক্ষিত নহ'ল। স্বৰধ্বনিৰ এই বৈশিষ্ট্যৰ ক্ষেত্রত আর্যভিন্ন প্রভাৱৰ সম্ভাৱনাৰ কথা ভাষাবিদসকলে ক'ব বিচাৰে। 'এ' স্বৰধ্বনিৰ উচ্চাৰণত তিব্বত-বর্মী ভাষাৰ প্রভাৱৰ কথাও ভাষাবিদসকলে ক'ব বিচাৰে।

(চ) বহুতো সংস্কৃত শব্দৰ আদি আৰু মধ্যস্থানৰ অল্পপ্রাণ ধ্বনিসমূহ অসমীয়াত মহাপ্রাণ ধ্বনি হিচাপে উচ্চাৰিত হয়।যেনে—

পিচ্ছ > ফিছা
পেচক > ফেঁচা
দণ্ড-কাক > ঢোঁৱা কাউৰী
পিঞ্চ > ফেঁচকুৰি

অসমীয়া ভাষাত গঢ় লোৱা এই ধ্বনিগত বৈশিষ্ট্যৰ কাৰণ হিচাপে বৰো (বডো) ভাষাৰ প্রভাৱৰ কথা গ্রীয়ার্ছন, বাণীকান্ত কাকতি, প্রমোদ চন্দ্র ভট্টাচার্য আদি ভাষাবিদসকলে ক'ব বিচাৰে। কাকতিয়ে কৈছে—

"the isolated instances of initial aspiration that are preserved must be attributed to the Bodo influences"

এই প্রসংগত ভাষাবিদ গ্রীয়ার্ছনে 'Linguistic survey of India' ত কৈছে—"In the languages of the Bodo group, the great stress that is laid on a consonant when it is at the commencement of a syllable often gives the unvoiced stops an aspirated sound and when reduced to writing in Assamese or Bengali character, these unvoiced stops are often represented as aspirated consonants.These non-Aryan habits might have caused spontanious aspirations examples of which are preserved in N.I.A. languages."

বৰো ভাষাত সংস্কৃত বা আন বেলেগ ভাষাৰ ঋণশব্দৰ ক্ষেত্রত অল্পপ্রাণধ্বনিসমূহ মহাপ্রাণ হিচাপে উচ্চাৰিত হয়। যেনে —

সংস্কৃত—বৰো
পিষ্টক— ফিথা
প্রবাল—ফুআল
ইষ্টক—ইথা
চত্বাল—চিথ্লা

(ছ) অসমীয়া ভাষাৰ স্বৰসংগতি, স্বতঃঅনুনাসিকীভবন আৰু অভিশ্রুতিৰ ক্ষেত্রত তিব্বতবর্মীয় প্রভাৱ আছে বুলি তিব্বত-বর্মীয় ভাষাৰ গৱেষকসকলে মত প্রকাশ কৰিছে। উদাহৰণস্বৰূপে —

অসমীয়া ভাষাৰ স্বতঃঅনুনাসিকীভৱন—

সংস্কৃত শব্দটো হ'ল —'ঘোটক'। কিন্তু তাৰ পৰা বিকাশ হোৱা অসমীয়া শব্দটো হ'ল—'ঘোঁৰা'।

স্বৰসঙ্গতি—

নকুল > নেউল

প্রোষ্ঠী > পুঠি

অভিশ্রুতি—

মহিষ > ম'হ

ময়ুৰ > ম'ৰা

অসমীয়া ভাষাত মূলৰ ধ্বনি পৰিৱর্তনৰ এই প্রক্রিয়াসমূহ তিব্বত-বর্মীয় প্রভাৱত গঢ় লৈছে বুলি তিব্বত-বর্মীয় ভাষাৰ গৱেষকসকলে ক'ব বিচাৰে।

(জ) স্বৰমধ্য মহাপ্রাণ ধ্বনিসমষ্টিৰ অল্পপ্রাণীভৱনৰ ক্ষেত্রত কাকতিয়ে নিশ্চিতভাৱে বৰো প্রভাৱৰ কথা ক'ব বিচাৰে।

"In the matter of the de-aspiration of Assamese intervocal sonant group -ndh>-nd, the influence of the Bodo can very well be assumed.

কাকতিয়ে এইক্ষেত্রত বৰো ভাষাৰ পৰা 'গন্দক্' শব্দৰ উদাহৰণ দেখুৱাইছে।

অসমীয়া ভাষাত—

শিফা—শিপা

শুদ্ধ—সুদা

সন্ধি—সান্দি

(ঝ) অসমীয়া ভাষাত সমীভৱনৰ প্রক্রিয়াতো অনার্য প্রভাৱ বিদ্যমান। পূর্বসর্গ নাস্ত্যর্থক 'ন' ক্রিয়াৰ আগত বহিলে ক্রিয়াৰ প্রথম স্বৰ অনুযায়ী সমীভূত হয়।যেনে—

ন-কিনে—নিকিনে

ন-মাৰ—নামাৰ

ধাতুত থকা স্বৰধ্বনি অনুযায়ী পূর্বপ্রত্যয়ৰ এনে সমীভৱনৰ প্রক্রিয়া চীন তিব্বতীয় প্রভাৱতে গঢ় লোৱা বুলি ভাষাবিদসকলে মত আগবঢ়াইছে। আহোম, বৰো আদি ভাষাত এনে বৈশিষ্ট্য পোৱা যায়।যেনে—

আহোম ভাষাত—

মা-তঙ—মতঙ (নুবুজো)

মা-কিন—মিকিন (নাখাওঁ)

বৰো ভাষাত—

পে-দেৰ (ডাঙৰ কৰ)


পা-হাম (মেৰামতি কৰ)

(ঞ) স্বৰমধ্যৱৰ্ত্তী সঘোষ ধ্বনি অঘোষ ধ্বনিলৈ পৰিৱৰ্তন হোৱাৰ ক্ষেত্ৰত বৰো প্ৰভাৱ আছে বুলি বাণীকান্ত কাকতিয়ে কৈছে।



জানি থোৱা ভাল

—অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, শব্দসম্ভাৰ সকলোতে আর্যভিন্ন বিভিন্ন উপাদান গভীৰভাৱে সোমাই পৰাৰ দৰে আর্যভিন্ন ভাষাসমূহতো অসমীয়া ভাষাৰ অনেক উপাদান উভৈনদীকৈ সোমাই পৰিছে।সেয়েহে প্ৰকৃততে কোনটো ভাষাই কাকপ্ৰভাৱিত কৰিছে সেয়া নির্ণয় কৰা যথেষ্ট জটিল। এই ক্ষেত্ৰত অসমীয়া ভাষাৰ শব্দসম্ভাৰতবৰো ভাষাৰ প্ৰভাৱৰ বিশ্লেষণ প্ৰসংগত বাণীকান্ত কাকতিয়ে কৈছিল— "Living long in the plains and in immediate neighbourhood of Aryan-speaking people, the Bodos borrowed words freely from the Aryan dialacts and without careful examination it is often difficult to ascertain whether a particular word is of N.I.A. origin borrowed by the Bodos or vice-versa."



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ "অসমীয়া ভষা আর্যমূলীয় হ'লেও ইয়াত অনার্য প্ৰভাৱ বিদ্যমান"—অসমীয়া ধ্বনিতত্ত্বৰ আধাৰত কথাষাৰৰ সার্থকতা বিচাৰ কৰক।

.....



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষা আর্যমূলীয় ভাষা হ'লেও ভাষাটো আন আর্যভিন্ন ভাষাৰ দ্বাৰা যে গভীৰভাৱে প্ৰভাৱিত সেয়া জানিব পাৰিলো।
- অসমত থকা আর্যভিন্ন ভাষা পৰিয়ালকেইটাৰ পৰিচয় লাভ কৰিলো।
- অসমীয়া ভাষাৰ ধ্বনিতত্ত্বত থকা আর্যভিন্ন ভাষাৰ উপাদানসমূহৰ বিষয়ে অৱগত হ'লো।



১১.৬ অধিক জানিবলৈ

অসমীয়া আলোচনী ঃ

১) শইকীয়া বৰা (সম্পা), (২০০০) ঃ অন্বেষণ, সপ্তম বছৰ, চতুর্থ সংখ্যা, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

অসমীয়া গ্রন্থ ঃ

১) কাকতি, বাণীকান্ত (১৯৯৬); *অসমীয়া ভাষাৰ গঠন আৰু বিকাশ,* (হাজৰিকা, বিশ্বেশ্বৰ অনুঃ) বৰপেটা ঃ বাণীকান্ত কাকতি জন্ম শতবার্ষিকী উদ্‌যাপন সমিতি।

২) গোস্বামী, উপেন্দ্র নাথ (২০০০); অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ, গুৱাহাটী ঃ বৰুৱা এজেন্সি,

৩) ঠাকুৰ, নগেন (১৯৯১); পৃথিৱীৰ বিভিন্ন ভাষা, গুৱাহাটী ঃ জ্যোতি প্রকাশন,

৪) নাথ, প্রফুল্ল আৰু হাজৰিকা, জ্যোতিৰেখা (১৯৯৭); অসমীয়া ভাষাৰ অধ্যয়ন, গুৱাহাটী ঃ বনলতা,

৫) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৯২); অসমীয়া ভাষা আৰু সংস্কৃতি ,জার্ণাল এম্পৰিয়াম

৬) ভৰালী, শৈলেন (সম্পা) (১৯৯৬); অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতি, চন্দ্র প্রকাশ

৭) ৰাভা হাকাচাম, উপেন (২০০৭); অসমৰ তিব্বত বর্মীয় ভাষা, মঞ্জুলা ৰাভা হাকাচামজাক

ইংৰাজী গ্রন্থ ঃ

1) Chatterji, Suniti kumar (1970) : The Origin and Development of the Bengali Language, George Allen & Unwin Ltd, London

2) Kakati, Banikanta : *Assamese* (2007) *: Its Formation and Development.* Guwahati: Lawyers Book Stall



১১.৭ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাটো মূলতঃ ইণ্ডো-ইউৰোপীয়ৰ আর্য শাখাৰ পৰা উদ্ধৰ হোৱা ভাষা.....কিন্তু ভাষাটোক চীন-তিব্বতীয় পৰিয়ালৰ ভাষাই আটাইতকৈ বেছি প্রভাৱিত কৰিছে আৰু সেই পৰিয়ালৰ ভাষাৰ উপাদান অসমীয়া ভাষাত সোমাই পৰিছে। তদুপৰি অষ্ট্রিক আৰু দ্রাৱিড় পৰিয়ালৰ ভাষাৰ প্রভাৱো বিদ্যমান..... তিনিওটা ভাষা পৰিয়ালৰ বিষয়ে লিখিব লাগিব।

২ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাৰ ধ্বনিসমূহ মূলতঃ সংস্কৃতৰ পৰা বিকাশ ঘটি উদ্ভৱ হোৱা। কিন্তু ইয়াত মূলত নথকা ভালেমান বৈশিষ্ট্য বিদ্যমান।এই বৈশিষ্ট্যসমূহ গঢ় লোৱাৰ বাবে ভাষাবিদসকলে অসমত প্ৰাচীন কালৰে পৰা বসতি কৰা আৰ্যভিন্ন গোষ্ঠীৰ ভাষাৰ প্ৰভাৱৰ কথাকে ক'ব বিচাৰে।এই পটভূমিসমূহ বহলাই লিখিব..... অসমীয়া ভাষাৰ ধ্বনিত থকা অনাৰ্য প্ৰভাৱসমূহ লিখিব লাগিব।



১১.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ 'অসমীয়া ভাষাত আৰ্যভিন্ন উপাদান' বুলি ক'লে কি বুজে? কিয় এই উপাদানসমূহ অসমীয়া ভাষাত সোমাই পৰিল আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ 'অসমীয়া ভাষাটো অনাৰ্য ভাষাৰ সাগৰৰ মাজত থকা এটা দ্বীপৰ নিচিনা'— কথাষাৰৰ তাৎপৰ্য বিশ্লেষণ কৰক।

প্ৰশ্ন নং ৩ ঃ ভাষাবিদ বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাক আৰ্যভিন্ন ভাষাই কেনেদৰে প্ৰভাৱিত কৰিছে বুলি দেখুৱাব বিচাৰিছে আলোচনা কৰক।

প্ৰশ্ন নং ৪ ঃ অসমত থকা আৰ্যভিন্ন ভাষা পৰিয়ালকেইটাৰ বিষয়ে একোটা পৰিচয়মূলক বিবৰণ লিখক।

প্ৰশ্ন নং ৫ ঃ অসমীয়া ভাষাৰ ধ্বনিতত্ত্বত থলুৱা আৰ্যভিন্ন ভাষাৰ কোনসমূহ উপাদান সোমাই পৰিছে বিতংভাৱে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি আৰু লিপ্যন্তৰ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি এটি আলোচনা
১২.৪ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ প্ৰয়োজনীয়তা
১২.৫ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ সহায়ত লিপ্যন্তৰকৰণ
১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৭ অধিক জানিবলৈ
১২.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১২.৯ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ সাধাৰণ পৰিচয় দাঙি ধৰিব পাৰিব
- ভাষাৰ বিভিন্ন অধ্যয়ন আৰু গৱেষণাৰ দিশত ভাষা একোটাক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোচনা কৰিব পাৰিব
- অন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ সহায়ত লিপ্যন্তৰকৰণৰ বিষয়ে কিছু ব্যৱহাৰিক দিশৰ আলোচনা কৰিব পাৰিব
- আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ সহায়ত কৰা লিপ্যন্তৰৰ স্বৰূপ আৰু প্ৰয়োজনীয়তা সম্পৰ্কে ধাৰণা লাভ কৰিব।

১২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া প্ৰথম ষাণ্মাসিকৰ অন্তৰ্গত শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা এইখন তৃতীয় ঐচ্ছিক পাঠ্যবিষয়। ইতিমধ্যে ইয়াৰ পূৰ্বৰ এঘাৰটা অধ্যায়ত আপুনি ধ্বনিতত্ত্বৰ কিছুমান প্ৰাথমিক দিশৰ লগতে অসমীয়া ধ্বনিতত্ত্বৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিলে। এই অধ্যায়টোত আপুনি আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ বিষয়ে স্পষ্ট ধাৰণা লাভ কৰিব।

বৰ্তমানৰ ভাষাবৈজ্ঞানিক অধ্যয়নত আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ প্ৰয়োজনীয়তা বিশ্বৰ সকলো ভাষাবিজ্ঞানীয়ে একেমুখে স্বীকাৰ কৰা দেখা যায়। এনে এক গুৰুত্বপূৰ্ণ ক্ষেত্ৰৰ অধ্যয়ন তথা আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ স্পষ্ট জ্ঞান অবিহনে ভাষা অধ্যয়ন আৰু বিশ্লেষণত যথেষ্ট আসোৱাহ ৰৈ যোৱাটো নিশ্চিত বুলিব পাৰি। সাম্প্ৰতিক কালত ভাষাৰ অধ্যয়ন আৰু গৱেষণাৰ গুৰুত্বৰ

ওপৰত দৃষ্টি ৰাখি এই অধ্যায়ত আন্তঃৰাষ্ট্ৰীয় ধ্বনি লিপি আৰু লিপ্যন্তৰ, এই দুটা বিষয় হিচাপে অন্তর্ভূক্ত কৰা হৈছে।

১২.৩ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি ঃ এটি আলোচনা

আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি হ'ল, পৃথিৱীৰ যিকোনো ভাষাৰ ধ্বনি উচ্চাৰণৰ ভিত্তিত ভাষাসমূহ লিপিবদ্ধ কৰিব পৰা আখৰমালা। যিকোনো ভাষাবৈজ্ঞানিক অধ্যয়নত আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি অপৰিহার্য হৈ পৰাৰ প্ৰধান কাৰণ হৈছে, এই লিপিৰ সহায়ত বিশ্বৰ বিভিন্ন ভাষাৰ উচ্চাৰণৰ শুদ্ধতা ৰক্ষা কৰি লিপিবদ্ধ কৰিব পৰা যায়। আন্তঃৰাষ্ট্ৰীয়ভাৱে গ্ৰহণ কৰিব পৰাকৈ পৃথিৱীৰ বিভিন্ন ভাষাত প্ৰয়োগ হোৱা বর্ণসমূহৰ বিপৰীতে একোটাকৈ চিহ্ন আৰু বিভিন্ন কূটচিহ্ন সম্বলিত এই তালিকাখন আন্তঃৰাষ্ট্ৰীয় ধ্বনি সংস্থা নামৰ সংস্থাটোৰ দ্বাৰা প্ৰস্তুত কৰি উলিওৱা হৈছিল আৰু সময়ে সময়ে সংস্থাটোৱে ইয়াৰ সংশোধন, পৰিৱর্তন আৰু পৰিবর্দ্ধন কৰি আহিছে। বর্তমানে সমগ্ৰ বিশ্বৰ ভাষাবিজ্ঞানৰ ক্ষেত্ৰখনত বিশেষভাৱে গুৰুত্বপূর্ণ বুলি বিবেচিত হৈ থকা আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ এটা দীঘলীয়া ইতিহাস আছে। ১৮৮৬ চনত আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ প্ৰথমখন তালিকাৰ খচৰা প্ৰস্তুত কৰি উলিওৱা হয় আৰু তাৰ পৰৱর্তী বছৰত, অর্থাৎ ১৮৮৭ চনত এই খচৰা তালিকাখন সংস্থাটোৱে আনুষ্ঠানিকভাৱে গ্ৰহণ কৰে। আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ প্ৰতীকসমূহ পোনতে হেনৰী চুইটৰ ৰোমিক লিপিক কিছু সালসলনি ঘটাই গ্ৰহণ কৰা হৈছিল। ইয়াৰ লগতে কিছুমান গ্ৰীক লিপিৰ প্ৰতীকো গ্ৰহণ কৰা হৈছিল, এই প্ৰতীকসমূহ অনা-ৰোমিক লিপিক গ্ৰীক লিপিৰ সৈতে সংমিশ্ৰিত কৰি গুৰুত্ব সহকাৰে পৰিৱর্তন কৰি লোৱা হয়। এই সময়ত তালিকাখনত কোনো নতুনকৈ সৃষ্টি কৰি লোৱা আখৰ গ্ৰহণ কৰা হোৱা নাছিল। সেইকাৰণে এই তালিকাখনত বেছিভাগ প্ৰতীকেই লেটিন অথবা গ্ৰীক লিপিৰ আখৰ পোৱা যায়। কিন্তু পৰৱর্তী কালত নতুন নতুন ভাষাৰ আৱিষ্কাৰৰ ফলত ৰোমিক লিপিৰ বাহিৰেও অন্যান্য উৎসৰ পৰাও প্ৰতীকৰ সংযোজনৰ প্ৰয়োজনীয়তা আহি পৰিল। কাৰণ পৃথিৱীৰ ভাষাসমূহৰ সকলোবোৰ ধ্বনিৰে প্ৰতিনিধিত্ব কৰিব পৰা প্ৰতীক ৰোমিক লিপিত পোৱা নাযায়। অৱশ্যে অন্য ভাষাৰ পৰা গ্ৰহণ কৰা এই লিপিসমূহকো কিছু পৰিৱর্তন কৰিহে গ্ৰহণ কৰা হৈছিল। ১৮৮৮ চনৰ পিছত ১৯০০ চনত তালিকাখনৰ প্ৰথম বাৰৰ বাবে সংশোধন ঘটোৱা হয়। ১৮৮৯ চনৰ তালিকাখনত কিছুমান প্ৰতীক আৱৱী আৰু অনা ইউৰোপীয় ভাষাৰ পৰা সন্নিৱিষ্ট কৰা হৈছিল যিবোৰৰ সৈতে ৰোমান লিপিৰ প্ৰতীকসমূহৰ ভালেখিনি অমিল দেখা গৈছিল। এই তালিকাখন ১৯০০ চনত প্ৰকাশ হৈ ওলায়। ইয়াৰ পিছত ১৯৩২ চনত তালিকাখনৰ ব্যাপক সালসলনি ঘটোৱা হয়। এইখন তালিকাত তিনিটা উচ্চাৰণৰ স্থান (Place of articulation) যেনে, মূর্দ্ধন্য (Retroflex) তালব্য-দন্তমূলীয় (Palato-alveolar) আৰু গলকোষীয় (Pharyangeal) ধ্বনিক প্ৰতিনিধিত্ব কৰিব পৰা প্ৰতীক তিনিটা সন্নিৱিষ্ট কৰাৰ উপৰিও লুঠিত (Rolled) আৰু তাড়িত (Flapped) এই দুটা উচ্চাৰণৰ ধৰণৰ নতুন ভাগ সন্নিৱিষ্ট কৰা হয়। এই সংশোধনত সর্বমুঠ তেৰটা নতুন ধ্বনিপ্ৰতীকৰ অন্তর্ভুক্তি হয়। ১৯৭৬ চনত তালিকাখন পুনৰ পৰীক্ষা কৰি

অতিৰিক্ত বুলি বিবেচনা কৰা আক্ষৰিক (Syllabic) /n/ আৰু স্পৃষ্ট (Africate) / ʒ / এই ধ্বনিপ্রতীক দুটা বাদ দিয়া হয়। এই সংশোধনীত স্পৃষ্ট ধ্বনিসমূহ স্ফোট আৰু উষ্ম ধ্বনি দুটা ওচৰা-ওচৰিকৈ লিখি তাৰ তলত এডাল বেঁকা সংযোগী ৰেখা (Tie bar) দিয়াৰ নিয়ম কৰা হয়। ইয়াৰ পৰৱৰ্তী কালত অর্থাৎ, ১৯৮৯ চনত আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ তালিকাখনৰ সংশোধনৰ বাবে জার্মানীৰ কীল (Kiel) চহৰত আন্তঃৰাষ্ট্ৰীয় ধ্বনিসংস্থাৰ এখনি সভা অনুষ্ঠিত হয়। এই সভাৰ সিদ্ধান্তমর্মে তালিকাখনৰ ব্যাপক সালসলনি ঘটোৱা হয়। ১৯৯৩ চনত তালিকাখনৰ পুনৰ সংশোধন কৰি তিনিটা দিশত পৰিৱর্তন কৰা হয়। যেনে—

১) তিনিটা মধ্য-কেন্দ্রীয় স্বৰধ্বনি (Mid-central vowel) নতুনকৈ সন্নিৱিষ্ট কৰা হয়। ১৯৩২ চনত সাধাৰণভাৱে অতিৰিক্ত (Additional) বুলি উল্লেখ কৰা ধ্বনিপ্রতীকটোক বিস্তীর্ণ-মধ্য-কেন্দ্রীয় বিবৃতৌষ্ঠ্য বুলি (Open-mid-central unrounded) বুলি নামকৰণ কৰা হয়।

২) চাৰিটা অঘোষ অন্তঃস্ফোট (Voiceless implosive) ধ্বনিপ্রতীক ɠ, ƭ, ƈ, ɗ এই চাৰিটা ধ্বনি তালিকাখনৰ পৰা বাদ দিয়া হয়।

৩) অবিভাজ্য আৰু সুৰ বুজোৱা প্রতীকবোৰৰ পৰিৱর্দ্ধন কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ ইতিহাস সম্পর্কে চমুটোকা লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....

২০০৫ চনৰ এপ্রিল মাহত তালিকাখনৰ পুনৰ সংশোধন কৰি দন্তৌষ্ঠ্য লুঠিত (Labiodental flap) ধ্বনিটোৰ বাবে নতুনকৈ এটা ধ্বনিপ্রতীক গ্রহণ কৰা হয়। শেহতীয়াভাৱে ২০১৫ চনত আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ তালিকা এখন প্রকাশ কৰা হয় যদিও ইয়াত আখৰ বা কূটচিহ্ন ২০০৫ চনৰ তালিকাখনৰ দৰেই ৰখা হৈছে, মাত্র ২০০৫ চনৰ তালিকাখনতকৈ ইয়াৰ আখৰ-সজ্জাৰহে কিছু পৰিৱর্তন কৰা হৈছে। তলত ২০১৫ চনত প্রকাশ পোৱা তালিকাখন দাঙি ধৰা হ'ল—

(পি.ডি.এফ ফৰমেটত থকা তালিকাখন দিব)

আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ তালিকা ঃ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ তালিকাখনত সাত প্রকাৰৰ প্রতীক বা চিহ্ন পেৱা যায়। যেনে-

ক) হাওঁফাওঁ ব্যৱহৃত ব্যঞ্জন (Consonant [pulmonic) ধ্বনিৰ তালিকা ঃ যিবোৰ ব্যঞ্জন ধ্বনি উচ্চাৰণ কৰোঁতে হাওঁফাওঁৰ পৰা বহির্গামী বায়ু-প্রৱাহ স্বৰতন্ত্রী অথবা মুখবিবৰৰ কোনো স্থানত বাধাপ্রাপ্ত হয়, তেনেবোৰ ধ্বনিকেই হাওঁফাওঁ ব্যৱহৃত ব্যঞ্জন ধ্বনি বোলে। আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ প্রধান তালিকাৰ সকলোবোৰ ধ্বনিয়েই হাঁওফাঁও ব্যৱহৃত ব্যঞ্জন। ইয়াৰ ভিতৰত বহিঃস্ফোট ধ্বনিসমূহক সামৰা হয়।

বহিঃস্ফোট (Explosive) ঃ বহিঃস্ফোট ধ্বনিবোৰৰ উচ্চাৰণত হাওঁফাওঁৰ পৰা বায়ুপ্ৰবাহ বাহিৰলৈ ওলাই আহে। এই তালিকাখনত বহিঃস্ফোট ব্যঞ্জন ধ্বনি প্ৰকাশ কৰিব পৰা চিহ্নসমূহ সন্নিৱিষ্ট কৰা হৈছে। ইয়াত সন্নিৱিষ্ট কৰা ধ্বনি প্ৰতীকসমূহ উচ্চাৰণৰ স্থান, যেনে- দ্বৌষ্ঠ্য (Bilabial), দন্তৌষ্ঠ্য (Labio-dental), দন্ত্য (Dental), দন্তমূলীয় (Alveolar), পশ্চদন্তমূলীয় (Post-alveolar), মূৰ্দ্ধন্য (Retroflex), তালব্য (Palatal), পশ্চতালব্য (Velar), আলজিহ্বীয় (Uvular), গলকোষীয় (Phryngeal) আৰু কণ্ঠ্য (Glottal)- এনেদৰে বিভাজন কৰি লোৱা হৈছে। সেইদৰে উচ্চাৰণৰ স্থান অনুসৰি- নিয়ত বা স্পৰ্শ (Plosive), নাসিক্য (Nasal), কম্পিত (Trill), লুঠিত বা তাড়িত (Tap or Flap), ঘৃষ্ট বা উষ্ম (Fricative), পাৰ্শ্বিকোষ্ম (Lateral Fricative) প্ৰৰাহ(Approximent) আৰু পাৰ্শ্বিক-প্ৰৰাহ (Lateral-Approximant) ধ্বনি ৰূপে বিভাজন কৰি দেখুওৱা হৈছে। এই তালিকাখনত মুঠতে ৬৯ টা ধ্বনি-চিহ্ন সন্নিৱিষ্ট কৰা আছে।

খ) আন এখন তালিকাত হাওঁফাওঁ অব্যৱহৃত ব্যঞ্জন (Non-Pulmonic Consonant) ধ্বনি-প্ৰতীকসমূহ দিয়া হৈছে। সাধাৰণতে হাওঁফাওঁ অব্যৱহৃত ব্যঞ্জণ ধ্বনি উচ্চাৰণ কৰোঁতে স্বৰতন্ত্ৰী দুখন বন্ধ কৰি মুখবিবৰৰ বায়ুত চাপ দিয়া হয় অথবা সেই বায়ু বিস্তাৰিত কৰি উচ্চাৰণ কৰা হয়। হাওঁফাওঁ অব্যৱহৃত ব্যঞ্জণ তিনি প্ৰকাৰৰ পোৱা যায়, যেনে— ক্লিক ধ্বনি (Click sound), সঘোষ অন্তঃস্ফোট ধ্বনি (Voiced imlosive sound) আৰু উৎক্ষিপ্ত ধ্বনি (Ejective sound)।

গ) স্বৰধ্বনিৰ তালিকা ঃ স্বৰধ্বনিসমূহক অক্ষৰ কেন্দ্ৰ হিচাপে পোৱা যায়। ব্যঞ্জন ধ্বনিতকৈ ইয়াৰ উচ্চাৰণত বাগিন্দ্ৰিয়ৰ উচ্চাৰণ স্থান আৰু উচ্চাৰণ কৰণৰ মাজৰ সংকীৰ্ণতা কম হয়। সেইবাবে ইয়াক উচ্চাৰণ স্থানৰ ওপৰত নিৰ্ভৰ কৰি বিশ্লেষণ কৰিবলৈ অসুবিধা হয়। স্বৰধ্বনিসমূহৰ উচ্চাৰণত হাওঁফাওঁৰ পৰা নিৰ্গমিত বায়ুপ্ৰবাহ বাধাপ্ৰাপ্ত নহৈ ই কলিতহে হয়।

এই তালিকাখনত স্বৰধ্বনি প্ৰতীকসমূহ সন্নিৱিষ্ট কৰা হৈছে। জিভাৰ অৱস্থান অনুসৰি ধ্বনি-প্ৰতীকসমূহত অগ্ৰ (Front), কেন্দ্ৰীয় (Central), আৰু পশ্চ (Back) এই তিনিটা ভাগত ভাগ কৰা হৈছে। ওঁঠৰ আকৃতি অনুসৰি প্ৰতিটো ভাগকে আকৌ দুটা ভাগত ভাগ কৰা হৈছে। তালিকাখনৰ প্ৰতিটো ভাগৰে বাওঁফালে থকা ধ্বনি-প্ৰতীকসমূহে বিবৃতৌষ্ঠ (Unrounded) আৰু সোঁফালে থকা ধ্বনি-প্ৰতীকসমূহে সংবৃতৌষ্ঠ (Rounded) ধ্বনিক বুজায়। সেইদৰে, জিভা আৰু তালুকাৰ দূৰত্ব অনুসৰি তালিকাখনৰ ধ্বনিসমূহক চাৰিটা ভাগত ভাগ কৰা হৈছে। যেনে- সংকীৰ্ণ (Close), মধ্য-সংকীৰ্ণ (Close-mid), মধ্য-বিস্তীৰ্ণ (Open-mid), আৰু বিস্তীৰ্ণ (Open)।

ঘ) অন্যান্য চিহ্ন (Other Symbol) ৰূপে অন্য এখন তালিকাত বাৰটা ধ্বনি-প্ৰতীক দিয়া হৈছে। এই প্ৰতীকসমূৰ ধ্বনিগুণসমূহ এনেদৰে দিয়া হৈছে—

- অঘোষ ঔষ্ঠ্য-পশ্চতালব্য উষ্ম (Voiceless labial-velar fricative)
- সঘোষ ঔষ্ঠ্য-পশ্চতালব্য প্ৰৰাহ (Voiced labial-velar approximant)

- সঘোষ ঔষ্ঠ্য-তালব্য প্ৰৰাহ (Voiced labial-palatal approximant)
- অঘোষ ভুৰাস্বৰতন্ত্ৰীয় উষ্ম (Voiceless epiglottal fricative)
- সঘোষ ভুৰাস্বৰতন্ত্ৰীয় উষ্ম (Voiced epiglattal fricative)
- ভুৰাস্বৰতন্ত্ৰীয় নিয়ত (Epiglottal plosive)
- দন্তমূলীয়-তালব্য উষ্ম (Alveolo palatal fricative)
- সঘোষ দন্তমূলীয় পাৰ্শ্বিক লুঠিত (Voiced alveolar lateral flap)
- সমান্তৰাল (Simultaneous)

ঘ) কুটচিহ্ন (Diacritic) কুটচিহ্নবোৰ হ'ল সৰু আখৰ সদৃশ চিহ্ন। এইবোৰ বিভিন্ন স্বৰ আৰু ব্যঞ্জন ধ্বনি প্ৰতীকৰ সৈতে ব্যৱহাৰ কৰি সেই স্বৰ বা ব্যঞ্জণৰ ধ্বনিগুণৰ পৰিৱৰ্তন দেখুওৱা হয়।

এই তালিকাখনত ৩১ টা কূটচিহ্ন সন্নিৱিষ্ট কৰা হৈছে। এই কূটচিহ্নবোৰে বিভিন্ন ভাষাৰ বৰ্ণ আৰু উপধ্বনিৰ নিৰ্দেশ কৰে। যেনে—

- অঘোষত্ব (Voiceless)
- ঘোষত্ব (Voiced)
- মহাপ্ৰাণ (Aspiration)
- অধিক সংবৃত (More rounded)
- কম সংবৃত (Less rounded)
- অগ্ৰৱৰ্তী (Advanced)
- সংকুচিত (Retraction)
- কেন্দ্ৰীভূত (Centralized)
- মধ্য কেন্দ্ৰীভূত (Mid-centralized)
- আক্ষৰিকত্ব (Syllabiciti)
- অনা-আক্ষৰিকত্ব (Non-syllabicity)
- পৰিৱৰ্তীত শ্বাসাঘাত (Rothicity)
- শ্বাসযুক্ততা (Breathy)
- কেৰকেৰণি (Creaky voice)
- জিহ্বৌষ্ঠ (Linguolabial)
- ঔষ্ঠিভূত (Labialized)
- তালব্যীভূত (Palatalized)
- পশ্চ-তালব্যীভূত (Velarized)
- গলকোষীভূত (Phryangealized)
- উত্থিত (Raised)
- নিম্নতা (Lowered)

- অগ্ৰৱর্তী জিহ্বামূল (Advanced tongue root)
- জিহ্বামূল সংকুচিত অৱস্থা (Retracted tongue root)
- দন্ত্য (Dantal)
- শীর্ষস্থ (Apical)
- স্তৰীত (Laminal)
- অনুনাসিকত্ব (Nasalized)
- অনুনাসিক মুক্ত (Nasal released)
- পার্শ্বিক মুক্ত (Lateral released)
- নাদবিহীন মুক্ত (No audiable release)

ঙ) এই তালিকাখনত সুৰ বুজোৱা কূটচিহ্নসমূহ সন্নিৱিষ্ট কৰা হৈছে। যেনে—

অতি উচ্চ (Extra high)
উচ্চ (High)
মধ্য (Mid)
নিম্ন (Low)
অতি নিম্ন (Extra low)
নিম্নগামিতা (Downstep)
উর্দ্ধগামীতা (Upstep)
উদাত্ত (Rising)
অনুদাত্ত (Falling)
উচ্চ-উদাত্ত (High rising)
নিম্ন উদাত্ত (Low rising)
উদাত্ত-অনুদাত্ত (Rising-falling)
ব্যাপক উদাত্ত (Global rise)
ব্যাপক অনুদাত্ত (Global fall)

চ) এই তালিকাখনত অবিভাজ্য ধ্বনি-প্রতীকসমূহ সন্নিৱিষ্ট কৰা হৈছে। যেনে—

- গুৰু শ্বাসাঘাত (Primary stress)
- লঘু শ্বাসাঘাত (Secondary stress)
- দীর্ঘত্ব (Long)
- অর্দ্ধ-দীর্ঘত্ব (Half long)
- অতি হ্ৰস্বতা (Extra short)
- লঘু (পদ) বিৰতি (Minor foot break)
- গুৰু সুৰ-লহৰ বিৰতি (Major intonation break)
- অক্ষৰ বিৰতি (Syllable Break)
- সংযোগ (Linking)

(ওপৰত উল্লেখ কৰা ধ্বনিগুণসমূহৰ প্ৰতিনিধিত্ব কৰা ধ্বনিচিহ্নসমূহ শিক্ষার্থীয়ে তালিকাখনত চাই ল'ব)


১২.৪ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ প্ৰয়োজনীয়তা

সমগ্ৰ বিশ্বতে বৰ্তমানে প্ৰায় সাত হাজাৰমান ভাষা প্ৰচলিত হৈ আছে। ইয়াৰে বহু ভাষাৰ নিজস্ব লিখিত ৰূপ নাই, অৰ্থাৎ এই ভাষাবোৰৰ নিজস্ব লিপি নাই। তাৰ ভিতৰৰ বহু ভাষাত অন্য লিপি গ্ৰহণ কৰি লোৱা হৈছে আৰু বহুতো ভাষা এতিয়াও কথিত ৰূপতে বৰ্তি আছে। যিসমূহ ভাষাৰ নিজস্ব লিপি আছে, বা অন্য লিপি গ্ৰহণ কৰি সেই ভাষাসমূহক লিখিত ৰূপ দিয়া হৈছে, সেই ভাষাসমূহৰ ধ্বনিগত বিশেষ বিশেষ বৈশিষ্ট্য আখৰৰ দ্বাৰা সম্পূৰ্ণৰূপে প্ৰকাশ কৰিব পৰা নহয়। প্ৰতিটো ভাষাত লিখা লিপিসমূহৰ ক্ষেত্ৰতো এটা কথা প্ৰায়েই দেখা যায় যে, যিসমূহ আখৰৰ দ্বাৰা সেই ভাষাটো লিখা হয় সেই আখৰবোৰেও বহু ক্ষেত্ৰত প্ৰকৃততে সকলোবোৰ ধ্বনিৰ প্ৰতিনিধিত্ব নকৰিবও পাৰে। উদাহৰণ স্বৰূপে অসমীয়া ভাষাটোকেই ল'ব পাৰি। অসমীয়া ভাষাত এঘাৰটা স্বৰ-আখৰৰ বিপৰীতে মাত্ৰ আঠটা বৰ্ণহে প্ৰয়োগ হোৱা দেখিবলৈ পাওঁ। ইয়াৰ উপৰিও এই আঠটা বৰ্ণৰ ভিতৰত দুটা বৰ্ণ (এ' আৰু এ) প্ৰকাশ কৰাৰ বাবে আখৰেই নাই। এনে ধৰণৰ সমস্যা ইৰাজীকে ধৰি পৃথিৱীৰ বহু উন্নত ভাষাৰ ক্ষেত্ৰতো দেখা যায়। ইয়াৰ ফলত কেৱল পৰম্পৰাগত আখৰৰ ওপৰত ভিত্তি কৰি ভাষাৰ উচ্চাৰণৰ বিচাৰ কৰা কঠিন হৈ পৰে। গতিকে ভাষাসমূহত প্ৰয়োগ হোৱা প্ৰত্যেকটো ধ্বনিৰ উচ্চাৰণ লিপিবদ্ধ কৰিব পৰা এই লিপিৰ সহায়ত পৃথিৱীৰ সকলো ভাষাকে তাৰ উচ্চাৰণৰ আধাৰত শুদ্ধভাৱে লিপিবদ্ধ কৰিব পৰা ব্যৱস্থাই ভাষা একোটাৰ শুদ্ধ উচ্চাৰণ বিচাৰ কৰাত যথেষ্ট সহায়ক হৈ উঠে। সামগ্ৰিকভাৱে বিচাৰ কৰিলে আমি আন্তঃৰাষ্ট্ৰীয় ধ্বনি লিপিৰ প্ৰয়োজনীয়তা এনে ধৰণে দাঙি ধৰিব পৰা যায়।

- আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ সহায়ত ভাষা একোটাৰ প্ৰকৃত উচ্চাৰণ লিপিবদ্ধ কৰিব পৰা যায়।
- আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিয়ে ভাষা শিকণ আৰু শিক্ষনত বিশেষভাৱে সহায় কৰে
- এই লিপিয়ে অন্য ভাষাৰ ধ্বনিতাত্ত্বিক অধ্যয়নত গৱেষকক ধ্বনি নিৰ্ণয় আৰু তাৰ প্ৰয়োগত সহায় কৰে।
- আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ সহায়ত ভাষা একোটাৰ ধ্বনি প্ৰয়োগৰ বিভিন্নতা আৰু উপধ্বনিৰ প্ৰয়োগবৈশিষ্ট্য নিৰ্ণয় কৰিব পৰা যায়।

ভাষাৰ যিকোনো ক্ষেত্ৰৰে অধ্যয়ন আৰু গৱেষণাত আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ প্ৰাসংগিকতা আৰু প্ৰয়োজনীয়তাৰ বিষয়ে বিশ্বৰ আগশাৰীৰ ভাষাবিজ্ঞানী আৰু ভাষাবিজ্ঞানৰ ব্যৱহাৰিক জগতখনত কৰ্মৰত সকলোৱে একেমুখে স্বীকাৰ কৰি আহিছে। এই লিপিৰ অধ্যয়ন আৰু প্ৰায়োগিক ক্ষেত্ৰখনৰ বিষয়ে জ্ঞান লাভ কৰি অসমৰ বিভিন্ন ভাষা-উপভাষাৰ বিজ্ঞানসন্মত অধ্যয়নক আগবঢ়াই নিয়াৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু ভাষা গৱেষকসকলৰ আগ্ৰহ বৃদ্ধিৰ অতি আৱশ্যক, কাৰণ অসমৰ

বিভিন্ন ভাষা-উপভাষাৰ অধ্যয়ন আজিও বহু পিছপৰি থকাটো সত্য। ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰী তথা গৱেষকসকলে এই লিপিৰ ব্যৱহাৰিক মূল্য বুজাটো অতি আৱশ্যক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ প্ৰয়োজনীয়তা কি?

(৭৫টা শব্দৰ ভিতৰত)

.....

১২.৫ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ সহায়ত লিপ্যন্তৰকৰণ

ধ্বনিবৈজ্ঞানিক (Phonetic) লিপ্যন্তৰকৰণ হ'ল ভাষা একোটাৰ উচ্চাৰণৰ ওপৰত নির্ভৰ কৰি লিপিবদ্ধ কৰা প্ৰক্ৰিয়া। বহু ক্ষেত্ৰত বিভিন্ন ভাষাবিজ্ঞানী তথা ভাষা অধ্যয়নকাৰীয়ে নিজাকৈ প্ৰস্তুত কৰি উলিওৱা ভিন্ ভিন্ পদ্ধতিৰে ধ্বনিবৈজ্ঞানিক লিপ্যন্তৰ কৰা দেখা যায়। এনে ধৰণে কৰা লিপ্যন্তৰকৰণে অধ্যয়নকাৰীক যথেষ্ট অসুবিধাত পেলায়। কাৰণ ভিন্ ভিন্ গৱেষকে প্ৰকাশ কৰা বিভিন্ন চিহ্ন আৰু কুটচিহ্নসমূহৰ পৰা প্ৰকৃত উচ্চাৰণ বিচাৰি উলিয়াবলৈ হ'লে প্ৰতিটো চিহ্নৰে ধ্বনিগুণ বেলেগে বেলেগে অধ্যয়ন কৰা প্ৰয়োজন হৈ পৰে। যাৰ ফলত অধ্যয়নকাৰীয়ে বহু ক্ষেত্ৰত প্ৰকৃত উচ্চাৰণ বিচাৰি উলিওৱা কঠিন হৈ পৰে। এনে ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ ব্যৱহাৰে এক সার্বজনীন আৰু তুলনামূলকভাৱে সহজসাধ্য ৰূপ এটা প্ৰকাশ কৰাত সহায় কৰে।

ধ্বনিলিপিৰ চিহ্ন আৰু কুটচিহ্নসমূহে একো একোটা বিশেষ ধ্বনিৰ লিখিত ৰূপক প্ৰতিনিধিত্বি কৰে। প্ৰকৃতাৰ্থত ভাষাত প্ৰয়োগ হোৱা প্ৰতিটো ধ্বনিৰ ধ্বনিগুণ প্ৰকাশ কৰিব নোৱাৰিলে ভাষাৰ শুদ্ধ উচ্চাৰণ বুজি পোৱাটো সম্ভৱ নহয়। ইয়াৰ উপৰিও, সেই ধ্বনিসমূহৰ প্ৰকৃত ধ্বনিগুণ লিখিত ৰূপত প্ৰকাশ কৰিব নোৱাৰিলে তাৰ অধ্যয়নো সম্পূৰ্ণ হয় বুলিব নোৱাৰি। এনেদৰে লিপিবদ্ধ কৰা প্ৰক্ৰিয়া প্ৰধানকৈ দুটা দিশত প্ৰতিফলিত হয়। যেনে—

ক) বহল লিপ্যন্তৰকৰণ (Broad transcription)ঃ এই প্ৰকাৰৰ লিপ্যন্তৰকৰণত ভাষিক তথ্যৰ ধ্বনিতাত্ত্বিক বিভাজন (Phonetic segmentation of linguistic data) কৰা হয়। অৰ্থাৎ এই প্ৰকাৰৰ লিপ্যন্তৰকৰণত বিশিষ্ট ধ্বনিগুণসমূহৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হয়। ইয়াত ধ্বনিচিহ্নসমূহ উচ্চাৰিত ধ্বনিৰ আধাৰত প্ৰথমতে নির্দিষ্ট কৰি লোৱা হয় আৰু একোটা ধ্বনিৰ বাবে যিকোনো পৰিৱেশতে এটাই ধ্বনি-চিহ্ন প্ৰয়োগ কৰা হয়। উদাহৰণ স্বৰূপে অসমীয়া ভাষাৰ পৰা লোৱা তলৰ শব্দবোৰৰ লিপ্যন্তৰকৰণ কৰি দেখুৱাব পাৰি—

ৰঙা	ɾ ɔ̯ŋ a	ৰ্ = ɾ, অ = ɔ̯, ঙ = ŋ আ = a
হ'ল	ɦɔl	হ্ = ɦ অ' = ɔ ল্ = l

ওপৰৰ উদাহৰণকেইটা বিশ্লেষণ কৰি চালে দেখা যায় যে, একো একোটা ধ্বনিৰ বাবে একোটা চিহ্ন নির্দিষ্ট কৰা হৈছে আৰু সকলো পৰিৱেশতে সেই ধ্বনিসমূহ একে ধৰণে প্ৰয়োগ

কৰা হয়। অর্থাৎ একোটা ধ্বনিক ইয়াত বর্ণ ৰূপে লৈ লিপ্যন্তৰ কৰা হয়। এই প্ৰকাৰৰ লিপ্যন্তৰত বিভিন্ন পৰিৱেশত ধ্বনিৰ পৰিৱর্তনৰ দিশবোৰৰ ওপৰত বিশেষ গুৰুত্ব দিয়া নহয়।

খ) সুক্ষ্ম লিপ্যন্তৰকৰণ (Narrow Transcription) বা বিভাজিত তথ্যৰ বর্ণবৈজ্ঞানিক বিশ্লেষণ আৰু তাৰ প্ৰকাশ (Phonemicization or phonological treatment) ঃ একোটা ধ্বনিৰ বিভিন্ন পৰিৱেশত হোৱা উচ্চাৰণগত ভিন্নতা প্ৰকাশ কৰি লিপ্যন্তৰ কৰা কার্যকে সুক্ষ্ম লিপ্যন্তৰকৰণ বোলা হয়। আমি জানো যে বর্ণ উচ্চাৰণ কৰিব নোৱাৰি। একোটা বর্ণৰ বিভিন্ন ৰূপ বিভিন্ন পৰিৱেশত বেলেগ বেলেগ ধৰণে উচ্চাৰণ হয়। সেই উচ্চাৰণগত বিভিন্নতা প্ৰকাশ কৰি বিভিন্ন কুটচিহ্নৰ সহায়ত বাক্য বা শব্দত প্ৰয়োগ হোৱা ধ্বনিসমূহৰ প্ৰকৃত উচ্চাৰণ সুক্ষ্ম লিপ্যন্তৰকৰণৰ দ্বাৰা প্ৰকাশ কৰা হয়। তলত সুক্ষ্ম লিপ্যন্তৰকৰণৰ কেইটামান উদাহৰণ দাঙি ধৰা হ'ল—

১) কাক 'kakˀ' ক্ = k আ = a, ক্ = kˀ

২) কিল 'kʲ i l' ক্ = kʲ, হ = i, ল = l

৩) বেলি 'beli' ব্ = b, এ' = e, ল = l ই = i

৪) বেলা 'bɛla' ব্ = b, এ = ɛ, ল = l আ = a

ওপৰৰ উদাহৰণকেইটা এনে ধৰণে ব্যখ্যা কৰিব পাৰি-

১ নং উদাহৰণটোত দুটা 'ক' ধ্বনি পোৱা গৈছে। কিন্তু দুয়োটা 'ক' ধ্বনিৰেই ধ্বনিগুণ বেলেগ বেলেগ। শব্দটোৰ আৰম্ভনিতে পোৱা 'ক' ধ্বনিটো মুক্ত 'ক' ধ্বনিৰূপে উচ্চাৰণ হোৱাৰ বাবে ইয়াৰ বাবে নির্দিষ্ট কৰা আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ চিহ্ন হিচাপে 'k' ধ্বনিপ্ৰতীকটো ব্যৱহাৰ কৰা হৈছে। কিন্তু শেষত পোৱা 'ক' ধ্বনিটোৰ উচ্চাৰণ বৈশিষ্ট্য হৈছে নাদ বিহীন মুক্ত 'ক'। গতিকে এই ধ্বনিগুণটো প্ৰকাশৰ বাবে আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিত 'ˀ' চিহ্নটো 'k' চিহ্নটোৰ সোঁফালে ওপৰত দিয়াৰ নিয়ম আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিত নির্দেশ কৰা আছে। অর্থাৎ, নাদ বিহীন মুক্ত ধ্বনিৰ বাবে এই চিহ্নটো প্ৰয়োগ কৰা হয়।

২ নং উদাহৰণটোৰ আদি অৱস্থানত প্ৰয়োগ হোৱা 'ক' ধ্বনিটো বিশুদ্ধ পশ্চতালব্য ধ্বনি নহয়। ইয়াৰ উচ্চাৰণ তালব্যীভূত হৈছে। অর্থাৎ এই ধ্বনিৰ উচ্চাৰণত জিহ্বামূল কোমল তালুত স্পর্শ নকৰি কঠিন তালুতহে স্পর্শ কৰিছে। ইয়াৰ কাৰণ হ'ল, 'ক' ধ্বনিটোৰ পাছতেই সন্মুখ (Front), উচ্চ স্বৰধ্বনি 'ই' প্ৰয়োগ আছে। এই 'ই' ধ্বনিটোৰ প্ৰভাৱতে 'ক' ধ্বনিটো তালব্যীভূত হৈছে। এই ধ্বনিগুণৰ বাবে সৰু আকৃতিৰ 'j' আখৰটো 'k' প্ৰতীকটোৰ সোঁফালে ওপৰলৈ দিয়াৰ নিয়ম আছে।

৩ নং শব্দটোত 'এ' ধ্বনিটোৰ পাছত সন্মুখ, উচ্চ স্বৰধ্বনি 'ই' ৰ উচ্চাৰণ হোৱাৰ বাবে উচ্চ-মধ্য () 'এ'ৰ উচ্চাৰণ হৈছে, কিন্তু ৪ নং শব্দটোত 'এ' ধ্বনিটোৰ পাছত নিম্ন কেন্দ্রীয় স্বৰধ্বনি 'আ' থকাৰ বাবে 'এ' ধ্বনিটো কিছু নিম্ন ৰূপত 'এ' ধ্বনিৰূপে উচ্চাৰণ হৈছে । ওপৰৰ শব্দকেইটাত থকা 'k, kˀ,kʲ e,ɛ' আদিবোৰ একো একোটা উপধ্বনি। এনে ধৰণে লিপ্যন্তৰ কৰা কার্যক সুক্ষ্ম লিপ্যন্তৰকৰণ বোলা হয়।

আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ সহায়ত কৰা লিপ্যন্তৰকৰণ কার্য উদ্দেশ্যৰ ভিন্নতা অনুসৰি বিভিন্ন ধৰণে কৰা হয়। উদাহৰণ স্বৰূপে বর্ণনাত্মক ভাষাবিজ্ঞানৰ লিপ্যন্তৰ কৰণ, প্রাথমিক ভাষা শিক্ষাৰ বাবে কৰা লিপ্যন্তৰকৰণ, অভিধানৰ বাবে কৰা লিপ্যন্তৰকৰণ, বাক্ আৰু ভাষা-চিকিৎসাৰ বাবে কৰ লিপ্যন্তৰকৰণ, কম্পিউটাৰত সহায়ত ভাষাৰ চিনাক্তকৰণ প্রক্রিয়াৰ বাবে কৰা লিপ্যন্তৰকৰণ, ভাষা প্রযুক্তিৰ বিভিন্ন ক্ষেত্রৰ বাবে কৰা লিপ্যন্তৰকৰণ আদি দিশলৈ আঙুলিয়াব পাৰি।

তালিকা নং-১

THE INTERNATIONAL PHONETIC ALPHABET (revised to 2015)

© 2015 IPA

CONSONANTS (PULMONIC)


	Bilabial	Labiodental	Dental	Alveolar	Postalveolar	Retroflex	Palatal	Velar	Uvular	Pharyngeal	Glottal
Plosive	p b			t d		ʈ ɖ	c ɟ	k g	q ɢ		ʔ
Nasal	m	ɱ		n		ɳ	ɲ	ŋ	ɴ		
Trill	ʙ			r					ʀ		
Tap or Flap		ⱱ		ɾ		ɽ					
Fricative	ɸ β	f v	θ ð	s z	ʃ ʒ	ʂ ʐ	ç ʝ	x ɣ	χ ʁ	ħ ʕ	h ɦ
Lateral fricative				ɬ ɮ							
Approximant		ʋ		ɹ		ɻ	j	ɰ			
Lateral approximant				l		ɭ	ʎ	ʟ			

Symbols to the right in a cell are voiced, to the left are voiceless. Shaded areas denote articulations judged impossible.

CONSONANTS (NON-PULMONIC)

Clicks	Voiced implosives	Ejectives
ʘ Bilabial	ɓ Bilabial	' Examples:
ǀ Dental	ɗ Dental/alveolar	pʼ Bilabial
ǃ (Post)alveolar	ʄ Palatal	tʼ Dental/alveolar
ǂ Palatoalveolar	ɠ Velar	kʼ Velar
ǁ Alveolar lateral	ʛ Uvular	sʼ Alveolar fricative

VOWELS



Where symbols appear in pairs, the one to the right represents a rounded vowel.

OTHER SYMBOLS

ʍ Voiceless labial-velar fricative
W Voiced labial-velar approximant
ɥ Voiced labial-palatal approximant
H Voiceless epiglottal fricative
ʢ Voiced epiglottal fricative
ʡ Epiglottal plosive

ɕ ʑ Alveolo-palatal fricatives
ɺ Voiced alveolar lateral flap
ʃʝ Simultaneous ʃ and x

Affricates and double articulations can be represented by two symbols joined by a tie bar if necessary.

t͡s k͡p

SUPRASEGMENTALS

ˈ Primary stress ˌfoʊnəˈtɪʃən
ˌ Secondary stress
ː Long eː
ˑ Half-long eˑ
˘ Extra-short ĕ
| Minor (foot) group
‖ Major (intonation) group
. Syllable break ɹi.ækt
‿ Linking (absence of a break)

TONES AND WORD ACCENTS

LEVEL		CONTOUR	
é or ˥	Extra high	ě or ˩˥	Rising
é ˦	High	ê ˥˩	Falling
ē ˧	Mid	ě ˨˩˦	High rising
è ˨	Low	ẽ ˩˧	Low rising
ȅ ˩	Extra low	ȇ ˥˧˩	Rising-falling
↓	Downstep	↗	Global rise
↑	Upstep	↘	Global fall

DIACRITICS Some diacritics may be placed above a symbol with a descender, e.g. n̊ŋ̊

̥ Voiceless	n̥ d̥	̤ Breathy voiced	b̤ a̤	̪ Dental	t̪ d̪
̬ Voiced	s̬ t̬	̰ Creaky voiced	b̰ a̰	̺ Apical	t̺ d̺
ʰ Aspirated	tʰ dʰ	̼ Linguolabial	t̼ d̼	̻ Laminal	t̻ d̻
̹ More rounded	ɔ̹	ʷ Labialized	tʷ dʷ	̃ Nasalized	ẽ
̜ Less rounded	ɔ̜	ʲ Palatalized	tʲ dʲ	ⁿ Nasal release	dⁿ
̟ Advanced	u̟	ˠ Velarized	tˠ dˠ	ˡ Lateral release	dˡ
̠ Retracted	e̠	ˤ Pharyngealized	tˤ dˤ	̚ No audible release	d̚
̈ Centralized	ë	~ Velarized or pharyngealized	ɫ		
̽ Mid-centralized	e̽	̝ Raised	e̝ (ɹ̝ = voiced alveolar fricative)		
̩ Syllabic	n̩	̞ Lowered	e̞ (β̞ = voiced bilabial approximant)		
̯ Non-syllabic	e̯	̘ Advanced Tongue Root	e̘		
˞ Rhoticity	ə˞ a˞	̙ Retracted Tongue Root	e̙		



জানি থোৱা ভাল

আন্তঃৰাষ্ট্ৰীয় ধ্বনি লিপি ইয়াৰ প্ৰয়োগ সম্পৰ্কে যথেষ্ট কথা শিকিবলগীয়া আছে। কাৰণ আন্তঃৰাষ্ট্ৰীয় ধ্বনি লিপিৰ সৈতে ধ্বনিতত্ত্ব আৰু ধ্বনিবিজ্ঞানৰ বিভিন্ন দিশ ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ আধাৰেই হৈছে উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান। ইয়াৰ অন্তৰ্গত বিষয় হিচাপে উচ্চাৰণৰ স্থান, উচ্চাৰণৰ ধৰণ, ধ্বনি, বৰ্ণ, উপধ্বনি, ধ্বনি উচ্চাৰণৰ পৰিৱেশ, বিভাজ্য ধ্বনি, অবিভাজ্য ধ্বনি আদি বিষয়বোৰৰ সম্যক জ্ঞান থকা প্ৰয়োজন। উচ্চাৰণাত্মক ধ্বনিবিজ্ঞানৰ বিষয়ে জানিবলৈ হ'লে বিখ্যাত ধ্বনিবিজ্ঞানী কেনেথ লী পাইকৰ ধ্বনিবিজ্ঞান সম্পৰ্কীয় গ্ৰন্থসমূহ খৰচিমাৰি অধ্যয়ন কৰা প্ৰয়োজন। ইয়াৰ উপৰিও আন্তঃৰাষ্ট্ৰীয় ধ্বনি সংস্থাই প্ৰকাশ কৰা 'Handbook of International Phonetic Association' গ্ৰন্থখনত এই বিষয়ে সবিস্তাৰে আলোচনা কৰা আছে।



১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- এই অধ্যায়টিৰ অধ্যয়নে আমাক আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ বিষয়ে সম্যক ধাৰণা প্ৰদান কৰিলে।
- আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ ক্ৰমবিকাশৰ ইতিহাসৰ বিষয়ে স্পষ্ট ধাৰণা লাভ কৰিলোঁ।
- এই বিশেষ ধ্বনিলিপিৰ অন্তৰ্গত প্ৰতীক বা চিহ্নসমূহৰ অৰ্থৰ ব্যাখ্যা পঢ়িবলৈ পালোঁ।
- এই বিশেষ ধ্বনিলিপিৰ তালিকাত সন্নিবিষ্ট হোৱা কুটচিহ্নসমূহৰ তাৎপৰ্য কি তাৰ স্পষ্ট ধাৰণা লাভ কৰিলোঁ।
- আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ সহায়ত কি দৰে লিপ্যন্তৰকৰণ কৰিব পাৰি তাৰ পদ্ধতিগত বিশ্লেষণ পঢ়িবলৈ পালোঁ।



১২.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, গোলোকচন্দ্ৰ ঃ (১৯৯২) *ধ্বনি-বিজ্ঞানৰ ভূমিকা*, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী
ঐঃ (১৯৯৬) *অসমীয়া বৰ্ণ প্ৰকাশ*, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী

ঐ ঃ (২০০২) *অসমীয়া ভাষাৰ উচ্চাৰণ*, গুৱাহাটী ঃ বীণা লাইব্ৰেৰী

২) মৰল, দীপংকৰ ঃ (২০০৭) *ব্যৱহাৰিক ধ্বনিবিজ্ঞান*, গুৱাহাটী ঃ বনলতা

৩) শৰ্মা, ভাস্কৰজ্যোতি ঃ (২০১০) আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি আৰু অসমীয়া বৰ্ণলিপিৰ ভূমিকা, গুৱাহাটী ঃ স্বস্তিকা

ইংৰাজী গ্ৰন্থ ঃ

1) Ashloy, Mond Maidment, J. : (2007) *Introducing Phonetic Science*, Cambridge University Press, UK

2) G. Allen, M.J. Ball : *International Phonetic Alphabet,* Hill, Kenneth C.; Pullum, Geoffrey K.; Ladusae, William (March 1988). ‘‘Review of Phonetic symbol guide by G. K. Pullum & W. Ladusaw’’. Language 64 (1) : 143-144.doi : 10.2307/414792.

3) Gleason, H. A : (1995) *An Introduction to Descriptive Linguistics*, Oxford & IBH Publishing PVT. Ltd. New Delhi.

4) International : (1999) *Handbook of The International* Phonetic Association *Phonetic Association : A guide to the uge of the International Phonetic Alphabet.* Cambridge : Cambdrige University Press.

5) Ladefoged, Peter; (1996) *The Sounds of the World’s Languages*. Oxford : Blackwell.

6) Ian Maddieson:

7) MackMahon, (1996) *Phonetic Notation*. In P. T. Daniels and W. Bright (eds.).

8) Michael K. C. : *The World’s Writing Systems*, New York

9) Pike, K. L. : (1969) *Phonetics,* University of Misigan Press.

১২১.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি মানে কি তাৰ চমু উল্লেখ..... এই ধ্বনিলিপিৰ প্ৰয়োজনীয়তা কি তাৰ বিষয়ে থকা উল্লেখযোগ্য দিশকেইটা উল্লেখ কৰিব লাগিব।

২ নং প্ৰশ্নৰ উত্তৰ ঃ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি মানে কি.....আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ চমু ইতিহাস লিখিব।



১২.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি বুলিলে কি বুজে? কি কাৰণে আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ আৱশ্যকতা অনুভৱ কৰা হৈছিল? তাৰ ফলশ্ৰুতি কি?

প্ৰশ্ন নং ২ ঃ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশৰ লগত জড়িত গুৰুত্বপূৰ্ণ দিশসমূহ আলোচনা কৰক।

প্ৰশ্ন নং ৩ ঃ চিত্ৰসহ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিখনৰ বিৱৰণ আগবঢ়াওক।

প্ৰশ্ন নং ৪ ঃ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ প্ৰয়োজনীয়তাক কথা বিস্তৃতভাৱে লিখক।

প্ৰশ্ন নং ৫ ঃ আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপিৰ সহায়ত কি দৰে লিপ্যন্তৰকৰণ কৰা হয়? আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ অসমীয়া আখৰ-জোঁটনি

অধ্যায় গাঁথনি

13.1 উদ্দেশ্য
13.2 পৰিচয়
13.3 অসমীয়া আখৰ-জোঁটনি ঃ এক সাধাৰণ পৰিচয়
13.4 অসমীয়া আখৰ-জোঁটনিৰ ক্ৰমবিকাশ
13.5 অসমীয়া আখৰ-জোঁটনিৰ সমস্যা
13.5.1 আখৰ-জোঁটনিৰ সমস্যা আৰু সমাধানৰ উপায়
13.5.2 বিদেশী শব্দৰ লিপ্যন্তৰকৰণ
13.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
13.7 অধিক জানিবলৈ
13.8 অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
13.9 আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া আখৰ-জোঁটনি সম্পৰ্কে এক সম্যক ধাৰণা লাভ কৰিব পাৰিব
- ইয়াৰ জৰিয়তে অসমীয়া আখৰ-জোঁটনিৰ ক্ৰম বিকাশৰ ইতিহাস সম্পৰ্কে অৱগত হ'ব পাৰিব
- অসমীয়া আখৰ-জোঁটনিৰ সমস্যাসমূহৰ বিষয়ে জানিব পাৰিব আৰু সেইবোৰৰ সমাধান সম্পৰ্কে নিজৰ মত ব্যক্ত কৰিবলৈ সমৰ্থ হ'ব
- অসমীয়া আখৰ-জোঁটনিৰ অন্তৰ্গত বিদেশী শব্দৰ লিপ্যন্তৰকৰণ সম্বন্ধে সঠিক ধাৰণা লাভ কৰিব পাৰিব আৰু লিখন-ৰীতিত তাক প্ৰয়োগ কৰিব পাৰিব।

১৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া প্ৰথম যাণ্মাসিকৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা তৃতীয় ঐচ্ছিক পাঠ্য বিষয় "ধ্বনিবিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব"ৰ অন্তৰ্গত এইটো হ'ল ত্ৰয়োদশ অধ্যায়। এই অধ্যায়টোৰ শিৰোনাম হৈছে "অসমীয়া আখৰ-জোঁটনি"। অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ এক সুদীৰ্ঘ পৰম্পৰা আছে। তদুপৰি, আৰম্ভণিৰে পৰা ইয়াৰ কেতবোৰ সমস্যাও আছে। এই অধ্যায়টোত অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ পৰিচয়, তাৰ ক্ৰম বিকাশৰ ইতিহাস, আখৰ-জোঁটনিত দেখা দিয়া বিভিন্ন সমস্যা, সেই সমস্যাৰ দূৰীকৰণৰ উপায়, বিদেশী শব্দৰ

লিপ্যন্তৰকৰণ আৰু সেই বিষয়ৰ জটিলতা আদি অসমীয়া আখৰ-জোঁটনিৰ বিভিন্ন দিশৰ আলোচনা দাঙি ধৰা হৈছে। ইয়াত সন্নিবিষ্ট বিষয়সমূহৰ আলোচনাই ভাষা শাখাৰ শিক্ষার্থীক অসমীয়া আখৰ-জোঁটনি সম্পর্কে সম্যক ধাৰণা দিব পাৰিব। আহকচোন আমি বিষয়টো ভালদৰে অৱগত হৈ লওঁ।

১৩.৩ অসমীয়া আখৰ-জোঁটনি ঃ এক সাধাৰণ পৰিচয়

ভাষাৰ একোটাৰ লিখিত ৰূপৰ লগত জড়িত এটা বিশেষ বিষয় হ'ল আখৰ-জোঁটনি বা বানান। এই বিষয়টোৰ মূল ভিত্তি হ'ল ধ্বনিগোট বা বর্ণ। অর্থাৎ ভাষা লিখিব আৰু পঢ়িবৰ বাবে শব্দত যি আখৰ বা বর্ণ বা আখৰ ব্যৱহাৰ কৰা হয়, সেই বর্ণ বা আখৰৰ সংযোগকে আখৰ-জোঁটনি বা বণ-বিন্যাস বা বানান বোলা হয়। ই মূলতঃ লিখিত ভাষাৰ সৈতে জড়িত। কথিত ভাষা মানুহৰ মুখে মুখে প্রচলিত হয় বাবে তাত বানান-প্রকৰণ বা আখৰ-জোঁটনিৰ আৱশ্যকতা নাথাকে।

সাধাৰণভাৱে ভাষা একোটাক দুটা ৰূপত পোৱা যায়। এটা হ'ল কথিত ভাষা য'ত মুখেৰে উচ্চাৰিত ধ্বনিবোৰ ব্যৱহাৰ কৰা হয়; আনটো হ'ল লিখিত ভাষা য'ত কথিত ৰূপত ব্যৱহৃত ধ্বনিকেই দৃশ্যমান বা চাক্ষুষ প্রতীকেৰে প্রকাশ কৰা হয়। চাক্ষুষ ধ্বনিগোট বা বর্ণ অবিহনে ভাষাৰ লিখিত ৰূপ সম্ভৱ নহয়। সেয়ে বর্ণ-বিন্যাস বা আখৰ-জোঁটনিৰ মূল বস্তু হ'ল ধ্বনিগোট বা বর্ণ বা আখৰ। গতিকে আখৰ-জোঁটনিত ব্যৱহৃত আখৰ আৰু বর্ণ অভিন্ন হোৱা প্রয়োজন। অর্থাৎ বর্ণই আখৰ আৰু আখৰেই বর্ণ হোৱা উচিত। যি ভাষাৰ আখৰ-জোঁটনিত আখৰ আৰু বর্ণ অভিন্ন ৰূপত পোৱা যায় তেনে ভাষাৰ আখৰ-জোঁটনিকে সর্বোৎকৃষ্ট তথা বিজ্ঞানসন্মত আখৰ-জোঁটনি বুলি কোৱা হয়। পৃথিৱীৰ ভাষাবোৰৰ ভিতৰত একমাত্র সংস্কৃত ভাষাতহে এনে বিজ্ঞানসন্মত আখৰ-জোঁটনিৰ প্রয়োগ দেখা যায়। কাৰণ সংস্কৃত ভাষাত বর্ণ যিমান, আখৰো সিমান। সেয়ে সংস্কৃত ভাষাৰ লিখনত বানানৰ খেলি-মেলি দেখা নাযায়। কিন্তু বর্ণ বা আখৰৰ মাজৰ সম্পর্ক অভিন্ন নহ'লে আখৰ-জোঁটনিত আউল লগাৰ সম্ভাৱনা থাকে, যিটো অসমীয়া ভাষাৰ ক্ষেত্রত দেখিবলৈ পোৱা যায়।

ভাষা পৰিৱর্তনশীল। ঐতিহাসিক বিৱর্তনৰ ফলত ভাষা একোটা বিকাশৰ পথত অগ্রসৰ হয়। মৌখিক ৰূপত প্রচলিত ভাষাত দেখা দিয়া ধ্বনিৰ পৰিৱর্তনৰ হেতু এটা নির্দিষ্ট সময়ত সেই ভাষাৰ লিখন কার্যত ব্যৱহাৰ হোৱা বানান-ৰীতি আন এটা সময়ত অনুপযোগী হৈ পৰিব পাৰে। তেনে ক্ষেত্রত ভাষাটোক যুগোপযোগী কৰি তুলিবৰ বাবে আখৰ-জোঁটনি বা বানান-পদ্ধতিৰ সংস্কাৰ তথা সংশোধন কৰাৰ আৱশ্যকতাই দেখা দিয়ে।

অসমীয়া ভাষাত উচ্চাৰিত ধ্বনি আৰু সেই ধ্বনিবোৰক প্রতিনিধিত্ব কৰা আখৰৰ মাজত বিস্তৰ প্রভেদ আছে। সেইবাবেই অসমীয়া আখৰ-জোঁটনিত কিছু বেমেজালি লক্ষ্য কৰা যায়। অসমীয়া ভাষাৰ লিখন-ৰীতিৰ লগত জড়িত যিমানবোৰ সমস্যা আছে সেই সমস্যাবোৰৰ

ভিতৰত আখৰ-জোঁটনি বা বৰ্ণবিন্যাসৰ লগত জড়িত সমস্যাটোৱেই আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। যোৱা প্ৰায় ডেৰটা শতিকা ধৰি অসমীয়া আখৰ-জোঁটনি সম্পৰ্কে বিভিন্ন আলোচনা-বিলোচনা হৈছে আৰু গুৱাহাটী বিশ্ববিদ্যালয়কে ধৰি বিভিন্ন শিক্ষাসদী সংস্থাই এই সম্পৰ্কত কেতবোৰ নীতিও নিৰ্ধাৰণ কৰি দিছে।

১৩.৪ অসমীয়া আখৰ-জোঁটনিৰ ক্ৰমবিকাশ

লিখিত ৰূপ থকা প্ৰতিটো ভাষাৰে আখৰ-জোঁটনিৰ এক ইতিহাস বা পৰম্পৰা আছে। অসমীয়া ভাষাও তাৰ ব্যতিক্ৰম নহয়। নব্য ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত এই ভাষাটোৰো আখৰ-জোঁটনি বা বানানৰ এক দীঘলীয়া ইতিহাস আছে। অসমীয়া বানা ন-ৰীতিৰ এই সুদীৰ্ঘ ইতিহাস ফঁহিয়াই চালে আৰম্ভণিৰে পৰা ইয়াৰ মাজত নানান প্ৰকাৰৰ বেমেজালি তথা বিভ্ৰাট প্ৰত্যক্ষ কৰা যায়। আন কথাত আখৰ-জোঁটনি বা বৰ্ণ-বিন্যাসৰ খেলিমেলি অসমীয়া ভাষাই জন্মলগ্নৰে পৰা বহন কৰি আহিছে।

ঐতিহাসিকভাৱে অসমীয়া ভাষাৰ বৰ্ণ-বিন্যাসৰ এই খেলিমেলি বা বিভ্ৰাট পোন প্ৰথমে প্ৰাচীন কামৰূপৰ ৰজাঘৰীয়া ভূমিদানৰ তামৰ ফলিসমূহতে লক্ষ্য কৰা যায়। এইবোৰৰ ভাষা মূলতঃ সংস্কৃত। কিন্তু লিখন ৰীতিত সংস্কৃতীয়া বৰ্ণ-বিন্যাস এৰি এক বৰ্ণৰ ঠাইত আন এক বৰ্ণ প্ৰয়োগ কৰা দেখা যায়। উদাহৰণ স্বৰূপে কুমাৰ ভাস্কৰ বৰ্মাৰ তামৰ ফলিত দৰ্শিত, সূনু, ময়ূৰ আদি সংস্কৃত শব্দ যথাক্ৰমে দৰ্যিত, সুনু, ময়ুৰ ৰূপে লিখা হৈছিল। খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত খোদিত এই ফলিবোৰৰ সংস্কৃত ভিন্ন বানান-ৰীতিয়ে প্ৰাচীন কামৰূপ ৰাজ্যত এক স্বকীয় বৈশিষ্ট্যসম্পন্ন ভাষা এটাৰ প্ৰচলনৰ ইংগিত বহন কৰে।

অসমীয়া আখৰ-জোঁটনিৰ প্ৰাচীন ৰূপটো সংৰক্ষিত হৈছে অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণেতাসকলে 'প্ৰত্ন অসমীয়া' আৰু 'মিশ্ৰ অসমীয়া' নামেৰে চিহ্নিত কৰা যথাক্ৰমে 'চৰ্যাগীত' আৰু 'শ্ৰীকৃষ্ণ কীৰ্তন'ৰ ভাষাৰ মাজত। ৰজাদিনীয়া ভূমিদানৰ তামৰ ফলিসমূহৰ দৰে 'চৰ্যাগীত' আৰু 'শ্ৰীকৃষ্ণ কীৰ্তন'— এই দুখন পুথিতো একা বৰ্ণৰ ঠাইত আন এক বৰ্ণৰ বিকল্প প্ৰয়োগ দেখিবলৈ পোৱা যায়।

এতিয়া পৰ্যন্ত প্ৰাপ্ত তথ্য অনুসাৰে অসমীয়া ভাষাৰ লিখিত সাহিত্যৰ প্ৰথম নিদৰ্শন হৈছে চতুৰ্দশ শতিকাত কমতাপুৰৰ ৰজা দুৰ্লভ নাৰায়ণৰ পৃষ্ঠপোষকতাত ৰচিত কবি হেম সৰস্বতীৰ *প্ৰহ্লাদ চৰিত* নামৰ কাব্য পুথিখন। এইখন গ্ৰন্থতো ভালেমান বানান বিভ্ৰাট লক্ষ্য কৰা যায়। ইয়াত শ, ষ, স-ৰ যথেষ্ট প্ৰয়োগ ঘটিছে। সেইদৰে দন্ত্য আৰু মূৰ্দ্ধন্য বৰ্ণৰ প্ৰয়োগৰো কোনো নিৰ্দিষ্ট তথা স্পষ্ট ৰীতি দেখিবলৈ পোৱা নাযায়। গ্ৰন্থখনিত সততে পোৱা বৰ্ণ-বিন্যাসৰ কিছুমান বিভ্ৰাট পণ্ডিত কালিৰাম মেধিয়ে এনেদৰে দেখুৱাইছে—

(ক) শ, ষ-ৰ ঠাইত স, খ, ষ-ৰ বিকল্প প্ৰয়োগ;

(খ) মূৰ্দ্ধন্য ণ, ঈ-কাৰ আৰু ঊ-কাৰৰ প্ৰয়োগহীনতা;

(গ) ব আৰু ৱ-ৰ উচ্চাৰণানুগ প্রয়োগ ইত্যাদি।

এনে কাৰণতে পণ্ডিত হেমচন্দ্র গোস্বামীয়ে পুথিখনিৰ সৰহভাগ শব্দ সংস্কৃত নহয়, বৰং প্রাকৃত বুলি মন্তব্য কৰিছে।

হেম সৰস্বতীৰ পৰৱর্তী প্রাক্‌শঙ্কৰ আৰু শাঙ্কৰী যুগৰ কবিসকলৰ দ্বাৰা ৰচিত সাঁচিপতীয়া আৰু তুলাপতীয়া পুথিসমূহতো আখৰ-জোঁটনিৰ ভালেমান খেলি-মেলি লক্ষ্য কৰা যায়। পুৰণি অসমীয়া কবিসকলৰ স্বহস্ত লিপি সম্বলিত পুথিৰ অভাৱে সেই সময়ৰ আখৰ-জোঁটনি সম্বন্ধে এটা স্পষ্ট ধাৰণা লোৱাত ব্যাঘাত জন্মায়। সম্ভৱতঃ তৎকালীন কবিসকলে সংস্কৃতীয়া আখৰ জোঁটনিয়েই মানি চলিছিল। কিন্তু পাছত লিপিকাৰসকলে অর্থৰ অনুধাৱন অবিহনে আখৰৰ পাক চাই নকল কৰোঁতে নানান বর্ণ-প্রমাদ ঘটাইছিল। দৈতাৰি ঠাকুৰৰ 'শ্রীশঙ্কৰদেৱ শ্রীমাধৱদেৱ চৰিত' পুথিত উল্লেখ থকা মহাপুৰুষ মাধৱদেৱৰ নিম্নাক্ত উক্তিটোৱে তেনে সম্ভাৱনাৰে ইংগিত দিয়ে—

"লাঠি কটা জ দিবে লাগয় যথাত।
পুখুৰীয়া য দিয়া আছন্ত তথাত।।"

সেই সময়ৰ আখৰ-জোঁটনিৰ বৈশিষ্ট্যসমূহ ৰমেশ পাঠকে 'অসমীয়া ভাষাৰ ইতিহাস' শীর্ষক গ্রন্থত এনে ধৰণে দাঙি ধৰিছে—

(ক) হ্রস্ব আৰু দীর্ঘ স্বৰৰ পার্থক্যহীনতা আৰু হ্রস্বস্বৰৰ প্রতি অধিক প্রৱণতা;

(খ) শ, ষ, স-ৰ যথেষ্ট প্রয়োগ;

(গ) পদান্ত বা পদমধ্যস্থিত ষ, শ-ৰ ঠাইত বিকল্পে খ-ৰ ব্যৱহাৰ;

(গ) দন্ত্য আৰু মূর্দ্ধন্য বর্ণৰ প্রয়োগত প্রভেদহীনতা আৰু দন্ত্য বর্ণৰ প্রয়োগৰ আধিক্য;

(ঘ) ক্ষ-ৰ পৰিৱর্তে খ বর্ণৰ ব্যৱহাৰত গুৰুত্ব, ইত্যাদি।

প্রাচীন অসমীয়াৰ দৰে মধ্যযুগীয় সাহিত্যতো সংস্কৃত ভিন্ন উচ্চাৰণানুগ বানান-ৰীতিৰ ব্যৱহাৰ হোৱা দেখা যায়। মধ্যযুগত আহোম ৰজাঘৰৰ পৃষ্ঠপোষকতাত ৰচিত বুৰঞ্জী সাহিত্যকে ধৰি ব্যৱহাৰিক সাহিত্য, মন্ত্রপুথি, বিভিন্ন প্রত্নলেখ আৰু আন আন নথি-পত্রত সংস্কৃতীয়া জোঁটনিৰ পৰিৱর্তে উচ্চাৰণভিত্তিক আখৰ-জোঁটনিৰ প্রতি ধাউতি পৰিলক্ষিত হয়।

ওপৰৰ আলোচনাৰ পৰা আপুনি বুজিব পাৰিলে যে প্রাচীন কালত ব্যাকৰণ আৰু অভিধান নির্দেশিত কোনো আর্হি নথকা হেতুকে আখৰ-জোঁটনিৰ ক্ষেত্রত কোনো ধৰা-বন্ধা নিয়ম মানি চলা হোৱা নাছিল। সংস্কৃত ভাষা চর্চা কৰা সমাজৰ অভিজাত শ্রেণীটোৱে লিখন কার্যত সংস্কৃতীয়া আখৰ-জোঁটনি প্রয়োগ কৰিছিল। কিন্তু সাধাৰণ স্তৰৰ লিপিকাৰ তথা লেখকসকলে পুথি নকল কৰোঁতে বা লিখোঁতে স্বতস্ফূর্তভাৱে উচ্চাৰণ ভিত্তিক বানান-ৰীতি ব্যৱহাৰ কৰিছিল।

ইয়াৰ পাছত 1839 চনত জদু�ৰাম ডেকা বৰুৱা নামৰ জনৈক অসমীয়া পণ্ডিতে অসমীয়া ভাষাৰ এখন অভিধান প্রণয়ন কৰি প্রথমবাৰৰ বাবে অসমীয়া আখৰ-জোঁটনিক এক সুস্পষ্ট ৰূপ দিবলৈ চেষ্টা কৰে। জদুৰাম ডেকা বৰুৱাৰ দ্বাৰা নির্দেশিত আখৰ-জোঁটনি সৰল

আৰু উচ্চাৰণ অনুগামী আছিল। তেওঁ শ, ষ, স; চ, ছ; জ, য, ঝ আদি সগোত্রীয় বৰ্ণবোৰৰ এটাহে আখৰ ব্যৱহাৰ কৰিছিল।

জদুৰাম ডেকা বৰুৱাৰ এই উচ্চাৰণ-নির্ভৰ বানান-ৰীতিৰ ওপৰত ভিত্তি কৰি 1836 চনত খ্ৰীষ্টান ধর্ম প্রচাৰ কৰিবলৈ অসমলৈ অহা আমেৰিকান মিছনেৰীসকলে শিৱসাগৰত স্থাপন কৰা মিছন প্রেছৰ পৰা 1846 চনত প্রকাশ কৰা প্রথম অসমীয়া মাহেকীয়া আলোচনী কাকত 'অৰুনোদই'ৰ বর্ণ-বিন্যাস ৰীতি নির্দ্ধাৰণ কৰিছিল। 'অৰুনোদই'ৰ উপৰি মিছনেৰীসকলে খ্ৰীষ্টান ধর্মৰ পুথি-পাঁজিকে ধৰি আন আন লেখাতো সেই বানান-ৰীতিকে প্রয়োগ কৰিছিল। 'অৰুণোদই'ৰ বা আন কথাত জদুৰাম বৰুৱা প্রৱর্তিত উচ্চাৰণ-নির্ভৰ বর্ণ-বিন্যাস ৰীতিৰ বৈশিষ্ট্যসমূহ থোৱতে এনেদৰে উল্লেখ কৰিব পাৰি—

(ক) দীর্ঘ স্বৰৰ ঠাইত হ্রস্ব স্বৰৰ ব্যৱহাৰ;

(খ) শ, ষ, স-ৰ সলনি স-ৰ ব্যৱহাৰ;

(গ) জ, ঝ, য-ৰ পৰিৱর্তে জ-ৰ ব্যৱহাৰ আৰু চ, ছ-ৰ ঠাইত চ-ৰ প্রয়োগ;

(ঘ) ঋ-ৰ ঠাইত ৰি-ৰ প্রয়োগ;

(ঙ) ত বর্গৰ বর্ণৰ প্রয়োগৰ প্রতি প্রৱণতা;


(চ) ক্ষ-ৰ ঠাইত খ-ৰ ব্যৱহাৰ;

(ছ) ৰেফ্‌যুক্ত বর্ণৰ দ্বিত্ব বর্জন ইত্যাদি।

নক'লেও চলে, অসমীয়া ভাষাৰ ধ্বনিগত বৈশিষ্ট্যৰ সৈতে এই পদ্ধতি কিছু খাপ খোৱা বিধৰ আছিল। কিন্তু হেমচন্দ্র বৰুৱা, গুণাভিৰাম বৰুৱা আদি লেখকসকলে 'অৰুণোদই'ৰ উচ্চাৰণানুগ বানানৰ তীব্র বিৰোধিতা কৰি সংস্কৃতানুগ বানানৰ পোষকতা কৰে। পৰৱর্তী সময়ত মিছনেৰী গোষ্ঠীয়ে হেমচন্দ্র বৰুৱাৰ নীতিকে মানি 'অৰুনোদই'ক 'অৰুণোদয়' কৰে। উল্লেখনীয় যে, হেমচন্দ্র বৰুৱাই অসমীয়া বর্ণ-বিন্যাসৰ আটাইবোৰ দিশ সামৰি ভাষাটোৰ লিখন-ৰীতিৰ এক ৰেহা লগাব খুজিছিল। তেওঁৰ 'অসমীয়া ভাষাৰ ব্যাকৰণ' আৰু 'হেমকোষ' অভিধান এই ৰীতিৰ প্রধান ভিত্তি। তেতিয়াৰে পৰা আজিকোপতি অসমীয়া ভাষাৰ আখৰ-জোঁটনিয়ে অলপ ইফাল-সিফালকৈ হেমচন্দ্র বৰুৱা নির্দেশিত বাটেৰেই বাট বুলি আহিছে। কাৰো কাৰো মতে, হেমচন্দ্র বৰুৱাই অসমীয়া ভাষাৰ স্বাভাৱিক ধ্বনিতত্ত্বক আওকাণ কৰি সংস্কৃতীয়া ৰীতিৰ প্রতি গুৰুত্ব দিয়া হেতুকে পৰৱর্তী সময়ত অসমীয়া আখৰ-জোঁটনিত নানান সমস্যাই দেখা দিয়ে।

হেমচন্দ্র বৰুৱাই তেওঁৰ 'হেমকোষ' অভিধানৰ 'পাতনি'ত অসমীয়া আখৰ-জোঁটনিৰ তিনিটা প্রধান নীতিৰ কথা উল্লেখ কৰিছে— প্রথমে উচ্চাৰণ অনুসাৰে, দ্বিতীয়তে মূল শব্দৰ দৰে, তৃতীয়তে জনা লোকসকলে বহুদিন ধৰি চলোৱা নিয়ম মতে। তেওঁৰ মতে, বর্ণ-বিন্যাসৰ ক্ষেত্রত উচ্চাৰণেই হ'ল ঘাই পথ দেখুৱাওঁতা। সেয়ে হ'লেও, তেওঁ উচ্চাৰণৰ দিশটোত বিশেষ গুৰুত্ব দিয়া দেখা নাযায়। তাত পৰিৱর্তে তেওঁ দেশী-বিদেশী শব্দৰ বাহিৰে আন শব্দত সংস্কৃতীয়া আখৰ-জোঁটনি প্রয়োগ কৰে আৰু অসমীয়া ভাষাত কোনো দিনে উচ্চাৰিত

নোহোৱা বৰ্ণবোৰো সংস্কৃতত আছে বাবেই অসমীয়াত ৰাখিবলৈ ব্যাকৰণৰ নিয়ম বান্ধি দিয়ে। ইয়াৰ পৰিণতি স্বৰূপে ভাষাটোৰ আখৰ-জোঁটনিত নানান সমস্যাই দেখা দিয়ে। সেয়ে হ'লেও, অসমীয়া আখৰ-জোঁটনিয়ে আজিও হেমচন্দ্ৰ বৰুৱাৰ দ্বাৰা নির্দেশিত ৰীতিৰেই চলি আছে। মাত্ৰ মূল ভিত্তি ঠিকে ৰাখি সময়ে সময়ে তাৰ কিছু সংস্কাৰ সাধন কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ আখৰ-জোঁটনি মানে কি? চমুকৈ উল্লেখ কৰক। (100টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ২ ঃ অসমীয়া আখৰ-জোঁটনিৰ ক্ৰমবিকাশ সম্পৰ্কে এটি চমু আলোচনা যুগুত কৰক। (150টা শব্দৰ ভিতৰত)

.....

১৩.৫ অসমীয়া আখৰ-জোঁটনিৰ সমস্যা

আগৰ আলোচনাৰ পৰা আপুনি নিশ্চয় বুজিব পাৰিলে যে, লিখিত ৰূপ থকা পৃথিৱীৰ প্ৰায় সকলো ভাষাৰে আখৰ-জোঁটনি বা বানানৰ সমস্যা আছে আৰু অসমীয়া ভাষাও এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। অসমীয়া বৰ্ণ-বিন্যাস বা আখৰ-জোঁটনি বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত আৰু জন্মলগ্নৰে পৰা অসমীয়া আখৰ-জোঁটনিত এই খেলিমেলি বিৰাজমান। কাৰণ 'অৰুণোদই' যুগৰ আগলৈকে অসমীয়া বানান-ৰীতিয়ে এক সুনির্দিষ্ট তথা শৃংখলাবদ্ধ ৰূপ লাভ কৰিব পৰা নাছিল। খ্ৰীষ্টান মিছনেৰীসকলে প্ৰথমে উচ্চাৰণৰ ওপৰত নির্ভৰ কৰি এক ধৰণৰ বানান-ৰীতি ব্যৱহাৰ কৰিছিল আৰু পৰৱৰ্তী সময়ত হেমচন্দ্ৰ বৰুৱাই ইয়াক সংস্কৃতানুগ বানান-ৰীতিলৈ পৰিৱৰ্তন কৰি এক স্থিৰ ৰূপ প্ৰদান কৰিছিল। সাধাৰণভাৱে অসমীয়া ভাষাৰ লিখন-ৰীতিত সেই ৰীতিয়ে আজিও বাহাল আছে।

পূৰ্বৰ আলোচনাৰ পৰা আপুনি এই কথাও অৱগত হৈছে যে প্ৰাচীন ভাৰতীয় আৰ্যভাষা, অৰ্থাৎ, সংস্কৃতৰ স্তৰত ধ্বনি বা বৰ্ণ আৰু আখৰ অভিন্ন হোৱা বাবে আখৰ-জোঁটনিৰ খেলিমেলি প্ৰায় নাছিল বুলিব পাৰি। একদৰে মধ্য ভাৰতীয় আৰ্য বা প্ৰাকৃত স্তৰত ধ্বনিৰ ওপৰত ভিত্তি কৰি আখৰমালা নির্দ্ধাৰিত হোৱা বাবে এই স্তৰতো বানানৰ বিশেষ খেলিমেলি পোৱা নাযায়। কিন্তু নব্য ভাৰতীয় আৰ্যৰ স্তৰত তেনে কোনো নীতি গ্ৰহণ নকৰি পোনে পোনে সংস্কৃত বৰ্ণমালাখন জাপি দিয়া হেতুকে আখৰ-জোঁটনিত নানান সমস্যাই দেখা দিয়ে। অসমীয়া ভাষাত মিছনেৰীসকলৰ পৰৱৰ্তী সময়ত লিখন-ৰীতিক সংস্কৃতানুগ কৰাত তৎসম শব্দৰ লগতে তদ্ভৱ শব্দবোৰো উচ্চাৰণ বৈশিষ্ট্যলৈ লক্ষ্য নকৰি সংস্কৃতীয়া আখৰ-জোঁটনিৰে লিখাৰ নীতি প্ৰচলিত হ'ল। সেইবাবে বানান-প্ৰকৰণত বিসঙ্গতিয়ে দেখা দিলে। এই বিসঙ্গতি বা সমস্যাসমূহ এনে ধৰণৰ

(1) অসমীয়া ভাষাত ধ্বনি অনুপাতে আখৰৰ অভাৱ দেখা যায়। উদাহৰণ স্বৰূপে অসমীয়া ভাষাত যিমানকেইটা স্বৰৰ উচ্চাৰণ আছে আখৰমালাত কিন্তু সেই আটাইবোৰকে প্রতিনিধিত্ব কৰিব পৰা আখৰ নাই। অসমীয়া ভাষাত অ আৰ অ' দুটা সুকীয়া ধ্বনি। দুয়োৰে উচ্চাৰণত অর্থভেদ হয়, যেনে— বল — ব'ল। একেদৰে এ আৰু এ' দুয়োটাৰ সুকীয়া উচ্চাৰণ আছে, যেনে— বেল — বে'ল। কিন্তু এই অ' আৰু এ' ধ্বনিক প্রতিনিধিত্ব কৰা কোনো আখৰ অসমীয়া আখৰমালাত ৰখা হোৱা নাই।

(2) অসমীয়া আখৰ-জোঁটনিৰ আন এক সমস্যা হ'ল আখৰ আছে কিন্তু সেই আখৰবোৰৰ কোনো ধ্বনি-প্রতীক বা উচ্চাৰণ নাই। উদাহৰণ স্বৰূপে— অসমীয়াত স্বৰৰ হ্রস্বত্ব-দীর্ঘত্ব বিশিষ্ট নহয়। ঋ ধ্বনিটো 'ৰি' হিচাপে উচ্চাৰিত হয়। চ, ছ-ৰ ঠাইত চ; জ, য, ঝ-ৰ ঠাইত জ; ৰ, ড়-ৰ ঠাইত ৰ; শ, ষ, স-ৰ ঠাইত স-ৰ উচ্চাৰণহে পোৱা যায়। সেইদৰে ত-বর্গ আৰু ট-বর্গৰ এটা ধ্বনিৰ উচ্চাৰণো অসমীয়া ভাষাত পোৱা নাযায়। এই দুটা বর্গৰ ধ্বনিসমূহ অসমীয়াত দন্তমূলীয় ৰূপেহে উচ্চাৰণ হয়। অসমীয়া ভাষাত ক-বর্গৰ ধ্বনিকেইটাৰ বাহিৰে বাকী ধ্বনিৰ উচ্চাৰণ সংস্কৃতৰ লগত নিমিলে। ইয়াৰ পৰা বুজিবলৈ টান নহয় যে, অসমীয়া আখৰমালাত উচ্চাৰণ বৈশিষ্ট্যৰ কোনো প্রতিফলন ঘটা নাই।

(3) অসমীয়া ভাষাত ঐ আৰু ঔ যৌগিক স্বৰ। সেইদৰে য় আৰু ৱ শ্রুতিধ্বনি। এই ধ্বনিকেইটাৰ বর্ণগত মর্যাদা নাই। কিন্তু স্বৰৰ অনুনাসিকতা অর্থাৎ চন্দ্রবিন্দু (ং) স্বৰৰ গাত আঁউজি উচ্চাৰিত হয় যদিও ইয়াৰ বর্ণগত মর্যাদা আছে। অর্থাৎ অনুনাসিকতাৰ প্রয়োগে অর্থভেদ ঘটাব পাৰে। কিন্তু এই চন্দ্রবিন্দুটোৰ (ং) প্রয়োগত বিশেষ গুৰুত্ব দিয়া নহয়।

(4) অসমীয়া ভাষাত কেইটামান স্বৰযুক্ত ব্যঞ্জনৰ আকৃতিৰ পৰিৱর্তন হয়। যেনে— ৰ ÙÂ উ Ô ৰু, ৰ ÙÂ ঊ Ô ৰূ, ঙ ÙÂ গ Ô ঙ্গ, ত ÙÂ ৰ Ù উ Ô ত্রু, ক ÙÂ ৰ Ô ক্র, শ ÙÂ উ Ô শু, গ ÙÂ উ Ô গু আদি। এইবোৰ ৰূপ শিকোঁতে খেলিমেলিৰ সৃষ্টি হয়। আখৰ-জোঁটনিতো ইয়াৰ প্রভাৱ পৰে। সেইদৰে ক্ষ (ক ÙÂ ষ) ûক্ষ (হ ÙÂ ম); ঞ্জ (ঞ ÙÂ জ)ûজ্ঞ (জ ÙÂ ঞ); ক্র [ক্ষ ÙÂ ৰ)ßûক্র (ত ÙÂ ৰ ÙÂ উ); ট্র (ট ÙÂ ৰ) ûট্ট (ট ÙÂ ট), স ÙÂ থ Ô স্থ, হ ÙÂ ঋ Ô হ্ম আদি যুক্তাক্ষৰেও বেমেজালিৰ সৃষ্টি কৰে।

(5) অসমীয়া ভাষাৰ কেইবাটাও উপভাষা আছে আৰু উপভাষা ভেদে ধ্বনিৰ উচ্চাৰণৰ পার্থক্যও আছে। ধ্বনিৰ উচ্চাৰণৰ এনে পার্থক্যই আখৰ-জোঁটনিত প্রভাৱ পেলায়।

(6) অসমীয়া স্বৰধ্বনিৰ গৌণ প্রতীক বা স্বৰচিহ্নবোৰৰ ব্যৱহাৰেও অসমীয়া বানান ৰীতিও প্রভাৱ পেলায়। বিশেষকৈ উচ্চাৰণ নথকা স্বৰসমূহৰো স্বৰচিহ্ন ব্যৱহাৰ কৰিবলগীয়া হোৱাত সেইবোৰৰ প্রয়োগত খেলিমেলিৰ সৃষ্টি হয়।

(7) অসমীয়া ভাষাত প্রচলিত অভিধান আৰু ব্যাকৰণত থকা খেলিমেলিও আখৰ-জোঁটনিৰ বিসঙ্গতিৰ আন এক কাৰণ। অসমীয়া অভিধানবোৰত বানানৰ তাৰতম্য দেখা যায়। এটা শব্দৰে অভিধান ভেদে ভিন ভিন বানান পোৱা যায়। প্রচলিত অভিধানবোৰত বহুত শব্দ পাবলৈয়ো নাই। অভিধানৰ দৰে ব্যাকৰণবোৰেও বানান-ৰীতিৰ বিসঙ্গতিত অৱিহণা

যোগাইছে।

(৪) অসমীয়া অভিধান আৰু ব্যাকৰণসমূহ থকা খেলিমেলিৰ হেতুপ্রতিষ্ঠিত লেখকৰ বানান প্রয়োগকে অন্ধভাৱে অনুকৰণ কৰাত বর্ণ-বিন্যাসত বিভ্রান্তিৰ সৃষ্টি হয়। তদুপৰি জনা-বুজা লোকে ইতিমধ্যে চলি থকা বানান নামানি নিজে শুদ্ধ বুলি ভবা বানান অনুসৰি লিখোঁতে বিসঙ্গতিয়ে দেখা দিয়ে।

(9) অসমীয়া আখৰ-জোঁটনিৰ আন এটা গুৰুত্বপূর্ণ সমস্যা হ'ল বিদেশী শব্দৰ লিপ্যন্তৰকৰণৰ। বিদেশী শব্দ কেনেদৰে লিপ্যন্তৰ কৰা হ'ব সেই সম্পর্কে স্পষ্ট তথা নির্দ্ধাৰিত ৰীতি নথকা বাবে এই ক্ষেত্রত বিতর্কৰ অৱকাশ লক্ষ্য কৰা যায়।

(10) অসমীয়া ভাষা শিকাৰ প্রতি আমাৰ ক্রমাগত অনীহা আৰু সংস্কৃত ভাষাৰ প্রতি উদাসীনতা বা অৱজ্ঞায়ো প্রচলিত আখৰ-জোঁটনিত বেমেজালিৰ সৃষ্টি কৰে।

(11) বিজ্ঞাপন, নামফলক আদিত ব্যৱহৃত ভুল বানান আৰু দূৰদর্শন, বাতৰি কাকত, আলোচনী আদি শক্তিশালী গণ-মাধ্যমত আখৰ-জোঁটনি শুদ্ধভাৱে প্রয়োগ নকৰাৰ বাবেও অসমীয়া আখৰ-জোঁটনিত বিভিন্ন সমস্যাৰ সৃষ্টি হৈছে।

ওপৰৰ আলোচনাৰ পৰা আপুনি নিশ্চয় বুজিব পাৰিছে যে অসমীয়া আখৰ-জোঁটনিৰ বিভিন্ন সমস্যা আছে আৰু এই সমস্যাবোৰে ভাষাটোৰ লিখন-ৰীতিত কিছু বিভ্রান্তিৰ সৃষ্টি কৰিছে।

১৩.৫.১ আখৰ-জোঁটনিৰ সমস্যা আৰু সমাধানৰ উপায়

অসমীয়া আখৰ-জোঁটনি জন্মলগ্নৰে পৰা বিভিন্ন সমস্যাৰে জর্জৰিত হ'লেও আমি অলপ সচেতন হ'লে আৰু এই সম্পর্কীয় কিছুমান স্থিৰ নীতি-নিয়ম মানি চলিলে নিশ্চয় এই সমস্যাটো কিছু লাঘৰ হ'ব। তলত উক্ত সমস্যাটোৰ দূৰীকৰণৰ কেইটামান উপায় উল্লেখ কৰা হ'ল—

(ক) অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ সমস্যা সমাধান কৰিবলৈ হ'লে আমাক এনেকুৱা এখন অভিধানৰ প্রয়োজন, যিখন অভিধানৰ বানান-পদ্ধতি প্রাথমিক স্তৰৰ পৰা বিশ্ববিদ্যালয়ৰ স্তৰলৈকে সকলো পাঠ্যপুথিৰ ক্ষেত্রতে মানি চলা হ'ব।

(খ) অসমীয়া ভাষাৰ আখৰমালাৰ সংস্কাৰ সাধন কৰি উপভাষাকে ধৰি ভাষাটোৰ সম্ভৱপৰ সকলো শব্দ সামৰি উচ্চাৰণৰ নির্দেশ সম্বলিত এখন অভিধান প্রস্তুত হ'ব লাগে। লগতে বানান প্রকৰণসহ সকলো লাগতিয়াল তথ্য সঠিকভাৱে প্রকাশ পোৱাকৈ এখন বর্ণনাত্মক আৰু আনখন প্রাসঙ্গিক— এই দুখন ব্যাকৰণ ৰচিত হ'ব লাগে। তেনে অভিধান আৰু ব্যাকৰণত আখৰ-জোঁটনিৰ বিধিসমূহ উল্লেখ থাকিব আৰু এই বিধিসমূহে তৎসম, তদ্ভৱ, দেশী, বিদেশী সকলো

শব্দকে সামৰি ল'ব।


(গ) কোনো কোনোৱে মূলানুগ বা সংস্কৃতীয়া আখৰ-জোঁটনি এৰি উচ্চাৰণ ভিত্তিক আখৰ-জোঁটনি প্ৰৱৰ্তনৰ চেষ্টা কৰা দেখা গৈছে। কিন্তু এনে কৰিলে ভাষাটোৰ শব্দ-ব্যুৎপত্তি জনাটো অসম্ভৱ হৈ পৰিব আৰু জোনাকী যুগৰ পৰা বৰ্তমানলৈ প্ৰকাশিত সাহিত্যৰ অধ্যয়নত বাধাৰ সৃষ্টি হ'ব।

(ঘ) মূলানুগ আখৰ-জোঁটনি বাহাল ৰাখি অসমীয়া ভাষাত কোনো কালেও উচ্চাৰণ নোহোৱা আখৰকেইটা বাদ দিব পাৰিলে অসমীয়া আখৰ-জোঁটনিৰ বাবে বেছি মঙ্গলজনক হ'ব বুলি ক'ব পাৰি। এই ক্ষেত্ৰত ইতিমধ্যে ৰেফ্‌যুক্ত দ্বিত্ব ব্যঞ্জন পৰিহাৰ কৰা হৈছে আৰু ঙÙÂ ব্যঞ্জনৰ ব্যৱহাৰো কমি আহিছে।

(ঙ) অসমীয়া আখৰ-জোঁটনি বা বানান প্ৰকৰণৰ ক্ষেত্ৰত নিজৰ মতত অটল হৈ জেদত লাগি নাথাকি সকলোৱে সমূহীয়া মতত গুৰুত্ব দিয়া উচিত।

(চ) অসম সাহিত্য সভাৰ দৰে জাতীয় অনুষ্ঠানে আখৰ-জোঁটনিৰ সমস্যা সমাধান হোৱাকৈ ব্যাকৰণৰ আৰু অভিধান প্ৰণয়ন কৰা উচিত। তেতিয়া অসমীয়া বানান সম্পৰ্কীয় বহুতো সমস্যা নোহোৱা হ'ব।

পৰিশেষত ক'ব পাৰি যে, সকলোৱে আশাশুধীয়া প্ৰচেষ্টাতহে অসমীয়া আখৰ-জোঁটনিত দেখা দিয়া জটিলতা বা সমস্যাৰ সমাধান হ'ব। সেয়ে আমাৰ পণ্ডিতসমাজে আখৰ-জোঁটনি সম্পৰ্কীয় কথাত নিজৰ মতত জেদ ধৰি নাথাকি জাতিৰ স্বাৰ্থত, সমাজৰ স্বাৰ্থত ব্যক্তিগত স্বাৰ্থ বিসৰ্জন দি সকলোৱে কামত অহা সমূহীয়া মতক প্ৰাধান্য দিয়া উচিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ অসমীয়া আখাৰ-জোঁটনিৰ লগত জড়িত সমস্যাসমূহৰ বিষয়ে এটি চমু আলোচনা দাঙি ধৰক।
(150টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৪ ঃ অসমীয়া আখৰ-জোঁটনি সম্পৰ্কীয় সমস্যাটোৰ সমাধানৰ বাবে কেইটিমান পৰামৰ্শ আগবঢ়াওক। (100টা শব্দৰ ভিতৰত)

.....

১৩.৫.২ বিদেশী শব্দৰ লিপ্যন্তৰকৰণ

ভাষা একোটাৰ গতিপথত বিভিন্ন সময়ত বিভিন্ন ভাষাৰ শব্দৰ প্ৰৱেশ ঘটে। অসমীয়া ভাষাতো নানান কাৰণত বেলেগ বেলেগ সময়ত বিদেশী মূলৰ অনেক শব্দ সোমাই পৰিছে। কোনো এটা ভাষাত উচ্চাৰিত ধ্বনিগোটক আন এটা

ভাষাৰ ধ্বনিগোটলৈ সলনি কৰি লিখা পদ্ধতিকে লিপ্যন্তৰকৰণ বোলা হয়। এই ধ্বনিগোটবোৰ লিপ্যন্তৰ কৰোঁতে সাধাৰণতে প্ৰচলিত আখৰমালাকেই ব্যৱহাৰ কৰা হয়। লিপ্যন্তৰকৰণৰ অৰ্থ হ'ল এটা ভাষাৰ বৰ্ণমালাৰে লিখা পাঠ বা শব্দ আন আন এটা ভাষাৰ বৰ্ণমালালৈ কৰা ৰূপান্তৰ। জগতত প্ৰচলিত কোনো দুটা ভাষাৰে ধ্বনিবোৰ হুবহু একে নহয়। ভাষা ভেদে ধ্বনিৰ উচ্চাৰণো ভিন ভিন হয়। সেয়ে পৃথিৱীৰ সকলো ভাষাতে বিদেশী শব্দৰ লিপ্যন্তৰকৰণ কম-বেছি পৰিমাণে এক জটিল কাম।

লিপ্যন্তৰকৰণৰ উদ্দেশ্য হৈছে বিদেশী মূল ভাষাৰ শব্দৰ উচ্চাৰণ পাৰ্যমানে ৰক্ষা কৰি নিজৰ ভাষালৈ ৰূপান্তৰ কৰা। অসমীয়া ভাষাৰ ক্ষেত্ৰতো এই কথা সমানেই প্ৰযোজ্য। গতিকে বিদেশী শব্দ অসমীয়া ভাষালৈ লিপ্যন্তৰ কৰোঁতে মূল শব্দৰ উচ্চাৰণৰ লগতে অসমীয়া ভাষাৰ উচ্চাৰণৰ বৈশিষ্ট্যৰ প্ৰতিও লক্ষ্য ৰখা উচিত।

অসমীয়া ভাষাত যিবোৰ বিদেশী মূলৰ শব্দ ব্যৱহাৰ হৈ আছে ইয়াৰে কিছুমান শব্দ অসমীয়া ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ বৈশিষ্ট্যৰ সৈতে মিলি ঘৰুৱা হৈ পৰিছে। কিন্তু কিছুমান শব্দ এতিয়াও ঘৰুৱা হোৱা নাই বা হ'ব পৰা নাই। তেনে শব্দত বৰ্তমানো বিদেশী গোন্ধ পোৱা যায়। এনে ধৰণৰ শব্দবোৰ মূলৰ উচ্চাৰণ মতে লিখা হ'ব নে অসমীয়া উচ্চাৰণ মতে লিখা হ'ব সি এক বিতৰ্কৰ বিষয়। ফলস্বৰূপে অসমীয়া আখৰ জোঁটনিত একেটা শব্দৰে বহুকেইটা ৰূপৰ প্ৰচলন পোৱা যায়। এনে কাৰণতে অসমীয়া আখৰ-জোঁটনিত বিদেশী শব্দৰ লিপ্যন্তৰকৰণ এক জটিল সমস্যা হৈ পৰিছে।

অসমীয়া ভাষালৈ যিমানবোৰ বিদেশী শব্দৰ আমদানি ঘটিছে সেইবোৰৰ ভিতৰত ইংৰাজী শব্দই সৰ্বাধিক। অৱশ্যে আৰবী আৰু ফাৰ্চী ভাষাৰ শব্দৰ সংখ্যাও তেনেই কম বুলিব নোৱাৰি। সেয়ে হ'লেও, ইংৰাজী শব্দ প্ৰতি নিয়ত আমদানি হৈয়ে আছে, যিটো অৰবী-ফাৰ্চীৰ ক্ষেত্ৰত দেখা নাযায়। সি যি কি নহওক, এই শব্দবোৰৰ লিপ্যন্তৰকৰণৰ ক্ষেত্ৰত কোনো নিৰ্দ্ধাৰিত নীতি নথকা বাবে যিয়ে যেনে ধৰণে শুদ্ধ বুলি বিবেচনা কৰে তেনেদৰে লিখাটো এতিয়া এক নিয়মত পৰিণত হৈছে। ফলস্বৰূপে একে টা ইংৰাজী শব্দৰে দহ-বাৰটা বানানৰ প্ৰচলন লক্ষ্য কৰা যায়। চেক্সপীয়েৰ, ছেক্সপীয়াৰ, ছেক্সপীয়েৰ, ছেক্ছপীয়াৰ, শ্বেইক্সপীয়েৰ শব্দটো তাৰ প্ৰকৃষ্ট উদাহৰণ। সেইদৰে ইমান দিনে প্ৰচলিত হৈ অহা 'হেমলেট' আৰু 'ট্ৰেজেডি' শব্দ দুটাও ইংৰাজী মূলৰ ওচৰ চপাই কোনো কোনোৱে 'হ্যামলেট' আৰু 'ট্ৰাজিডি' বুলি লিখা দেখা গৈছে। উল্লেখযোগ্য যে বিদেশী শব্দ লিপ্যন্তৰকৰণত সকলো ভাষাই নিজস্ব উচ্চাৰণ-ৰীতিহে প্ৰয়োগ কৰে। সেইফালৰ পৰা চাবলৈ গ'লে অসমীয়া ভাষাত হ ÙÂ ȷ Ô হ্য-ৰ উচ্চাৰণ জ্য হয়। যেনে— সহ্য (সজ্য); ঐতিহ্য (ঐতিজ্য); বাহ্য (বাজ্য) আদি। গতিকে অসমীয়া ভাষাৰ স্বাভাৱিক ধ্বনিতত্ত্ব অনুসৰি হ্যামলেটৰ উচ্চাৰণ হ'ব 'জ্যামলেট'। গতিকে লিপ্যন্তৰকৰণৰ ক্ষেত্ৰত এইবোৰ দিশো বিচাৰ কৰি চোৱা

প্ৰয়োজন।

অসমীয়া ভাষাত শব্দৰ আদি স্থানত য়, ৱ আৰু ঙ ধ্বনিৰ উচ্চাৰণ নাই। এই ধ্বনিকেইটাৰ আগত ই, ও আৰু উ আদি ধ্বনি লগ লগাই উচ্চাৰণ কৰা হয়। পূৰ্বে আদি অৱস্থনত w আৰু y থকা ইংৰাজী শব্দবোৰ এনেদৰে লিখা হৈছিল— উইলিয়াম (William), ওৱাছিংটন (Washingtan), ইয়াংকি (yanki), ইয়ুথ (youth), ইয়ং (young), ইউ (you) আদি। এতিয়াও উচ্চাৰণৰ ওপৰত ভিত্তি কৰি এইদৰেই বানানবোৰ লিখা হয় যদিও কোনো কোনোৱে অসমীয়া ধ্বনি পদ্ধতিৰ পৰা আঁতৰি আহি সম্পূৰ্ণৰূপে ইংৰাজী উচ্চাৰণৰ অনুকৰণত লিখিবলৈ লৈছে। ৱিলিয়াম, ৱাছিংটন, য়াংকি, য়ুথ, য়ং, য়ু আদি শব্দ তাৰ উদাহৰণ। ইংৰাজী শব্দৰ ক্ষেত্ৰত ইংৰাজী উচ্চাৰণ ৰাখি লিপ্যন্তৰ কৰিব খুজিলে অসমীয়া আখৰ-জোঁটনিত আন এক সমস্যাৰ সৃষ্টি হ'ব। গতিকে লিপ্যন্তৰকৰণৰ ক্ষেত্ৰত এইটো এটা চিন্তনীয় বিষয়।

ওপৰত উল্লেখ কৰি আহিছোঁ যে অসমীয়া ভাষাত ইংৰাজীৰ উপৰি আৰবী-ফাৰ্চী শব্দৰ যথেষ্ট প্ৰয়োগ পোৱা যায়। অসমীয়া ভাষাত প্ৰাক্ শংকৰ যুগৰ পৰাহ এনে শ্বদৰ ব্যৱহাৰ লক্ষ্য কৰা যায়। এইবোৰ শব্দ মূলৰ উচ্চাৰণ মতে লিপ্যন্তৰ নকৰি আমাৰ ভাষাৰ উচ্চাৰণ মতে কৰা হৈছে; গোলাপক 'গুলাব'; কিতাপক 'কিতাব'; গৰীবক 'ঘৰীব'; 'হিচাপ'ক 'হিচাব' আদি কৰা হোৱা নাই। একে নিয়মেৰে ইংৰাজী শব্দবোৰো আমাৰ ভাষাৰ উচ্চাৰণ মতেই লিপ্যন্তৰ কৰা যুগুত। বিদেশী ভাষাৰ শব্দ আন ভাষাৰ লোকে সদায় নিজৰ উচ্চাৰণ-বিধি অনুসাৰে উচ্চাৰণ কৰে। ইংৰাজ চাহাবসকলে অসমীয়া ভাষাৰ কাকতী, সন্দিকৈ, দুৱৰা, গুৱাহাটী আদি শব্দবোৰ তেওঁলোকৰ মতে উচ্চাৰণ কৰিছিল। ফলত সেইবোৰে কেগ্‌টি, হেন্দিক, দাওৱা, গৌহাটী আদি ৰূপ পাইছিল।

গতিকে অসমীয়া আখৰ-জোঁটনিৰ প্ৰসংগত বিদেশী শব্দৰ লিপ্যন্তৰণৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ উচ্চাৰণৰ দিশটোৰ প্ৰতি নজৰ দিব লাগে আৰু সেই নীতি সকলোৱে মানি চলিব লাগে। তাকে নকৰি প্ৰত্যেকেই নিজৰ ইচ্ছানুসৰি লিপ্যন্তৰ কৰিলে অসমীয়া আখৰ-জোঁটনিৰ সমস্যা আৰু অধিক জটিল হৈ পৰিব। অৰ্থাৎ তেতিয়া এটা ইংৰাজী শব্দৰেই দুই-তিনিটা বানানৰ ৰূপ দেখা যাব। ইতিপূৰ্বে শ্যেইক্সপীয়েৰ শব্দটোৰ উদাহৰণ দি অহা হৈছে। তাৰ উপৰি face, tape, rail আদি শব্দবোৰৰ দুই-তিনিটা বানানৰ প্ৰচলনৰ কথাও উল্লেখ কৰিব পাৰি। গতিকে বানান-ৰীতিৰ অন্যান্য দিশৰ দৰে লিপ্যন্তৰণৰ ক্ষেত্ৰতো সকলোৱে এটা সিদ্ধান্তত অৱতীৰ্ণ হৈ তাক মানি চলিব লাগে। বিদেশী শব্দৰ বানানো তাৰ ব্যতিক্ৰম হ'ব নালাগে। অসমৰ শিক্ষাসদী অনুষ্ঠান-প্ৰতিষ্ঠানবোৰে এই ক্ষেত্ৰত বিশেষ উদ্যোগ গ্ৰহণ কৰি কেতবোৰ নীতি নিৰ্ধাৰণ কৰিব লাগে। বিদেশী শব্দৰ লিপ্যন্তৰকৰণ একে হ'লে বা এটা বানানেই সকলোৱে লিখিলে লিপ্যন্তৰকৰণৰ জটিলতা বহু পৰিমণে হ্ৰাস পাব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ অসমীয়া ভাষাত বিদেশী শব্দৰ লিপ্যন্তৰকৰণ সম্পর্কে চমুকৈ আলোচনা কৰক। (150টা শব্দৰ ভিতৰত)

.....



১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষাৰ লিখিত ৰূপৰ লগত জড়িত এটা বিষয় হ'ল আখৰ-জোঁটনি। ইয়াক বানান বা বর্ণ-বিন্যাস বুলিও কোৱা হয়। অসমীয়া ভাষাত আখৰ-জোঁটনিৰ স্বৰূপ কেনে ধৰণৰ সেই বিষয়ে এই অধ্যায়টোৰ পৰা আমি জানিব পাৰিলোঁ।
- প্রত্যেক ভাষাৰ এক ইতিহাস আছে। একেদৰে লিখিত ভাষাৰ আখৰ-জোঁটনিৰো এক পৰম্পৰা আছে। অসমীয়া ভাষাৰ আখৰ-জোঁটনিও ইয়াৰ ব্যতিক্রম নহয়। ইয়াৰো এক দীঘলীয়া ইতিহাস আছে। বিৱর্তনৰ এই ইতিহাসত অসমীয়া আখৰ-জোঁটনিয়ে সময়ে সময়ে লাভ কৰা পৰিৱর্তনৰ আটাইবোৰ দিশৰ বিষয়ে এই আলোচনাৰ জৰিয়তে আমি অৱগত হ'ব পাৰিলোঁ।
- অসমীয়া আখৰ-জোঁটনি জন্মলগ্নৰে পৰা বিভিন্ন সমস্যা তথা খেলিমেলিৰে ভাৰাক্রান্ত। অসমীয়া আখৰ-জোঁটনিৰ এই জটিলতা, সমস্যা বা বিসঙ্গতিসমূহৰ আজিও ওৰ পৰা নাই। অধ্যায়টোৰ জৰিয়তে অসমীয়া আখৰ-জোঁটনিৰ সমস্যাসমূহৰ বিষয়ে বিতংকৈ জানিব পাৰিলোঁ। তাৰ লগে লগে এই সমস্যাসমূহ দূৰীকৰণত সহায় কৰিব পৰা সম্ভাব্য উপায়সমূহৰ বিষয়েও অৱগত হ'লোঁ। মুঠ কথাত এইটো অধ্যায়টোৰ জৰিয়তে আমি অসমীয়া আখৰ-জোঁটনিৰ সমস্যা আৰু তাৰ সমাধানৰ আটাইবোৰ কথাৰ সম্যক জ্ঞান লাভ কৰিবলৈ সমর্থ হ'লোঁ।
- আন ভাষাৰ দৰে অসমীয়া ভাষাতো যথেষ্ট সংখ্যক বিদেশী শব্দৰ প্রয়োগ আছে। সেই শব্দসমূহ অসমীয়া ভাষাত অসমীয়া আখৰেৰে লিপ্যন্তৰ কৰি লিখা হয়। গতিকে লিপ্যন্তৰকৰণ কি, লিপ্যন্তৰ কেনেকৈ কৰা হয়, অসমীয়া ভাষাত বিদেশী শব্দৰ লিপ্যন্তৰকৰণৰ সমস্যাবোৰ কেনে ধৰণৰ, তাৰ বিষয়ে আমি এই অধ্যায়টোৰ জৰিয়তে খৰচি মাৰি জানিবলৈ সক্ষম হ'লোঁ।
- পৰিশেষত এই অধ্যায়টোৰ জৰিয়তে আমি অসমীয়া আখৰ-জোঁটনি বা বর্ণ-বিন্যাস বা বানান-ৰীতি সম্বন্ধে এক সামগ্রিক ধাৰণা লাভ কৰিব পাৰিলোঁ।



১৩.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

1] গোস্বামী, গোলোকচন্দ্ৰ, 2010 ঃ *অসমীয়া আখৰ জোঁটনিৰ সমীক্ষা* ।

2] গোস্বামী, গোলোকচন্দ্ৰ, 2014 ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*।বীণা লাইব্ৰেৰী। গুৱাহাটী।

3] ডেকা, খগেশ সেন, 2017 ঃ *ব্যাকৰণ ঃ তত্ত্ব আৰু তাত্ত্বিক*। বান্ধৱ, গুৱাহাটী।

4] ডেকা, খগেশ সেন, 2019 ঃ "অসমীয়া ভাষাত বিদেশী শব্দৰ বানান"। *মুক্ত চিন্তা* (যুক্তি বিকাশ সমিতি, অসমৰ অনলাইন আলোচনী, muktosinta.org.)

5] নেওগ, মহেশ্বৰ, 1999 ঃ *নিকা অসমীয়া ভাষা* । লয়ার্ছ বুক ষ্টল, গুৱাহাটী।

6] পাঠক, ৰমেশ, 1988 ঃ *ব্যাকৰণ আৰু প্ৰাকৃতি বিজ্ঞান* । বীণা লাইব্ৰেৰী, গুৱাহাটী।

7] পাঠক, ৰমেশ, 2014 ঃ *অসমীয়া ভাষাৰ ইতিহাস* । অশোক বুক ষ্টল, গুৱাহাটী।

8] বৰুৱা, হেমচন্দ্ৰ, 1995 ঃ *অসমীয়া ভাষাৰ ব্যাকৰণ* । অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়।

9] বৰ্মন, শিৱনাথ, 2015 ঃ *অসমীয়া আখৰ জোঁটনিৰ কথা* । বনলতা, গুৱাহাটী।

10] মেধি, কালিৰাম, 1999 ঃ *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব* । লয়ার্ছ বুক ষ্টল, গুৱাহাটী।

11] *অসমীয়া আখৰ জোঁটনি আৰু লিপ্যন্তৰ পদ্ধতি* । গুৱাহাটী বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।

অভিধান ঃ

1] বৰুৱা, হেমচন্দ্ৰ, 1985 ঃ *হেমকোষ*।



১৩.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ আখৰ জোঁটনি মানে কি? অসমীয়া আখৰ জোঁটনিৰ স্বৰূপ...ইত্যাদি সম্পৰ্কে আলোচনা কৰক।

২নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া আখৰ জোঁটনিৰ ক্ৰমবিকাশ... ভূমিদানৰ তামৰ ফলি... চৰ্যাগীত... শ্ৰীকৃষ্ণ কীৰ্ত্তন... হেম সৰস্বতীকে ধৰি প্ৰাচীন যুগৰ আখৰ-জোঁটনি... অৰুণোদইৰ খ্ৰীষ্টান মিছনেৰীসকলৰ আখৰ জোঁটনি...হেমচন্দ্ৰ বৰুৱাৰ আখৰ-জোঁটনি ইত্যাদি সম্পৰ্কে বুজাই লিখক।

৩নং প্ৰশ্নৰ উত্তৰ ঃ আখৰ জোঁটনিৰ সমস্যা... মূল কাৰণ... কি কি সমস্যা আছে... ইত্যাদি কথা একাদিক্ৰমে উল্লেখ কৰক।

৪নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া আখৰ-জোঁটনিৰ সমস্যা সমাধানৰ উপায়বোৰ কি কি... ফঁহিয়াই দেখুৱাওক।

৫নং প্ৰশ্নৰ উত্তৰ ঃ লিপ্যন্তৰকৰণ কি... অসমীয়া ভাষাত বিদেশী শব্দৰ লিপ্যন্তৰকৰণৰ সমস্যা... সিবোৰৰ সমাধানৰ উপায় আদি বিশ্লেষণ কৰি দেখুৱাওক।



১৩.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ আখৰ-জোঁটনি মানে কি সেই বিষয়ে চমুকৈ বুজাই লিখক।

প্ৰশ্ন ২ ঃ অসমীয়া আখৰ-জোঁটনিৰ ক্ৰমবিকাশ সম্পৰ্কে এটি চমু আলচ যুগুত কৰক।

প্ৰশ্ন ৩ ঃ অসমীয়া ভাষাৰ প্ৰাচীন যুগৰ আখৰ-জোঁটনিৰ বৈশিষ্ট্যসমূহ চমুকৈ উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ অৰুণোদই যুগৰ আখৰ-জোঁটনিৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি বুজাই লিখক।

প্ৰশ্ন ৫ ঃ হেমচন্দ্ৰ বৰুৱাৰ আখৰ-জোঁটনিৰ এক চমু পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ৬ ঃ অসমীয়া আখৰ-জোঁটনিৰ প্ৰধান সমস্যাসমূহ কি কি বিৱৰি আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ অসমীয়া আখৰ-জোঁটনিৰ সমস্যাসমূহ সমাধানৰ কিবা উপায় আছেনে? সেই বিষয়ে এক চমু আলচ যুগুত কৰক।

প্ৰশ্ন ৮ ঃ লিপ্যন্তৰকৰণ বুলিলে কি বুজায়? লিপ্যন্তৰকৰণৰ লগত জড়িত কি কি সমস্যা আছে বিশ্লেষণ কৰি দেখুৱাওক।

প্ৰশ্ন ৯ ঃ অসমীয়া ভাষাত বিদেশী শব্দৰ লিপ্যন্তৰকৰণ কেনেকৈ কৰা হয় সেই সম্পৰ্কে এক থূলমূল আলোচনা দাঙি ধৰক।

প্ৰশ্ন ১০ ঃ অসমীয়া আখৰ-জোঁটনিৰ সকলো দিশ সামৰি এটি প্ৰবন্ধ যুগুত কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ বিজ্ঞান, প্রযুক্তি আৰু অসমীয়া ধ্বনি, ধ্বনিৰ উচ্চাৰণগত দিশ আৰু লেখনৰ দিশত বিজ্ঞান আৰু প্রযুক্তিৰ প্রায়োগিক দিশ

অধ্যায় গাঁথনি

14.1 উদ্দেশ্য

14.2 পৰিচয়

14.3 বিজ্ঞান-প্রযুক্তি আৰু অসমীয়া ধ্বনি

- 14.3.1 ধ্বনিবিজ্ঞানৰ পৰিচয় আৰু ইয়াৰ বিভাগসমূহ
- 14.3.2 তৰংগ ধ্বনিবিজ্ঞানৰ প্রয়োজনীয়তা
- 14.3.3 তৰংগ ধ্বনিবিজ্ঞানৰ সহায়ত বাগধ্বনিৰ বৈশিষ্ট্য নির্ণয়
- 14.3.4 ধ্বনিবিজ্ঞান অধ্যয়নত ব্যৱহৃত বিভিন্ন যন্ত্র-পাতি আৰু শেহতীয়া অগ্রগতি

14.4 অসমীয়া ভাষাৰ লেখনৰ দিশত বিজ্ঞান আৰু প্রযুক্তিৰ ব্যৱহাৰ

- 14.4.1 কম্পিউটাৰ আৰু অসমীয়া ভাষা লেখন সঁজুলি
- 14.4.2 ইউনিক'ড
- 14.4.3 অসমীয়া অনলাইন আৰু চফ্টৱেৰ অভিধান ইত্যাদি

14.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

14.6 অধিক জানিবলৈ

14.7 অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

14.8 আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ধ্বনিবিজ্ঞানৰ পৰিচয় আৰু ইয়াৰ বিভাগবোৰৰ সম্পর্কে জ্ঞাত হ'ব
- ধ্বনিৰ অধ্যয়নত বিজ্ঞান আৰু প্রযুক্তিৰ প্রয়োগ আৰু প্রয়োজনীয়তা সম্পর্কে অৱগত হ'ব
- তৰংগ ধ্বনিবিজ্ঞানৰ সহায়ত কেনেদৰে বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনিৰ গুণাগুণ নির্ণয় কৰা হয়, সেয়া জানিব পাৰিব
- ধ্বনিবিজ্ঞান অধ্যয়নত বিভিন্ন যন্ত্রপাতি আৰু শেহতীয়া অগ্রগতি সম্পর্কে জানিব পাৰি
- কম্পিউটাৰত অসমীয়া লেখন সঁজুলি সম্পর্কে জানিব পাৰিব
- ইউনিক'ড কি অৱগত হ'ব

- অসমীয়া অনলাইন আৰু ছফট্‌ৱেৰ অভিধান সম্পর্কে জানিব পাৰিব।

১৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া পাঠ্যক্রমৰ প্রথম যাণ্মাসিকৰ অন্তর্গত শিক্ষার্থীৰ বাবে আগবঢ়োৱা তৃতীয় ঐচ্ছিক পাঠ্যবিষয় 'ধ্বনিবিজ্ঞান অসমীয়া ধ্বনিতত্ত্ব' এইটো চতুর্দশ অধ্যায়। এই অধ্যায়ত অসমীয়া ধ্বনিৰ উচ্চাৰণগত আৰু লেখনগত দিশত বিজ্ঞান প্রযুক্তিৰ প্রয়োগ সম্পর্কে আলোচনা কৰা হৈছে।

১৪.৩ বিজ্ঞান-প্রযুক্তি আৰু অসমীয়া ধ্বনি

ভাষাৰ মূলতে হৈছে মানুহৰ বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত ধ্বনি। ভাষা হৈছে মানুহৰ বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰিত যাদৃচ্ছিক ধ্বনি প্রতীকৰ অর্থবহ পদ্ধতি, যাৰ বিশেষ বিশেষ জনসষ্টিয়ে পাৰস্পৰিক ভাবৰ আদান-প্রদান কৰে। ভাষাত উচ্চাৰিত ধ্বনি প্রতীকবোৰক প্রণালীবদ্ধভাৱে সজোৱা হয়। পৃথিৱীৰ সকলো ভাষাতে ধ্বনি প্রতীকবোৰ সজোৱাৰ এটা সুনির্দিষ্ট প্রণালী। ধ্বনি সংযোগৰ প্রণালীৰ উপৰি ভাষাৰ ৰূপ সংযোগ, বাক্য গঠন প্রণালী আৰু অর্থ প্রণালীৰ ক্ষেত্রতো সুকীয়া সুকীয়া নিয়ম আছে। অন্যথা ভাষা গঢ় লৈ উঠিব নোৱাৰে।

পৃথিৱীৰ ভিন্ন ঠাইৰ ভিন্ন জনসমষ্টিৰ মাজত প্রচলিত ভাষাসমূহৰ বিজ্ঞানসন্মত আলোচনাই হৈছে ভাষাবিজ্ঞান। ভাষা যিহেতু প্রণালীবদ্ধ আৰু সুনির্দিষ্ট নিয়মাবদ্ধ, গতিকে ভাষাবিজ্ঞানৰ সহায়ত মানৱ ভাষাত থকা ভাষাৰ সার্বজনীন ৰূপবোৰ বিচাৰি উলিয়াই এইবোৰৰ প্রণালীবদ্ধ আৰু বিধিসন্মতভাৱে বিচাৰ কৰা হয়। অন্যান্য বিজ্ঞান, যেনে— পদার্থবিজ্ঞান, ৰসায়ন বিজ্ঞান, শৰীৰ বিজ্ঞান আদিৰ দৰে ভাষাবিজ্ঞানেও ভাষা সামগ্রীৰ প্রমাণ, অনুমান আৰু নিৰীক্ষণ আদি পদ্ধতি অনুসৰণ কৰি এটা সিদ্ধান্ত গ্রহণ কৰে।

বর্তমান সময়ত বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ প্রয়োগে অধ্যয়নৰ ক্ষেত্রসমূহলৈ যি চমকপ্রদ সফলতা আনি দিছে, ভাষা অধ্যয়ন ক্ষেত্রখনো বিজ্ঞান-প্রযুক্তিৰ প্রয়োগত পিছ পৰি ৰোৱা নাই। আন আন ক্ষেত্রৰ বিজ্ঞানী এজনৰ দৰে ভাষা বিজ্ঞানী এজনেও ভাষাৰ তথ্যসমূহ (যেনে— ধ্বনি, শব্দ, বাক্য) নির্ভুল ৰূপত সংগ্রহ কৰিবলৈ বিভিন্ন যন্ত্রপাতিৰ সহায় লয়।

সূচক আৰু সংবাদদাতাৰ পৰা সংগ্রহ কৰা সামগ্রীখিনিৰ অর্থাৎ ধ্বনি, ৰূপ, বাক্য আদিৰ শুদ্ধ ৰূপ পাবলৈ টেপৰেকর্ডাৰ পুনঃ পুনঃ নিৰীক্ষণ কৰে। এনেদৰে সামগ্রীবোৰৰ উচ্চাৰণ আৰু বিশ্লেষণৰ সত্যতা প্রমাণ কৰিবলৈ কাণেৰে শুনা, ধ্বনি লিপিৰে লিখি উলিওৱা আদি যন্ত্রৰ সহায়ত পৰীক্ষা-নিৰীক্ষা চলোৱা হয়। তদুপৰি ভাষা অধ্যয়নৰ বাবে গৱেষণাগাৰো প্রতিষ্ঠিত হৈছে আৰু এইবোৰত নানান যন্ত্রপাতিৰ সহায়ত ভাষা বিশ্লেষণ কৰা হয়। ধ্বনি অধ্যয়নৰ বাবে স্পেক্টোগ্রাফ (Spectograph), অ'ছিলোগ্রাফ (Osillograph), কাইমোগ্রাফ (Kymograph), লেৰিঙ্গোস্কোপ (Laryngoscope), অটোফনোস্কোপ (Autophonoscope), মাইঙ্গোগ্রাফ (Mingograph), এনডোস্কোপ (Endoscope), চোন'গ্রাফ (Sonograph), ব্রেথিংফ্লাস্ক (Breathing floask), পিটচমিটাৰ (Pitchmeter),

আদি নানা ধৰণৰ যন্ত্রপাতিৰ সহায়ত অন্যান্য বিজ্ঞানৰ দৰে গৱেষণাগাৰত বিজ্ঞানৰ দৰে ভাষা সম্পর্কে অধ্যয়ন চলাই ভাষা এটাৰ পূর্ণাঙ্গ, শুদ্ধ, সত্য বিৱৰণ দাঙি ধৰে. সেয়েহে ভাষাৰ অধ্যয়নক বিজ্ঞানৰ শ্রেণীভুক্ত কৰি 'ভাষাবিজ্ঞান' বোলা হৈছে।

১৪.৩.১ ধ্বনিবিজ্ঞানৰ পৰিচয় আৰু ইয়াৰ বিভাগসমূহ

আমি বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰণ কৰা আৰু ভাষাত ব্যৱহাৰ হোৱা ধ্বনিসমূহৰ বিজ্ঞানসন্মত অধ্যয়নকে ধ্বনিবিজ্ঞান বোলে। ধ্বনিৰ উৎপাদন, সংবহন আৰু গ্রহণ এই তিনিটা দিশৰ ওপৰত ধ্বনিবিজ্ঞানত আলোচনা কৰা হয়। ধ্বনি অধ্যয়নৰ এই তিনিটা বিশেষ দৃষ্টিকোণৰ প্রকৃতি আৰু স্বৰূপলৈ লক্ষ্য ৰাখি ধ্বনিবিজ্ঞানক তিনিটা ভাগত ভাগ কৰা হৈছে—

(ক) উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান (Articulatory Phonetics)

(খ) তৰংগ ধ্বনিবিজ্ঞান (Acoustic Phonetics)

(গ) শ্রৱণাত্মক বা শ্রুত ধ্বনিবিজ্ঞান (Auditory Phonetics)

(ক) উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান ঃ ধ্বনিবিজ্ঞানৰ এই শাখাত বাগিন্দ্রিয়সমূহৰ বর্ণনা, ধ্বনিসমূহৰ উচ্চাৰণৰ স্থান, প্রকাৰ, কৌশল আদি অনুসৰি ধ্বনিসমূহৰ শ্রেণীবিভাজন কৰা হয়।

(খ) তৰংগ ধ্বনিবিজ্ঞান ঃ ধ্বনিবিজ্ঞানৰ এই শাখাত বাগধ্বনিসমূহৰ ভৌতিক গুণ সম্পর্কে আলোচনা কৰা হয়। বক্তাৰ পৰা শ্রোতালৈ ঘটা বাগধ্বনিৰ পৰিক্রমণ দৰাচলতে বায়ুৰ মাধ্যমত সাধিত হয়। হাওঁফাওঁৰ দ্বাৰা নির্গমিত বায়ুপ্রবাহ উচ্চাৰণকৰণ আৰু উচ্চাৰণ স্থানৰ দ্বাৰা নিয়ন্ত্রিত হৈ যি ধ্বনিৰ সৃষ্টি কৰে সেই ধ্বনি মুখ বিবৰ তথা নাসিকা বিৱৰৰ মাজেদি নির্গত হৈ বাহিৰৰ বায়ুমণ্ডলত কিছুমান বিশেষ বিশেষ চাপৰ সৃষ্টি কৰে। এই চাপ সৃষ্টি কৰা কার্যকে ধ্বনিৰ সাংবহনিক প্রক্রিয়া বোলে। ধ্বনিৰ সাংবহনিক প্রক্রিয়াত ধ্বনি তৰংগসমূহে বিশেষ ভূমিকা গ্রহণ কৰে আৰু তেনে ধ্বনি তৰংগসমূহৰ ভৌতিক বৈশিষ্ট্যসমূহ ধ্বনিবিজ্ঞানৰ যিটো শাখাত অধ্যয়ন কৰা হয়, সেই শাখাটোৱেই তৰংগ ধ্বনিবিজ্ঞান।

(গ) শ্রৱণাত্মক বা শ্রুত ধ্বনিবিজ্ঞান ঃ বাগিন্দ্রিয়ৰ দ্বাৰা উচ্চাৰণ কৰা ধ্বনিয়ে বায়ুমণ্ডলত যি তৰংগৰ সৃষ্টি কৰে, সেই ধ্বনি তৰংগই সংবহিত হৈ মানুহৰ শ্রৱণ কেন্দ্রত প্রৱেশ কৰি কাণৰ পর্দাত খুন্দা মাৰে আৰু সেই ধ্বনি তৰংগ বিশেষ বিশেষ স্নায়ুতন্ত্রৰ মাজেৰে প্রবাহিত হৈ আমাৰ মগজুত প্রৱেশ কৰে আৰু তেতিয়াই মানুহে সেই ধ্বনি শুনিবলৈ পায়। কাণৰ পর্দাত খুন্দা মৰাৰ পৰা আৰম্ভ কৰি মগজুৰ বিশেষ কোষত প্রৱেশ কৰি অর্থ বোধগম্য হোৱালৈকে এই সমগ্র প্রক্রিয়া ধ্বনিবিজ্ঞানৰ যিটো শাখাত অধ্যয়ন কৰা হয় তাকেই শ্রৱণাত্মক ধ্বনিবিজ্ঞান আৰু শ্রুত ধ্বনিবিজ্ঞান বোলা হয়। ধ্বনিবিজ্ঞানৰ বিষয়বস্তু অত্যন্ত জটিল। বাগধ্বনিৰ দ্বাৰা সৃষ্ট ধ্বনি তৰংগসমূহে শ্রোতাৰ

কাণৰ পর্দাত খুন্দা মৰাৰ পৰাই বক্তাই উচ্চাৰণ কৰা বাগধ্বনিৰ অনুধাৱন প্রক্রিয়া আৰম্ভ হোৱা বুলি ধৰা হয়। শ্রোতাৰ মনত অনুধাৱন অর্থাৎ বোধ সৃষ্টি হোৱালৈকে ঘটা সমস্ত প্রক্রিয়াক প্রৱণাত্মক ধ্বনিবিজ্ঞানে সামৰি লয়। প্রকৃততে শ্রৱণাত্মক ধ্বনিবিজ্ঞানৰ আলোচ্য বিষয়সমূহ এক জটিল স্নায়ু-বৈজ্ঞানিক প্রক্রিয়াৰ ভিতৰুৱা।

ওপৰত আলোচিত ধ্বনিবিজ্ঞানৰ তিনিটা শাখাৰ ভিতৰত তৰংগ ধ্বনিবিজ্ঞান আৰু শ্রৱণাত্মক ধ্বনিবিজ্ঞানত ভাষাবিজ্ঞানীসকলে বিভিন্ন যন্ত্রপাতি, প্রযুক্তি আদিৰ সহায় লয়।

১৪.৩.২ তৰংগ ধ্বনিবিজ্ঞানৰ প্রয়োজনীয়তা

তৰংগ ধ্বনিবিজ্ঞান তথা বিভিন্ন ভাষাৰ তৰংগ ধ্বনি তত্ত্বই সাম্প্রতিক কালত কেৱল ভাষাবৈজ্ঞানিক তত্ত্ব আৰু ভাষা অধ্যয়নৰ মাজতেই সীমাবদ্ধ হৈ থকা নাই। তৰংগ ধ্বনিবিজ্ঞানে ব্যাৱহাৰিক পদার্থবিজ্ঞানৰ তত্ত্ব, পৰিসংখ্যা বিজ্ঞান আৰু অংক শাস্ত্রৰ সহায়ত ভাষা-প্রযুক্তি তথা যোগাযোগ প্রযুক্তিৰ উপৰি কম্পিউটাৰ জগতৰ বিভিন্ন দিশত প্রভূত অৰিহণা যোগাইছে। ইয়াৰ উপৰি সাধাৰণ ধ্বনিতত্ত্ব, সমাজ ভাষাবৈজ্ঞানিক অধ্যয়ন, মনোভাষা বৈজ্ঞানিক অধ্যয়ন-গৱেষণা, ধ্বনি উচ্চাৰণৰ সমস্যা আদি বিভিন্ন ক্ষেত্রৰ অধ্যয়ন আৰু গৱেষণা কার্যত তৰংগ ধ্বনিবিজ্ঞান অপৰিহার্য হিচাপে বিবেচিত হৈছে। ধ্বনিৰ পৰিৱর্তন, ধ্বনি সংযোগ, সমাজ ভাষাবৈজ্ঞানিক পার্থক্য এইবোৰৰ প্রকৃতি আৰু কাৰণ আদি বিভিন্ন অৱস্থা আৰু পৰিঘটনাৰ মাজেৰে আগবাঢ়ি যোৱা ভাষাৰ বৈশিষ্ট্য অধ্যয়নৰ জটিলতাসমূহৰ সৈতে মুখামুখি হ'বলৈ তৰংগ ধ্বনিবিজ্ঞানে যথেষ্ট সহায় কৰে।

তৰংগ ধ্বনিবিজ্ঞানৰ সহায়ত বাগধ্বনিৰ তৰংগসমূহৰ ভৌতিক গুণসমূহ তথা বৈশিষ্ট্যসমূহৰ বিশ্লেষণ কৰি ধ্বনিগুণ বিচাৰ কৰা উপৰি বাগিন্দ্রিয়ৰ সঞ্চালনা বৈশিষ্ট্যও নির্ণয় কৰা হয়। গতিকে কেৱল ধ্বনি তৰংগৰ বৈশিষ্ট্য নির্ণয়তেই তৰংগ ধ্বনিবিজ্ঞানৰ প্রয়োজনীয়তা সীমাবদ্ধ নহয়। উচ্চাৰণাত্মক ধ্বনিবিজ্ঞানৰ বিষয়ে অধ্যয়ন কৰিবলৈও তৰংগ ধ্বনিবিজ্ঞানৰ সহায়তাৰ প্রয়োজন। ইয়াৰ উপৰি তৰংগ ধ্বনিবিজ্ঞানৰ সহায়ত ভাষাৰ সামাজিক বিভিন্নতা, যেনে— পুৰুষ-মহিলা, বিভিন্ন বিষয়ৰ লোকে প্রয়োগ কৰা ভাষাৰ ধ্বনিতাত্ত্বিক বিভিন্নতা আৰু তাৰ বৈশিষ্ট্য, ভাষা প্রয়োগৰ বিভিন্ন পৰিৱেশ, সামাজিক-সাংস্কৃতিক পার্থক্য আদিৰ বিষয়ে আলোচনা কৰা হয়। সেয়েহে তৰংগ-ধ্বনিবিজ্ঞানক বাদ দি বর্তমান সময়ত ভাষাবৈজ্ঞানিক অধ্যয়নে পূর্ণতা পাব নোৱাৰে। সেইদৰে প্রয়োগ ভাষা-বিজ্ঞানৰ বিভিন্ন দিশৰ অধ্যয়নতো তৰংগ ধ্বনিবিজ্ঞানে বিশেষভাৱে অৰিহণা যোগায়। উদাহৰণস্বৰূপে, ভাষা শিকণ আৰু ভাষা শিক্ষণৰ বাবে বিভিন্ন সঁজুলি প্রস্তুত কৰাৰ ক্ষেত্রত তৰংগ ধ্বনিবিজ্ঞানে বিশেষভাৱে

সহায় কৰিছে। সেইদৰে বৰ্তমান সময়ত সামাজিক, সাংস্কৃতিক, অর্থনৈতিক আদি বিভিন্ন কাৰণত সমাজৰ প্রায়বোৰ লোকেই বহুভাষিক হৈ পৰিছে বা হ'বলৈ বাধ্য হৈছে। বহু ভাষিক পৰিস্থিতিত ভাষাৰ কথ্যৰূপ আৰু উচ্চাৰণৰ গুৰুত্ব অপৰিসীম। তৰংগ ধ্বনিবিজ্ঞানৰ অধ্যয়ন আৰু প্রসাৰে ভাষা শিকন আৰু শিক্ষণত যথেষ্ট গুৰুত্বপূর্ণ ভূমিকা ল'ব পাৰে।

বর্তমান সময়ত ভাষাৰ ব্যৱহাৰিক আৰু বিদ্যায়তনিক ক্ষেত্রৰ ক্ষীপ্র পৰিৱর্তন আৰু পৰিবর্দ্ধন হ'ব ধৰিছে। পূর্বতে ভাষাৰ প্রয়োগ কথিত ৰূপত আছিল আৰু লেখন পদ্ধতি আৱিষ্কাৰ হোৱাৰ পাছত লিখিত ৰূপত লাভ কৰা তথ্যৰ ভাষাৰ বিশ্লেষণ আৰু অধ্যয়ন কৰা হৈ আহিছে আৰু যোগাযোগৰ মাধ্যম ৰূপে কথিত আৰু লিখিত ৰূপৰ বিৱর্তন ঘটি আহিছে। বিভিন্ন বৈদ্যুতিন মাধ্যম আৰু নানা তৰহৰ যন্ত্রপাতিৰ আৱিষ্কাৰে মানৱ জীৱনত ভাষাৰ প্রায়োগিক দিশৰ অভাৱনীয় পৰিৱর্তন সাধন কৰিছে। এতিয়া ভাষাৰ মাজেৰে মানুহৰ সৈতে মানুহৰ যোগাযোগৰ উপৰি যন্ত্রৰ সৈতে মানুহৰ যোগাযোগ, ভাষাৰ যান্ত্রিক প্রয়োগ আদিয়ে ভাষাৰ ব্যাৱহাৰিক ক্ষেত্রৰ চৰিত্রই সলনি কৰি পেলাইছে। ভাষাৰ এনে বিবিধ প্রয়োগক্ষেত্রত যান্ত্রিক বিশ্লেষণ প্রণালীৰ প্রয়োজনীয়তা বৃদ্ধি লৈ চাই এই প্রয়োজনীয়তা পূৰণত তৰংগ ধ্বনিবিজ্ঞানে বিশেষ অৱিহণা আগবঢ়াইছে। ইয়াৰ বাহিৰেও ভাষা প্রযুক্তিৰ জগতখনত প্রয়োগ হোৱা বিভিন্ন সঁজুলি যেনে— পাঠকৰ পৰা কথ্যৰূপ (Text to Speech), ভাষাৰ কথ্যৰূপৰ চিনাক্তকৰণ (Speech Recognition), কথ্য অভিধান (Talking Dictionary), ধ্বনি-লিপ্যন্তৰণ সঁজুলি (Phonetic Transcription tool) আদি প্রস্তুত কৰি উলিয়াবলৈ তৰংগ ধ্বনিবিজ্ঞানৰ গৱেষণা অপৰিহার্য।

১৪.৩.৩ তৰংগ ধ্বনিবিজ্ঞানৰ সহায়ত বাগ্ধ্বনিৰ বৈশিষ্ট্য নির্ণয়

আধুনিক ভাষাবিজ্ঞানৰ অধ্যয়নত ধ্বনিবিজ্ঞানৰ অন্তর্গত তৰংগ ধ্বনিবিজ্ঞানৰ গুৰুত্ব ভাষা আৰু প্রযুক্তিবিদ্যাৰ লগতে চিকিৎসা বিজ্ঞান, অপৰাধ বিজ্ঞান, নৃতত্ত্ব, সংস্কৃতি আদি বিভিন্ন ক্ষেত্রলৈ বিস্তাৰিত হোৱা দেখা গৈছে। তৰংগ ধ্বনিবিজ্ঞানৰ প্রধান আলোচ্য বিষয় হৈছে— বাগধ্বনিৰ ভৌতিক বৈশিষ্ট্য বিশ্লেষণ কৰা। বাগধ্বনিয়ে বায়ুমণ্ডলত সৃষ্টি কৰা ধ্বনি তৰংগসমূহৰ মৌলিক কম্পনাংক (frequency), ফৰমেণ্ট (formant) সুৰাঘাত (Pitch), তৰংগ বিস্তাৰ (amplitude), ধ্বনি তৰংগৰ কালাৱর্ত (Cycle of sound wave) কালাংশ (Pesiod), তৰংগদৈর্ঘ্য (Wave length) ইত্যাদি বিশ্লেষণ কৰি বাগধ্বনিৰ বৈশিষ্ট্য নির্ণয় কৰাই তৰংগ ধ্বনিবিজ্ঞানৰ মুখ্য আলোচ্য বিষয়।

ধ্বনি তৰংগৰ ভৌতিক বৈশিষ্ট্যৰ আধাৰত ভাষাত প্রয়োগ হোৱা বাগধ্বনিৰ বিভিন্ন ধ্বনিতাত্ত্বিক আৰু ধ্বনিবৈজ্ঞানিক গুণ নির্ণয় কৰিব পাৰি। যেনে—

(ক) বাগধ্বনিৰ উৎপাদনত ধ্বনি তৰংগৰ বৈশিষ্ট্য

(খ) বাগধ্বনি উচ্চাৰণৰ স্থান আৰু ধৰণ

(গ) বিভাজ্য বা আনুক্ৰমিক ধ্বনি (বৰ্ণ আৰু উপবৰ্ণ বা উপধ্বনি)

(ঘ) অবিভাজ্য বা উপাহিত ধ্বনি, যেনে— সুৰ, সুৰাঘাত, শ্বাসাঘাত, সুৰলহৰ ইত্যাদি।

(ক) বাগধ্বনিৰ উৎপাদনত ধ্বনি তৰংগৰ বৈশিষ্ট্য ঃ তৰংগ ধ্বনিবিজ্ঞানৰ সহায়ত বাগধ্বনিৰ কেৱল ভৌতিক গুণসমূহৰ উপৰিও বক্তাৰ মানসিক অৱস্থা, বক্তাভেদে প্ৰকাশ পোৱা ভাষিক আৰু ঔপভাষিক বিভিন্নতা, বক্তাৰ বাগিন্দ্ৰিয়ৰ আকৃতি, বাগধ্বনিৰ উচ্চাৰণাত্মক বৈশিষ্ট্য ইত্যাদি বিভিন্ন দিশ বিশ্লেষণ কৰি উলিয়াব পাৰি। বায়ুমণ্ডলৰ মাজেৰে প্ৰবাহিত প্ৰতিটো ধ্বনি তৰংগৰে নিজস্ব বৈশিষ্ট্য থাকে। আৰু তৰংগ ধ্বনিবিজ্ঞানে মূলতঃ বায়ুৰ মাজেৰে প্ৰবাহিত ধ্বনি তৰংগৰ বৈশিষ্ট্য অধ্যয়ন কৰে। এই বৈশিষ্ট্য নিৰ্ণয়ৰ জৰিয়তে ধ্বনি একোটাৰ গুণসমূহৰ ভৌতিক লক্ষণ জানিব পাৰি।

(খ) বাগধ্বনি উচ্চাৰণৰ স্থান আৰু ধৰণ ঃ উচ্চাৰণাত্মক ধ্বনিবিজ্ঞানত বাগিন্দ্ৰিয়ৰ কাৰ্য, বাগধ্বনিৰ উচ্চাৰণত বায়ুপ্ৰবাহৰ ভূমিকা আদিৰ বিষয়ে অধ্যয়ন কৰে। তৰংগ ধ্বনি বিজ্ঞানত যদিও বায়ুমণ্ডলত বিয়পি পৰা ধ্বনি তৰংগৰ বিষয়ে অধ্যয়ন কৰা হয়, তথাপি এই অধ্যয়নৰ জৰিয়তে একোটা বাগধ্বনিৰ উচ্চাৰণৰ স্থান, উচ্চাৰণৰ ধৰণ আদিৰ বিষয়েও সুস্পষ্টভাৱে জানিব পাৰি। উদাহৰণ স্বৰূপে, 'ফৰমেণ্ট' বিশ্লেষণৰ দ্বাৰা আমি স্বৰধ্বনিৰ উচ্চাৰণত জিভাৰ অৱস্থান, ওঁঠৰ আকৃতি, ব্যঞ্জন ধ্বনিৰ উচ্চাৰণৰ স্থান, ঘোষত্ব-অঘোষত্ব, অল্পপ্ৰাণতা, মহাপ্ৰাণতা আদিৰ বিষয়ে স্পষ্টভাৱে জানিব পাৰোঁ। গতিকে উচ্চাৰণাত্মক ধ্বনি বিজ্ঞানৰ বিষয়বস্তুও তৰংগ ধ্বনিবিজ্ঞানে সুস্পষ্টভাৱে দাঙি ধৰিব পাৰে।

(গ) বিভাজ্য বা আনুক্ৰমিক ধ্বনি (বৰ্ণ আৰু উপবৰ্ণ বা উপধ্বনি) ঃ বিভাজ্য বা আনুক্ৰমিক ধ্বনিসমূহকেই ভাষা একোটাৰ প্ৰধান বা মুখ্য ধ্বনি বুলি গণ্য কৰা হ'য়। ভাষাত ব্যৱহাৰ হোৱা স্বৰ আৰু ব্যঞ্জন ধ্বনিসমূহকেই বিভাজ্য ধ্বনি বোলা হয়। এই ধ্বনিসমূহৰ তৰংগ ধ্বনিবৈজ্ঞানিক বৈশিষ্ট্য নিৰ্ণয় কৰি তাৰ প্ৰকৃত ধ্বনিগুণ বিচাৰ কৰাই তৰংগ ধ্বনিবিজ্ঞানৰ লক্ষ্য। বিভিন্ন পৰিবেশত স্বৰ আৰু ব্যঞ্জন ধ্বনিসমূহৰ ধ্বনি গুণৰ পৰিৱৰ্তন ঘটে। প্ৰায়োগিক ক্ষেত্ৰখনত এই পৰিৱৰ্তিত ৰূপবোৰকেই আমি উপবৰ্ণ বা উপধ্বনি বুলি কওঁ। বহু ক্ষেত্ৰত স্বৰ আৰু ব্যঞ্জন ধ্বনিসমূহৰ প্ৰায়োগিক বৈশিষ্ট্য উচ্চাৰণাত্মক ধ্বনিবিজ্ঞানৰ সূত্ৰৰ সহায়ত নিৰ্ণয় কৰাত যথেষ্ট আহুকালৰ সৃষ্টি হয়। বিশেষকৈ ভাষা এটাৰ মৌখিক প্ৰকাশত ধ্বনিসমূহ অতি ক্ষীপ্ৰভাৱে উচ্চাৰণ কৰা হয়। তেনে অৱস্থাত, অৰ্থাৎ শব্দ আৰু বাক্যৰ মাজৰ পৰা ধ্বনিসমূহৰ উচ্চাৰণ বৈশিষ্ট্য নিৰ্ণয় কৰাত আমাৰ শ্ৰৱণেন্দ্ৰিয়ই ভুল কৰাৰ সম্ভাৱনা থাকে। এনে ক্ষেত্ৰত তৰংগ

ধ্বনিবিজ্ঞানৰ সূক্ষ্ম বিশ্লেষণে আমাক সহায় কৰিব পাৰে। অসমীয়া ভাষাৰ দুটা শব্দৰ সহায়ত ইয়াক দেখুৱাব পাৰি—

1। কাল (ক্ ÙÂ আ ÙÂ ল)

2। কিল (ক্ ÙÂ ই ÙÂ ল্)

ওপৰত উল্লেখ কৰা প্রথমটো শব্দৰ ë ক ÿ ৰ পাছত স্বৰধ্বনি ëÂ আ ÿ আছে। উচ্চাৰণাত্মক দৃষ্টিৰে ëÂ ক ÿ ৰ পাছত নিম্ন কেন্দ্রীয় স্বৰধ্বনি আছে বাবে 1নং শব্দৰ উচ্চাৰণ পশ্চতালব্য হ'ব। কাৰণ ëÂ আ ÿ স্বৰধ্বনিটোৱে ëÂ ক ÿ ধ্বনিটোৰ উচ্চাৰণ কৰোঁতে জিভাৰ পাছ অংশক পাছলৈ টানিব। সেইদৰে দ্বিতীয় শব্দৰ ëÂ ক ÿ ধ্বনিটোৰ পাছত সন্মুখ উচ্চ স্বৰধ্বনি ëÂ ই ÿ আছেবাবে ëÂ ক ÿ ধ্বনিটোৰ উচ্চাৰণ তালব্য হ'ব। ধ্বনিৰ এই উচ্চাৰণগত পার্থক্য উচ্চাৰণাত্মক ধ্বনিবিজ্ঞানত আলোচনা কৰা হয় যদিও ইয়াৰ প্রমাণ সিদ্ধ বিশ্লেষণ তৰংগ ধ্বনিবিজ্ঞানৰ দ্বাৰাহে সহজসাধ্য হয়।

সাধাৰণতে ধ্বনি প্রয়োগৰ ওপৰত নির্ভৰ কৰি ধ্বনিৰ পৰা বর্ণ আৰু উপবর্ণ বা উপধ্বনি নির্ণয় কৰা হয়। বাগধ্বনিসমূহ যেতিয়া আমি অভিন্ন পৰিৱেশত উপস্থাপন কৰি বর্ণ নির্ণয় কৰোঁ, তেতিয়া সেই ধ্বনি সংযুক্ত শব্দৰ ওপৰত নির্ভৰ কৰোঁ। এই ফালৰ পৰা চাবলৈ গ'লে ধ্বনিৰ পৰা বর্ণ নির্ণয়ৰ ক্ষেত্রত তৰংগ ধ্বনিবিজ্ঞানৰ বিশেষ ভূমিকা নাই যেন লাগে। কিন্তু ভালদৰে বিচাৰ কৰি চালে দেখা যায় যে, বহুতো ভাষাত ধ্বনিৰ পৰা বর্ণ আৰু উপবর্ণ নির্ণয়ত যথেষ্ট সমস্যাৰ সৃষ্টি হয়। কাৰণ কিছুমান ভাষাত মহাপ্রাণ বর্ণ, সঘোষ বর্ণ আদিৰ বর্ণগত মূল্য নথকা যেন লাগে। কিন্তু তেনে বহুতো ভাষাত মহাপ্রাণ, ঘোষ আদি ধ্বনিগুণৰ উপস্থিতি পোৱা যায়। এই ধৰণৰ বিষয়বোৰৰ অধ্যয়ন আৰু বিশ্লেষণ তৰংগ ধ্বনিবিজ্ঞানে সামৰি লৈ ইয়াৰ সমাধানৰ উপায় উলিয়াই দিয়ে।

(ঘ) **অবিভাজ্য বা উপাহিত ধ্বনি ঃ** উচ্চাৰণাত্মক ধ্বনিবিজ্ঞানৰ দ্বাৰা অবিভাজ্য বা উপাহিত ধ্বনিসমূহ ব্যাখ্যা কৰা এটা জটিল কাম। কাৰণ এই ধ্বনিসমূহ বিভাজ্য বা আনুক্রমিক ধ্বনিৰ আধাৰতহে প্রয়োগ হয়। আনুক্রমিক ধ্বনিৰ পৰা ইয়াৰ প্রকৃত ধ্বনিগুণ বিশ্লেষণ কৰি তাক সাধাৰণভাৱে ব্যাখ্যা কৰিব পাৰিলেও ইয়াৰ স্বৰূপ বুজিবলৈ যথেষ্ট জটিল হয়। ধ্বনিৰ উচ্চাৰণত প্রকাশ পোৱা সুৰৰ পার্থক্য, শব্দৰ অক্ষৰত পৰা শ্বাসাঘাত, বাক্যৰ সুৰলহৰ আদিৰ পার্থক্য শুনিব বুজিব পাৰিলেও তাক বিচাৰি উলিওৱা বা ব্যাখ্যা কৰি বৈশিষ্ট্যসমূহ প্রকাশ কৰা সহজ নহয়। তৰংগ ধ্বনিবিজ্ঞানৰ বিভিন্ন পদ্ধতিৰ দ্বাৰা ধ্বনি উচ্চাৰণৰ ভৌতিক গুণসমূহ বিশ্লেষণ কৰি বাগধ্বনিৰ উপাহিত বা অবিভাজ্য বৈশিষ্ট্যসমূহ উলিয়াব পৰা যায়।

১৪.৩.৪ ধ্বনিবিজ্ঞান অধ্যয়নত ব্যৱহৃত যন্ত্রপাতি আৰু শেহতীয়া অগ্রগতি

বাগধ্বনিৰ তৰংগ ধ্বনিবৈজ্ঞানিক অধ্যয়ন হ'ল প্রকৃততে ধ্বনিসমূহৰ যান্ত্রিক বিশ্লেষণ। বাগধ্বনিৰ বিশ্লেষণত প্রয়োগ হোৱা যান্ত্রিক পদ্ধতিৰ এক দীঘলীয়া ইতিহাস

পোৱা যায়। এই ইতিহাসক বিভিন্ন স্তৰত এনেদৰে ভাগ কৰিব পৰা যায়—

(ক) **সূচনা কাল ঃ** (ঊনবিংশ শতিকাৰ সত্তৰ দশকৰ পৰা বিংশ শতিকাৰ পঞ্চাশৰ দশকলৈ) 1877 চনত টমাচ আলভা এডিচনে আৱিষ্কাৰ কৰা ফ'ন'গ্রাফে ভাষাৰ গৱেষণাত যন্ত্র প্রয়োগৰ সূচনা কৰে বুলিব পাৰি। 1930 চনত ফ'ন'গ্রাফৰ বিকশিত ৰূপ প্লেট'নাৰ'ফ'ন, মেগনেট'নাৰফ'ন আদিৰ প্রয়োগে ভাষিক তথ্যৰ বাণীবন্ধন আৰু পুনৰ শ্রৱণ সহজসাধ্য কৰি তোলে। 1945 চনত জার্মান বিজ্ঞানীসকলে চেলুলয়ডৰ পাতল প্রলেপযুক্ত তাঁৰ লোৰ অক্সাইডৰ (Iron Oxide)ৰ সৈতে লগ লগাই ধ্বনি বাণীবদ্ধ কৰা কার্যত ব্যৱহাৰ কৰি বিশেষ সফলতা লাভ কৰে।

(খ) **প্রতিষ্ঠা কাল ঃ** (বিংশ শতিকাৰ ষাঠিৰ দশকৰ পৰা আশীৰ দশকলৈ) এই কালছোৱাত টেপ ৰেকর্ডাৰৰ ক্ষীপ্র বিকাশ আৰু বিশ্বৰ বিভিন্ন দেশত ভাষা-গৱেষণাগাৰ প্রতিষ্ঠা হয়। ভাষাৰ যান্ত্রিক অধ্যয়নৰ ক্ষেত্রত বিশ্বব্যাপি চলা আলোচনা আৰু অধ্যয়নৰ দ্বাৰা ভাষা বিশ্লেষণত যন্ত্রৰ প্রয়োগক আনুষ্ঠানিকতা প্রদান কৰা হয়। 1975 চনত জাপানৰ বৈদ্যুতিন যন্ত্র উৎপাদনকাৰী কোম্পানী চ'নীয়ে (Sony) শ্রব্য গীত এনালগ পদ্ধতিৰ পৰা ডিজিটেল পদ্ধতিলৈ সলনি কৰিব পৰা পদ্ধতি উদ্ভাৱন কৰি সঁজুলিসমূহ ব্যৱসায় ভিত্তিত উৎপাদন কৰিবলৈ সক্ষম হয়। 1979 চনত আমেৰিকাৰ বিখ্যাত সংগীতজ্ঞ Rylan Peterৰ Bop till you drop শীর্ষক গীতৰ এলবামটো ডিজিটেল পদ্ধতিত বাণীবদ্ধ কৰি বজাৰত মুকলি কৰি দিয়ে। এই পদ্ধতিয়ে নৱৈ দশকৰ পৰা ভাষাৰ গৱেষণাত এনালগ পদ্ধতিৰ পৰা ডিজিটেল পদ্ধতিলৈ কৰা পৰিৱর্তনত উল্লেখযোগ্য ভূমিকা গ্রহণ কৰে।

(গ) **বিকাশৰ কাল ঃ** (নৱৈ দশকৰ পৰা বর্তমানলৈ) এনালগ পদ্ধতিৰ সলনি ডিজিটেল পদ্ধতিত বাণীবদ্ধ কৰিব পৰা প্রক্রিয়াই প্রকৃতার্থত ভাষাবিজ্ঞানৰ অধ্যয়নত যন্ত্রৰ প্রয়োগক সূচল কৰি তোলে। কিয়নো এনালগ ৰূপত বাণীবদ্ধ তথ্য কম্পিউটাৰৰ দ্বাৰা বিশ্লেষণ কৰিব পৰা নাযায়। কম্পিউটাৰত কেৱল ডিজিটেল ৰূপৰ তথ্যহে বিশ্লেষণ কৰিব পাৰি বাবে ইমান দিনে সংগৃহীত তথ্য গৱেষকসকলে পুনৰ শ্রৱণৰ জৰিয়তেহে বিশ্লেষণ কৰি আহিছিল। সেয়েহে ফ'ন'গ্রাফৰ পৰা চুম্বকীয় ফিটাযুক্ত বাণীবদ্ধক যন্ত্রলৈকে যান্ত্রিক পদ্ধতিৰে কৰা ভাষাবিশ্লেষণতকৈ ভাষা শিকনতহে অধিক প্রয়োগ হৈছিল। কিন্তু বাণীবদ্ধ তথ্য ডিজিটেল ৰূপলৈ পৰিৱর্তন কৰিব পৰা আৰু পোনে পোনে ডিজেটেল ৰূপত বাণীবদ্ধ কৰিব পৰা কার্যই ভাষা গৱেষণাৰ ক্ষেত্রত কম্পিউটাৰক প্রকৃত ৰূপত কার্যক্ষম কৰি তোলে। ইয়াৰ পাছৰ পৰাই ভাষা বিশ্লেষণৰ বাবে বিভিন্ন সঁজুলি নির্মাণ হ'বলৈ ধৰে আৰু ভাষাৰ তৰংগ ধ্বনিৰ বৈজ্ঞানিক অধ্যয়ন আৰু গৱেষণাৰ বিকাশ দ্রুততৰ হয়।

সাম্প্রতিক সময়ত ধ্বনিতাত্ত্বিক সমল সংগ্রহত ব্যৱহৃত যন্ত্র বা সঁজুলিসমূহ

হ'ল—

মাইক্র'ফ'ন ঃ তৰংগ ধ্বনিবিজ্ঞানত বাণীবদ্ধ কৰা তথ্যৰ ওপৰতে সর্বাধিক নির্ভৰ কৰিবলগীয়া হয়। গতিকে তথ্য বাণীবদ্ধ কৰাৰ বাবে বাণীবদ্ধক যন্ত্রৰ সৈতে সংযুক্ত কৰা মাইক্র'ফ'ন এক উল্লেখযোগ্য আৰু অপৰিহার্য অংগ। ধ্বনিতাত্ত্বিক সমল সংগ্রহৰ বাবে বিভিন্ন প্রকাৰৰ মাইক্র'ফ'ন পোৱা যায় যদিও, তথ্যসমূহ শুদ্ধ আৰু প্রকৃতি ব্যৱহাৰ যোগ্য ৰূপত সংগ্রহ কৰিবলৈ কিছুমান বিশেষ মানসম্পন্ন মাইক্র'ফ'ন ব্যৱহাৰ কৰা উচিত।

ম'ন' আৰু ষ্টেৰীয় মাইক্র'ফ'ন ঃ ম'ন' মাইক্র'ফ'নত বাণীবদ্ধ কৰা বাবে এটা মাত্র চেনেল থাকে আৰু ষ্টেৰীঅ' মাইক্র'ফ'নত এটাতকৈ অধিক চেনেল সংযুক্ত থাকে। ষ্টেৰীঅ' মাইক্র'ফ'নৰৰ দ্বাৰা বাণীবদ্ধ কৰা ধ্বনিৰ তৰংগ বিশ্লেষণত একাধিক চেনেলৰ ধ্বনি তৰংগ দেখা পোৱা যায়।


ডাইনেমিক আৰু কণ্ডেনচাৰযুক্ত মাইক্র'ফ'ন ঃ ডাইনেমিক মাইক্র'ফ'নত অতিৰিক্ত বিজুলী শক্তিৰ প্রয়োজন নহয়, কিন্তু কণ্ডেনচাৰচুক্ত মাইক্র'ফ'নত অতিৰিক্ত বেটেৰী বা 'Plug in' বা Phqntom Power' সংযুক্ত কৰা থাকে। কণ্ডেনচাৰ যুক্ত মাইক্র'ফ'ন তুলনামূলকভাৱে অধিক সূক্ষ্ম আৰু শক্তিশালী।

পূর্ব-সংস্থাপিত (Inbuilt or internal) মাইক্র'ফ'ন বা অতিৰিক্ত বা বাহ্যিক (additional or external) মাইক্র'ফ'ন ঃ কম্পিউটাৰ বা কোনো বাণীবর্দ্ধক যন্ত্রত পূর্ব সংস্থাপিত মাইক্র'ফ'ন থাকে, যাৰ দ্বাৰা আমি কোনো বাহ্যিক মাইক্র'ফ'নৰ সহায় নোলোৱাকৈ তথ্য বাণীবদ্ধ কৰিও মাইক্র'ফ'ন ব্যৱহাৰ কৰিব পাৰোঁ। তৰংগ-ধ্বনিবৈজ্ঞানিক অধ্যয়নত পূর্ব সংস্থাপিত মাইক্র'ফ'নতকৈ বাহ্যিক মাইক্র'ফ'ন অধিক উপযোগী।

বহুদিনীয়া আৰু একদিশীয় মাইক্র'ফ'ন ঃ বহুদিনীয়া মাইক্র'ফ'নত ইয়াৰ চাৰিওফালৰ পৰাই অহা ধ্বনি বাণীবদ্ধ কৰিব পাৰি। কিন্তু একদেশীয় মাইক্র'ফ'নৰ দ্বাৰা এটা দিশৰ পৰা অহা ধ্বনিহে বাণীবদ্ধ কৰিব পাৰি। সাধাৰণতে বন্ধ কোঠাৰ ভিতৰত বাণীবদ্ধ কৰাৰ বাবে একদিশীয় মাইক্র'ফ'নৰ প্রয়োগ কৰা হয় আৰু বিভিন্ন কথোপকথন বাণীবদ্ধ কৰাৰ বাবে বহুদিনীয়া মাইক্র'ফ'ন ব্যৱহাৰ কৰা হয়। কিন্তু কেতিয়াবা বাহিৰত বা মুকলি পৰিৱেশত যদি কেৱল ধ্বনি উচ্চাৰণ বিশ্লেষণৰ বাবে তথ্য সংগ্রহ কৰিবলগীয়া হয়, তেতিয়া একদিশীয় মাইক্র'ফ'নে যথেষ্ট সহায় কৰে। কাৰণ ই বাহিৰৰ প্রয়োজনীয় ধ্বনিসমূহ বাণীবদ্ধ হোৱাত বাধা প্রদান কৰে।

বাণীবদ্ধক যন্ত্র (Audio Recorder) ঃ ধ্বনিতাত্ত্বিক তথ্য সংগ্রহৰ বাবে আটাইতকৈ প্রয়োজনীয় সঁজুলি হৈছে বাণীবদ্ধক যন্ত্র। এই বাণীবদ্ধক যন্ত্রৰ মানৰ ওপৰতে ধ্বনিবিশ্লেষণৰ মান বহুখিনি নির্ভৰ কৰে। গতিকে গৱেষকসকলে বাণীবদ্ধক যন্ত্রৰ মান আৰু ইয়াৰ প্রয়োগ সম্পর্কে পোনতেই প্রয়োজনীয় জ্ঞান আহৰণ কৰি ল'ব

লাগে। বর্তমান সময়ৰ পৰা প্রায় এটা দশক আগলৈকে 'Digilal Audio Recorder (DAT) বাণীবদ্ধক যন্ত্রসমূহ ব্যৱহাৰ কৰা হৈছিল যদিও সাম্প্রতিক সময়ত এই যন্ত্র ধ্বনিবিজ্ঞানীসকলে ব্যৱহাৰযোগ্য বুলি নাভাবে। ইয়াৰ প্রধান কাৰণ হ'ল, ই তুলনামূলকভাৱে অধিক মূল্যৰ আৰু ইয়াৰ ব্যৱহাৰ কিছু পৰিমাণে জটিল। সেইদৰে ধূলি আৰু জলীয় বাষ্পই ইয়াৰ তথ্য সহজে নষ্ট কৰিব পাৰে। সেয়েহে বর্তমান সময়ত ধ্বনিবিজ্ঞানীসকলে উৎকৃষ্ট মানৰ বাণীবদ্ধক যন্ত্র 'Solid State Recorder' ব্যৱহাৰ কৰে। এই যন্ত্রসমূহৰ দ্বাৰা কৰা বাণীবদ্ধ উচ্চমানৰ হয় আৰু এই তথ্যসমূহ অতি সহজে অন্য সঁজুলিলৈ স্থানান্তৰ কৰিব পাৰি। ইয়াত অতিৰিক্ত মেমৰী কার্ড সংযোগ কৰিব পৰা সুবিধা থকাৰ বাবে বহু তথ্য সংৰক্ষণ কৰিব পাৰি আৰু যথেষ্ট সময় ধৰি একেৰাহে বাণীবদ্ধ কৰিব পৰা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ধ্বনিবিজ্ঞান কাক বোলে? ইয়াৰ ভাগসমূহ কি কি? (150টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ ধ্বনিবিজ্ঞানত ব্যৱহৃত যন্ত্রপাতিৰ আভাস দিয়া। (150টা শব্দৰ ভিতৰত)

.....

১৪.৪ অসমীয়া ভাষা লেখনত প্রযুক্তিৰ প্রয়োগ

বর্তমান সময়ত কম্পিউটাৰ, স্মার্ট ফোন আদিত অসমীয়া ভাষা লিখিব পৰাকৈ অভিযন্তাসকলে কেইবাটাও ছফট্ৱেৰ নির্মাণ কৰি উলিয়াইছে। সেইবোৰৰ ভিতৰত ৰামধেনু (Ramdhenu), উইনলিপি (Winlipi), জাহ্নবী (Jahnabi), ৰ'দালি (Rodali), লিপিকাৰ (Lipikar), আক্রুতি (Akruti), শব্দলিপি (Sabdalipi), বাৰাহা (Baraha), লাচিত (Lachit), আঝাগি (Azjagi), মাইক্র'ছফট্ ইণ্ডিক ইনপুষ্ট 2 (Microsofit Indic Input 2), অভ্র, প্রমুখ, অন্বেষা ইত্যাদি।

কম্পিউটাৰত অসমীয়া লিখিব পৰাকৈ নির্মাণ কৰা এই ছফট্ৱেৰসমূহৰ কিছুমান বৈশিষ্ট্য আছে। ভাষা এটা লিখিব পৰাকৈ সেই ভাষাৰ লিপিৰ অনুৰূপ ফণ্ট কিছুমান নির্মাণ কৰি সেই ছফট্ৱেৰত সন্নিৰিষ্ট কৰা থাকে। উদাহৰণ স্বৰূপে, 'ৰামধেনু' ছফট্ৱেৰত অসমীয়া আখৰ লিখিবলৈ 'গীতাঞ্জলী' ফণ্ট নির্বাচন কৰিবলগীয়া হয়। একেদৰে 'উইনলিপি' ছফট্ৱেৰতো অসমীয়া লিখিবলৈ গীতাঞ্জলী ফণ্ট নির্বাচনৰ দৰকাৰ। গীতাঞ্জলী হৈছে অসমীয়া ভাষাৰ বহুল ব্যৱহৃত ফণ্ট। কম্পিউটাৰত অসমীয়া লিখিবলৈ হ'লে অসমীয়া লেখন ছফট্ৱেৰ আৰু অসমীয়া ফণ্টসমূহ সংশ্লিষ্ট কম্পিউটাৰত ইনষ্টল কৰি ল'ব লাগে।

মন কৰিবলগীয়া কথা যে কম্পিউটাৰ এটা সক্রিয় হ'বলৈ একোটা অপাৰেটিং চিষ্টেমৰ প্রয়োজন। অপাৰেটিং চিষ্টেমে কম্পিউটাৰৰ অভ্যন্তৰীণ কার্যসমূহ সম্পাদন কৰে। তেনে কিছুমান অপাৰেটিং চিষ্টেম হৈছে— মাইক্র'ছফট্ উইণ্ডজ, (microsft windows), মেকঅজ (macos), লিনাক্স (Linux) আদি। অপাৰেটিং চিষ্টেমৰ মাজতো বিভিন্ন প্রকাৰ থাকে। ইয়াৰে কিছুমান বিশেষ বিশেষ অপাৰেটিং চিষ্টেমতহে অসমীয়া লিখিব পৰা ছফট্ৰেৰ ইনষ্টল কৰিব পৰা যায়। অসমীয়া ভাষাৰ ছফট্ৰেৰবোৰ সাধাৰণতে ইউণ্ডজ অপাৰেটিং চিষ্টেমত কাম কৰিব পৰাকৈ নির্মাণ কৰা হয়।

অসমীয়া ভাষা লিখিবলৈ বহুল ব্যৱহৃত ছফট্ৰেৰটো হ'ল— ৰামধেনু। এই ছফট্ৰেৰটোত অসমীয়া, বাংলা, হিন্দী আদি ভাৰতীয় ভাষাসমূহ লিখিব পৰা যায়। ৰামধেনু ছফট্ৰেৰটোৰে উইণ্ডজ অপাৰেটিং চিষ্টেমত কাম কৰে। গীতাঞ্জলি ফণ্টত ইয়াত সহজে অসমীয়া ভাষা লিখিব পাৰি।

উইনলিপি (Winlipi) আন এটা অসমীয়া ভাষা লিখিব পৰা ছফট্ৰেৰ। এই ছফট্ৰেৰটোৰ সহায়তো উইণ্ডজ অপাৰেটিং চিষ্টেমত অসমীয়া লিখিব পৰা যায়। উইনলিপিৰ মূল এক্স (EXE) ফাইলটো ইনষ্টল কৰি গীতাঞ্জলি ফণ্টত অসমীয়া লিখিব পৰা যায়।

জাহ্নৱী ছফট্ৰেৰৰ সহায়ত পেজমেকাৰ মাইক্র'ছফট্ ৱর্ড আদিত অসমীয়া লিখিব পৰা যায়। পেজমেকাৰ বা ৱর্ডত অসমীয়া ভাষা লিখিবলৈ হ'লে গীতাঞ্জলি ফণ্ট নির্বাচন কৰি ল'ব লাগে। জাহ্নৱী ছফট্ৰেৰত থকা সুবিধাসমূহ হৈছে— লিখিবলৈ বিচৰা শব্দৰ স্বয়ংক্রিয় নির্দেশনা, বর্ণাশুদ্ধিৰ ইংগিত, ভুল বুলি ইংগিত দিয়া শব্দৰ সাম্ভাব্য শুদ্ধ শব্দসমূহ চাব পৰাৰ ব্যৱস্থা, সততে ব্যৱহৃত বাক্যাংশ দ্রুতভাৱে লিখিবলৈ ছর্টকাট, ইউনিক'ড ভিত্তিক আন সঁজুলিৰে লিখা বাক্য তুলি আনি বানান কৰিব পৰাৰ সুবিধা, প্রায় 700 শ কৰা যোজনা আৰু জতুৰা-ঠাঁচৰ সংগ্রহ ইত্যাদি।


ৰ'দালি (Rodali) ছফট্ৰেৰৰ সহায়ত এম. এছ. ৱর্ড, নোটপেড আদিত ফনেটিক কীব'র্ড ব্যৱহাৰ কৰি অসমীয়া বা ইংৰাজী লিখিব পৰা যায়। অসমীয়া লিখিবলৈ অসমীয়া মেনুখন বাছনি কৰিব লাগে।

আক্রুতি (Akruti) ছফট্ৰেৰটো ইনষ্টল কৰি পেজমেকাৰ, মাইক্রছফট্ ৱর্ড আদিত আখৰ লিখিব পৰা যায়। আক্রুতিত অসমীয়া লিখিব পৰা বিভিন্ন শৈলী (Style)ৰ ফণ্ট আছে। ইচ্ছা অনুসৰি বাছি ল'ব পৰা যায়।

অনিল বৰুৱাৰ সহজ ডি. টি. পি ছফট্ৰেৰৰ সহায়তো কম্পিউটাৰত অসমীয়া লিখিব পৰা যায়। ইয়াত পেছাদাৰী আৰু ন-শিকাৰুৰ কাৰণে দুখন কীব'র্ড সংলগ্ন কৰা হৈছে। ন-শিকাৰুসকলে অতি সহজে এই ছফট্ৰেৰ ব্যৱহাৰ কৰি অসমীয়া লিখিব পাৰে। ইয়াৰ বাহিৰেও এই ছফট্ৰেৰৰ সহায়ত ইউনিক'ডতো লিখিব পৰা যায়।

মন কৰিবলগীয়া কথা এয়ে যে সাম্প্রতিক সময়ত অসমীয়া লিখিব পৰা প্রায়বোৰ

ছফট্‌ৱেৰতে ইউনিক'ডত লিখিব পৰা ফণ্ট সন্নিৱিষ্ট কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অসমীয়া ভাষা লেখনত প্রয়োগ হোৱা ছফট্‌ৱেৰ সমূহৰ পৰিচয় আগবঢ়োৱা। (100টা শব্দৰ ভিতৰত)

.....

১৪.৪.২ ইউনিক'ড (Unicode)

ইউনিক'ড (Unicode) হৈছে কম্পিউটাৰ লিখন প্রণালীত থকা আখৰ বা চিনবোৰৰ সংহত নিয়মীকৰণ, নির্দেশনা আৰু প্রতিনিধিত্ব কৰিব পৰাকৈ ব্যৱহৃত এক কাৰিকৰী মান। 1991 চনত Unicode Consortium নামৰ অপেছাদাৰী সংস্থাটোৱে ইয়াক উদ্ভৱ কৰে। শেহতীয়াকৈ ইউনিক'ডে বিশ্বৰ 93 টা লিপিৰ 1,07,000 টা চিহ্নক সামৰি লৈছে। প্রধানতঃ ইউনিক'ড (Unicode) পদ্ধতিত বিশ্বৰ প্রায় সকলো ভাষাৰ লিপিসমূহ পর্যায়ক্রমে একো একোটা বিশেষ মানদণ্ডত ৰখা অথবা ৰাখিবলৈ চেষ্টা কৰা হৈছে। ইউনিক'ডে বিশ্বৰ প্রতিটো ভাষাৰ বর্ণমালাৰ বাবে একোটা সুকীয়া rangeৰ সৃষ্টি কৰিছে। যেনে— বাংলা ভাষাৰ বাবে U+0980 ৰ পৰা U+09FF, দেৱনাগৰী (হিন্দী) ৰ বাবে U+0900 ৰ পৰা U+097F, তামিলৰ বাবে U+0B80 ৰ পৰা U+0BFF লৈ ইত্যাদি। এনেদৰে বিশ্বৰ প্রতিটো লিপিৰ বাবে একোটা বিশেষ স্থান নির্ধাৰণ কৰাৰ ফলস্বৰূপে বর্তমান বিশ্বত ব্যৱহৃত হৈ থকা সকলো বৈদ্যুতিক সামগ্রীত (আৰু ভৱিষ্যতে আৱিস্কৃত হ'ব লগা সামগ্রীসমূহতো) বিশ্বৰ সকলো ভাষা ব্যৱহাৰ কৰিব পৰাটো সম্ভৱ হৈছে। ইউনিক'ড পদ্ধতি হোৱাৰ আগতে, বিশ্বৰ যিকেইটা ভাষা কম্পিউটাৰ মাধ্যমত ব্যৱহৃত হৈছিল, সেইসমূহৰ প্রত্যেকৰে সুকীয়া সুকীয়া পদ্ধতি আছিল। যাৰ ফলত সেই পদ্ধতিসমূহ নিজ নিজ দেশ বা অঞ্চলতহে ব্যৱহাৰ কৰিব পৰা গৈছিল। তদুপৰি কম্পিউটাৰত আঞ্চলিক ভাষাসমূহ লিখাৰ ক্ষেত্রতো নানানটা কাৰিকৰী অসুবিধা হৈছিল। কিন্তু ইউনিক'ড ব্যৱস্থাই এতিয়া যিকোনো প্লেটফ'র্মতে, যিকোনো প্রগামতে বা যিকোনো ভাষাতে একে ধৰণে লিখিব পৰা সুবিধা প্রদান কৰিছে।

ইউনিক'ড মানদণ্ড বর্তমান পৃথিৱীৰ সকলো বৃহৎ বৃহৎ কম্পিউটাৰ কোম্পানী Apple, HP, IBM, Microsoft আদিয়ে গ্রহণ কৰিছে। আনকি সকলো নতুন Operating System-ৰ ৱেব ব্রাউজাৰতো ইউনিক'ড পদ্ধতি সমর্থন কৰে। এই পদ্ধতিৰ ফলতে বর্তমান বিশ্বৰ যিকোনো ভাষাৰ লিপিৰ সকলো বৈদ্যুতিক মাধ্যমৰ যোগেদি দেখা বা লিখাত সহজ হৈ পৰিছে। বিশেষকৈ কম্পিউটাৰ তথা ইণ্টাৰনেটত প্রায় সকলো আঞ্চলিক ভাষাতে লিখাটো আৰু সেই সেই ভাষাসমূহ

সংৰক্ষণ কৰা সম্ভৱ হৈ পৰিছে। বৰ্তমান মাইক্ৰ'ছফটৰ সকলো নতুন অপাৰেটিং চিষ্টেমো ইউনিক'ড পদ্ধতিত লিখা হৈছে আৰু অতি সহজতে ইউনিক'ড অন্তর্গত ফ্রণ্টসমূহ সমর্থন কৰে।

ইউনিক'ড ফণ্ট ঃ ইউনিক'ড পদ্ধতিক সমর্থন কৰিবৰ বাবে কিছুমান বিশেষ ফণ্ট কম্পিউটাৰত থকাটো প্রয়োজন। ইউনিক'ড পদ্ধতি অৱলম্বন কৰি যিবোৰ ফণ্ট তৈয়াৰ কৰা হয় সেইবোৰেই হ'ল ইউনিক'ড ফণ্ট। ইউনিক'ড মানৰ ভিত্তিত নির্মিত জনপ্রিয় Software কেইটামান হৈছে— Avro, Xobdo KB, Baraha, Assamese Indic Input ইত্যাদি।

ইউনিক'ডত লিখাৰ প্রয়োজনীয়তা ঃ বৰ্তমান অসমীয়াকে ধৰি অন্যান্য আঞ্চলিক ভাষাসমূহৰ সংকটৰ বিষয়ে সময়ে সময়ে বিভিন্ন আলোচনা হোৱা দেখা যায়। ভাষা এটা সংকটগ্রস্ত হয় নে নহয় সেইটো নির্ধাৰণ কৰিবৰ বাবে ইউনেস্কোই (Unesco) কিছুমান বৈশিষ্ট্য উল্লেখ কৰিছে। সেই বৈশিষ্ট্যসমূহৰ ভিতৰত এটা উল্লেখযোগ্য বিষয় হৈছে 'প্রচাৰ মাধ্যম আৰু নব্য পৰিৱেশত ভাষাটোৰ অনুক্রিয়া, প্রধানতঃ আধুনিকতাৰ লগত ভাষাটো কি পৰিমাণে খাপ খাই পৰিছে।' এইটো নিঃসন্দেহ যে কম্পিউটাৰ আৰু ইণ্টাৰনেটৰ বহুল প্রয়োগেই হৈছে এই আধুনিকতাৰ মূল উৎস আৰু ইউনিক'ড পদ্ধতিয়েই হৈছে ইয়াক কার্যক্ষম কৰি তোলাৰ প্রধান ব্যৱস্থা। ইউনিক'ডৰ অবিহনে আমি আমাৰ ভাষাটোক কেতিয়াও বিশ্বজনীন কৰি তুলিব নোৱাৰোঁ।

ইউনিক'ডত অসমীয়া ভাষা-সাহিত্য ঃ ইউনিক'ডত অসমীয়া ভাষাৰ ইতিহাস বৰ বেছি পুৰণি নহয়। এই ক্ষেত্রত বাটকটীয়া আছিল ড^{0} যুগল কলিতা। তেওঁ প্রথমখন অসমীয়া ই-পত্র লিখিছিল বুলি জনা যায়। তাৰ পাছত ৰবিন ডেকাৰ আদর্শ ৰত্নে ফণ্ট ওলাই বহুদিন ধৰি কম্পিউটাৰ আৰু ইণ্টাৰনেটত বহুলভাৱে প্রচলিত হৈছিল। সেই সময়তে i-Leap, Ramdhenu, Lipiakr আদি Software বজাৰত ওলায়। এই সকলোবোৰে নিজা নিজা ক'ডিং পদ্ধতি (Coding System) ব্যৱহাৰ কৰিছিল। কিন্তু সেই সময়ত থকা সকলো Bloggত অসমীয়া আখৰ ছবি হিচাপে প্রকাশ পাইছিল। আনকি মাইক্ৰ'ছফট্ৰ পুৰণা অ'পাৰেটিং ছিষ্টেমসমূহ যেনে— Windows 98 অথবা Windows XPৰ আৰম্ভণিৰ সংস্কৰণবিলাকৰ লগতো ইউনিক'ড পদ্ধতি নাছিল, যাৰ ফলত সেই সময়ৰ কম্পিউটাৰত অন্য ভাষাত লিখা বা পঢ়াটো সম্ভৱ হৈ উঠা নাছিল। সেই সময়ত অসমীয়া লিখিবৰ বাবে বিশেষকৈ DTP আদিত 'ৰামধেনু'ৰ দৰে কিছুমান পদ্ধতি ব্যৱহাৰ কৰি অসমীয়া লিখিব পৰা গৈছিল। (DTP আদিত অসমীয়া লিখন পদ্ধতি এতিয়াও বহুলভাৱে ব্যৱহৃত হয়)। ক্রমে ক্রমে ইউনিক'ড ব্যৱহাৰ হোৱাৰ পিছত বহুতে অসমীয়া ইউনিক'ডত ব্লগ লিখিবলৈ আৰম্ভ কৰে। ড^{0} প্রিয়াংকু শর্মাক প্রথমজন অসমীয়া blogger বুলি জনা যায়। ইয়াৰ পাছত

2006 চনত www.xobdo.orgৰ জন্ম হয়। ই আছিল প্রথম dynamically updated অসমীয়া ৱেবচাইট। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্রচাৰৰ বাবে থকা আন এটা উল্লেখযোগ্য ৱেবচাইট প্রচাৰৰ বাবে থকা আন এটা উল্লেখযোগ্য ৱেবচাইট হ'ল ৱিকিপিডিয়াৰ অন্তর্গত অসমীয়া মুকলি বিশ্বকোষ (Assamese open content Wikipedia) www.as.wikipedia.org নামৰ এই ৱেবচাইটটোত সকলো সমল ইউনিক'ড পদ্ধতিৰে লিখা হয়। 'সঁফুৰা' হ'ল ইউনিক'ড পদ্ধতিৰে অসমীয়া ভাষা-সাহিত্যক সংৰক্ষণ কৰা এটা ৱেবচাইট। 'এনাজৰী' (www.enajori.com) হ'ল প্রথমখন অসমীয়া ইউনিক'ডত প্রকাশিত আলোচনী। ইয়াৰ পিছত অসমীয়া ভাষা-সাহিত্যিক ইউনিক'ড পদ্ধতিৰে প্রচাৰ কৰাত বিশেষ আগভাগ লয় ছ'চিয়েল নেটৱর্কিং চাইট ফেচবুকত জন্ম লাভ কৰা 'অসমীয়া কথা বতৰা', 'সাহিত্য' আদি গোটসমূহে।

১৪.৪.৩ অসমীয়া অনলাইন আৰু ছফ্‌ট্‌ৱেৰ অভিধান ইত্যাদি

যিবোৰ অভিধান কম্পিউটাৰত উপলব্ধ, ইণ্টাৰনেটৰ জৰিয়তে সহজে চাব পাৰি, তেনেবোৰ অভিধানকে বৈদ্যুতিন অভিধান বোলা হয়।

একবিংশ শতিকাতহে অসমীয়া ভাষাত বৈদ্যুতিন অভিধানৰ সূচনা হয়। অসমীয়া ভাষাৰ বৈদ্যুতিন অভিধানবোৰক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি। যেনে—

(1) ই-বুক অভিধান

(2) অনলাইন অভিধান

(3) ছফ্‌ট্‌ৱেৰ অভিধান।

(১) ই-বুক অভিধান ঃ অসমীয়া ভাষাত প্রকাশিত ই-বুক অভিধানখন হৈছে ফণীন্দ্র নাৰায়ণ দত্তবৰুৱা সম্পাদনাত প্রকাশিত 'পশ্চিম অসমীয়া শব্দকোষ' 202 চনত মহীশূৰৰ ভাৰতীয় ভাষা সংস্থানে (CIL) অভিধানখন প্রকাশ কৰে। অভিধানখনত পশ্চিম অসমত প্রচলিত ভাষাৰ শব্দবোৰ অন্তর্ভুক্ত কৰা হৈছে। প্রবিশিষ্টবোৰৰ অসমীয়া আৰু ইংৰাজীত অর্থ দিয়াৰ লগতে ব্যাকৰণৰ নির্দেশ আৰু উদাহৰণ দিয়া হৈছে। ব্যুৎপত্তি দিয়া হোৱা নাই। Internef-ত www.anukriti.ent-ত লগ ইন কৰি অভিধানখন চাব পাৰি।

(২) অনলাইন অভিধান ঃ অসমীয়া ভাষাৰ প্রথমখন অনলাইন অভিধান হৈছে 'শব্দ'। শব্দ সংঘৰ উদ্যোগত এই অভিধানখন 2006 চনৰ 14 এপ্রিলত মুকলি কৰা হয়। অসমীয়া ভাষাক মূল ভেটি হিচাপে লৈ প্রস্তুত কৰা এই অভিধানত বিভিন্ন জাতি-জনগোষ্ঠীৰ 27টা ভাষা তেওঁলোকৰ নিজা লিপিত অন্তর্ভুক্ত কৰা হৈছে। অভিধানখনত ফকৰা যোজনা খণ্ডবাক্য, পটন্তৰ, ঐতিহাসিক স্থান, চৰাই, জীৱ-জন্তু, ফল, চলচ্চিত্র, বিশিষ্ট লোকৰ পৰিচয়কে ধৰি বিশ্বকোষৰ দৰে শিতানো অন্তর্ভুক্ত কৰা

হৈছে। প্রবিষ্টিবোৰৰ ব্যাকৰণগত নির্দেশনাও দিয়া হৈছে। www.xobd.org অত লগ ইন কৰি Search box-ত প্রবিষ্টিৰ অর্থ নিৰূপক ভাষাৰ নাম লিখিলেই অর্থটো দৃশ্যমান হয়।

(৩) ছফট্ৱেৰ অভিধান ঃ 2010 চনত অসমীয়া ভাষাৰ প্রথমখন ছফট্ৱেৰ অভিধান প্রকাশ পায়। অভিধানখনত প্রবিশিষ্টবোৰৰ অর্থ অসমীয়াত দিয়াৰ লগতে ব্যাকৰণগত নির্দেশো দিয়া হৈছে। অভিধানখনৰ লগতে এই ছফট্ৱেৰত অসম, ভাৰত তথা বিশ্বৰ বিভিন্ন বিষয় সম্বলিত বিশ্বকোষ, ফকৰা-যোজনা, সমার্থক শব্দ, বিপৰীত শব্দ, বিভিন্ন ধৰণৰ ছবি সন্নিৱিষ্ট হৈছে। ইয়াৰ উপৰি এই অভিধান ছফট্ৱেৰত Common Words শিতানত দৈনন্দিন জীৱনত ব্যৱহৃত বিভিন্ন বিষয়ৰ শব্দৰ লগতে মাছ, চৰাই, গছ, ফল, ফুল আদিৰ অসমীয়া নাম, ইংৰাজী নাম আৰু বৈজ্ঞানিক নাম সন্নিৱিষ্ট কৰা হৈছে। Official Words শিতানত কার্যালয়, আদালত আদিত ব্যৱহৃত বিভিন্ন শব্দৰ ইংৰাজী-অসমীয়া আৰু অসমীয়া-ইংৰাজী দুই ধৰণে সন্নিৱিষ্ট কৰা হৈছে। অভিধানখনত সন্নিৱিষ্ট ছবিসমূহ ডাউনল'ড কৰাৰো সুবিধা আছে।

2012 চনত দুর্লভ গগৈৰ 'সহজ সন্ধান অভিধান' নামৰ অসমীয়া ভাষাৰ দ্বিতীয়খন ছফট্ৱেৰ অভিধান প্রকাশ পায়। 65,285 টা শব্দ সন্নিৱিষ্ট অভিধানখনত শব্দবিলাকৰ অসমীয়াৰ লগতে ইংৰাজী অর্থত দিয়া হৈছে। অভিধানখনত ফকৰা যোজনা, বিপৰীতার্থক শব্দৰ তালিকা, অসমীয়া সমাজ-সংস্কৃতি প্রকৃতি বিষয়ক ছবি, অসমীয়া ভাষাত লিখা-মেলা কৰোঁতে সাধাৰণতে ভুল হোৱা বানানসমূহৰ শুদ্ধ ৰূপৰ তালিকা, ব্যাকৰণৰ কিছুমান উল্লেখযোগ্য নিয়ম, সততে বিভ্রান্তিৰ সৃষ্টি কৰা কিছুমান শব্দৰ উচ্চাৰণৰ নির্দেশ আদিও অন্তর্ভুক্ত হৈছে।

অসমীয়া ভাষাৰ ধ্বনি আৰু লেখনৰ দিশত বিজ্ঞান আৰু প্রযুক্তিৰ প্রয়োগ এতিয়াও আৰম্ভণি বা চালুকীয়া অৱস্থাতে আছে। এতিয়াও অসমৰ বিশ্ববিদ্যালয়সমূহত ভাষা-গৱেষণাগাৰ কর্মঠ ৰূপত গঢ় লৈ উঠা নাই। দুই-এগৰাকী ভাষাবিজ্ঞানীয়েহে অসমীয়া ধ্বনিসমূহৰ বৈজ্ঞানিক বিশেষণত আগবাঢ়ি আহিছে। সেইদৰে অসমীয়া ধ্বনিসমূহৰ বৈজ্ঞানিক বিশ্লেষণ সন্নিৱিষ্ট কিতাপ-পত্রৰো অভাৱ পৰিলক্ষিত হয়।

অসমীয়া ভাষাৰ লেখনৰ ক্ষেত্রতো বিজ্ঞান আৰু প্রযুক্তিৰ প্রয়োগে বহুখিনি পৰিৱর্তন আনিছে।

এই ক্ষেত্রত আমি ছপা বা মুদ্রন ব্যৱস্থাৰ কথা উনুকিয়াব পাৰোঁ। আগৰ মুদ্রণ ব্যৱস্থাৰ সলনি বর্তমান কম্পিউটাৰ প্রযুক্তি সম্বলিত মুদ্রণ ব্যৱস্থাই অসমীয়া পুথি প্রকাশৰ ক্ষেত্রত সুচলতা আনি দিছে।

এইখিনিতে উল্লেখনীয় যে বর্তমান সময়তো অসমীয়া লেখনত গীতাঞ্জলী ফণ্টৰহে ব্যৱহাৰ অধিক। কিতাপ-পত্র, সংবাদ-পত্র আদিত ই ফণ্ট অধিক প্রচলিত। কিন্তু এই গীতাঞ্জলী ফণ্ট ইউনিক'ড সমর্থিত নহয়। সেয়েহে বর্তমানো ইণ্টাৰনেটত অসমীয়া ভাষাই অধিক প্রসাৰতা লাভ কৰা নাই। তথাপি বর্তমান সময়ত এই ক্ষেত্রত

অসমীয়া শিক্ষিত শ্রেণীটো সামাজিক মাধ্যমত ইউনিক'ডত লিখাৰ প্রতি আগবাঢ়ি আহিছে। এয়া অসমীয়া ভাষাৰ কাৰণে শুভ লক্ষণ বুলিব পাৰি।



১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষাৰ অধ্যয়নক যি দৰে ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু অর্থতত্ত্ব এই চাৰিখন ক্ষেত্রত ভাগ কৰা হৈছে। ঠিক একেদৰে ধ্বনিবিজ্ঞানকো, উচ্চাৰণাত্মক ধ্বনিবিজ্ঞান, তৰংগ ধ্বনিবিজ্ঞান আৰু শ্রৱণাত্মক ধ্বনিবিজ্ঞান এই তিনিটা ভাগত ভাগ কৰা হৈছে।
- তৰংগ ধ্বনিবিজ্ঞানত মানুহৰ বাগধ্বনিৰ দ্বাৰা উচ্চাৰিত বাগধ্বনিসমূহৰ দ্বাৰা সৃষ্ট ধ্বনি তৰংগৰ সংবহন প্রক্রিয়াৰ ওপৰত গুৰুত্ব দিয়া হয়।
- তৰংগ ধ্বনিবিজ্ঞানত বিভিন্ন বৈজ্ঞানিক প্রযুক্তি আৰু যন্ত্রপাতি ব্যৱহাৰ কৰি ধ্বনিসমূহৰ গুণাগুণ, বৈশিষ্ট্য আদি নির্ণয় কৰা হয়।
- বিজ্ঞান আৰু প্রযুক্তিৰ প্রয়োগে অসমীয়া ভাষাৰ লেখনত ভালেখিনি পৰিৱর্তন আনিছে। কম্পিউটাৰ প্রযুক্তিৰ প্রয়োগে অসমীয়া ভাষাৰ মুদ্রণ ব্যৱস্থা সহজ-সুচল কৰি তুলিছে।
- অসমীয়া ভাষা কম্পিউটাৰত লিখিব পৰাকৈ ৰামধেনু, উইনলিপি, অভ্র, বৰাহা, জাহ্নবী, লাচিত, ৰ'দালি, আক্রুতি আদি ছফ্‌ট্‌ৱেৰ নির্মিত হৈছে।
- ইউনিক'ড পদ্ধতিত অসমীয়া ভাষা লিখিব পৰা হোৱাৰে পৰা অসমীয়া ভাষা-সাহিত্যই আন্তর্জাতিক প্রসাৰতা লাভ কৰিবলৈ সক্ষম হৈছে।



১৪.৬ অধিক জানিবলৈ


অসমীয়া গ্রন্থ ঃ

1] কোঁৰৰ, অর্পণা (2002) ঃ ভাষাবিজ্ঞান উপক্রমনিকা; বনলতা, ডিব্রুগড়।

2] মৰল, দীপঙ্কৰ (2007) ঃ ব্যৱহাৰক ধ্বনিবিজ্ঞান; বনলতা, গুৱাহাটী।

3] শর্মা, ভাস্কৰজ্যোতি (2019) ঃ তৰংগ ধ্বনিবিজ্ঞান; অসম বুক হাইভ, পাণবজাৰ, গুৱাহাটী।

4] শর্মা, ভাস্কৰজ্যোতি (2017) ঃ ভাষা অধ্যয়নত যন্ত্রৰ প্রয়োগ (প্রৱন্ধ)। ভাষা বিজ্ঞানৰ গতি-প্রকৃতি। নাহেন্দু পাদুন (সম্পা.)। আদৰণি সমিতি। অসম সাহিত্য সভাৰ শতবর্ষীয় অধিৱেশন 2017।



১৪.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ ধ্বনিবিজ্ঞানৰ সংজ্ঞা.....ধ্বনিবিজ্ঞানৰ ভাগসমূহ.....পৰিচয়।

২নং প্রশ্নৰ উত্তৰ ঃ মাইক্র'ফন.....মন' আৰু ষ্টেৰীঅ' মাইক্র'ফ'ন.....পূর্ব সংস্থাপিত মাইক্র'ফ'ন.....বাহ্যিক বা অতিৰিক্ত মাইক্র'ফ'ন.....বহুদিনীয়া মাইক্র'ফ'ন..... একদিশীয় মাইক্র'ফ'ন.....বাণীবদ্ধক মন্ত্র.....।

৩নং প্রশ্নৰ উত্তৰ ঃ ৰামধেনু.....উইনলিপি.....জাহ্নবী.....ৰ'দালি.....আক্রুতি.....।



১৪.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ তৰংগ ধ্বনিবিজ্ঞান কাক বোলে?

প্রশ্ন ১ ঃ তৰংগ ধ্বনিবিজ্ঞান অধ্যয়নৰ প্রয়োজনীয়তা সম্পর্কে আলোচনা কৰক।

প্রশ্ন ১ ঃ ভাষাৰ যান্ত্রিক অধ্যয়নৰ ইতিহাস সম্পর্কে আলোচনা কৰক।

প্রশ্ন ১ ঃ ইউনিক'ড সম্পর্কে আলোচনা কৰক।

প্রশ্ন ১ ঃ অসমীয়া ভাষাৰ অনলাইন আৰু ছফটৱেৰ অভিধান সম্পর্কে লিখক।

*** ***** ***



প্রসঙ্গ পুথি

অসমীয়া গ্রন্থ ঃ

১। গোস্বামী, উপেন্দ্র নাথ, (২০১৬) ঃ বৈষ্ণৱ ভক্তিধাৰা আৰু সন্তকাব্য, গুৱাহাটী ঃ মণিমানিক প্রকাশ।

২। কোঁৱৰ, অর্পণা; ২০০২ ভাষাবিজ্ঞান উপক্রমণিকা, গুৱাহাটী ঃ বনলতা।

৩। কোঁৱৰ, অর্পনা (১৯৯৫) ঃ ভাষা সাহিত্য অধ্যয়ন, ডিব্রুগড় ঃ বনলতা।

৪। গোস্বামী, গোলোকচন্দ্র (১৯৯৯) ঃ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৫। গোস্বামী, গোলোক চন্দ্র (১৯৯০) ঃ অসমীয়া বর্ণ প্রকাশ, গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৬। গোস্বামী, উপেন্দ্রনাথ (২০১৫) ঃ ভাষাবিজ্ঞান, মণি-মানিক গুৱাহাটী প্রকাশ।

৭। গোস্বামী, উপেন্দ্রনাথ (২০১৫) ঃ অসমীয়া ভাষাৰ ব্যাকৰণ, গুৱাহাটী মণি-মানিক প্রকাশ ।

৮। গোস্বামী, গোলকচন্দ্র (১৯৯৬) ঃ অসমীয়া বর্ণ প্রকাশ, গুৱাহাটী বীণা লাইব্রেৰী।

৯। গোস্বামী, গোলকচন্দ্র (২০১৪) ঃ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, গুৱাহাটী বীণা লাইব্রেৰী।

১০। গোস্বামী, গোলোকচন্দ্র (২০১৪) ঃ ধ্বনি বিজ্ঞানৰ ভূমিকা, গুৱাহাটী বীণা লাইব্রেৰী।

১১। গোস্বামী, উপেন্দ্রনাথ (১৯৯৫) ঃ অসমীয়া ভাষাৰ ৰূপকথা, মণি-মাণিক প্রকাশ, গুৱাহাটী।

১২। গোস্বামী, গোলোকচন্দ্র (২০০০) ঃ অসমীয়া ব্যাকৰণ প্রবেশ, বীণা লাইব্রেৰী, গুৱাহাটী।

13¾ গোস্বামী, গোলোক চন্দ্র (2004) ঃ অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, গুৱাহাটী ঃ বীণা লাইব্রেৰী।

14¼ গোস্বামী, উপেন্দ্র নাথ (২০০২) ঃ অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি বিকাশ বৰুৱা এজেন্সী, গুৱাহাটী।

১৫। ঠাকুৰ, নগেন (১৯৯১) ঃ পৃথিৱীৰ বিভিন্ন ভাষা, গুৱাহাটী ঃ জ্যোতি প্রকাশন।

১৬। দত্ত বৰুৱা, ফণীন্দ্র নাৰায়ণ (২০০৬) ঃ আধনিক ভাষা বিজ্ঞান পৰিচয়, ডিব্রুগড় ঃ বনলতা।

১৭। দত্তবৰুৱা, ফনীন্দ্র নাৰায়ণ (২০০৬) ঃ প্রয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা , গুৱাহাটী বনলতা।

১৮। নাথ, প্রফুল্ল কুমাৰ (১৯৯৭) ঃ অসমীয়া ভাষাৰ অধ্যয়ন, ডিব্রুগড় ঃ বনলতা।
হাজৰিকা, জ্যোতিৰেখা।

১৯। নাথ, প্রফুল্ল কুমাৰ আৰু হাজৰিকা জ্যোতি ৰেখা (১৯৯৭) ঃ অসমীয়া ভাষাৰ অধ্যয়ন, গুৱাহাটী বনলতা।

20¼ ডেকা, খগেশ সেন (২০১৬) ঃ ভাষা চিন্তাৰ ৰেঙণি। জ্যোতি প্রকাশন, গুৱাহাটী।

২১। ডেকা, খগেশ সেন, 2017 ঃ *ব্যাকৰণ ঃ তত্ত্ব আৰু তাত্ত্বিক*। বান্ধৱ, গুৱাহাটী।
২২। পাদুন, নাহেন্দ্র (সম্পা.) (১৯৯৩) ঃ ভাষা তত্ত্ব-কথা শিৱসাগৱ ঃ আদৰণী সমিতি, অসম সাহিত্য সভাৰ ঊনষষ্ঠিতম শিৱসাগৱ অধিৱেশন।
২৩। পাঠক, ৰমেশ (১৯৮৮) ঃ ব্যাকৰণ আৰু প্রকৃতি বিজ্ঞান, গুৱাহাটী ঃ বীণা লাইব্রেৰী।
২৪। পাঠক, ৰমেশ (২০১৪) ঃ অসমীয়া ভাষাৰ ইতিহাস, অশোক বুক ষ্টল গুৱাহাটী।
২৫। ফুকন পাটগিৰী, দিপ্তী (২০১০) আধুনিক অসমীয়া ব্যাকৰণ, গোলাঘাট ঃ সৰস্বতী প্রকাশন।
২৬। বৰা, লীলাৱতী শইকীয়া (২০১৬) ঃ সংস্কৃত পালি-প্রাকৃত আৰু অসমীয়া ব্যাকৰণ। বনলতা, গুৱাহাটী।
২৭। বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৯২) ঃ অসমীয়া ভাষা আৰু সংস্কৃতি,জার্ণাল এম্পৰিয়াম।
২৮। ভট্টাচার্য্য, বসন্ত কুমাৰ (১৯৯৩) ঃ ভাষা বিজ্ঞান প্ররেশ, গুৱাহাটী ঃ চন্দ্র প্রকাশ।
২৯। ভৰালী, শৈলেন (সম্পা.) (১৯৯৬); অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতি, চন্দ্র প্রকাশ
৩০। মৰল, দীপাংকৰ (2007)ঃ ব্যৱহাৰিক ধ্বনি বিজ্ঞান, গুৱাহাটী ঃ বনলতা।
৩১। মহন্ত, সুবাসনা (২০০৩) ঃ উদ্ভৱকালীন অসমীয়া ভাষা। বনলতা, ডিব্রুগড়।
৩২। ৰমেশ, পাঠক (১৯৯১) ঃ ভাষাবিজ্ঞানৰ ভূমিকা, গুৱাহাটী ঃ অৰুণ প্রকাশ।
৩৩। ৰাভা হাকাচাম, উপেন (২০০৭) ঃ অসমীয়া আৰু অসমৰ তিব্বত বর্মীয় ভাষা, মঞ্জুলা ৰাভা হাকাচাম।
৩৪। শইকীয়া বৰা, লীলাৱতী (২০০৬) ঃ অসমীয়া ভাষাৰ ৰূপতত্ব, গুৱাহাটী ঃ বনলতা।
35। শইকীয়া বৰা, লীলাৱতী (২০১৬) ঃ অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ব, গুৱাহাটী ঃ চন্দ্রপ্রকাশ।
৩৬। হাজৰিকা, পৰীক্ষিত (২০০৮) ঃ চর্যাপদ। ডালিমী প্রকাশন, গুৱাহাটী।
৩৭। হাজৰিকা, বিশ্বেশ্বৰ (অনু) (২০০২) ঃ অসমীয়া ভাষাৰ গঠন আৰু বিকাশ মূল ঃ ড° বাণীকান্ত কাকতি। বীণা লাইব্রেৰী, গুৱাহাটী।
৩৮। হাজৰিকা, লক্ষী (২০১৩), ভাষাবিজ্ঞান আৰু অসমীয়া, ভাষাবিজ্ঞান পৰিচিত, অশোক পাব্লিকেচন, গুৱাহাটী।

ইংৰাজী গ্রন্থ ঃ

1. Armfield, N. (1931) General Phonetics, Cambridge
2. Ashloy, Mond Maidment, J. (2007) : *Introducing Phonetic Science*, Cambridge University Press, UK
3. Bloomfield, L. (1994) : Languge, Delhi
4. Chatterji, Suniti kumar (1970) : The Origin and Development of the Bengali Language, George Allen & Unwin Ltd, London.

5. Gleason, H.A (1962) : An Introduction to Descriptive Language, Newyork.
6. G. Allen, M.J. Ball : *International Phonetic Alphabet,* Hill, Kenneth C.; Pullum, Geoffrey K.; Ladusae, William (March 1988). ‘‘Review of Phonetic symbol guide by G. K. Pullum & W. Ladusaw”. Language 64 (1) : 143-144.doi : 10.2307/414792.
7. Gleason, H. A (1995) : *An Introduction to Descriptive Linguistics*, Oxford & IBH Publishing PVT. Ltd. New Delhi.
8. Hockett, C.F (1955) : A Manual of Phonology, Baltimore.
9. International, (1999) : *Handbook of The International* Phonetic Association *Phonetic Association : A guide to the uge of the International Phonetic Alphabet.* Cambridge : Cambdrige University Press.
10. Kaiser, L. (Ed.) (1957) : Manual of Phonetics, Amsterdum.
11. Kakati, Banikanta (1995) : Assamese, Its Formation and Development, LBS Publication.
12. Ladefoged, Peter (1996) : *The Sounds of the World’s Languages*. Oxford : Blackwell.
13. MackMahon, (1996) : *Phonetic Notation*. In P. T. Daniels and W. Bright (eds.)
14. Michael K. C. : *The World’s Writing Systems*, New York.
15. Pike, K. L. (1969) : *Phonetics,* University of Misigan Press.
16. Varshney, R. L. (1988) : An Introductory Text Book of Linguistics and Phonetics, Bareilly, Student Store